NABAJYOTI COLLEGE
KALGACHIA
ESTD 1971
LEARN, LABOUR & SERVE

নৱজ্যোতি মহাবিদ্যালয়, কলগাছিয়া



# নৱজ্যোতি

## অষ্টবিংশতিতম্ আলোচনী

ইং ২০১৫-১৬ বর্ষ







**তত্বাৱধায়কদ্বয়**
ড° যোগেন্দ্র ঝা
ড° নিতু চহৰীয়া

**সম্পাদক**
মাজিদুল ইছলাম

## মহাবিদ্যালয়ত অনুষ্ঠিত কেতবোৰ বিশেষ অনুষ্ঠানৰ স্মৃতিচিহ্ন



৪৫ তম্ মহাবিদ্যালয় সপ্তাহৰ মুকলি সভাত ভাষণৰত অৱস্থাত মুখ্য অতিথি মাননীয় ৰেকিবুদ্দিন আহমেদ (সেই সময়ৰ সংসদীয় সচিব, অসম চৰকাৰ)




পদাৰ্থ বিজ্ঞান বিভাগৰ দ্বাৰা আয়োজিত ‘ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস’ ৰ বক্তৃতানুষ্ঠানত ভাষণৰত অৱস্থাত সমল ব্যক্তি ড° ৰবীন কুমাৰ দত্ত



গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা মহাবিদ্যালয়ৰ অসমীয়া, আৰবী আৰু ইতিহাস বিভাগৰ পৰিদৰ্শনৰ বাবে অহা পৰ্যবেক্ষক দল




নৰজ্যোতি মহাবিদ্যালয়ৰ কেন্দ্ৰীয় পুথিভঁৰাল পৰ্যবেক্ষণ কৰা গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰ্যবেক্ষক দল



মহাবিদ্যালয়ৰ প্ৰাণীবিজ্ঞান বিভাগৰ সহযোগী অধ্যাপক ড° এম. এছ শ্বেইখৰ স্বৰচিত গ্ৰন্থ ‘Muslims in Assam’ ৰ উন্মোচনী অনুষ্ঠান



নাইজেৰিয়াৰ আফিজ কাইদী আৰু ৰাষ্ট্ৰীয় পৰ্য্যায়ৰ খেলুৱৈ হাচমত আলীৰ সহযোগত মহাবিদ্যালয়ৰ এলুমিনি এছ'ছিয়েচনৰ উদ্যোগত আয়োজিত ফুটবল প্ৰশিক্ষণ



মহাবিদ্যালয়ত ‘আন্তঃৰাষ্ট্ৰীয় মহিলা দিৱস উদ্‌যাপন'ত আমন্ত্ৰিত মুখ্য অতিথি ডাঃ ফৰজানা হাবিবা আহমেদৰ সৈতে অধ্যাপিকা আৰু ছাত্ৰীসকল




নৰজ্যোতি মহাবিদ্যালয়ৰ এলুমিনি এছ'ছিয়েচনৰ দ্বাৰা আয়োজিত স্বাস্থ্য পৰীক্ষা শিবিৰ

# নৱজ্যোতি

নৰজ্যোতি মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী

(নৰজ্যোতি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ আলোচনী বিভাগৰ বাৰ্ষিক পুঁজিৰে প্ৰকাশিত)

NABAJYOTI COLLEGE
KALGACHIA
ESTD 1971
LEARN, LABOUR & SERVE

অষ্টবিংশতিতম্ আলোচনী
ইং ২০১৫-২০১৬ বৰ্ষ।

শ্ৰদ্ধাৰে/মৰমেৰে,

শ্ৰী /শ্ৰীমতী........................................................................................

........................................................................................ৰ হাতত তুলি দিয়া হ'ল।

—ধন্যবাদ।

তত্ত্বাৱধায়ক
ড° যোগেন্দ্ৰ ঝা, সহযোগী অধ্যাপক, ইংৰাজী বিভাগ।
ড° নিতু চহৰীয়া, সহকাৰী অধ্যাপিকা, অসমীয়া বিভাগ।

সম্পাদক
মাজিদুল ইছলাম, আলোচনী বিভাগ।
ছাত্ৰ একতা সভা, নৰজ্যোতি মহাবিদ্যালয়, কলগাছিয়া।

"Nabajyoti" An Annual Magazine, Published by Editorial Board, Magazine
Nabajyoti College, Kalgachia.

## সম্পাদনা সমিতি


সভাপতি ঃ ড° ছাহজাহান আলী আহমেদ, অধ্যক্ষ, নৱজ্যোতি মহাবিদ্যালয়, কলগাছিয়া।

তত্ত্বাৱধায়কদ্বয় ঃ ড° যোগেন্দ্ৰ ঝা, সহযোগী অধ্যাপক, ইংৰাজী বিভাগ।
ঃ ড° নিতু চহৰীয়া, সহকাৰী অধ্যাপিকা, অসমীয়া বিভাগ।

সম্পাদক ঃ মাজিদুল ইছলাম, আলোচনী বিভাগ।

সদস্য /সদস্যা ঃ চামচুল হক, সহযোগী অধ্যাপক, অৰ্থনীতি বিভাগ।
ঃ ড° ফখৰুল আলম, সহকাৰী অধ্যাপক, ৰাজনীতি বিজ্ঞান বিভাগ।
ঃ খন্দঃ আশ্ৰাফুল আলম, সাধাৰণ সম্পাদক, ছাত্ৰ একতা সভা।

বেটুপাত পৰিকল্পনা আৰু অংগসজ্জা ঃ ড° নিতু চহৰীয়া, সহকাৰী অধ্যাপিকা, অসমীয়া বিভাগ।


ফটোগ্ৰাফী ঃ সুশীল কুমাৰ সৰকাৰ, মুৰব্বী অধ্যাপক, প্ৰাণী বিজ্ঞান বিভাগ।
ঃ ড° এম. এছ. খ্বেইখ, সহযোগী অধ্যাপক, প্ৰাণী বিজ্ঞান বিভাগ।
ঃ ড° নিতু চহৰীয়া, সহকাৰী অধ্যাপিকা, অসমীয়া বিভাগ।
ঃ মাজিদুল ইছলাম, সম্পাদক, আলোচনী বিভাগ।

বেটুপাত অংকন ঃ নিখিলেশ দাস (ইম্প্ৰেচন)

অক্ষৰ বিন্যাস ঃ সুৰজীত তালুকদাৰ (ইম্প্ৰেচন)


মুদ্ৰণ ঃ ইম্প্ৰেচন, সৰভোগ

# একাঁজলি শ্ৰদ্ধাঞ্জলি



আমি শ্ৰদ্ধাৰে সুঁৱৰিছো অসমৰ ভ্ৰাম্যমান থিয়েটাৰৰ পিতৃপুৰুষ, 'কমল কুমাৰী ৰাষ্ট্ৰীয় বঁটা'ৰে সন্মানিত বিশিষ্ট নাট্যকাৰ, অভিনেতা, পৰিচালক, প্ৰযোজক অচ্যুত লহকৰ দেৱক; পদ্মশ্ৰী, সাহিত্য অকাডেমী, অসম উপত্যকা বঁটা প্ৰাপ্ত, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি বিশিষ্ট লেখক, কবি তথা সমালোচক মহিম বৰা দেৱক; জ্ঞানপীঠ, পদ্মশ্ৰী, সাহিত্য অকাডেমী বঁটা বিজয়ী, প্ৰখ্যাত কথাশিল্পী তথা সমাজ সেৱিকা মহাশ্বেতা দেৱীৰ লগতে সেইসকল বৰেণ্য ব্যক্তিক যিসকলে বিগত বছৰবোৰত মানৱ জাতিৰ প্ৰতি আগবঢ়াই গ'ল শিক্ষা, সাহিত্য, সংস্কৃতিৰ অনবদ্য অৱদান। আমাৰ মাজৰ পৰা আঁতৰি যোৱা এইসকল নমস্য ব্যক্তিলৈ এই বিশেষ পৃষ্ঠাত আমাৰ হিয়াভৰা অশ্ৰু-অঞ্জলি নিবেদন কৰিলোঁ।

সম্পাদনা সমিতি
'নৱজ্যোতি'

## নৰজ্যোতি মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা সকলৰ দ্বাৰা ইং ২০১৫-১৬ বৰ্ষত প্ৰকাশিত গ্ৰন্থ আৰু আলোচনীসমূহ




# —ঃ অৰ্পণ ঃ—



নৰজ্যোতি মহাবিদ্যালয়ৰ জন্মকালৰে পৰা বৰ্তমানলৈ যিসকল বিদ্যানুৰাগী তথা সামাজিকভাৱে দায়বদ্ধ ব্যক্তিৰ আশাশুধীয়া প্ৰচেষ্টাৰ ফলস্বৰূপে নৰজ্যোতি মহাবিদ্যালয়ে আজি গৌৰৱোজ্জ্বল পঞ্চলিশটা বছৰ গৰকি জ্ঞানৰ শিখাৰে নতুন প্ৰজন্মক বাট দেখুৱাই আগুৱাই নিছে তেওঁলোক সকলোলৈ নৰজ্যোতি মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনীৰ অষ্টবিংশতিতম সংখ্যাটি আন্তৰিকতাৰে অৰ্পণ কৰিলোঁ।



**সম্পাদনা সমিতি**
**'নৰজ্যোতি'**

## সম্পাদনা সমিতিৰ টোকা

আলোচনীখনত প্ৰকাশিত লিখনিসমূহ
লেখক-লেখিকাৰ নিজা বৌদ্ধিক সৃষ্টিৰ ফচল বুলি
গণ্য কৰা হৈছে। অৱশ্যে প্ৰয়োজন
সাপেক্ষে কিছুমান লিখনিৰ ওপৰত
হাত বুলোৱা হৈছে। যদি কোনোৱে
আনৰ লিখনি সম্পূৰ্ণভাৱে বা আংশিকৰূপে নকল কৰিছে
আৰু
আমাৰ অজ্ঞাতে আলোচনীখনত ঠাই পাইছে
সেয়া গৰিহণাযোগ্য।
তাৰ বাবে আলোচনীৰ
সম্পাদনা সমিতি দায়ী নহয়।
অনিচ্ছাকৃত ভুলৰ বাবে
সম্পাদনা সমিতি সকলোৰে ওচৰত ক্ষমাপ্ৰাৰ্থী।

**DR. HIMANTA BISWA SARMA,** MA, LLB, Ph.D
**Minister, Government of Assam**
*Finance, P&D, Health & F.W., Education, Guwahati Development Department, Tourism, Cooperation, Handloom & Textile (Khadi & Village Industry), Pension & Public Grievance*

সত্যমেৱ জয়তে

*Assam Secretariat (Block-E)*
*Dispur, Guwahati-781 006*
*Telephone No. : (0361) 2237315*
*Fax : 0361-2237012*
*email : himantab@hotmail.com*



## শুভেচ্ছাবাণী

নৰজ্যোতি কলেজ, কলগাছিয়াৰ বাৰ্ষিক আলোচনী 'নৰজ্যোতি'ৰ ২০১৫-১৬ বৰ্ষৰ সংখ্যাটি প্ৰকাশৰ যো-জা কৰা বুলি জানিবলৈ পাই সুখী হৈছো।

বাৰ্ষিক আলোচনী এখনে শিক্ষানুষ্ঠান এখনৰ বৌদ্ধিক প্ৰতিচ্ছবি প্ৰতিফলিত কৰে। আশা ৰাখিছোঁ নৰজ্যোতি কলেজৰ শিক্ষাৰ্থীসকলে 'নৰজ্যোতি'ৰ জৰিয়তে সৃষ্টিশীল চিন্তাধাৰা আৰু প্ৰতিভা বিকাশৰ সুযোগ পোৱাৰ লগতে এই আলোচনীখনত শিক্ষা, সাহিত্য, সমাজ সম্পৰ্কীয় মূল্যবান লিখনি প্ৰকাশ পাব।

আশা ৰাখিছোঁ মহাবিদ্যালয়খনে অনাগত দিনবোৰত আৰু অধিক শিক্ষাৰ্থীক জ্ঞানৰ বন্তিৰে আলোকিত কৰি বিদ্যাৰ্থীবৃন্দৰ সোণোৱালী সপোনবোৰ বাস্তৱত ৰূপায়িত কৰাৰ লগতে শিক্ষানুষ্ঠানখনৰ অধ্যাপক-অধ্যাপিকাবৃন্দই সুস্থ শৈক্ষিক বাতাবৰণ সৃষ্টিৰে মহাবিদ্যালয়খনক আৰু অধিক আগবঢ়াই নিবলৈ যত্নপৰ হ'ব।

নৰজ্যোতি কলেজৰ উত্তৰোত্তৰ উন্নতি কামনা কৰাৰ লগতে শিক্ষানুষ্ঠানখনৰ অধ্যাপক-অধ্যাপিকা, শিক্ষাৰ্থী তথা সমূহ কৰ্মচাৰীবৃন্দলৈ মোৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলোঁ।

(ড° হিমন্ত বিশ্ব শৰ্মা)

*Abdul Khaleque,* M.A. (Double)
44 Jania Constituency
Estimate Committee
Legislative Assembly
Press Secretary to the chief Minister, Assam

सत्यमेव जयते

**Residence**
**Present :** 307, New MLA Hostel
Dispur, Guwahati-06
**Permanent :** Vill- Bartari, P.O.- Langla
P.S.- Kalgachia, Dist.- Barpeta
**Email:** makhaleque@yahoo.com
**Call :** +91 94351-15864



# শুভেচ্ছা বাণী

কলগাছিয়াৰ নৱজ্যোতি মহাবিদ্যালয় অকল জনীয়া সমষ্টিৰে নহয়, সমগ্ৰ অসমৰ বঙ্গমূলীয় অসমীয়া মুছলমান অধ্যুষিত এলেকাৰ উচ্চ শিক্ষাৰ প্ৰথমখন শিক্ষানুষ্ঠান। ১৯৭১ চনত স্থাপিত এই মহাবিদ্যালয়খনে বৰ্তমানৰ পৰ্যায়ত উপনীত হোৱাৰ ক্ষেত্ৰত বৰঙণি আগবঢ়োৱা সকলো জ্ঞাত-অজ্ঞাত ব্যক্তিলৈ এই ছেগতে মই মোৰ আন্তৰিক শ্ৰদ্ধাঞ্জলি যাচিছোঁ।

প্ৰতি বছৰৰ দৰে এইবেলিও মহাবিদ্যালয়খনৰ ছাত্ৰ একতা সভাই বাৰ্ষিক আলোচনীখন প্ৰকাশৰ যো-জা কৰাৰ কথা জানিব পাৰি মই নথৈ আনন্দিত হৈছোঁ। মই গভীৰ আশাবাদী, এই আলোচনীখনে মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীৰ সৃষ্টিশীল আৰু বৌদ্ধিক প্ৰতিভাৰ স্বাক্ষৰ বহন কৰিবলৈ সক্ষম হ'ব। অধ্যাপক-অধ্যাপিকা, অভিভাৱক, পৰিচালনা সমিতি আৰু ছাত্ৰ-ছাত্ৰী সকলোৰে সহযোগিতাত মহাবিদ্যালয়খন উৎকৃষ্টতাৰ এক কেন্দ্ৰ হোৱাৰ দিশে ধাৱমান হ'ব বুলিও আমি আশা কৰিছোঁ।

সকলোটিলৈ আন্তৰিক শুভেচ্ছাৰে—

২১/৯/১৬

*Md. Alauddin,* I.A.S. (Retd.)
**President**
**Governing Body**
Nabajyoti College, Kalgachia

Phone- 03666284422 (O)



# *MESSAGE*

*It gives me immense pleasure to learn that the annual magazine entitled "Nabajyoti" of Nabajyoti College, Kalgachia, Barpeta is being published soon for the academic session 2015-16.*

*For any educational institution its annual magazine forms an integral part of its entire assemble and more specifically for a premier institute of higher learning in a minority dominated area it assumes much significance. It not only reflects the scholastic as well as non-scholastic achievements of an institution but provides ample opportunity to budding writers to improve their literary skills also. It is hoped that the publication will be richly endowed with contributions from both the students and teaching and non-teaching community and will make interesting reading. I hope Nabajyoti College of Kalgachia, Barpeta will continue its mission in enriching the academic environment of the state by producing quality human resource for all round development and prosperity of the state and the nation.*

*I would like to convey my heartiest best wishes for the publication.*

**(Md. Alauddin)**

*OFFICE OF THE PRINCIPAL*

**NABAJYOTI COLLEGE, KALGACHIA**

P.O. Kalgachia. Dist. Barpeta, Assam, Pin- 781319

Estd.- 1971

From,


Dr. Shahjahan Ali Ahmed
M.A., M.Phil., Ph.D.
Principal /Secretary

Ph.03666 284422 (O)
99540 90780 (M)

Email:nabajyoticollege@gmail.com
shahjahan_max@yahoo.co.in

**Memo No.**

**Date.**



## অধ্যক্ষৰ মেজৰ পৰা............

ন সূৰুযৰ ৰাঙলী আভাই যিদৰে আশাৰ বতৰা কঢ়িয়াই আনে, তেনেদৰে কলগাছিয়াৰ ৰাইজৰ হিয়াৰ আমঠু নৱজ্যোতি মহাবিদ্যালয়ে জন্মলগ্নৰে পৰা জ্ঞান শিখাৰে চৌদিশ পোহৰাই সংখ্যালঘু অধ্যুষিত বৃহত্তৰ কলগাছিয়া অঞ্চলৰ নৱপ্ৰজন্মক উচ্চ শিক্ষাৰ বাট কাটি আগুৱাই যাবলৈ প্ৰেৰণা দি আহিছে। আলোক সন্ধানী নৱজ্যোতি মহাবিদ্যালয়ৰ প্ৰতিজন নৱজ্যোতিয়ানৰ বৌদ্ধিক অনুশীলনৰ মুখ্য আখৰা থলি হ'ল— মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী 'নৱজ্যোতি'। মহাবিদ্যালয়খনৰ শৈক্ষিক জগতৰ চিৰসেউজীয়া দাপোণ তথা নৱ চিন্তাধাৰাৰ বোৱতী সুঁতিও হ'ল 'নৱজ্যোতি'। সেয়েহে, বিগত বছৰসমূহৰ দৰে নৱজ্যোতি মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী (২০১৫-২০১৬ বৰ্ষ) প্ৰকাশৰ দুৱাৰ দলিত বুলি জানি নথৈ আনন্দিত হৈছোঁ। মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনীখনে সময়ৰ কষটি শিলত অতি গুৰুত্বপূৰ্ণ ভূমিকা লোৱা দেখা যায়। কিয়নো বাৰ্ষিক মুখপত্ৰখনেই হৈছে মহাবিদ্যালয় পৰিয়ালৰ বছৰটোৰ বিদ্যায়তনিক দিশৰ দলিল স্বৰূপ।

বৰ্তমান নৱপ্ৰজন্ম এনেকুৱা সন্ধিক্ষণত উপনীত হৈছে যে, এচামে শৈক্ষিক ক্ষেত্ৰত সফলতাৰ উচ্চ শিখৰত আৰোহণ কৰিছে আৰু আন এচামে সহজলভ্য জাক্‌জমকতাৰ প্ৰতি আকৰ্ষিত হৈ নিজ কৰ্তব্যক অৱহেলা কৰি আধাতে শিক্ষা সাং কৰাৰ ফলত সমাজখনক আগবঢ়াই নিয়াৰ দায়িত্বৰ পৰা ফালৰি কাটি আহিছে। সেয়েহে প্ৰতিজন শিক্ষক, অভিভাৱক আৰু নাগৰিকৰ প্ৰধান কৰ্তব্য আৰু দায়িত্ব হোৱা উচিত, নিজৰ ছাত্ৰ, সন্তান আৰু আমাৰ যুৱচামক 'মানুহ' কৰি গঢ়ি তোলাতো। তেহে আগন্তুক কঠিন সময়ৰ প্ৰত্যাহ্বানক হেলাৰঙে অতিক্ৰমি সমাজখন আগবাঢ়িব।

স্বৰ্তব্য যে, বৰ্তমান সময়ৰ তাগিদাত শিক্ষা ব্যৱস্থাত বৃত্তিমুখী শিক্ষা প্ৰৱৰ্তন বাৰুকৈয়ে প্ৰয়োজন। সেয়েহে, ছাত্ৰ-ছাত্ৰীসকলে জ্ঞান আহৰণৰ লগে লগে যাতে বৃত্তিমুখী শিক্ষাৰ জৰিয়তে নিজক গঢ়ি তুলিব পাৰে, তাৰ বাবে ৰাইজ আৰু চৰকাৰে সৰ্বোতোপ্ৰকাৰে চেষ্টা চলাব লাগিব। লগতে প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীয়েও নিজৰ জীৱনটো সুন্দৰকৈ গঢ়াৰ বাবে সময়ৰ প্ৰতি দৃষ্টি ৰাখি নিজৰ কৰ্তব্য পালন কৰি যোৱাটোও বাঞ্ছনীয়। সময়ৰ শৰ সময়ত মাৰিব নোৱাৰিলে শৰ পহুৰ মঙহ খাব নোৱাৰি বুলি অসমীয়াত এষাৰ কথা আছে। সেয়েহে, অমূল্য ছাত্ৰ জীৱনৰ বহুমূলীয়া সময়ৰ অপব্যৱহাৰ নকৰি, অনৰ্থক কামত সময় খৰছ কৰাতকৈ নিজৰ ভৱিষ্যৎ জীৱন গঢ় দিয়া কামত সময় ব্যয় কৰা হয়, তাৰ প্ৰতি আটাইয়ে সচেষ্ট হোৱাটো অতীৱ প্ৰয়োজনীয় কথা।

আশা কৰিছো মহাবিদ্যালয়ৰ এই বৰ্ষৰ আলোচনীখনে ছাত্ৰ-ছাত্ৰীৰ মানসিক দিগন্ত প্ৰসাৰিত কৰাত নিৰ্ণায়ক ভূমিকা গ্ৰহণ কৰিব। তেওঁলোকৰ উজ্জ্বল ভৱিষ্যৎ জীৱনৰ কামনাৰে.............

ড° ছাহজাহান আলী আহমেদ
অধ্যক্ষ
নৱজ্যোতি মহাবিদ্যালয়

## সম্পাদকীয়



বৰ্তমান সমাজ যিমানে উন্নতিৰ দিশে ধাৱমান নহওঁক কিয়, ই সমানে ধ্বংসৰ মুখলৈও গতি কৰিছে। মানৱ সমাজে ক্ৰমান্বয়ে হেৰুৱাব ধৰিছে বিশ্বাস, দয়া-মমতা, মৰম-সহানুভূতি। সমাজৰ ধ্বংসমুখী প্ৰবাহে নতুন প্ৰজন্মক উটুৱাই নিব ধৰিছে। মিছা অভিজাত্যৰ কাল গৰাহত পৰি বহুতেই হেৰুৱাইছে চিন্তা শক্তি। বিশ্বৰ অগ্ৰগামী দেশসমূহে যিসময়ত মহাকাশত মানুহৰ বাসস্থানৰ কথা চিন্তা কৰিছে সেই সময়ত আমাৰ নিচিনাবোৰে ক্ষুদ্ৰ স্বাৰ্থৰ হেতু সকলো বিসৰ্জন দিছোঁ। আমি হৈ পৰিছো আত্মকেন্দ্ৰিক। অনিশ্চিত ভৱিষ্যতে আমাক গ্ৰাস কৰিব ধৰিছে। ইয়াৰ কবলৰ পৰা মুক্ত হ'বলৈ প্ৰথমতে আমাৰ নিজৰ ওপৰত বিশ্বাস থাকিব লাগিব। নহ'লে কোন মুহূৰ্তত আমাৰ অস্তিত্ব সংকটাপন্ন হয় তাৰ ঠিকনা নাই।

মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনীখন মহাবিদ্যালয়ৰ বাবে এক অবিচ্ছেদ্য অংগৰ দৰে; কিয়নো মহাবিদ্যালয় এখনৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী তথা কৰ্মচাৰীবৃন্দৰ বৌদ্ধিক উত্তৰণ ঘটোৱাত তথা দাপোণৰ দৰে মহাবিদ্যালয়খনৰ প্ৰতিচ্ছবি দাঙি ধৰাত আলোচনীখনে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। এই ছেগতে যিসকল মহান দূৰদৰ্শী ব্যক্তিৰ আপ্ৰাণ প্ৰচেষ্টা, কঠোৰ পৰিশ্ৰম, ত্যাগ, অৰিহণা আৰু আশাশুধীয়া প্ৰয়াসৰ ফলশ্ৰুতিত সংখ্যালঘু অধ্যুষিত কলগাছিয়াৰ নিচিনা পিছপৰা অঞ্চলত নৱজ্যোতি মহাবিদ্যালয়খন গঢ় লৈ উঠিছে সেইসকল স্বনাম ধন্য ব্যক্তিলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। সেই ব্যক্তিসকলৰ ভিতৰত যিসকল আমাৰ মাজত জীয়াই আছে সেইসকল ব্যক্তিৰ দীৰ্ঘায়ু কামনা কৰিছোঁ আৰু যিসকলে এই সংসাৰৰ পৰা চিৰ বিদায় লৈছে সেই সকলৰ আত্মাৰ সদ্‌গতি কামনা কৰি সৃষ্টিকৰ্তাৰ ওচৰত প্ৰাৰ্থনা জনাইছোঁ।

যিসকল বন্ধু-বান্ধৱী, দাদা-বাইদেউ, ভাইটি, ভন্টিৰ অশেষ প্ৰচেষ্টা আৰু সহযোগিতাৰ ফলত মই নৱজ্যোতি মহাবিদ্যালয়ৰ ইং ২০১৫-১৬ বৰ্ষৰ আলোচনী সম্পাদকৰ পদ অলংকৃত কৰিব পাৰিছো তেখেতসকললৈ প্ৰতিবেদনৰ জৰিয়তে আন্তৰিক ধন্যবাদ ও কৃতজ্ঞতা যাচিছোঁ। বিশেষকৈ আৰবী, গুৰু বিষয় হিচাপে লৈ অধ্যয়ন কৰা ছাত্ৰ-ছাত্ৰী সকলে মোক কৰা সহায়-সহযোগিতা তথা সকলো সময়তে আগবঢ়োৱা সহায়-সহযোগিতাৰ বাবে তেখেত সকলক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

প্ৰতি বছৰৰ দৰে এই বেলিও 'নৱজ্যোতি মহাবিদ্যালয় সপ্তাহ'ত আলোচনী বিভাগৰ অধীনত বিভিন্ন ধৰণৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। এই প্ৰতিযোগিতাসমূহত ছাত্ৰ-ছাত্ৰীসকলৰ অংশগ্ৰহণ আছিল লেখত ল'বলগীয়া। এই প্ৰতিযোগিতাসমূহৰ জৰিয়তে গম পোৱা যায় যে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকল শিক্ষাৰ ক্ষেত্ৰত যথেষ্ট অগ্ৰসৰ হৈছে। যিয়েই নহওঁক যিসকল ছাত্ৰ-ছাত্ৰীয়ে এই প্ৰতিযোগিতা সমূহত অংশগ্ৰহণ কৰিছিল তেওঁলোকক আৰু যিসকল শিক্ষক-শিক্ষয়িত্ৰীয়ে বিচাৰকৰ আসন অলংকৃত কৰি মোক কৃতাৰ্থ কৰিছিল তেখেত সকলক মোৰ তৰফৰ পৰা আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। এই প্ৰতিযোগিতাসমূহৰ উপৰিও 'মহাবিদ্যালয় সপ্তাহ' উদ্‌যাপনৰ সময়তে প্ৰাচীৰ পত্ৰিকাখন সফল ভাৱে উন্মোচন কৰা হয়। এই প্ৰাচীৰ পত্ৰিকাখন উন্মোচন কৰাৰ ক্ষেত্ৰত তত্বাৱধায়িকা ড° নিতু চহৰীয়া বাইদেউৰ লগতে ষষ্ঠ ষান্মাসিকৰ ছাত্ৰী তাহমিনা বাইদেউৰ বিভিন্ন ধৰণৰ সহায়-সহযোগিতা সদায়েই মনত থাকিব। এই ছেগতে তেখেতসকলক মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ। প্ৰাচীৰ পত্ৰিকা 'প্ৰজ্ঞাজ্যোতি'খন গুৱাহাটী বিশ্ববিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপক ড° মুনিৰুল হুছেইন ছাৰে তেখেতৰ মূল্যাৱান সময় খৰচ কৰি উন্মোচন কৰিছিল। এই ছেগতে তেখেতকো মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছোঁ।

নৱজ্যোতি মহাবিদ্যালয়ৰ জন্মলগ্নৰে পৰা এতিয়ালৈকে এই সুদীৰ্ঘ সময়ছোৱাত প্ৰথমবাৰৰ বাবে এইবেলি মই 'ইভেন্ট মেগাজিন' এখন প্ৰকাশ কৰিবলৈ সক্ষম হৈছোঁ। যিহেতু মহাবিদ্যালয়ৰ বিভিন্ন কৃতিত্ব তথা অনুষ্ঠান আদিৰ আলোক চিত্ৰ এই

মেগাজিনখনত দিয়া হৈছে আৰু এইখন ছমাহৰ মূৰে মূৰে নতুনকৈ সজোৱা হ'ব সেয়েহে ইয়াৰ জৰিয়তে ছাত্ৰ ছাত্ৰীসকলে শিক্ষাৰ উপৰিও বিভিন্ন খেল ধেমালিত অংশ গ্ৰহণ কৰিবলৈ প্ৰেৰণা পাব। VIBGYOR শীৰ্ষক এই ইভেন্ট মেগাজিনখন প্ৰকাশ কৰাৰ কথা আলোচনী বিভাগৰ তত্বাৱধায়িকা হিচাপে থকা ড° নিতু চহৰীয়া বাইদেৱে প্ৰথমে চিন্তা কৰিছিল, তেখেতে যথেষ্ট পৰিমাণে দিহা-পৰামৰ্শ আগবঢ়োৱাৰ লগতে বিভিন্ন কাম কৰি দিয়াতহে মই এইখন উলিয়াবলৈ সক্ষম হ'লো। তেখেতৰ এই সহায় সহযোগিতা মোৰ চিৰস্মৰণীয় হৈ ৰ'ব।


নৱজ্যোতি মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী 'নৱজ্যোতি' প্ৰকাশৰ বাবে যিসকল ছাত্ৰ-ছাত্ৰী, শিক্ষক শিক্ষয়িত্ৰী তথা কৰ্মচাৰীয়ে তেখেত সকলৰ স্বৰচিত কবিতা /চুটিগল্প /চিন্তাশীল প্ৰবন্ধ ইত্যাদি মোৰ হাতত জমা দিছিল তেখেত সকলক মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ। ছাত্ৰ-ছাত্ৰী সকলে নিজৰ লিখনীৰ জৰিয়তে বৌদ্ধিক চিন্তা তথা সৃষ্টিশীল প্ৰতিভাৰ পৰিচয় দিছে।। সকলো ছাত্ৰ-ছাত্ৰীৰ লিখনীবোৰ অতি আকৰ্ষণীয় কিন্তু হয়তো কিছুমানৰ লিখনি আলোচনীত প্ৰকাশ পোৱা নাই। যিসকল ছাত্ৰ-ছাত্ৰীৰ লিখনি প্ৰকাশ পোৱা নাই তেখেত সকলৰ ওচৰত মই ক্ষমা প্ৰাৰ্থী।

আলোচনীখন প্ৰকাশৰ ক্ষেত্ৰত সৎ উপদেশ আৰু সহায়-সহযোগিতা আগবঢ়োৱাৰ বাবে তত্বৱধায়কদ্বয় ড° যোগেন্দ্ৰ ঝা ছাৰ আৰু ড° নিতু চহৰীয়া বাইদেউৰ লগতে সম্পাদনা সমিতিৰ সমূহ সদস্য-সদস্যাকে মোৰ আন্তৰিক শুভেচ্ছা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। বিশেষকৈ মাননীয় অধ্যক্ষ ড° ছাহজাহান আলী আহমেদ, ড° নিতু চহৰীয়া, ড° ফখৰুল আলম ছাৰে যি সৎ পৰামৰ্শ আৰু সহায় সহযোগিতা আগবঢ়াইছিল তাৰ বাবে মই চিৰ কৃতজ্ঞ হৈ ৰ'ম।

সদৌ শেষত মোৰ এবছৰীয়া কাৰ্যকালত অজানিতে হোৱা ভুলবোৰৰ শুধৰণি, ক্ষমা-প্ৰাৰ্থনা আৰু আশীৰ্বাদ বিচাৰি, মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰি আৰু মাননীয় শিক্ষাগুৰু সকলৰ ওচৰত মোৰ ভৱিষ্যৎ জীৱনৰ বাবে আশীৰ্বাদ বিচাৰি ক্ষুদ্ৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

*জয়তু নৱজ্যোতি মহাবিদ্যালয়।*
*জয়তু ছাত্ৰ একতা সভা।*
*জয় আই অসম।*

ধন্যবাদেৰে—
**মাজিদুল ইছলাম**
সম্পাদক, আলোচনী বিভাগ
নৱজ্যোতি মহাবিদ্যালয়, কলগাছিয়া



কৰ্মৰত অৱস্থাত আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ
ড° ছাহজাহান আলী আহমেদ



আলোচনী সম্পাদনা সমিতি, ২০১৫-১৬ ইং বৰ্ষ

বাওঁফালৰ পৰা ক্ৰমে ঃ অধ্যাপক চামচুল হক (সদস্য), অধ্যাপিকা ড° নিতু চহৰীয়া (তত্বাৱধায়িকা), ড° ছাহজাহান আলী আহমেদ (অধ্যক্ষ, সভাপতি), অধ্যাপক ড° যোগেশ্ব বা (তত্বাৱধায়ক), ড° ফখৰুল আলম (সদস্য), মাজিদুল ইছলাম (সম্পাদক), খন্দঃ আশ্ৰাফুল আলম (সদস্য) (অনুপস্থিত)

# "নৱজ্যোতি"ৰ পাতে পাতে....

## অসমীয়া শিতান

### প্ৰবন্ধ সম্ভাৰ


| | | |
|---|---|---|
| বৃহত্তৰ কলগাছিয়া অঞ্চলৰ খোৱাপানীত আৰ্চেনিকৰ............... | চৈয়দ কাইয়ুম কবীৰ আহমেদ | ১ |
| নৱজ্যোতি মহাবিদ্যালয়, কলগাছিয়াৰ ক্ৰমবিৱৰ্তন......... | ড° এম. এছ. শ্বেইখ | ৬ |
| কন্যা সন্তান আৰু আমাৰ সমাজ | মোঃ আতাউৰ ৰহমান | ১০ |
| লোক সংস্কৃতিত বাঁহ আৰু ইয়াৰ গুৰুত্ব | ঘনশ্যাম ভৰালী | ১৩ |
| কৃষ্ণগহ্বৰ আৰু মহাকৰ্ষনিক তৰংগ | কমৰুজ্জামান | ১৬ |
| কালৰ প্ৰবাহত নাৰীবাদৰ ধাৰণা | আজিজুৰ ৰহমান দেৱান | ১৯ |
| বৈদ্যুতিক প্ৰচাৰ মাধ্যম এফ.এম. আৰু অসমীয়া ভাষাৰ সংকট | ড° নিতু চহৰীয়া | ২১ |
| চৰ চাপৰিত প্ৰচলিত অন্ধ বিশ্বাস | আব্দুল খালেক | ২৫ |
| ৰাজনৈতিক উপন্যাস হিচাপে মৃত্যুঞ্জয় ঃ এক পৰ্য্যালোচনা | ড° ফখৰুল আলম | ২৮ |
| অৰ্থনৈতিক গোলকীকৰণ আৰু আমাৰ আৰ্থ-সামাজিক অৱস্থা | মোস্তাফিজুৰ ৰহমান | ৩১ |
| বন্ধুত্ব, ভালপোৱা আৰু প্ৰেম | শামচুল আলম | ৩৫ |
| আৰবী ভাষাৰ গুৰুত্ব আৰু ইয়াৰ প্ৰয়োজনীয়তা | ড° ইমৰুল হুছেইন | ৩৮ |
| বিজ্ঞান আৰু ইয়াৰ প্ৰভাৱ | জাকিৰুল ইছলাম | ৪০ |
| ব'লা দাৰ্জিলিঙলৈ যাওঁ | বুলবুল আক্তাৰ | ৪২ |
| ঐক্য সম্প্ৰীতিৰ সন্ধানত...... | মফিদা খাতুন | ৪৪ |
| সপোনৰ পৰিণাম | আছানুল হক | ৪৫ |
| তোমাৰ নাম ফাগুন | আলমিনা খাতুন | ৪৬ |


### গল্প সঁফুৰা


| | | |
|---|---|---|
| নৰ পিশাচ | য়াছমিন চিলিমা আহমেদ | ৪৮ |
| এয়াই .... সঁচা প্ৰেম | নিলিমা খাতুন | ৫০ |
| আমাৰ আধৰুৱা কাহিনী | ছানিদুল ইছলাম | ৫২ |


### কৱিতা কুঞ্জ


| | | |
|---|---|---|
| অসমাপ্ত যাত্ৰা | এ. কুদ্দুচ | ৫৫ |
| নেতাৰ বানপানী | হাফিজুৰ ৰহমান | ৫৫ |
| নাৰী | ছৈয়দা হামিদা খাতুন | ৫৬ |
| কোননো তুমি মায়াবিনী ? | মোস্তাফা মোবাৰক মুৰ্শ্বেদ | ৫৬ |
| ছানাবানি তোমালৈ শুভকামনা | ইনিয়াৰা খাতুন | ৫৭ |

মহাবিদ্যালয় 'নৱজ্যোতি' — মফিদা খাতুন — ৫৭
ছদ্মবেশী/ বৰ্তমানৰ অসম — তাহমিনা খাতুন/ শ্বহিদুল ইছলাম — ৫৮
সন্ত্ৰাস — মাজিদুল ইছলাম — ৫৯
শিক্ষক দিৱস / বসন্ত — নুৰ আলম খান /মিজানুৰ ৰহমান — ৬০
জীৱন /বিধাতাৰ নিষ্ঠুৰ অভিশাপ — নীলিমা খাতুন /মোহবুৰ হাচিনা পাৰবিন — ৬১
হৃদয়ৰ বতাহ জাক / মেগাজিন — আলমিনা খাতুন /নাজমা খাতুন — ৬২
মোৰ দৃষ্টিত তুমি /মানৱতা ক'ত — মোঃ হাফিজুৰ ৰহমান /আলমিনা খাতুন — ৬৩
জন্মভূমি / বন্ধুত্ব — আবুল হাছান / ৰাববুল আলম — ৬৪
সপোন /দেশ প্ৰেম — ইনচান আলী / ছৈয়দ নছিম আখতাৰ — ৬৫
বাট চাই থাকিলোঁ / মোৰ গাঁও — আব্দুৰ ৰহমান / মুছাৰফ হুছৈন — ৬৬

**English Section**


**PROSE**

Secrets of Success — Md. Nazmul Hoque — ৬৮
Financial Literacy A New Dimension ........... — B.K. Samal — ৭২
Indian Diaspora — Dr. Yogendra Jha — ৭৫
Advantges of N.C.C. Training To Students — Lt. Masud Hassan — ৭৮
Re-Thinking Ethnic Identity Politics....... — Dhrubajyoti Das — ৭৯
Globalization vis-a-vis human rights — Rajidul Islam — ৮৪

**POEM**

Flower in life — Sakinur Ahmed — ৮৬
Friendship — Baharul Islam Khan — ৮৬
My first pronouce with full breath — Nur Hasan — ৮৭
Love — Jamiul Islam — ৮৭
সৎ নিৰ্দেশনা — হৰেৰাম কুণ্ড — ৫১
কৌতুক — সংগ্ৰাহকঃ মফিদা খাতুন, ছুফিয়া খাতুন
মহৎলোকৰ বাণী — সংগ্ৰাহকঃ ইনছান আলী, মেহবুব হাছিনা পাৰবীন, আব্দুৰ ৰহমান
সাধাৰণ সম্পাদকৰ প্ৰতিবেদন — ৮৮
সহঃ সাধাৰণ সম্পাদিকাৰ প্ৰতিবেদন — ৮৯
তৰ্ক আৰু সুকুমাৰ কলা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন — ৯০
গুৰু খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন — ৯১
লঘু খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন — ৯২
সমাজ সেৱা বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন — ৯৩
শৰীৰ চৰ্চা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন — ৯৪
ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন — ৯৫
ছাত্ৰ জিৰণী কোঠাৰ সম্পাদকৰ প্ৰতিবেদন — ৯৬
List of Ex. Editors & Editress — ৯৭

# প্ৰবন্ধ সম্ভাৰ



# বৃহত্তৰ কলগাছিয়া অঞ্চলৰ খোৱাপানীত আৰ্চেনিকৰ উপস্থিতিৰ এক ক্ষেত্ৰভিত্তিক অনুসন্ধান ঃ এক ৰূপৰেখা

চৈয়দ কাইয়ুম কবীৰ আহমেদ
বিভাগীয় মুৰব্বী আৰু সহযোগী অধ্যাপক
ৰসায়ন বিজ্ঞান বিভাগ

● **আৰম্ভণীৰ পৰ্ব ঃ**

চলিত বছৰৰ ২৩ জানুৱাৰীত 'ৰসায়নিক শিক্ষা সমাজ ঃ অসম' ৰ (Society for chemical education : Assam)ৰ দ্বিবাৰ্ষিক অধিৱেশন, মৰিগাঁও জিলাৰ জাগিৰোড মহাবিদ্যালয়ত অনুষ্ঠিত হৈছিল। ৰসায়নিক শিক্ষা সমাজৰ এজন কাৰ্য্যনিৰ্বাহক সদস্য হিচাবে সেই অধিৱেশনলৈ আমিও আমন্ত্ৰিত হৈছিলো। সেই অধিবেশনতে লগ পাইছিলো তেজপুৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ ৰসায়ন বিজ্ঞান বিভাগৰ অধ্যাপক, আমাৰ বিশ্ববিদ্যালয়ৰ পঢ়াদিনৰে সহপাঠী ডঃ ৰবীন কুমাৰ দত্তক। ডঃ দত্তক আমন্ত্ৰিত কৰি অনা হৈছিল সেই অধিৱেশনৰে কাৰ্য্যসূচীত থকা জনপ্ৰিয় বক্তৃতা অনুষ্ঠান এটাৰ মুখ্যবক্তা হিচাবে। তেখেতৰ বক্তৃতাৰ বিষয় আছিল "খোৱাপানীত থকা আৰ্চেনিকৰ বিষক্ৰিয়া আৰু ইয়াৰ ভয়াবহতা, জনস্বাস্থ্যৰ প্ৰতি ইয়াৰ ভাবুকি।" আৰ্চেনিকৰ বিষক্ৰিয়াৰ ওপৰত তেওঁৰ গৱেষণা আৰু খোৱা পানীৰ পৰা ইয়াক আঁতৰোৱাৰ বাবে তেওঁ উদ্ভাৱন কৰা কম খৰচী পদ্ধতিটোৱে সকলোকে আকৰ্ষিত কৰাৰ দৰে আমাকো আকৰ্ষণ কৰিছিল। খোৱাপানীত থকা আৰ্চেনিকৰ উপস্থিতিয়ে হেনো গুপ্তঘাটকৰ দৰে কাম কৰে আৰু এজন মানুহৰ কৰ্কটৰোগৰ দৰে ভয়াবহ ৰোগৰ কাৰণ হ'ব পাৰে। কিয়নো আৰ্চেনিকে মানুহৰ শৰীৰত প্ৰবেশ কৰিলে লগে লগে ই শৰীৰত কোনো প্ৰতিক্ৰিয়া নেদেখুৱায়। অতি সন্তৰ্পনে আৰু সংগোপনে ই মানুহৰ শৰীৰৰ জৈৱিক ক্ৰিয়াবোৰত বাধা দিবলৈ আৰম্ভ কৰে আৰু অৱশেষত জিনীয় স্তৰৰ শৰীৰ ৰসায়নত হস্তক্ষেপ কৰে। আৰু ঠিক তেতিয়াই হেনো মানুহজনে নিজৰ শৰীৰত বিসংগতিবোৰ অনুভৱ কৰিবলৈ ধৰে আৰু এনে বিসংগতিবোৰকে চিকিৎসক এজনে কৰ্কটৰোগৰ লক্ষণ হিচাবে চিহ্নিত কৰে। তেতিয়ালৈ আৰু মানুহজনৰ কৰিবলৈ একো নাথাকে। মানুহজনে তিল তিলকৈ মৃত্যুৰ পিনে আগবাঢ়ে। এনেদৰে খোৱাপানীত আৰ্চেনিকৰ উপস্থিতিয়ে মানৱ শৰীৰত কৰ্কটৰোগৰ সৃষ্টি কৰে। এনেয়েও আমাৰ এই বৰপেটা জিলাখনত কৰ্কটৰোগৰ প্ৰাৰ্দুভাৱ অসমৰ অইন অইন অঞ্চলতকৈ বেছি। একেদৰে কলগাছিয়াৰ প্ৰত্যন্ত অঞ্চলসমূহ যেনে তিতাপানী, বালিকুৰি, বালাগাওঁ, ৰাঙাপানী আদিত ইয়াৰ প্ৰাদুৰ্ভাৱ বহুত বেছি। গতিকে এনেবোৰ অঞ্চলৰ মানুহৰ কৰ্কটৰোগৰ প্ৰাদুৰ্ভাৱ আৰু ভূগৰ্ভস্থ পানীত আৰ্চেনিকৰ উপস্থিতিৰ লগত এক যোগসূত্ৰ থকা যেন লাগিল। অধিৱেশনৰ শেষত ডঃ দত্তৰ লগত এই সম্পৰ্কে কথা পাতিলো। তেওঁৰে এই ক্ষেত্ৰত আগ্ৰহ প্ৰকাশ কৰিলে আৰু আমাৰ এই অঞ্চললৈ আহিব বুলি কথাও দিলে। এনেতে এটা সুযোগ মিলিল। আমাৰ মহাবিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগে অনুষ্ঠিত কৰি অহা ৰাষ্ট্ৰীয় বিজ্ঞান দিৱসৰ কাৰ্য্যসূচীৰ মাজত খোৱাপানীত থকা আৰ্চেনিকৰ ভয়াবহতা শীৰ্ষক এক বিশেষ বক্তৃতা অনুষ্ঠানৰ অন্তৰ্ভূক্তিৰে ডঃ ৰবীন দত্তক ২৯/২/২০১৬ ইং তাৰিখে আমন্ত্ৰণ কৰি অনা হ'ল। সেই দিনা ৰাষ্ট্ৰীয় বিজ্ঞান দিৱসত, আমাৰ





মহাবিদ্যালয়ৰ শিক্ষক, ছাত্ৰ-ছাত্ৰীসকলৰ উপস্থিতিত ডঃ দত্তৰ উক্ত বিষয়বস্তুৰ ওপৰত বক্তৃতা অনুষ্ঠানে সকলোকে আকৰ্ষিত কৰিলে। এইখিনিতে ডঃ ৰবীন দত্তৰ বিষয়ে কিঞ্চিত নিলিখিলে আমাক হয়তো অকৃতজ্ঞতাৰ দোষে চুব। নদীদ্বীপ মাজুলিৰ সন্তান ডঃ ৰবীন দত্ত এজন আন্তৰ্জাতিক খ্যাতি সম্পন্ন গৱেষক আৰু বৰ্ত্তমান তেজপুৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ ৰসায়ন বিজ্ঞান বিভাগৰ প্ৰাধ্যাপক। গুৱাহাটী বিশ্ববিদ্যালয়ৰ এসময়ৰ স্বৰ্ণপদক প্ৰাপ্ত ৰসায়ন বিজ্ঞানৰ স্নাতকোত্তৰ ডিগ্ৰীধাৰী ডঃ দত্তই উত্তৰ পূব পাৰ্বত্য বিশ্ববিদ্যালয় (শ্বিলং)ৰ পৰা ১৯৯৪ চনত ডক্টৰেট ডিগ্ৰী লাভ কৰে। তেজপুৰ দৰং কলেজত অধ্যাপনা কৰি নিজৰ কৰ্মজীৱন আৰম্ভ কৰা দত্তই ১৯৯৭ চনত তেজপুৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয়ত যোগদান কৰি এতিয়ালৈকে তাতেই অধ্যাপনা কৰি বহু ছাত্ৰ-ছাত্ৰীক লৈ গৱেষণা কাৰ্য্যত স্বনিয়োজিত হৈ আছিছে। এতিয়ালৈ ৫৫খন গৱেষণা পত্ৰ আন্তৰ্জাতিক মানদণ্ডৰ পত্ৰিকাত প্ৰকাশ পাইছে। সেইদৰে অইন অইন গৱেষকৰ উচ্চমান দণ্ডৰ গৱেষণা পত্ৰসমূহত তেখেতৰ গৱেষণাৰ বিষয়বস্তুয়ে ৮৫০ বাৰতকৈ অধিক বাৰ স্থান পাইছে। এতিয়ালৈকে ৭ জন গৱেষকে তেওঁৰ অধীনত ডক্টৰেট পাইছে। অষ্ট্ৰেলীয়া আৰু নিউজিলেণ্ডৰ বিশ্ববিদ্যালয় দুখনমানে তেওঁলোকৰ বিশ্ববিদ্যালয়ত গৱেষণা কৰি থকা গৱেষকৰ গৱেষণা পত্ৰৰ পৰীক্ষক হিচাবে, সেই বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষই ডঃ ৰবীন দত্তক নিয়োজিত কৰিছে। সাধাৰণতে বগা ছালৰ মানুহৰ দেশবোৰে ভাৰতীয় গৱেষকলৈ এনে সন্মান দিবলৈ কুণ্ঠাবোধ কৰে। ইয়াৰ কাৰণ সেইবোৰ দেশৰ মানুহৰ অহামিকাবোধ অথবা ভাৰতীয় মানুহৰ প্ৰতি সিবিলাকৰ অৱজ্ঞামূলক ধাৰণা। তেনে অহামিকাবোধ আৰু অৱজ্ঞাৰ বিপৰীতে আন্তৰ্জাতিক স্তৰত ডঃ ৰবীন দত্তৰ ভাবমূৰ্ত্তি প্ৰতিষ্ঠা হোৱাটো সাধাৰণ কথা নহয়। এনে সন্মান আৰু ঋদ্ধিৰ মাজত থাকিও ডঃ দত্তই অসমৰ জনসাধাৰণৰ জনস্বাস্থ্যৰ প্ৰতি ভাবুকি স্বৰূপ, খোৱাপানীত উপস্থিত থকা ভয়াবহ দৈত্যৰূপী আৰ্চেনিক আৰু ফ্লৰাইদৰ বিৰুদ্ধে এখন অঘোষিত যুদ্ধ আৰম্ভ কৰি দিছে। বিশেষকৈ অসমৰ গৰিষ্ঠ সংখ্যক দুখীয়া নিছলা জনসাধাৰণ যিসকলৰ যোত্ৰবান সকলৰ দৰে খোৱাপানীক বিশুদ্ধ কৰি খোৱা দামী যন্ত্ৰপাতি কিনাৰ সামৰ্থ্য নাই তেনে এজাক মানুহৰ ওচৰ চাপি গৈছে আৰু সম্পূৰ্ণ একক প্ৰচেষ্টাৰে অসমৰ আৰ্চেনিক আৰু ফ্লৰাইদৰ প্ৰাদুৰ্ভাৱ থকা অঞ্চলবোৰত তেওঁৰে এক নিজস্ব উদ্ভাৱন পদ্ধতিৰে (আৰ্চিৰন নিলগন) অতি কম ব্যয়ৰ, সাধাৰণ মানুহৰ উপলব্ধ হোৱাকৈ খোৱা পানীৰ পৰা আৰ্চেনিক আঁতৰোৱা সঁজুলিসমূহ স্থাপন কৰি দিছে।

ভাৰত চৰকাৰৰ বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা বিভাগৰ অধীনৰ এটা উচ্চমানৰ প্ৰকল্পৰ অধীনত, সেই বিভাগৰ আৰ্থিক সহযোগিতাৰে আজি বহু বছৰ ধৰি অসমৰ বিভিন্ন জিলাৰ ভূগৰ্ভৰ পানীত বেছি পৰিমানে আৰ্চেনিক আৰু ফ্লৰাইদ থকা গাঁও সমূহলৈ গৈ তাত জনসাধাৰণৰ মাজত আৰ্চেনিকৰ ভয়াবহতাৰ ওপৰত সজাগতাৰ সৃষ্টি কৰা আৰু আৰ্চিৰন নিলগন ব্যৱস্থাটোক প্ৰতিষ্ঠিত কৰা কাম ড° দত্তই কৰি আছিছে।

● **আৰ্চেনিক আৰু ইয়াৰ বিষক্ৰিয়া ঃ**

এইখিনিতে আমি পাঠক সকলক আৰ্চেনিক আৰু ইয়াৰ বিষক্ৰিয়া সম্পৰ্কে অলপ জনাব বিচাৰিছোঁ। আৰ্চেনিক এবিধ বিষাক্ত অধাতু যিয়ে ভূগৰ্ভৰ পানীক প্ৰদূষিত কৰে। বিভিন্ন ধৰণৰ কৰ্কট ৰোগৰ কাৰক আৰ্চেনিক খোৱা পানীৰ মাধ্যমেৰে আমাৰ শৰীৰত প্ৰৱেশ কৰিব পাৰে। মানৱ শৰীৰৰ কোষ আৰু কলাসমূহ দীৰ্ঘদিন ধৰি আৰ্চেনিকৰ প্ৰভাৱত থাকিলে ক্ষতিগ্ৰস্ত হয় আৰু ই বিভিন্ন জৈৱিক ক্ৰিয়াত প্ৰভাৱ পেলায়। আৰ্চেনিক যুক্ত পানী চৰ্মৰোগ, বিভিন্ন অংগৰ কৰ্কট ৰোগ, শিশুৰ বৌদ্ধিক বিকাশত বাধাৰ উপৰিও নানান বেমাৰৰ কাৰণ হ'ব পাৰে। জানিব পৰা গৈছে যে মাত্ৰ ২.৫ পি পি বি আৰ্ছেনিক যুক্ত পানী সেৱন কৰাৰ ফলত এহেজাৰ জনৰ ভিতৰত এজনৰ কৰ্কটৰোগ হ'ব পাৰে। (পি পি বি মানে হ'ল এশকোটি ভাগৰ এভাগ বা ১/১০০০০০০০০০) বিশ্ব স্বাস্থ্য সংস্থাই খোৱাপানীত আৰ্চেনিকৰ পৰিমান ১০ পি পি বিৰ তলত ৰখাৰ পৰামৰ্শ দিছে।

আৰ্চেনিকে মানুহক তলত দিয়া ক্ষতিসমূহ কৰিব পাৰে—

- শাৰীৰিক বৰ্ধনত
- মানসিক বিকাশ সাধনত
- প্ৰজনন ক্ষমতাত

◀ বংশগতিত
◀ শৰীৰৰ কোষ বিভাজনত
◀ ৰোগ প্ৰতিৰোধ ক্ষমতাত
◀ পাচনক্ৰিয়াত
◀ বিভিন্ন জৈৱ ৰসায়নিক ক্ৰিয়াত।

ইয়াৰ উপৰিও আৰ্চেনিকে শ্বাস-প্ৰশ্বাস, লিভাৰ, হৃদযন্ত্ৰ, কিডনি, পাকস্থলী, ছাল, তেজ আৰু স্নায়ুত গভীৰ ভাৱে বিষক্ৰিয়া কৰিব পাৰে।

**● আৰ্চেনিকৰ বিষক্ৰিয়াৰ লক্ষণ সমূহ ঃ**

ক) ভৰি বা হাতৰ আঙুলিৰ নখৰ আগফালৰ পৰা ক্ষয় যায়।
খ) ছালত বগা দাগ পৰে
গ) বগা দাগৰ মাজত ঘা লাগে
ঘ) হাত ভৰিত বেচিকৈ খজুৱতি হয়।
ঙ) অনিয়মিত হৃদস্পন্দন হয়।
চ) ভাগৰুৱা অনুভৱ হয়।

**● আৰ্চিৰণ নিলগন পদ্ধতি ঃ**

'আৰ্চিৰন' শব্দটো 'আৰ্চেনিক'ৰ আদি অংশ আৰু আইৰণৰ শেষ অংশ (ৰণ) ৰ পৰা লৈ সৃষ্টি কৰা হৈছে। নিলগনৰ অৰ্থ আঁতৰাই দিয়া কাৰ্য্য। এই পদ্ধতিটোৰে খোৱা পানীৰ পৰা এবাৰতে আৰ্চেনিক আৰু আইৰণ আঁতৰোৱা হয় আৰু ই উচ্চমাত্ৰাৰ কাৰ্য্যদক্ষতা যুক্ত আৰু কমখৰছী পদ্ধতি। ৰসায়ন বিজ্ঞানৰ দৃষ্টিত এই পদ্ধতি, অনুকুলতম হাইড্ৰজেন আয়নৰ উপস্থিতিত জাৱণ-আতঞ্চন অধিশোষণৰ আধাৰত প্ৰতিষ্ঠিত। ডঃ ৰবীন দত্তই উদ্ভাৱন কৰা এই পদ্ধতিটো এখন উচ্চখাপৰ আন্তৰ্জাতিক মান সম্পন্ন জাৰ্নেল - Journal of Hazard-ous Meterials ত ইতিমধ্যে প্ৰকাশিত হৈ গৈছে আৰু ভাৰত চৰকাৰৰ অধীনৰ গৱেষণা প্ৰতিষ্ঠানৰ দ্বাৰা পদ্ধতিটোৰ মুল্যাংকন হৈ গৈছে। ডঃ দত্তই এই পদ্ধতিটোৰ কৃতিস্বত্বঃ (Patent) আহৰণৰ বাবে সংশ্লিষ্ট কৰ্তৃপক্ষৰ ওচৰত আবেদন কৰি থৈছে। ইয়াৰ উপৰিও যোৱা ইং ২০১৫ চনৰ ডিচেম্বৰ মাহত প্ৰাক্কলন সম্পৰ্কীয় সংসদীয় কমিটিয়ে এই পদ্ধতিটোক অনুমোদন দিছে।

এই পদ্ধতিটোত তিনিটা ৰসায়নিক দ্ৰব্য ব্যৱহাৰ হয়— খোৱা চ'ডা ($NaHCO_3NHCO_3$), পটাছিয়াম পাৰমাংগানেট ($KMnO_4$) আৰু ফেৰিক ক্লৰাইড ($FeCl_3$)

**● ১০ লিটাৰ আৰ্চেনিকযুক্ত পানীৰ বাবে আৰ্চিৰণ নিলগন পদ্ধতি**

পৰ্য্যায় ১ঃ পাত্ৰ এটাত আৰ্চেনিকযুক্ত ১০ লিটাৰ পানী লওক। ইয়াত ১ গ্ৰাম খোৱা চ'ডা যোগ কৰি বাঁহৰ মাৰি এডালেৰে কিছুসময় ভালদৰে লৰাওক।

পৰ্য্যায় ২ঃ এতিয়া ইয়াত 5% পটাচিয়াম পাৰমাংগানেট দ্ৰৱৰ ৩ টোপাল যোগ কৰক।

পৰ্য্যায় ৩ ঃ এইবাৰ ইয়াত ২৫% ফেৰিক ক্লৰাইড দ্ৰৱৰ ১ মিঃলিঃ যোগ কৰি খুউব ভালদৰে বাঁহৰ মাৰি ডালেৰে লৰাই দিয়ক।

এই পৰ্য্যায় তিনিটা, ৩ ৰ পৰা ৫ মিনিটৰ ভিতৰত কৰা উচিত। এতিয়া পাত্ৰটোৰ পানীখিনি কমেও ২ ঘন্টামান তেনে অৱস্থাত ৰাখি দিয়ক যাতে পাত্ৰৰ তলিত বঞ্চুৱা মুগা গেদ পৰিবলৈ ধৰে।

পৰ্য্যায় ৪ ঃ এতিয়া বালি শিল যুক্ত আন এটা পাত্ৰত, প্ৰথম পাত্ৰটোৰ ফট্‌ফটীয়া পানীখিনি পৰিবলৈ দিয়ক। এই পানীখিনিয়ে আৰ্চেনিকযুক্ত পানী আৰু খোৱাৰ বাবে সম্পূৰ্ণ উপযোগী।

**● প্ৰথম পাত্ৰত জমা খোৱা গেদখিনিৰ ব্যৱস্থা**

প্ৰতিবাৰে এনেদৰে আৰ্চেনিকযুক্ত খোৱা পানী সংগ্ৰহ কৰাৰ পিছত প্ৰথম পাত্ৰত জমা হোৱা গেদখিনি আপুনি য'তে ত'তে পেলোৱা উচিত নহয়। কিয়নো এই গেদখিনিত থকা আৰ্চেনিক পুনৰ মাটিত প্ৰৱেশ কৰিলে, শাক-পাচলি নাইবা খোৱা পানীৰ জৰিয়তে আমাৰ শৰীৰত প্ৰৱেশ কৰিব পাৰে।

এই ক্ষেত্ৰত, মাটিৰ টেকেলি এটা আধালৈ বালি ভৰাই তলফালে ফুটা কৰি বাঁহৰ সৰু সৰু খৰিকা কিছুমান ব্যৱহাৰ কৰি এটা সাধাৰণ ফিলটাৰ সাঁজি লওক। এতিয়া মাটিৰ ওপৰত তিনিটা ইটাৰ ওপৰত টেকেলিটো ৰাখি, সামান্য পানীযুক্ত গেদ খিনি ভালদৰে ঢালি দিয়ক। প্ৰতিবাৰে আৰ্চেনিক আঁতোৰাবাৰ পৰা সৃষ্টি হোৱা গেদখিনি এইদৰে টেকেলিটোলৈ স্থানান্তৰ কৰক। টেকেলিটোত জমা হোৱা এই শুকান গেদবোৰ য'তে ত'তে নেপেলায়, নতুনকৈ নিৰ্মাণ কৰা ঘৰৰ ভেটিত বা ক্ৰকিংটৰ লগত মিলাই দিব পাৰে।





**● আৰ্চিৰণ নিলগন পদ্ধতিৰ আঁৰৰ ৰসায়ন**

খোৱা পানীত থকা আৰ্চেনিক অজৈৱ ৰূপত ত্ৰিযোজী AS(III) আৰ্চেনাইট নাইবা পঞ্চযোজী (AS-V) আৰ্চেনেট অক্সি আয়ন হিচাবে থাকে। ত্ৰিযোজী আৰ্চেনাইট পঞ্চযোজী আৰ্চেনেটতকৈ অধিক বিষাক্ত। এই পদ্ধতিত দৰাচলতে পানীত থকা আৰ্চেনাইট্‌ মূলকক পঞ্চযোজী আৰ্চেনেট মূলকলৈ ৰূপান্তৰ কৰি পানীৰ পৰা গেদ বা অধঃক্ষেপ ৰূপত পৃথক কৰা হয়। এইক্ষেত্ৰত আগতে উল্লেখ কৰা ৰসায়নিক দ্ৰব্য তিনিটাই তলত দিয়া ধৰণে কাৰ্য্য কৰে।

ক) বেকিং চ'ডাই আৰ্চেনিকযুক্ত পানীখিনিৰ pH (হাইড্ৰজেন আয়নৰ গাঢ়তা) নিয়ন্ত্ৰণ কৰি এটা অনুকুলতম মানলৈ আনে।

খ) পটাচিয়াম পাৰমাংগানেট এটা জাৰক পদাৰ্থ। ই পানীত থকা আৰ্চেনাইট্‌ক আৰ্চানেটলৈ জাৰিত কৰে। একে সময়তে পটাচিয়াম পাৰমাংগানেটে পানীত থকা ফেৰাছ আইৰণক অদ্ৰৱণীয় ফেৰিক আয়ৰনলৈ পৰিৱৰ্তন কৰিব।

গ) মৃদু খাৰীয় মাধ্যম হোৱা বাবে ($NaHCO3$ এ সৃষ্টি কৰা) অতিৰিক্ত $KMnO_4$ নিজে নিজে $MnO_2$ (IV) হিচাবে পৃথক হৈ পৰে। গতিকে পানীত মেংগানিজ আয়ন দ্ৰবীভূত হৈ নেথাকে।

ঘ) বেকিং চ'ডাৰ পৰা অহা কাৰ্বনেট আয়নৰ উপস্থিতিয়ে আৰ্চেনাইটক আৰ্চেনেটলৈ হোৱা পৰিবৰ্তন তৰান্বিত কৰে।

ঙ) ফেৰিক ক্লৰাইদ এটা লুইৰ অম্ল আৰু পানীত ই ঋনাত্মক আয়ন ৰূপে থাকে। গতিকে ঋণাত্মক আধানযুক্ত আৰ্চেনেট আৰু অইন তেনে কণিকা সমূহক ই আকৰ্ষণ কৰি সুস্থিৰতা লাভ কৰে। এনেদৰে ফেৰিক আয়নক কেন্দ্ৰ কৰি আৰ্চেনেট আয়নসমূহৰ ক্ষিপ্ৰ অধিশোষণৰ ফলত অবাঞ্চিত আৰ্চেনেট আয়নবোৰে গধুৰ গেদ বা অধঃক্ষেপৰ সৃষ্টি কৰে।

চ) বেকিং'ডাই সৃষ্টি কৰা pH ৰ পৰিসীমাত ফেৰিক ক্লৰাইদে উৎকৃষ্ট মানৰ আতঞ্চন কৰে আৰু প্ৰচুৰ পৰিমানে আৰ্চেনেট আয়নযুক্ত গেদৰ সৃষ্টি কৰে।

**● পদ্ধতিটোত ব্যৱহাৰ হোৱা ৰসায়নিক দ্ৰব্য তিনিপদ কেনেদৰে আহৰণ কৰিব?**

নৱজ্যোতি মহাবিদ্যালয়ৰ ৰসায়ন বিজ্ঞান বিভাগৰ তৰফৰ পৰা এই দ্ৰব্য কেইপদ আপোনাক বিনামূলীয়াকৈ যোগান ধৰিব। প্ৰয়োজন হ'লে এই পদ্ধতিটো আপোনাৰ ঘৰত প্ৰতিষ্ঠা কৰাৰ বাবে আৱশ্যকীয় প্ৰশিক্ষনো ৰসায়ন বিজ্ঞান বিভাগৰ পৰা দিয়া হ'ব। আপুনি বা আপোনালোকে আমাৰ মহাবিদ্যালয়লৈ বা ৰসায়ন বিজ্ঞান বিভাগলৈ সশৰীৰে আহিলেই হ'ল। যোগাযোগৰ বাবে ৯৪৩৫৪৫৬৫৭৯- এই দূৰভাষ নম্বৰত সম্পৰ্ক কৰিবলৈ অনুৰোধ জনালোঁ।

**● বৃহত্তৰ কলগাছিয়াৰ দক্ষিণ-পূৱ অঞ্চলৰ খোৱাপানীত আৰ্চেনিকৰ উপস্থিতিৰ অনুসন্ধান আৰু আৰ্চিৰন নিলগণ পদ্ধতিৰ প্ৰতিষ্ঠাপনৰ কাৰ্যক্ৰমনিকা**

**ঘটনাৰ দিনপঞ্জী ঃ-**

১) ২৩ জানুৱাৰী ২০১৬ঃ- কলগাছিয়া অঞ্চলৰ খোৱাপানীত আৰ্চেনিকৰ উপস্থিতিৰ অনুসন্ধানৰ বাবে গণ সচেতনতা সৃষ্টি কৰাৰ বাবে বক্তৃতা অনুষ্ঠান আয়োজন কৰাৰ সন্দৰ্ভত, জাগিৰোড মহাবিদ্যালয়ত অধ্যাপক ডঃ ৰবীন কুমাৰ দত্ত আৰু এই লেখকৰ মাজত আলোচনা।

২) ২৯ ফেব্ৰুৱাৰী ২০১৬ ঃ- নৱজ্যোতি মহাবিদ্যালয়লৈ ডঃ দত্তৰ আগমন আৰু ৰাষ্ট্ৰীয় বিজ্ঞান দিৱসৰ অনুষ্ঠানত খোৱাপানীত আৰ্চেনিক আৰু ফ্লুৰাইডৰ প্ৰদূষণৰ ওপৰত তেখেতৰ জনপ্ৰিয় বক্তৃতা অনুষ্ঠান।

৩) ১৪ মাৰ্চ ২০১৬ ঃ নৱজ্যোতি মহাবিদ্যালয়ৰ ৰসায়ন বিজ্ঞান বিভাগে চতুৰ্থ যান্মাসিকৰ গুৰু পাঠ্যক্ৰমৰ ছাত্ৰ-ছাত্ৰী সকলৰ সহায়ত কলগাছিয়াৰ দক্ষিণ পূৱ অংশৰ গাঁওসমূহত থকা প্ৰাথমিক বিদ্যালয়সমূহৰ চৌহদত থকা অগভীৰ নলী-নাদ সমূহৰ পৰা খোৱাপানীৰ প্ৰতিদৰ্শ সংগ্ৰহ। এনেকুৱা ৩০টা পানীৰ প্ৰতিদৰ্শ পিছত তেজপুৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ পৰীক্ষাগাৰলৈ প্ৰেৰণ।

৪) ১ এপ্ৰিল ২০১৬ ইং ঃ খোৱাপানীৰ এই প্ৰতিদৰ্শ সমূহত আৰ্চেনিকৰ উপস্থিতিৰ পৰীক্ষা কৰাৰ পিছত তেজপুৰ বিশ্ববিদ্যালয়ে পথোৱা ইয়াৰ বিৱৰণ আৰু তথ্যসমূহ গ্ৰহণ। সেই অঞ্চলৰ পাঁচখন প্ৰাথমিক বিদ্যালয়ত নলী-নাদৰ খোৱা পানীত আৰ্চেনিকৰ পৰিমান বিশ্ব স্বাস্থ্য সংস্থাই ঘোষণা কৰা পৰিসীমাতকৈ অধিক পোৱা গৈছে।

পশ্চিম শউপুৰ প্ৰাথমিক বিদ্যালয়ত আটাইতকৈ উচ্চ পৰিমানৰ ৮৪ পি পি বি আৰ্চেনিক পোৱা গৈছে। অইন চাৰিখন বিদ্যালয় হৈছে- চৰিয়তপুৰ প্ৰাথমিক বিদ্যালয় (৭৬.৬০ পি পি বি), ৰুভি বালিকুৰি ছোৱালী এম. ই. স্কুল (৩৭.৬০ পি পি বি), টি এন ডি বয়জ স্কুল (৬১.৩১ পি পি বি) আৰু পি এম উচ্চতৰ মাধ্যমিক বিদ্যালয়, ৰঙাপানী (৩১.৭৪ পি পি বি)।

৫) ২১ এপ্ৰিল ২০১৬ ইং ঃ- ৰসায়ন বিজ্ঞান বিভাগৰ চতুৰ্থ যান্মাসিকৰ গুৰু বিষয়ৰ ছাত্ৰ-ছাত্ৰীসকলক লৈ এই লেখকে চৰিয়তপুৰ প্ৰাথমিক বিদ্যালয়ত ১০০ লিটাৰ পানীৰ এটা আৰ্চিৰন নিলগন গোট স্থাপন কৰে। প্ৰয়োজনীয় ৰসায়নিক দ্ৰব্যখিনি ৰসায়ন বিজ্ঞান বিভাগৰ তৰফৰ পৰা যোগান ধৰা হয়। সেই দিনাই চৰিয়ত পুৰ প্ৰাথমিক বিদ্যালয়ত, বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী, অইন শিক্ষক, ছাত্ৰ-ছাত্ৰীৰ লগতে স্থানীয় ৰাইজক লৈ এখন সজাগতা সভা অনুষ্ঠিত হয়।

৬) ৭ মে ২০১৬ ইং ঃ ডঃ ৰবীন দত্তই তেজপুৰৰ পৰা কলগাছিয়ালৈ আহি এই লেখকৰ সৈতে অৱশিষ্ট চাৰিখন বিদ্যালয়ত একোটাকৈ আৰ্চিৰন নিলগন গোট প্ৰতিষ্ঠাপন কৰে আৰু প্ৰয়োজনীয় ৰসায়নিক দ্ৰব্য তিনিটা আটাইকেইখন বিদ্যালয়ত দি আহে।

- **সামৰণিৰ মন্তব্য ঃ**

বৃহত্তৰ কলগাছিয়া অঞ্চলৰ যিবোৰ স্থানত ভূগৰ্ভৰ পানীত আৰ্চেনিক আছে তেনে ঠাইৰ মানুহখিনিয়ে যাতে আৰ্চেনিক মুক্ত পানী পাব পাৰে তাৰ বাবে এয়া আছিল আৰম্ভণীৰ প্ৰয়াস। আমি আশা কৰিম আমাৰ (ৰসায়ন বিজ্ঞান বিভাগ)ৰ এই প্ৰচেষ্টাত অইন বহুজনে সক্ৰিয় সহযোগিতা আগবঢ়াব আৰু অহা দিনবোৰত এনে কৰ্মযজ্ঞত অকুণ্ঠ সমৰ্থন আগবঢ়াব। আমি সকলোৱে জানি থোৱা ভাল যে উক্ত পাঁচখন বিদ্যালয়ৰ দমকলত আৰ্চেনিকৰ উপস্থিতিয়ে ইয়াকে প্ৰমাণ কৰিছে যে একোখন বিদ্যালয়ক কেন্দ্ৰ কৰি প্ৰায় ৫০০ মিটাৰ ব্যাসাৰ্ধৰ এটা অঞ্চলৰ ভূগৰ্ভৰ পানীত আৰ্চেনিক থকাৰ সম্ভৱনা বিদ্যমান। গতিকে তেনে অঞ্চলৰ মানুহে অতদিনে গম নোপোৱাকৈয়ে আৰ্চেনিকযুক্ত পানী সেৱন কৰি আহিছে। উক্ত অঞ্চলৰ মানুহবোৰে কম খৰচতে ঘৰুৱাভাৱে আৰ্চিৰন নিলগন ব্যৱস্থাটো প্ৰতিষ্ঠাপন কৰি ল'ব পাৰে। প্ৰয়োজনীয় ৰসায়নিক দ্ৰব্যসমূহ মহাবিদ্যালয়ৰ ৰসায়ন বিজ্ঞান বিভাগে যোগান ধৰিব। প্ৰয়োজন হ'লে ইচ্ছুক ব্যক্তি বা স্বেচ্ছাসেৱী সংগঠনে আগবাঢ়ি আহিলে আমাৰ মহাবিদ্যালয়ৰ ৰসায়ন বিজ্ঞান বিভাগে প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰিছে। গতিকে এই লেখাৰ জৰিয়তে আপোনালোকক আমাৰ লগত সহযোগিতা কৰাৰ আহ্বান ৰাখিলোঁ।

- **কৃতজ্ঞতা ঃ**

সদৌ শেষত নৱজ্যোতি মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ ছাজাহান আলী আহমেদ চাহাবৰ পৰা পোৱা উৎসাহ আৰু সমৰ্থন সাদৰ কৃতজ্ঞতাৰে স্বীকাৰ কৰা হ'ল। অধ্যক্ষ মহোদয়ৰ পৰা আৰ্থিক অনুদান নাপালে এই ক্ষুদ্ৰ প্ৰকল্পটো ৰূপায়ন কৰা অসম্ভৱ হ'লহেঁতেন। আৰম্ভণীৰ পৰা বিভিন্ন ধৰণে আমাৰ এই প্ৰকল্পটোত সহায়ৰ হাত আগবঢ়োৱা তেজপুৰ বিশ্ববিদ্যালয়ৰ ৰসায়ন বিজ্ঞানৰ প্ৰাধ্যাপক ডঃ ৰবীন কুমাৰ দত্তক আমি আমাৰ হিয়াভৰা কৃতজ্ঞতা জনালোঁ। শেষত এই মহাবিদ্যালয়ৰ ৰসায়ন বিজ্ঞান বিভাগৰ চতুৰ্থ যান্মাসিকৰ গুৰুবিষয়ৰ ছাত্ৰ-ছাত্ৰী সকলে তেওঁলোকৰ সক্ৰিয় সহযোগিতাৰে এই প্ৰকল্পটোৰ লগত জড়িত হৈ আমাৰ মহাবিদ্যালয়ৰ ৰসায়ন বিজ্ঞান বিভাগক সমাজৰ মাজলৈ লৈ যোৱাৰ বাবে কৰা এই ক্ষুদ্ৰ প্ৰয়াস কণত সফল বৰঙণি যোগালে। তাৰ বাবে তেওঁলোকলৈ মোৰ মৰম আৰু হিয়াভৰা কৃতজ্ঞতা থাকিল।□□□





# নৱজ্যোতি মহাবিদ্যালয়, কলগাছিয়াৰ ক্ৰমবিৱৰ্তন আৰু ৰাষ্ট্ৰীয় মূল্যায়ন আৰু প্ৰত্যায়ন সংস্থা (NAAC)

**ড° এম. এছ. শ্বেইখ**
*সহযোগী অধ্যাপক, প্ৰাণী বিজ্ঞান বিভাগ*

নাক (NAAC)ৰ দ্বাৰা মহাবিদ্যালয়, বিশ্ববিদ্যালয় আৰু অন্যান্য শিক্ষানুষ্ঠানৰ মূল্যায়ন কৰাৰ ধাৰণা পোন প্ৰথমবাৰৰ বাবে ২০০৩ চনত জানিব পাৰিছিলোঁ। নৱজ্যোতি মহাবিদ্যালয়ৰ তেতিয়াৰ অধ্যক্ষ আব্দুছ ছাত্তাৰ আহমেদ ছাৰৰ প্ৰচেষ্টা, তৎপৰতা আৰু সবল নেতৃত্বত নাকৰ তিনিজনীয়া সঁজাতি দল আমন্ত্ৰণ কৰি আনিবলৈ সক্ষম হৈছিল।




নাকৰ নিয়মানুযায়ী বিগত পাঁচ বছৰৰ AQAR (Annual Quality Assurance Report) বা বাৰ্ষিক গুণ নিৰ্ণায়ক প্ৰতিবেদনৰ ভিত্তিত তৈয়াৰ কৰা SSR (Self Study Report) বাংগালুৰত অৱস্থিত নাকৰ মুখ্য কাৰ্যালয়ত জমা দিয়া হৈছিল। তেতিয়াৰ SSR ইমান জটিল নাছিল। AQAR ৰ বাবেও কোনো ধৰণৰ ফৰমেট্ বান্ধি দিয়া হোৱা নাছিল। কিন্তু বিষয়বস্তু প্ৰায় আজিৰ দৰে আছিল। বৰ্তমানৰ AQAR আৰু SSR ৮—অধ্যায়যুক্ত হ'ল। অধ্যায় সমূহ হ'ল — College Profile (CP), Curricular Aspects (CA), Teaching Learning and Evaluation (TLA), Research Consultancy and Extension (RCE), Infrastructure and Learning Resources (ILR), Students Support and Progression (SSP), Innovations and Best Practices (IBP) আৰু Governance Leadership and Management (GLM).

সেইসময়ত নাকৰ বহু শব্দ বা কাৰকৰ অৰ্থ স্পষ্টভাৱে বুজি পোৱাত অসুবিধা হৈছিল। আলোচনা মৰ্মেহে সমাধান উলিওৱা হৈছিল। প্ৰয়োজনৰ তাগিদাত Alumni কোষ, অভিভাৱক কোষ, দুৰ্যোগ ব্যৱস্থাপনা কোষ, Students welfare কোষ, Poor Fund, Book Bank, Women কোষ, Grivence and Redressel কোষ, মৌ মাখি পালন, NCC, NSS, BS&G, আদিত গঠন কৰি তথ্যপাতি যুগুতোৱা হৈছিল।

ভাল গ্ৰেড পোৱাৰ আশাত সকলোৱে স্বতঃস্ফুৰ্ত্তভাৱে দিন-ৰাতি একাকাৰ কৰি শ্ৰমদান কৰিছিল। বিশেষকৈ কেন্দ্ৰীয় পুথিভঁৰালৰ কিতাপ আদি সজোৱাত আয়নাল হকৰ নেতৃত্বত অধ্যাপক ছামছুল হক, আবুল কাশেম দেৱান, হানিফ মোস্তাক আহমেদ, মই নিজে, চাহাবউদ্দিন খান, ছোৰমান আলী আদি সকলোৱে ওৰে নিশা উজাগৰে থাকি কাম কৰাৰ দৃশ্য বাৰুকৈয়ে

মনকৰিবলগীয়া আছিল। নাকৰ সঁজাতি দলক আদৰণি জনাবলৈ NCC আৰু BS&G (Ranger আৰু Rover)ৰ কেডেট সকলে কঠিন অনুশীলন কৰিছিল। অধ্যাপিকা জাহানাৰা বেগম আৰু অধ্যাপক কাশেম দেৱানৰ নেতৃত্বত BS&G ৰ ছাত্ৰ-ছাত্ৰীসকলে সুন্দৰ ও শৃঙ্খলাৱদ্ধতাৰে নাকক আদৰণি ও বিদায় সম্ভাষণ জনাইছিল। একেদৰে উদ্ভিদ বিজ্ঞান বিভাগৰ প্ৰবক্তা চাহাবউদ্দিনৰ নেতৃত্বত NCC ৰ কেডাৰ সকলৰ দৃষ্টি নন্দন পেৰেড বাৰুকৈয়ে আকৰ্ষণীয় আছিল। নাকৰ সদস্যসকল বাৰুকৈয়ে আপ্লুত হৈছিল।

বিদেশী খেদা আন্দোলন আৰু খিলঞ্জীয়া অসমীয়াৰ অস্তিত্ব ৰক্ষাৰ সংগ্ৰামৰ বাবে ১৯৮৩-২০১৩ ৰ আশেপাশে অসমৰ ৰাজনৈতিক আৰু সামাজিক পৰিৱেশ একপ্ৰকাৰ অশান্ত আছিল। ছাত্ৰ আন্দোলন, ভাষা-আন্দোলন, সশস্ত্ৰ সংগ্ৰাম, গোষ্ঠী সংঘৰ্ষ আদিৰ বাবে অসমত চকা বন্ধ, বোমা বিস্ফোৰণ আৰু গুপ্ত হত্যা সহজলভ্য হৈ পৰিছিল। পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে চৰকাৰে পেৰামিলিটাৰী বাহিনী নিয়োগ কৰি অপাৰেচন চলাইছিল। অবৈধ অস্ত্ৰ-শস্ত্ৰ আৰু নিষিদ্ধ সংগঠনৰ সদস্যক কৰায়ত্ব কৰাৰ বাবে যাত্ৰীবাহী গাড়ী ৰাস্তাত ৰখাই যাত্ৰীক দুই হাত দাঙি শাৰীপাতি থিয় কৰাই আগ্নেয়াস্ত্ৰৰ সন্ধান কৰি হাৰাশাস্তি কৰিছিল। স্মৰ্তব্য যে, অধ্যক্ষ আঃ ছাত্তাৰ আহমেদ আৰু ৰাজনীতি বিজ্ঞান বিভিগৰ মুৰব্বী খন্দকাৰ আব্দুল গফুৰ ছাৰ এনে অপাৰেচনৰ সন্মুখীন হোৱাত গফুৰ ছাৰে আৰ্মী অফিচাৰ জনক নাকৰ প্ৰব্লেমৰ কাৰণে সোনকালে গুৱাহাটী যাব লাগে বুলি অনুৰোধ কৰাত নাকৰ ৰোগী বুলি ভাবি চেকিং নকৰাকৈ দুয়োজন ছাৰকে যাব দিছিল। একেদৰে দুখীয়া ছাত্ৰ-ছাত্ৰীৰ বাবে কেন্দ্ৰীয় পুথিভঁৰালত Book Bank ৰ ব্যৱস্থাও কৰা হৈছিল।

নৱজ্যোতি মহাবিদ্যালয়ৰ IQAC (Internal Quality Assurance Cell) ২০০২ চনত গঠন কৰা হৈছিল। নাকৰ পৰিদৰ্শনৰ সময়ত IQAC ৰ সমন্বয়ক আছিল বুৰঞ্জী বিভাগৰ মুৰব্বী ওমৰ আলী আহমেদ ছাৰ। সদস্য হিচাবে আছিলো মই নিজে, ছোৰমান আলী, শ্বেইখ ওমৰ আৰু হানিফ মোস্তাক আহমেদ। প্ৰথম পৰ্যায়ৰ নাকৰ পৰিদৰ্শনৰ সময়ত শিক্ষাগুৰুসকলে বৰঙণি তুলি এটা সভাভৱন নিৰ্মাণ কৰি দিছিল। তাৰোপৰি বিভাগীয় আচবাবপত্ৰ আৰু বিভাগীয় পুথিভঁৰালৰ কিতাপসমূহো শিক্ষক সকলে কিনি দিছিল। শিক্ষকসকলৰ এই নজিৰ বিহীন পদক্ষেপৰ বাবে মহাবিদ্যালয়খনে বি-গ্ৰেড পাইছিল। নাক কি দৰে সন্মুখীন কৰিব পাৰি তাৰ বুজ লবলৈ বৰপেটাৰ মাধৱ চৌধুৰী মহাবিদ্যালয়ৰ অধ্যক্ষৰ নেতৃত্বত এটা সঁজাতি দলো আমাৰ মহাবিদ্যালয়লৈ আহিছিল। আমি সকলোৱে গৌৰৱ বোধ কৰিছিলোঁ।

নাকৰ বিধি মতে প্ৰতি ৫ বছৰৰ অন্তৰালত পুনঃ মূল্যায়ন কৰিব লাগে। পাঁচ বছৰ পাছত আগৰ মূল্যায়নৰ ম্যাদ উকলি যায়। ২০০৪ চনত অৰ্থনীতি বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক শ্বেইখ ওমৰ ছাৰক IQAC ৰ সমন্বয়ক নিয়োগ কৰা হয়। এজন সদস্য হিচাবে ছাৰৰ লগত বহু কাম শিকাৰ সুবিধা পাইছিলোঁ। বিশেষকৈ AQAR লিখি নাকক পঠোৱা, গুণ নিৰ্ণায়ক পৰিকল্পনা কৰা, পৰিচালনা কৰা, প্ৰশাসনৰ লগত জড়িত হৈ মহাবিদ্যালয়ৰ শৈক্ষিক পৰিৱেশ উন্নীত কৰা, বিভিন্ন তথ্যপাতি সংগ্ৰহ কৰা, আন অনুষ্ঠান-প্ৰতিষ্ঠান আৰু সমল ব্যক্তিৰ লগত যোগাযোগ কৰা, প্ৰকাশনৰ কাম ত্বৰান্বিত কৰা ইত্যাদি ইত্যাদি। ৩০-০৬-২০০৫ ইং তাৰিখত আব্দুছ ছাত্তাৰ আহমেদ ছাৰে অৱসৰ লোৱাৰ পূৰ্বে শ্বেইখ ওমৰ ছাৰৰ পৰামৰ্শ মৰ্মে মোক IQAC ৰ সহকাৰী সমন্বয়কৰূপে অন্তৰ্ভুক্ত কৰে আৰু ২০০৯ চনত ৰসায়ন বিজ্ঞান বিভাগৰ অধ্যাপক আবুবক্কাৰ ছিদ্দিক ছাৰৰ প্ৰস্তাৱ মৰ্মে মোক IQAC ৰ সমন্বয়কৰ গুৰু দায়িত্ব অৰ্পণ কৰে। নিয়মমতে ২০০৯ চনত দ্বিতীয় চক্ৰৰ বাবে নাক আনিব লাগিছিল। কিন্তু স্থায়ী অধ্যক্ষ নথকাৰ বাবে অৰ্থাৎ ভাৰপ্ৰাপ্ত হিচাবে শ্ৰদ্ধাৰ এম. মোজাম্মেল হুছেইন (০১-০৭-২০০৫— ৩১-১২-২০০৫), ওমৰ আলী আহমেদ (০১-০১-২০০৬—৩০-০৯-২০০৯), খন্দকাৰ আব্দুল গফুৰ (০১-১০-২০০৯— ৩১-১২-২০১১), মতিয়াৰ ৰহমান, জি.এম. (০১-০১-২০১০—২৩-১২-২০১১), খন্দকাৰ আব্দুল গফুৰ (২৪-১২-২০১১—১৭-০১-২০১২) ছাৰ সকলে সেৱা আগবঢ়োৱাৰ কালছোৱাত নাকৰ মূল্যায়ন সম্ভৱ হৈ উঠা নাছিল। অৱশ্যে প্ৰতিবছৰে নাকৰ মুখ্য কাৰ্যালয় বাংগালুৰত আমাৰ মহাবিদ্যালয়ৰ AQAR নিয়মিয়াকৈ





প্ৰেৰণ কৰা হৈছিল। AQAR আৰু SSR যুগুতোৱাৰ নিয়মাৱলী ২০১০ আৰু ২০১২ চনত পৰ্যায়ক্ৰমে সলনি কৰি বৰ্তমানৰ আঠ অধ্যায়যুক্ত কৰা হৈছে। শিক্ষক সকলৰ বাৰ্ষিক Self Appraisal Report (SAR), বিভাগীয় Appraisal Report (DAR) প্ৰশাসন আৰু পৰিচালনৰ লগত জড়িত তথ্য বিশেষকৈ মহাবিদ্যালয়ে লাভ কৰা অনুদান আৰু আন আন আয় ব্যয়ৰ খতিয়ান, ছাত্ৰ-ছাত্ৰীৰ সংখ্যা আৰু সফলতা, শিক্ষা আৰু শিকন প্ৰণালী, গৱেষণা আৰু প্ৰকাশন, বৰ্দ্ধিত কাৰ্যকলাপ, ছাত্ৰ-ছাত্ৰী আৰু সমাজৰ লগত জড়িত উন্নয়নমূলক কামত অংশগ্ৰহণ, অন্যান্য অনুষ্ঠান-প্ৰতিষ্ঠান আৰু সমল ব্যক্তিৰ লগত যোগাযোগ, ৰাজ্যিক জাতীয় আৰু আন্তৰ্জাতিক আলোচনা চক্ৰ আদিত অংশ গ্ৰহণ ইত্যাদিৰ বিস্তৃত তথ্য AQAR আৰু SSR ত সন্নিবিষ্ট কৰাটো বাৰুকৈয়ে তিক্ততাপূৰ্ণ কাম। গাত পিত নথকা ধৈৰ্যশীল ব্যক্তিৰ বাবেহে সম্ভৱ।

চেমিষ্টাৰ আৰু উচ্চতৰ মাধ্যমিক পাঠ্যক্ৰমৰ শাংকৰিক অনুষ্ঠানত প্ৰতিজন শিক্ষাগুৰুৰে অতিৰিক্ত কামৰ চাপ আৰু কেৰিয়াৰ বনোৱাৰ সংগ্ৰামৰ বাবে নাকৰ কামৰ বাবে সময় উলিওৱাটো অত্যন্ত কষ্টকৰ। কাৰ্যালয়ৰ কৰ্মচাৰী সকলৰ দুৰৱস্থা এধাপ ওপৰত। ডিজিটেল সুবিধা নথকা বাবে চতুৰ্থবৰ্গৰ কৰ্মচাৰীৰ পৰা বৰবাবু যেন একো একোজন ৰ'বটিক যন্ত্ৰ মানৱ। এনেহেন অৱস্থাত নাকৰ তথ্য বিচাৰি গ'লে জাঙুৰ খাই উঠাত একো অস্বাভাৱিকতা নাই। বৰ্দ্ধিত ঝামেলাৰ সৃষ্টি কৰাৰ বাবে IQAC ৰ সমন্বয়কক বিভিন্ন উপাধিৰে বিভূষিত কৰাৰ পাছতহে তথ্যসমূহ যোগান ধৰে। কেতিয়াবা বছৰো পাৰ হৈ যায়। ড° ছাহজাহান আলী আহমেদ ছাৰ (১৮-০১-২০১২ ইং তাৰিখত) স্থায়ী অধ্যক্ষ নিযুক্ত হোৱাৰ পাছৰে পৰাই নাকৰ দ্বিতীয় চক্ৰৰ মূল্যায়নৰ বাবে চিন্তাচৰ্চা কৰি থকাৰ সময়তে কেন্দ্ৰীয় তথা ৰাজ্য চৰকাৰে অনুদানৰ লগত নাকৰ মূল্যায়ন বাধ্যতামূলক কৰাৰ লগতে শিক্ষক নিযুক্তি তথা পদন্নোতিৰ ক্ষেত্ৰত API আৰু ACR বাধ্যতামূলক কৰাৰ পাছত তথ্য সংগ্ৰহ কিছু উজু হ'ল। আভ্যন্তৰিন কিছু জটিলতা আৰু কৰ্মসংস্কৃতিৰ অভাৱৰ বাবে নাকৰ দ্বিতীয় চক্ৰৰ মূল্যায়ন ত্বৰান্বিত কৰাত অনিশ্চয়তাই দেখা দিছিল। শেষ মুহূৰ্তত ৭ টা Criteria ৰ সমন্বয়ক সকল ক্ৰমে ড° ফখৰুল আলম (CA), আব্দুল কুদ্দুছ (TLE), ড° ছাৰাফিমা আহমেদ (RCE), ড° মজিবৰ ৰহমান (ILM), ড° ছোৰমান আলী (SSP), ড° জাহানাৰা বেগম (IBP) আৰু চামচুল হক (GL)ৰ সক্ৰিয় সহযোগিতাৰ ফলত আৰু পাছলৈ ড° নিতু চহৰীয়া, মেৰিনা আহমেদ, ধ্ৰুৱজ্যোতি দাস, ড° ইমৰুল হক, লুৎফুৰ ৰহমান শইকীয়া, আবু বক্কাৰ ছিদ্দিক, ছামছুল আলম, মোস্তাফিজুৰ ৰহমান প্ৰমুখ্যে সকলো শিক্ষাগুৰু, কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰী অভিভাৱক, এলুমনী আদিৰ সক্ৰিয় অংশ গ্ৰহণ আৰু নিঃস্বাৰ্থ শ্ৰমদানৰ বাবে নাকৰ সঁজাতি দলক দ্বিতীয় চক্ৰৰ মূল্যায়নৰ বাবে আমন্ত্ৰণ কৰাটো সম্ভৱ হৈ উঠিছিল। আন্তঃ গাঁথনিৰ নান্দনিক পৰিৱৰ্তনো বিশেষভাৱে মনকৰিবলগীয়া। লগতে ৰাইজে নখ জোকাৰিলে নৈ বয় কথা ফাঁকিও প্ৰমাণিত হ'ল।

নাকৰ দ্বিতীয় চক্ৰৰ মূল্যায়নৰ পৰা আমি বহু শিক্ষা লোৱা দৰকাৰ। অনুষ্ঠান এখনৰ গুণগত মান উন্নত কৰিবৰ বাবে একতা, সংঘবদ্ধতা, নমনিয়তা, স্বচ্ছতা, কৰ্মদক্ষতা, একাগ্ৰতা, নিৰ্বিঘ্নতা, সৰলতা, সৌহাৰ্দ্ৰতা, তৎপৰতা, সহযোগিতা, সহমৰ্মিতা, নিঃস্বাৰ্থতা, কৰ্তব্যপৰায়ণতা, কৰ্মবিশ্লেষণ আৰু বিকেন্দ্ৰিকৰণ আদি গুণৰ অধিকাৰী হ'বলৈ যত্ন কৰাটো মহাবিদ্যালয়ৰ কৰ্তৃপক্ষ তথা প্ৰতিজন ব্যক্তিৰে অতিকৈ প্ৰয়োজন।

নাকৰ মূল্যায়নে ব্যক্তি আৰু অনুষ্ঠানৰ গুণ আৰু মানদণ্ড উৰ্দ্ধগামী কৰাত যোগাত্মক ভূমিকা বহন কৰাটো এক বাস্তৱ সত্য। সেয়েহে নাকৰ পৰিদৰ্শনৰ সময়ত অনুষ্ঠানখনক কইনা সজোৱাদি সু-সজ্জিত কৰি তোলা হয়। নথি-পত্ৰ, তথ্য-পাতি, আচবাব পত্ৰ, সা-সৰঞ্জাম, অনাময় ব্যৱস্থা, বিদ্যুৎ যোগান ব্যৱস্থা, পানী যোগান ব্যৱস্থা, কেন্টিন, শ্ৰেণী কোঠা, চৌহদ আদি Support System সমূহৰ বৈপ্লৱিক পৰিৱৰ্তন সাধন কৰা হয়। গাইডমেপ, নামৰ ফলক, মাষ্টাৰ ৰুটিন, গুৰুত্বপূৰ্ণ ফোন নম্বৰ, সাধাৰণ নিয়মাৱলী, ডাষ্টবিন, দুৰ্যোগ ব্যৱস্থাপনা (জুই নুমোৱা গেচ আৰু বালিৰ পাত্ৰ) আদি বিধে বিধে সজাই ৰখা হয়। মুঠৰ ওপৰত বহাগৰ ব'দৰ চিক্‌মিকনিৰ দৰে উজ্জলতা আৰু সতেজতাই বিৰাজ কৰে। এক কথাত মহাবিদ্যালয়খন পুনৰ যৌৱন প্ৰাপ্ত হয়। বিশেষকৈ শোভাৱৰ্দ্ধক

বৃক্ষ ৰোপন, Associate NCC Officer মাছুদ হাছানৰ নেতৃত্বত গঠন কৰা NCC কেডেট সকল আৰু অধ্যাপিকা ছৈয়দা হামিদা খাতুনৰ নেতৃত্বত BS&G (Ranger) আৰু ড° মজিবৰ ৰহমানৰ BS & G (Rover) ৰ কেডেট সকলৰ আদৰণি আৰু বিদায়ী পেৰেড আৰু আনোৱাৰ হুছেইনৰ প্ৰশিক্ষণ প্ৰাপ্ত জিমৰ ছাত্ৰ-ছাত্ৰীসকলৰ দৃষ্টিনন্দন প্ৰদৰ্শনে নাকৰ সজাতি দলৰ সদস্য সকলক বাৰুকৈয়ে আকৰ্ষিত কৰিছিল। তদুপৰি ছাত্ৰ-ছাত্ৰী সকলৰ দ্বাৰা পৰিৱেশন কৰা উচ্চমানৰ সাংস্কৃতিক অনুষ্ঠানে নাকৰ সদস্যসকলক নৱজ্যোতি মহাবিদ্যালয়খনক সাংস্কৃতিক সমন্বয়ৰ প্ৰতীক হিচাবে বিবেচিত কৰাত বাৰুকৈয়ে উদ্বুদ্ধ কৰিবলৈ সক্ষম হৈছে।

বিদায়ী সভাত ইতিবাচক মন্তব্য আগবঢ়াই নাকৰ সঁজাতি দল গুচি গ'ল। নাকৰ দলৰ সদস্যসকলক বিশেষভাৱে আকৰ্ষিত কৰা উল্লেখনীয় দিশসমূহৰ ভিতৰত ছাত্ৰ-ছাত্ৰীৰ সাফল্য আৰু পাৰদৰ্শিতা বিশেষভাৱে মনকৰিবলগীয়া। ৰাষ্ট্ৰীয় ভলীবল খেলুৱৈ (জুনিয়ৰ) হাইনুৰ ইছলাম, উত্তৰ পূৰ্বাঞ্চল বেংক ইউনিয়ন তৰ্ক প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ প্ৰতিযোগী ৰফিকুল ইছলাম, NCC আৰু মাল্টিজিমৰ প্ৰশিক্ষাৰ্থীৰ ভাৰতীয় সেনা বাহিনীত নিয়োগ প্ৰমূখ্যে জিলা আৰু ৰাজ্যিক পৰ্যায়ৰ বেডমিন্টন আৰু কুইজ প্ৰতিযোগিতাত বিজয়ী কেবাগৰাকী ছাত্ৰ-ছাত্ৰী, ২০১২ ইং বৰ্ষৰ গুৱাহাটী বিশ্ববিদ্যালয়ৰ শিক্ষা বিভাগৰ চূড়ান্ত পৰীক্ষাত প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান অধিকাৰ কৰা হাচিনা খাতুন সমন্বিতে প্ৰথম শ্ৰেণী আৰু ডিষ্টিংচন সহ উত্তীৰ্ণ হোৱা বুজন সংখ্যক ছাত্ৰ-ছাত্ৰীৰ পাৰদৰ্শিতাই নাকৰ গ্ৰেড বৃদ্ধি কৰাত বহুপৰিমাণে সহায় কৰিছে। এইখিনিতে প্ৰথম চক্ৰ আৰু দ্বিতীয় চক্ৰৰ সময়ত মহাবিদ্যালয়খনৰ কিছু গুণগত দিশৰ তুলনাত্মক নিদৰ্শন দাঙি ধৰিবলৈ যত্ন কৰা হ'ল— প্ৰথম শ্ৰেণীত উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা (০২-১৪৪), কেন্দ্ৰীয় পুথিভঁৰালত কিতাপৰ সংখ্যা (১১৬৩৪ — ২২,৯৪৮) আৰু জাৰ্নাল (০—১১), লাইব্ৰেৰী অট'মেচন (০— প্ৰায় সম্পূৰ্ণ), ইন্টাৰনেট (০—১৫টা ব্ৰাউচিং পইন্ট সহ Wifi সুবিধা), ডিজিটেল শ্ৰেণী কোঠা (০—২), M.phil থকা শিক্ষাগুৰু (২—১২), Ph.D থকা শিক্ষাগুৰু (২—১২), ISBN গ্ৰন্থ প্ৰকাশ (০—৮), ISSN জাৰ্ণাল প্ৰকাশ (০—১), ISSN আৰু ISBN গৱেষণা পত্ৰ প্ৰকাশ (২৭—৭৩), নেচনেল চেমিনাৰ আহ্বায়ক (১—৮), নেচনেল আলোচনা চক্ৰত শিক্ষকৰ অংশগ্ৰহণ (০—৯৪), বিভাগীয় আলোচনা চক্ৰ আহ্বায়ক (০—৮৭), মাইনৰ গৱেষণা প্ৰকল্প সম্পাদন (১—৪), Mphil গাইড দিয়া (০—০২) আৰু Phd গাইড দিয়া (০—৭)। এইবোৰৰ উপৰিও আন্তঃগাঁথনিৰ বৈপ্লৱিক পৰিৱৰ্ত্তনো বিশেষভাৱে মন কৰিবলগীয়া।

২৫ মে' ২০১৬ তাৰিখত ভাৰতবৰ্ষৰ ৭৫ খন বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়ৰ লগত নৱজ্যোতি মহাবিদ্যালয়ক ২.৭৩ CGPA ৰে B-গ্ৰেড প্ৰদান কৰাৰ লগতে কিছুমান অতিগুৰুত্বপূৰ্ণ পৰামৰ্শ আগবঢ়ায়। শিক্ষক-ছাত্ৰ-ছাত্ৰীসকলক গৱেষণামূখী হোৱাৰ লগতে মহাবিদ্যালয়খনৰ লগত জড়িত সমাজ, শিক্ষানুষ্ঠান আৰু পৰিৱেশৰ গুণগত উন্নতীসাধনৰ বাবেও আহ্বান জনায়। নাক আৰু অসম চৰকাৰৰ উপদেশৰ প্ৰতি সঁহাৰি জনাই ইতিমধ্যেই "নৱজ্যোতি জ্ঞান বিকাশ অভিযান" বুলি এক অতিগুৰুত্বপূৰ্ণ আঁচনিও হাতত লোৱা হৈছে। তাৰোপৰি BCA, PGDCA আৰু MCA পাঠ্যক্ৰমেৰে এটা সুকীয়া কম্পিউটাৰ বিজ্ঞান বিভাগ আৰু BFSC পাঠ্যক্ৰমেৰে ফিচাৰী বিভাগ অন্তৰ্ভূক্ত কৰাৰো পৰিকল্পনা ইতিমধ্যেই সম্পূৰ্ণ কৰা হৈছে। তাৰোপৰি ছাত্ৰ-ছাত্ৰীৰ পাৰদৰ্শিতা বিকাশৰ বাবে, Food Processing, Tailoring, Organic Farming আদি পাঠ্যক্ৰম সন্নিবিষ্ট কৰাৰো পৰিকল্পনা প্ৰায় সম্পূৰ্ণ হোৱাৰ পথত। এইসকলোবোৰ কৃতকাৰ্যতাৰে লক্ষ্যত উপনিত হ'বলৈ হ'লে গুৰুদায়িত্ব বহন কৰিব লাগিব শ্ৰদ্ধাৰ শিক্ষাগুৰুসকলে।

অৱহেলা, অৱক্ষয় আৰু মলিনতা বোধ হ'ব লাগিব মিছন-২০২১ ৰ মূলমন্ত্ৰ।□□□





# কন্যা সন্তান আৰু আমাৰ সমাজ

মোঃ আতাউৰ ৰহমান
মুৰব্বী অধ্যাপক, অৰ্থনীতি বিভাগ

কন্যা সন্তানৰ সামাজিক মৰ্য্যদাই মহিলাৰ সমতা আৰু মৰ্য্যদাৰ মূল চাবি কাঠি, যিয়ে এখন সমাজৰ পৰিপক্কতাক সুচায়। মহিলাসকল এটা জাতিৰ মাতৃ, যিসকলে পূৰ্ব আৰু উত্তৰ পুৰুষৰ মাজত যোগসূত্ৰ ৰক্ষা কৰে। পণ্ডিত জৱাহৰলাল নেহৰুৱে কৈছিল,— "মানৱ জাতিক জাগৃত কৰিবলৈ হ'লে মাতৃ জাতিক জাগৃত কৰিব লাগিব। যদি এবাৰ মাতৃ চলনশীল হয় তেন্তে পৰিয়ালটো চলিবলৈ আৰম্ভ কৰে আৰু জাতি গতিশীল হয়।" মাতৃসকলক অৱহেলা কৰা জাতি এটাই কেতিয়াও সুস্থ আৰু সবল জাতিৰূপে নিজক চিনাকি দিব নোৱাৰে। মহিলাৰ বিৰুদ্ধে চলা অপৰাধবোৰ ৰোধ কৰিবলৈ হলে কন্যা সন্তানৰ প্ৰতি থকা আমাৰ সমাজৰ অৱহেলাবোৰ বন্ধ কৰিব লাগিব। তেতিয়াহে নাৰী সবলীকৰণৰ বাট মুকলি হব।

কন্যা সন্তানক আমাৰ সমাজৰ বোজা বুলি গন্য কৰা হয়। পিতৃ- মাতৃ আৰু পৰিয়ালৰ আপোনজনৰ হাততেই কন্যা সন্তান সকলে বৈষম্যৰ বলি হ'ব লগা হয়। ভাৰতীয় উপ মহাদেশ আৰু জনবহুল এচীয়া দেশসমূহত কন্যাসন্তানৰ প্ৰতি কৰা অৱহেলা অতি ভয়াবহ। পৰিয়াল আৰু সমাজৰ অৱহেলা আৰু নিষ্ঠুৰতাৰ বাবে মহিলাসকল লিঙ্গ বৈষম্যৰ বলি হয়। ভাৰতীয় দৰ্শন মতে নাৰীয়ে সদায় পৰাধীন জীৱন যাপন কৰে। শৈশৱত মহিলাসকলে পিতৃৰ অধীনত যৌৱনত স্বামী আৰু বৃদ্ধ বয়সত পুত্ৰৰ অধীনত জীৱন কটায়।

১৯০১ চনৰ পৰা ২০০১ লৈ হৈ যোৱা ভাৰতৰ লোকপিয়লৰ তথ্য চালে পুৰুষ মহিলাৰ অনুপাত ক্ৰমান্বয়ে হ্ৰাস হৈ অহাটো পৰিলক্ষিত হয়। ১৯০১ চনত প্ৰতি ১০০০ পুৰুষৰ ভিতৰত মহিলাৰ সংখ্যা আছিল ৯৭২ জনী অথচ ২০০১ চনত প্ৰতিহাজাৰ পুৰুষৰ ভিতৰত মহিলাৰ সংখ্যা হয় ৯৩৩ জনী। এই সময়ছোৱাত জন্ম আৰু মৃত্যুৰ হাৰ দুয়োটা হ্ৰাস পাইছে। জন্মহাৰ হ্ৰাস পাইছে প্ৰতি হাজাৰত ৪৫.৮ ৰ পৰা ২১.৮ লৈ আৰু মৃত্যু হাৰ হ্ৰাস পাইছে ৪৪.৪ ৰ পৰা ৭.১ জনলৈ। জন্মৰ হাৰৰ তুলনাত মৃত্যুৰ হাৰ দ্ৰুত গতিত হ্ৰাস হোৱাই এইটোকে সুচাইছে যে মহিলাৰ মৃত্যুৰ হাৰ পুৰুষৰ তুলনাত যথেষ্ট বেছি। ভাৰতবৰ্ষত ১০০ ল'ৰাৰ বিপৰীতে কন্যা শিশুৰ জন্ম হয় প্ৰায় ১০৮ জনী। ০ ৰ পৰা ৪০ বছৰৰ ভিতৰত কন্যা শিশু আৰু মাতৃৰ অধিক মৃত্যুৰ কাৰণে পুৰুষ মহিলাৰ অনুপাত দিনক দিনে হ্ৰাস পোৱা দেখা যায়। এই সময়ছোৱাত মহিলাৰ হেৰাই যোৱাৰ হাৰ (Missing rate) যথেষ্ট বেছি। কন্যা সন্তানৰ প্ৰতি পিতৃ-মাতৃ, পৰিয়াল আৰু সমাজৰ অৱহেলাই বৰ্দ্ধিত লিঙ্গ বৈষম্যৰ অন্যতম কাৰণ।

আজিৰ পৰা ৩০ বছৰ আগত মোৰ সমনীয়া ছোৱালী এজনীয়ে দ্বিতীয় সন্তান কন্যা শিশু জন্ম দিয়া বাবে স্বামীৰ ককৰ্থনা সহ্য কৰিব নোৱাৰি কন্যা শিশুজনীক (সদ্য জন্মপ্ৰাপ্ত) মানাহ নদীৰ কোবাল সোঁতত দলিয়াই মাৰি পেলাইছিল। পিছত মাকজনীয়েও মানসিক ভাৰসাম্য হেৰুৱাই মৃত্যু মুখত পৰিছিল।

ভাৰতীয় উপদেশ আৰু জনবহুল এচীয় দেশসমূহত যিকোনো ধৰ্ম সম্প্ৰদায়ৰ এটি পৰিয়ালৰ, যি ধনী বা দুখীয়া যিয়ে নহওক কিয় পিতৃ-মাতৃয়ে তেওঁলোকৰ দ্বিতীয় সন্তান পুত্ৰ হোৱাটো বিচাৰে। এজন পুৰুষে পুত্ৰ সন্তানৰ কাৰণে একাধিক বিয়া

কৰাবলৈয়ো কুণ্ঠাবোধ নকৰে। কাৰণ তেওঁলোকে ভাবে যে, কিছুমান মহিলাই অকল কন্যা সন্তানহে গৰ্ভত ধাৰণ কৰে। Womense News ৰ হিচাব মতে ভাৰতত বছৰি প্ৰায় ৫ নিযুত কন্যা সন্তানৰ ভ্ৰূণ গৰ্ভপাতৰ জৰিয়তে নষ্ট কৰি পেলোৱা হয়। নাৰী অধিকাৰ কৰ্মী তথা The voluntary Health Association of India ৰ মুৰব্বী মিৰা শিৱে কৈছে— দুটা সন্তানেৰে পৰিয়াল গঢ়িব খোজা সকলো শ্ৰেণীৰ মানুহেই বিশেষকৈ শিক্ষিত মধ্যবিত্ত আৰু উচ্চ শ্ৰেণীৰ পৰিয়ালে পুত্ৰসন্তানৰ কাৰণে কন্যা সন্তানৰ ভ্ৰূণবোৰ হত্যা কৰি গৈ থাকে যেতিয়ালৈ তেওঁলোকৰ দ্বিতীয় সন্তানটো পুত্ৰ জন্ম নহয়। চীন দেশৰ এক সন্তান নীতি মৰ্মে অসংখ্য কন্যা সন্তানক পৃথিৱীৰ পোহৰ দেখাৰ আগতেই গৰ্ভপাত কৰি হত্যা কৰি পেলোৱা হয়। পাকিস্তানৰ ওমৰ জৈয়ব নামৰ ব্যক্তিজনে BBC ৰ আগত নিজৰ ভুল স্বীকাৰ কৰি বৰ্ণনা কৰিছিল কেনেকৈ তেওঁলোকৰ ডেৰ বছৰীয়া কন্যা শিশুটিক মাক ছমেৰাৰ সন্মুখতেই লাহোৰ চহৰৰ ৰবি নদীৰ পানীত দলিয়াই দি মাৰি পেলাইছিল।

বৰ্তমান সমাজত মহিলাৰ বিৰুদ্ধে অপৰাধ উদ্বেগজনক ভাৱে বৃদ্ধি পালেও নিজৰ আপোনজন আৰু পৰিয়ালৰ নিষ্ঠুৰতাই যে মহিলাৰ সংখ্যা হ্ৰাসৰ কাৰণ তাকেই এই নিবন্ধত আলোচনা কৰাৰ প্ৰয়াস কৰা হৈছে।

পুত্ৰ সন্তানৰ প্ৰতি থকা অত্যাধিক প্ৰাধান্যতাই আমাৰ সমাজৰ লিঙ্গ বৈষম্যতাৰ অন্যতম কাৰণ। পিতৃ-মাতৃয়ে পোহ-পাল দিয়াৰ সময়ত খোৱা পিন্ধা, শিক্ষা আৰু স্বাস্থ্যৰক্ষাৰ সুবিধা প্ৰদানৰ ক্ষেত্ৰত পুত্ৰ আৰু কন্যাৰ মাজত বৈষম্য কম দেখা যায়। অৰ্থাৎ কন্যাজনীক কম সা-সুবিধা প্ৰদান কৰা দেখা যায়। নবেল বঁটা বিজয়ী অৰ্থনীতিবিদ অমৰ্ত্য সেনে মন্তব্য কৰিছে যে শিক্ষা আৰু স্বাস্থ্যৰ ক্ষেত্ৰত কন্যা সন্তানসকলে অৱহেলাৰ সন্মুখীন হয়।

Director at the centre on Gender equality and Health and Professor at the Division of Global Public Health, Department of Medhicine at the University of califomis. San Diago ৰ ড° অনিতা ৰাজে কৈছে— বিভিন্ন অঞ্চলৰ পৰা সংগ্ৰহ কৰা তথ্য মতে প্ৰতি চাৰিজনী মাতৃৰ এজনীয়ে কন্যাতকৈ পুত্ৰ সন্তানক অধিক প্ৰধান্য দিয়ে। বুঢ়া বয়সত পুত্ৰৰ ওপৰত নিৰ্ভৰশীল হ'ব বুলি ভাবি পিতৃ-মাতৃয়ে পুত্ৰ সন্তানক কন্যাতকৈ অধিক গুৰুত্ব সহকাৰে পোহপাল দিয়ে যাতে বুঢ়া বয়সটো সুখত কটাব পাৰে। বঙ্গদেশত প্ৰণৱবৰ্দ্ধনে চলোৱা এটা সমীক্ষাত দেখা পাইছে যে মাকে একেলগে নিজৰ পুত্ৰ কন্যাক খাবলৈ দিলে পুত্ৰক এটা গোটা কণীৰ বিপৰীতে কন্যাক কণীৰ আধাহে খাবলৈ দিয়ে। ড° আব্দুল আজিজে বাংলাদেশত চলোৱা সমীক্ষাত দেখা পাইছে যে নিজৰ পুত্ৰ আৰু কন্যা একেলগে কলেৰা বেমাৰত আক্ৰান্ত হ'লে পুত্ৰ সন্তানজনক কন্যাজনীতকৈ প্ৰায় ২৪ ঘন্টা আগতে চিকিৎসালয়লৈ নিয়ে। শিক্ষাৰ ক্ষেত্ৰতো কন্যা সন্তানকৈ পুত্ৰ সন্তানক অধিক গুৰুত্ব সহকাৰে শিক্ষা প্ৰদানৰ ব্যৱস্থা কৰা হয়। UNICEF ৰ মতে— প্ৰতিবছৰ ৫ নিযুত কন্যা শিশুৱে বিদ্যালয় এৰি ঘৰুৱা কাম কাজত লাগিব লগা হয় যি সময়ত পুত্ৰ সন্তানসকলে স্বাচ্ছন্দে তেওঁলোকৰ অধ্যয়ন চলাই থাকে। প্ৰথম শ্ৰেণীৰ পৰা পঞ্চম শ্ৰেণীলৈ পঢ়াৰ পিচত প্ৰায় ৪০% ছোৱালীয়ে বিদ্যালয় এৰিব লগা হয়। ২০১১ ৰ লোকপিয়ল মতে ভাৰতত পুৰুষৰ স্বাক্ষৰতাৰ হাৰ ৪২% হোৱাৰ বিপৰীতে মহিলাৰ স্বাক্ষৰতাৰ হাৰ হ'ল ৬৫.৪%। স্বাধীনতাৰ ৬৫ বছৰ পিছতো পুৰুষ আৰু মহিলাৰ শিক্ষাৰ ক্ষেত্ৰত এই বৈষম্যতা চলি আছে। কন্যা সন্তানৰ প্ৰতি পৰিয়াল আৰু পিতৃ মাতৃৰ এই বৈষম্যমূলক আচৰণৰ মূল কাৰণবোৰ হ'ল—

১) পুত্ৰ সন্তানৰ প্ৰাধান্যতা (Son preference) ঃ পুত্ৰৰ আয় আৰু আচৰণৰ ওপৰত বুঢ়া বয়সত নিৰ্ভৰশীল হ'ব লাগিব বুলি ভাবি পুত্ৰ সন্তানক অধিক প্ৰাধান্য দিয়া দেখা যায়।

২) ভাৰতীয় উত্তৰাধিকাৰী আইনে কন্যা সন্তানক পুত্ৰৰ সমান সম্পত্তিৰ অধিকাৰ নিদিয়াটো কন্যাসকলৰ বৈষম্যমূলক আচৰণৰ বলি হোৱাৰ অন্যতম কাৰণ। কন্যা সন্তানজনীক যেনি তেনি ডাঙৰ দীঘল কৰি বেলেগ পুৰুষ এজনলৈ বিয়া দিয়াটোয়ে মাক-বাপেকৰ কৰ্ত্তব্য বুলি ভাবে। কন্যা সন্তানে পৈতৃক সম্পত্তিৰ অধিকাৰ নোপোৱাৰ কাৰণে সৰ্ব্বনাশী যৌতুক প্ৰথাৰ বলি হ'ব লগা হয়। পিতৃ-মাতৃয়ে যৌতুক প্ৰদান কৰিব লাগে বাবে কন্যা সন্তানক বোজা বুলি গন্য কৰে আৰু ইয়ে ভ্ৰূণ হত্যা নিচিনা নিষ্ঠুৰ কৰ্মৰ বাবে অনুপ্ৰাণিত কৰে আৰু লোভী স্বামী পৰিয়ালৰ সদস্যক যৌতুকৰ বাবে নাৰী নিৰ্য্যাতনৰ গৰ্ব মুকলি কৰে। যৌতুক জানিব হত্যাকাণ্ড বৰ্ত্তমানৰ সমাজৰ এটি দুৰাৰোগ্য ব্যাধি।

৩) নাৰী সকলক আমাৰ সমাজৰ এক সংবেদনশীল সন্মানজনক সামগ্ৰী হিচাবে গণ্য কৰা হয়। এগৰাকী নাৰীয়ে নিজৰ পছন্দ মতে জীৱনসংগী এজন গ্ৰহণ কৰিব নোৱাৰে। অনেক সময়ত দেখা যায় এজনী মহিলাই সদ্য ধৰ্ম, গোত্ৰ বা সম্প্ৰদায়ৰ পুৰুষ এজনৰ লগত বিয়া বা প্ৰেমজনিত সম্পৰ্ক গঢ়ি তোলা বাবে পিতৃ পৰিয়ালে তেওঁলোকৰ সন্মান লাঘব হোৱা বুলি ভাবে আৰু মহিলাজনীক হত্যা কৰি পেলায়। (Honour Killing)

৪) পিছপৰা জনগোষ্ঠীসমূহৰ মাজত চলি থকা ডাইনী হত্যাকাণ্ডৰ বেছিভাগ ক্ষেত্ৰতে মহিলা সকলেই বলি হোৱা দেখা যায়। ১৯৯৯ ত পাকিস্তানৰ ১৬ বছৰীয়া জনজাতীয় মহিলাগৰাকী দলবদ্ধ ধৰ্ষনৰ বলি হোৱাৰ পিছত মহিলাগৰাকীয়েই দোষী সাব্যস্ত কৰি Tribes Judicial Council এ দিয়া প্ৰাণদণ্ডৰ ৰায়ে মহিলাৰ প্ৰতি পুৰুষ সমাজৰ বৈষম্যমূলক আচৰণৰ এক উলংগ প্ৰকাশ।

৫) আধুনিক সীমিত পৰিয়াল ব্যৱস্থাই কন্যা সন্তানৰ জন্মৰ ওপৰত এক প্ৰতিকূল প্ৰভাৱ পেলোৱা দেখা গৈছে। পৰিয়ালৰ সদস্য সংখ্যা সীমিত ৰখাৰ স্বাৰ্থত পৰিয়ালবোৰে কন্যা সন্তানৰ ভ্ৰূণ হত্যা এক স্বাভাৱিক ঘটনালৈ পৰ্য্যবসিত কৰি পেলাইছে, Ultra Sound আদি বিজ্ঞানে আৱিষ্কাৰ কৰা পদ্ধতিবোৰে কন্যা সন্তানৰ ভ্ৰূণবোৰ মাতৃ গৰ্ভতেই চিনাক্ত কৰি নষ্ট কৰাৰ ক্ষেত্ৰত যথেষ্ট অৰিহণা যোগাইছে।

মহিলাৰ প্ৰতি চলি থকা অৱহেলা ৰোধ কৰিবলৈ হ'লে মহিলা সবলীকৰণ অতি আৱশ্যকীয়। মহিলা সবলীকৰণৰ মূল চাবি কাঠি হ'ল মহিলাক শিক্ষিত কৰি তোলা। এগৰাকী মাতৃ শিক্ষিত হ'লে এটা পৰিয়াল শিক্ষিত হয় আৰু পৰিয়াল শিক্ষিত হ'লেহে এটা জাতি শিক্ষিত হয়। নেপেলিয়ন বোনাপাৰ্টে কৈছিল— "মোক এজনী ভাল মাতৃ দিয়া, মই তোমালোকক এটা ভাল জাতি প্ৰদান কৰিম।"

কন্যা শিশুক অৱহেলা মুক্ত কৰিবলৈ শিক্ষাই এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব পাৰে। উচ্চ শিক্ষিত মাতৃ সকলৰ সন্তান জন্ম দিয়া সময়ৰ দীৰ্ঘতা কমি যোৱা আৰু পৈণত বয়সত সন্তান জন্ম দিয়া বাবে মাতৃ আৰু সন্তানৰ মৃত্যুহাৰ যথেষ্ট কমি যায়। আনহাতে এগৰাকী কম বয়সীয়া অশিক্ষিত মাতৃয়ে কম ওজনৰ অপৈণত সন্তান জন্ম দিয়াৰ পিছত সন্তানটো পুত্ৰ হ'লে অধিক যত্ন আৰু চিকিৎসাৰে ডাঙৰ দীঘল কৰে আৰু কন্যা সন্তান হ'লে অনাদৃত ভাবে মৃত্যু মুখত পৰে। সেইবাবে কন্যা সন্তানৰ মৃত্যুৰ হাৰ পুত্ৰতকৈ অধিক হোৱা দেখা যায়। আমাৰ সমাজৰ পৰা পুত্ৰ আৰু কন্যা সন্তানৰ বৈষম্য আঁতৰ কৰিবলৈ মহিলাক শিক্ষিত কৰি তোলা অতি জৰুৰী। শিক্ষা আৰু উৎপাদনমূলক অৰ্থনৈতিক কাম কাজত মহিলাৰ অংশগ্ৰহণেহে এই বৈষম্য আঁতৰ কৰিব পাৰে। বিভিন্ন সমীক্ষাত দেখা গৈছে যে যিবোৰ অঞ্চলত মহিলাই উৎপাদনমূলক বিশেষকৈ কৃষিকাৰ্যত অংশগ্ৰহণ কৰে; সেই অঞ্চলবোৰত যৌতুক প্ৰথাৰ নিচিনা মহিলা বিৰোধী প্ৰথাবোৰ খুব কম বা নাই। ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চল, অসম আদি ৰাজ্যবোৰত মহিলাই কৃষিকাৰ্য্যত অংশগ্ৰহণ কৰা বাবে এই অঞ্চলবোৰত যৌতুক প্ৰথা খুব কম বা প্ৰায় নায়েই।□□□

# লোক সংস্কৃতিত বাঁহ আৰু ইয়াৰ গুৰুত্ব

ঘনশ্যাম ভৰালী
অৱসৰপ্ৰাপ্ত, উপাধ্যক্ষ

লোক সাহিত্য হ'ল কোনো এটা জাতি বা জনগোষ্ঠীৰ আদিম অৱস্থাৰ পৰা পৰম্পৰাগতভাৱে চলি অহা জনশ্ৰুতি। মন কৰিলে দেখা যায় পৃথিৱীৰ প্ৰায় সকলো জাতিৰে নিজা নিজা লোক সাহিত্য আছে আৰু সেইবোৰ তেনেদৰে চহকীও। আমাৰ অসমীয়া জাতিৰো নিজা লোক সাহিত্য আছে আৰু জাতিটোৰ সমগ্ৰ সৃষ্টি প্ৰতিভাক প্ৰতিনিধিত্বৰে ই চহকীও। এই লোক সাহিত্যসমূহ পদ্য-গদ্য দুয়োটা ৰূপতে সৃষ্ট আৰু সংৰক্ষিত। সাধাৰণতে ধৰ্মীয় অনুষ্ঠান, পূজা-পাতল, লোক বিশ্বাস, নিয়ম-কানুন, সাধুকথা, নৃত্য-গীত, আখ্যান-উপখ্যান, ক্ৰীড়া-কৌতুক এই সকলোবোৰক লৈয়ে সম্পূৰ্ণ হয় লোক সাহিত্য। মানুহে যুগ যুগ বছৰ ধৰি লাভ কৰা শিক্ষা অভিজ্ঞতা আদিৰ পৰিপক্ব ৰূপে লোক সাহিত্য আৰু লোক বিশ্বাস। ইয়াৰ মাজতে কোনো এটা জাতিৰ মনোজগত আৰু জীৱন যাপনৰ আদৰ্শৰ বীজ লুকাই থাকে। সাধাৰণতে অসমীয়া লোক সংস্কৃতি ভাৰতীয় লোক সংস্কৃতিৰ লগত মিল দেখা যায় যদিও অসমীয়া জাতিটো বিভিন্ন জাতি উপজাতিৰ সংমিশ্ৰণত গঢ় লৈ উঠিছে। সেয়ে লোক সংস্কৃতিৰ উপাদানসমূহ সকলো কালৰ বাবে অপৰিৱৰ্তিত ৰূপত পোৱা নাযায়, ই পৰিৱৰ্তনশীল। নৃতত্ব, বুৰঞ্জী আৰু লোক সংস্কৃতিৰ মাজত তাত্বিক বিৰোধ থাকিলেও লোক সংস্কৃতিৰ ওপৰত বৰ্ত্তমানে অধ্যয়ন আৰু গৱেষণাৰ ক্ষেত্ৰ প্ৰসাৰিত হৈছে যদিও কিছুমান বিষয়ত গুৰুত্বসহ প্ৰণালীবদ্ধভাৱে অধ্যয়নৰ থল এতিয়াও আছে বুলিব পাৰি। এনে এটা গুৰুত্বপূৰ্ণ বিষয় হৈছে অসমীয়া জনজীৱনৰ সৈতে

এৰাব নোৱাৰা সম্পৰ্ক থকা বাঁহ গছ। অসমীয়া লোক সংস্কৃতিত
যিদৰে ধৰ্মীয় বিশ্বাস, পূজা-পাতল ৰান্ধনিশাল, জন্ম-মৃত্যু, সাজ-
পাৰ, লোক শিল্প আদিৰ গুৰুত্ব আছে তেনেদৰে অসমীয়া লোক
সমাজত সাংস্কৃতিক দিশত বাঁহৰ গুৰুত্ব নাই বুলি নোৱাৰি। আমাৰ
এই আলোচনাত পূৰ্বপুৰুষৰ পৰা উত্তৰ পুৰুষলৈকে ব্যৱহাৰ হৈ
অহা বাঁহৰ বিভিন্ন সা-সঁজুলিয়ে অসমীয়া লোক-সংস্কৃতিৰ বিভিন্ন
দিশ পৰিপূৰ্ণ কৰিছিল। কিন্তু এতিয়া প্লাষ্টিকৰ আগ্ৰাসনৰ প্ৰভাৱত
ক্ৰমান্বয়ে যেন সকলোতে এলাগী হৈ পৰিছে— এই কথা উপলব্ধি
কৰিয়ে অসমীয়া "লোক সংস্কৃতিত বাঁহ আৰু ইয়াৰ গুৰুত্ব' শীৰ্ষক
বিষয়ত আলোচনা দাঙি ধৰিবলৈ প্ৰয়াস কৰা হৈছে।
বাঁহ হৈছে আমাৰ জনজীৱনৰ অতিকৈ প্ৰয়োজনীয় উদ্ভিদ।
বাঁহ অবিহনে আমাৰ জীৱন যাত্ৰা আগবাঢ়িব নোৱাৰে। জন্মৰ পৰা
মৃত্যুলৈকে এই গোটেই জীৱনত বাঁহৰ নিত্যান্ত প্ৰয়োজন। বাঁহগছ
পৃথিৱীৰ প্ৰায় ঠাইতে বিশেষকৈ ভাৰত, চীন, ম্যানমাৰ, ব্ৰহ্মদেশ,
থাইলেণ্ড, লংকা, অষ্ট্ৰেলিয়া, আমেৰিকা আদি দেশতো পোৱা
যায়। উল্লেখনীয় যে ভাৰতৰ আন আন ৰাজ্যৰ তুলনাত অসমত
আটাইতকৈ বেছি বাঁহ পোৱা যায়। বাঁহ বিভিন্ন জাতৰ আছে। ভিন্ন
প্ৰকাৰৰ বাঁহ বিভিন্ন কামত ভাগে ভাগে ব্যৱহাৰ কৰা হয়। ভাল-
বেয়া, সৰু-বৰ সকলো কামতে বাঁহ লাগে। সাধাৰণতে আমাৰ
দেশত পোৱা বাঁহ গছবোৰ হ'ল— ভলুকা, জাতি, মাকাল, কটাহ,
বিজুলি, জোপোহা, হালধীয়া, কাক, বৰুৱা বাঁহ আদি। গ্ৰাম্য
অঞ্চলত অসমৰ প্ৰায় মানুহৰ ঘৰৰ পিছফালে দুই-এজোপা বাঁহগছ
দেখা যায়। অৱশ্যে পিছফালে ঘৰৰ পৰা আঁতৰত সুকীয়াকৈ বাঁহগছ





ৰুই বাঁহবাৰী পাতি বাঁহৰ প্ৰয়োজনীয়তা পূৰণ কৰে।

দক্ষিণ পূৱ এছিয়া জাপান আদি দেশৰ দৰে অসম তথা উত্তৰ পূৰ্বাঞ্চলত লোক সংস্কৃতিত বাঁহৰ এক উল্লেখযোগ্য অৱদান আছে। সকলোৱে এক কথাত মানি লৈছে যে আমাৰ সংস্কৃতি মূলতঃ কৃষিকেন্দ্ৰিক। সেয়ে গ্ৰাম্য জীৱনত কৃষক জীয়াই থকাৰ সমল হৈছে সহোদৰ স্বৰূপ বাঁহজুপী। চহা জীৱনৰ একমাত্ৰ সহায়ক হিচাপে ঘৰৰ কাঠী-কামীৰ পৰা আৰম্ভ কৰি কৃষিৰ লগত জড়িত মৈ, এচাৰি, যুঁৱলি, দ'লমাৰী, হোলমাৰী, ভাৰবোৱা বাৰী, ওখনি, তমাল, কোৰ-কুঠাৰ আদিৰ নাল, লাঠি, লাখুটি আদি। দৈনন্দিন জীৱনত ব্যৱহৃত লোকশিল্প যেনে- পাচি, সৰু বৰ খৰাহী, ডলা, চালনী, কুলা, মূঢ়া, বাঢ়নী, বিচনী, সৰু বৰ জাপি, বিভিন্ন প্ৰকাৰৰ ঢাৰি আদি বনোৱা হয় একমাত্ৰ বাঁহেৰে— যাৰ প্ৰয়োজনীয়তা কোনেও অস্বীকাৰ কৰিব নোৱাৰে। তদুপৰি কাপোৰ কানি মেলি দিবলৈ দীঘল পোন বাঁহৰ টাৰ এডাল স্থাপন কৰা হয় চোতালৰ দাঁতিত। আনফালে তাঁতশালৰ সঁজুলি বুলিলে উঘা, চেৰেকী, সৰু বৰ চেৰী, ফুলতোলা চেৰী, শলি, গুৰি, গৰকা, ব-তোলা চুঙা, ৰাচ, নাচনীমাৰী আদি বাঁহেৰে কৰা হয়। অসমীয়া নাৰীৰ অতিকৈ মৰমৰ তাঁতশালখনক কেন্দ্ৰ কৰি বিভিন্ন কুটীৰ শিল্প কৰ্মও গঢ়ি উঠে এই সঁজুলিবোৰতে য'ত শিপিনীৰ লোকমনৰ সৌন্দৰ্যৰ সুপ্ৰকাশ হয়। কিন্তু আজি কালি যেন তাঁতশালৰ ব্যৱহাৰ নোহোৱা হৈছে যাৰ ফলত ঐতিহ্যপূৰ্ণ এই লোক শিল্পবোৰৰ লগতে আমাৰ লোক মনটো হেৰাই যাবলৈ উপক্ৰম হৈছে। অসমীয়া সমাজ জীৱনত তথা আন গোষ্ঠীৰ ক্ষেত্ৰতো দেখা যায় মাছ ধৰাৰ বিভিন্ন সা-সঁজুলি বাঁহেৰে বনোৱা হয়। সেইবোৰৰ ভিতৰত জাকৈ, খালৈ, দল, চেপা, চোহৰা, ডিঙৰা, বানা, সিচনী, চালনী আদিয়ে প্ৰধান। লাও-জিকা, কোমোৰা আদি লতাজাতীয় গছ বগাবলৈ বাঁহৰ চাং, জেং আদি দিয়া হয়। ঘৰলৈ অহা যোৱা জপনাখনো বাঁহেৰে বনোৱা হয়। গাখীৰ খিৰাবলৈ ঘৰৰ গৃহিনীয়ে বাঁহৰ চুঙা ব্যৱহাৰ কৰে যাক কোৱা হয় 'কড়িয়া'। বাঁহৰ চুঙাৰ দৈ খাবলৈ সোৱাদ। পথাৰৰ লখিমী ঘৰলৈ অনাৰ শেষ দিনটোত অৰ্থাৎ 'কাঁচি উঠা' উৎসৱত পিঠাগুড়ি পানীত মিহলাই তাত নাৰিকল গুড় আদি দি জুইত সেকি কৰা চুঙা পিঠা কোমল বাঁহৰ চুঙাৰে কৰা হয়। বৰা চাউলেৰেও চুঙা পিঠা কৰা হয়। কিছুমান ঠাইত মাঘ বিহুৰ উৰুকাৰ দিনাও চুঙা পিঠা বনায়। ন ধান শুকাই মিলাই ভৱিষ্যতৰ কাৰণে সাঁচি থোৱা অৰ্থাৎ লখিমীক ৰখা সমুদায় ভঁৰাল ঘৰটো বাঁহেৰে সুন্দৰকৈ সজোৱা হয়। অসমীয়া মানুহৰ বাবে এই ভঁৰালঘৰ গোসাই ঘৰৰ দৰে শ্ৰদ্ধাৰ থল, পবিত্ৰতাৰ প্ৰতীক। ভৰাঁলত বাঁহী গাৰে কেতিয়াও সোমাব নেপায় বুলি অসমীয়া মানুহৰ লোক বিশ্বাস আছে। কাতি বিহুত ওখ দুডাল বাঁহ পুতি আকাশ বন্তি জ্বলাই লখিমীক আদৰাও লোকাচাৰৰ ভিতৰত পৰে।

অসমীয়া মানুহৰ বিশেষকৈ নিম্নবিত্ত আৰু দৰিদ্ৰ পৰিয়ালৰ চোতালখনৰ চাৰিওফালে চ'ৰাঘৰ, বৰঘৰ, মাৰলঘৰ গোসাঁইঘৰ, ৰান্ধনীঘৰ, গোহালিঘৰ আদি সুকীয়া সুকীয়াকৈ সজা ঘৰবোৰ সাধাৰণতে বাঁহৰ বিভিন্ন সঁজুলিৰে নিৰ্মাণ কৰা হয়। খুটাৰ বাবে পুৰণি ভলুকা আৰু কটাহ বাঁহ ব্যৱহাৰ কৰা হয়। চালৰ বাবে ৰুৱা, কামী, বেৰ, খোৱা, চটী, মাৰলি আদি বাঁহেৰে তৈয়াৰ কৰা হয়। য'ত লোকাচাৰ আৰু লোককলাৰ সুপ্ৰকাশ হোৱা দেখা যায়। হাঁহ পাৰৰ বাঁহ আদি ৰখোৱা কাৰ্যত বাঁহ অতিকৈ দৰকাৰী। সৰু-সুৰা জান-জুৰি পাৰ হ'বলৈ হলে সাঁকো বা দলং নিৰ্মাণ কৰা হয় বাঁহেৰে। ৰান্ধনীঘৰৰ চৌকাৰ ওপৰত সজা চাংখনো বাঁহেৰে কৰা হয়। ইন্ধনৰ আহিলা হিচাপেও বাঁহৰ শুকান খৰি, লাগনি খৰিৰ ব্যৱহাৰ কৰা হয়। খৰিৰে ৰন্ধা ভাত সাজ খাবলৈ বৰ সোৱাদ হয়।

অসমীয়া সমাজত জন্ম-মৃত্যু-বিবাহ সংক্ৰান্তীয় বিভিন্ন কাৰ্যত বাঁহৰ ব্যৱহাৰ মন কৰিবলগীয়া। শিশু এটা জন্ম হোৱাৰ লগে লগে বাঁহৰ চেচুৰে 'নাই' কাটি গা ধুৱাই দিয়াৰ লোকাচাৰ আছে। সদ্যজাত সন্তানক পিতৃয়ে বাঁহৰ চালনী এখনৰ ফুটাৰেহে প্ৰথমে চোৱাৰ নিয়ম আছে। এনে কৰিলে সন্তানে লগত লৈ অহা 'পিতৃ হা' আদি যৌগ হ্ৰাস হয় বুলি বিশ্বাস। মৃতকৰ শেষকৃত্য সমাপন কৰিবৰ বাবে বাঁহৰ প্ৰয়োজন। গাঁৱৰ ৰাইজে নিজে আহি চাঙী সাজে আৰু চাঙীত তুলি টঙালেৰে বান্ধি শ্মশানলৈ লৈ যোৱা হয়। চিতাখন বাঁহেৰে সজা হয় আৰু গাঁৱৰ প্ৰতিঘৰ মানুহে শ্মশানলৈ যাওতে মৃতকক খৰি দিয়াৰ বাবে শুকান বাঁহ এডোখৰ লৈ যায় আৰু খৰি দিয়া কাৰ্যতো পুণ্য কাম বুলি ভাবে। চাঙী বা চিতাৰ বাবে যিজোপা

বাঁহ গছৰ পৰা বাঁহ কটা হয় সেইজোপা বাঁহ এবছৰলৈ ঘৰৰ অন্য কামত ব্যৱহাৰ নকৰাৰ নিয়ম আছে। বিয়া অসমীয়া সমাজৰ প্ৰাণময় উৎসৱ। গঞা সমাজত ৰং ৰহইচৰ ৰহঘৰা। কইনা বা দৰাঘৰৰ মূল ৰভাখন সৰু বৰ বাঁহেৰে আটকধুনীয়াকৈ সজোৱা হয় য'ত লোক শিল্পকলাৰ সুপ্ৰকাশ হয়। অসমীয়া লোকসমাজত বিভিন্ন কাৰ্যত আহাকৈ সজা চৌদিয়া গৰুৰ গাড়ীখনৰ প্ৰয়োজনীয়তা কোনেও নুই কৰিব নোৱাৰে।

আমাৰ অন্যতম লোক উৎসৱ 'মহখেদা' উৎসৱতো বাঁহৰ ব্যৱহাৰ মন কৰিবলগীয়া। সাধাৰণতে ডেকা ল'ৰাবোৰে হাতে হাতে বাঁহৰ টোকন আৰু টকা বজাই মানুহৰ ঘৰে ঘৰে মহো-হো গীত গাই ফুৰে। ব'হাগ মাহত কোনো এটা নিৰ্দ্ধাৰিত দিনত গাঁৱৰ কেন্দ্ৰস্থলত উদ্‌যাপিত হোৱা বসন্তকালীন লোক উৎসৱ বিশেষকৈ গোৱালপাৰাৰ বাঁশ পূজা, হাজংসকলৰ বাঁশ পূজা, দৰং অঞ্চলৰ দেউল বা বিষুওপূজা, কামৰূপৰ ভঠেলি, সুৱেৰি, পাউৰা তোলা আদি উৎসৱৰ মূলতে হ'ল বাঁহ। সাধাৰণতে কামৰূপৰ ভঠেলি উৎসৱত গাঁৱৰ ডেকা চামে গা পা ধুই পবিত্ৰতাৰে ভাল বাঁহ দুডাল চুচি মাজি সু-সজ্জিত কৰি থিয়কৈ তুলি পোতা হয়। এই ডাল বাঁহক 'পাৰ' (পাওৱা) বোলে। ভঠেলিত কম পক্ষে দুটা 'পাৰ' পোতা হয়। ইয়াৰে দীঘলটোক মতা আৰু ছুটিটোক মাইকী 'পাৰ' বোলে। এই ভঠেলি উৎসৱে গাওঁ আৰু গঞাৰ সমূহীয়া আনন্দ সমৃদ্ধিৰ আখ্যা দিয়ে। মাঘ বিহুত ভেলা বা মেজিঘৰত ব্যৱহৃত বাঁহ আৰু বৰপেটাৰ দৌল উৎসৱৰ সুৱেৰীৰ দিনা বাঁহ ভঙা কাৰ্যত ব্যৱহৃত বাঁহডালৰো গুৰুত্ব মন কৰিবলগীয়া।

অসমীয়া লোকবাদ্য সমূহৰ ভিতৰত বাঁহী, মুৰুলী, টকা, গগণা আদিও অসমীয়া লোক সংস্কৃতিলৈ বাঁহৰেই অমূল্য অৱদান। ঢোলৰ মাৰিডাল, ম'হৰ শিঙৰ পেঁপাৰ নলিচাও বাঁহেৰে তৈয়াৰ কৰা হয়। পূজা পাতল নাম-প্ৰসঙ্গত মা চাউলৰ শৰাই আগবঢ়াবলৈ বাঁহৰ খৰাহীৰ দৰকাৰ। বাঁহৰ খৰাহীত দিলেহে পৱিত্ৰ হয় বুলি জ্ঞান কৰা হয়। পুৰোহিতে বহি পূজা কৰিবলৈ হ'লেও বাঁহৰ দ্বাৰা বিশেষভাৱে তৈয়াৰী চাৰিখনহে ব্যৱহাৰ কৰা হয়।

পৰম্পৰাগতভাৱে ভাৱে চলি অহা অসমীয়া জনজীৱনৰ সৈতে বান্ধ খাই থকা বাঁহ বা বাঁহনি ডৰাক লৈ অসমীয়া লোকসমাজত সাঁথৰ, সাধুকথা, ফকৰা-যোজনা, পটন্তৰ, খণ্ডবাক্য, লোকগীত আৰু লোকবিশ্বাসৰ জন্ম হৈছে। বাঁহ মংগল, শনিবাৰে নতুবা ৰাতি কাটিব নাপায়। কাটিলে গৃহস্থৰ অমংগল হয় বুলি লোক বিশ্বাস আছে। ঠিক সেইদৰে বাঁহগছ ফুলিলেও ঘৰখনলৈ অমংগলৰ আগবতৰা আনে বুলি আজিও বিশ্বাস কৰে। ডাকৰ বচনত উল্লেখ পোৱা যায় যে বাঁহ ঘৰৰ পশ্চিম দিশতহে ৰুব লাগে। পূবে হাঁহ পশ্চিমে বাঁহ কিয়নো পশ্চিমৰ বতাহে যাতে ঘৰৰ অনিষ্ট কৰিব নোৱাৰে। সন্ধিৰ বাঁহ বুদ্ধিৰে কটা, ফলা বাঁহ জোৰা নলগা, একে বাঁহৰ কাকৈ ভলুকা বাঁহৰ জাকৈ আদি খণ্ড বাক্যই অসমীয়া সাহিত্যক চহকী কৰিছে। সৰু ল'ৰা ছোৱালীৰ সজ চৰিত্ৰ গঠনৰ ক্ষেত্ৰত কোমল বাঁহৰ চেকনি যিফালেই মন যায় সেইফালেই ভাঁজ কৰিব পাৰি— এই আপ্তবাক্যশাৰী অসমীয়া সমাজত বহুলভাৱে প্ৰচলিত। লোকগীতসমূহত বিশেষকৈ বিহুগীত, হুচৰি গীত, বনগীত, আধুনিক গীতবোৰৰ লগতো বাঁহৰ সম্পৰ্ক অসমীয়াৰ জীৱনজোৰা।

বাঁহক কেন্দ্ৰ কৰি সৰু বৰ উদ্যোগ গঢ়ি উঠিছে। কাগজ কলসমূহত বাঁহ প্ৰধান কেচা মাল হিচাপে ব্যৱহাৰ কৰা হয়। বাঁহ যে কিমান মূল্যৱান আৰু কৃষি তথা শিল্পৰ লগত জড়িত হৈ আছে সেই কথা কৈ শেষ কৰিব নোৱাৰি বা অসমীয়া জনজীৱনৰ বিশেষকৈ গ্ৰাম্য অঞ্চলৰ লোকৰ বাবে মহা মূল্যৱান। মানুহৰ আৰ্থিক দুৰ্বল অৱস্থাৰ তাৎক্ষণিক সকাহ দিয়াৰ উপৰিও অসমীয়া লোক সংস্কৃতিলৈ বাঁহে আগবঢ়োৱা অৱদান অপৰিসীম। কিন্তু সম্প্ৰতিক কালত মন কৰিলেই দেখা যায় যে কৃষিৰ প্ৰতি আগ্ৰহহীনতাই আৰু প্লাষ্টিকৰ আগ্ৰাসনে বাঁহৰ বিভিন্ন সা-সঁজুলিৰ ব্যৱহাৰ আৰু গুৰুত্ব কিছু পৰিমানে সংকীৰ্ণ কৰিছে, ই সত্য।□□□





# কৃষ্ণগহ্বৰ আৰু মহাকৰ্ষনিক তৰংগ

কমৰুজ্জামান
সহযোগী অধ্যাপক, পদাৰ্থ বিজ্ঞান বিভাগ

মানুহৰ যেনেকৈ জন্ম হয়, বয়স বাঢ়ি যোৱাৰ লগে লগে ডাঙৰ দীঘল হৈ যৌৱনপ্ৰাপ্ত হয় আৰু শেষত বুঢ়া হৈ মৃত্যু হয়। ঠিক একেদৰে নক্ষত্ৰ এটাৰো গঠন বা সৃষ্টি হয় কৌটি কৌটি বছৰ পিছত ই যৌৱন প্ৰাপ্ত হয় আৰু কৌটি কৌটি বছৰ পিছত ই বুঢ়া হৈ বগা বাওঁনা বা ক'লা বাওঁনা বা নিউট্ৰন নক্ষত্ৰৰ ৰূপত মৃত্যুক আকোৱালি লয়। আমাৰ সকলোৰে চিনাকী সূৰ্য্যৰ দৰে ভৰৰ নক্ষত্ৰবোৰৰ ক্ষেত্ৰত ই প্ৰথমে এটা বগা বাওঁনা আৰু পাছত এটা ক'লা বাওঁনাত পৰিণত হয়। কিন্তু যিবোৰ নক্ষত্ৰৰ ভৰ সূৰ্য্যৰ ভৰৰ প্ৰায় তিনিগুণ সেইবোৰ নক্ষত্ৰ ধ্বংসৰ সময়ত এটা প্ৰৱল বিস্ফেৰণৰ ফলত নক্ষত্ৰটোৰ বহিৰ্ভাগ ইয়াৰ কেন্দ্ৰৰ সাহটোৰ পৰা বিচ্ছিন্ন হৈ যায়। সাহটো এটা নিউট্ৰন নক্ষত্ৰত পৰিণত হয়। কিন্তু যদি নক্ষত্ৰ এটাৰ ভৰ সূৰ্য্যৰ ভৰৰ তিনিগুণতকৈ বেছি হয় তেন্তে প্ৰৱল কেন্দ্ৰাভিমুখী মহাকৰ্ষণ বলৰ ক্ৰিয়াত ই মহাকৰ্ষনিক বিলুপ্তিৰ পথত আগবাঢ়ে। এটা সময়ত ইয়াৰ মহাকৰ্ষণ বল ইমান প্ৰৱল হয় যে ইয়াৰ পৰা পদাৰ্থ কণাৰ কথা বাদেই পোহৰৰ কণিকাও বাহিৰ ওলাই যাব নোৱাৰে। গতিকে বাহিৰৰ নিৰীক্ষক এজনৰ বাবে নক্ষত্ৰটো অদৃশ্য হৈ পৰিব। তেতিয়া নক্ষত্ৰটো এটা কৃষ্ণগহ্বৰ বা ব্লেক হ'লত পৰিণত হোৱা বুলি কোৱা হয়। বিজ্ঞানীসকলৰ মতে কৃষ্ণগহ্বৰ এনে এক শ্ৰেণীৰ নক্ষত্ৰ যি ইয়াৰ ওচৰৰ সকলো বস্তুকে আকৰ্ষণ কৰি নিজৰ গালৈ টানি আনে। কিন্তু এবাৰ ইয়াৰ ভিতৰত সোমোৱাৰ পাছত কোনো পদাৰ্থ কণিকা আনকি পোহৰো ইয়াৰ পৰা ওলাই আহিব নোৱাৰে। ই ক'ত আছে সেইটোও পোনপটীয়াকৈ লক্ষ্য কৰিবৰ উপায় নাই আৰু ইয়াৰ ভিতৰত টানি নি থকা পদাৰ্থবোৰ অৱশেষত ক'ত যায়গৈ বা কৃষ্ণগহ্বৰটোৰ ভিতৰত কেনেদৰে থাকে সেইটোও ক'ব নোৱাৰি। মহাকৰ্ষণৰ ক্ৰিয়াত এই পদাৰ্থবোৰ সংকোচিত হৈ বিন্দু মাত্ৰ, আয়তনত আৱদ্ধ হৈ থাকে বুলি কোৱা হয় কিন্তু সূৰ্য্যৰ ভৰতকৈ অনেকগুণ বেছি ভৰৰ এই ব্লেক হ'লবোৰৰ সমস্ত পদাৰ্থ কেনেকৈ এটা বিন্দুত আৱদ্ধ হৈ থাকে সেইটো কল্পনাও কৰিব নোৱাৰি।

সুষম ঘনত্বৰ সম্পূৰ্ণ গোলাকাৰ বস্তু এটাৰ বাবে আইনষ্টাইনৰ সমীকৰণবোৰৰ এটা সমাধান ১৯১৫ চনৰ ডিচেম্বৰ মাহত দাঙি ধৰে বিখ্যাত জাৰ্মান জ্যোতিৰ্বিদ কাৰ্ল ছোৱাৰ্জ চিল্ডে। এই সমাধানৰ পৰা দেখা যায় যে মহাকৰ্ষণৰ ক্ৰিয়াত নক্ষত্ৰ এটা সংকোচিত হৈ গৈ থাকিলে ইয়াৰ মহাকৰ্ষণ ক্ষেত্ৰৰ প্ৰাৱল্যও বাঢ়ি গৈ থাকে আৰু যেতিয়া ইয়াৰ ব্যাসাৰ্দ্ধ এটা নিৰ্দিষ্ট ব্যাসাৰ্দ্ধতকৈ কমি যায় তেতিয়া ই এটা ব্লেক হ'ললৈ ৰূপান্তৰিত হয়। ছোৱাৰ্জ চিল্ডে তেওঁৰ সমাধানত পোৱা এই ব্যাসাৰ্দ্ধৰ মান হ'ল $Rs = \frac{2GM}{C^2}$ । ইয়াত M —হ'ল নক্ষত্ৰটোৰ ভৰ, G— নিউটনৰ মহাকৰ্ষনিক ধ্ৰুৱক আৰু C— শূণ্যত পোহৰৰ বেগ। ব্লেক হ'ল এটাৰ চাৰিওফালে ছোৱাৰ্জচিল্ড ব্যাসাৰ্দ্ধৰ সমান দূৰত্বত থকা গোলাকাৰ পৃষ্ঠখনক ব্লেক হ'লটোৰ ইভেন্ট হৰাইজন বোলা হয়। বিখ্যাত গণিতজ্ঞ ৰিছাৰ্ড পাইছে ১৯৭২ চনত প্ৰকাশিত এখন

গৱেষণা পত্ৰৰ সহায়ত দেখুৱাবলৈ সমৰ্থ হয় যে ব্লেক হ'ল হোৱাৰ পিছত নক্ষত্ৰবোৰৰ পূৰ্বৰ প্ৰায়বোৰ ধৰ্মই লোপ পায়, কেৱল ইয়াৰ তিনিটা ধৰ্মহে ৰৈ যায়। সেই ধৰ্মকেইটা হ'ল ইয়াৰ ভৰ, বৈদ্যুতিক আধান আৰু কৌণিক ভৰবেগ। ব্লেক হ'ল এটাৰ বাহিৰৰ আৱৰণটোক আমি মুঠতে তিনিভাগত ভাগ কৰিব পাৰো। যেনে— স্থৈতিক সীমা, আৰ্গস্ফিয়েৰ আৰু ইভেন্ট হৰাইজন। স্থৈতিক সীমা আৰু ইভেন্ট হৰাইজনৰ মাজৰ অংশটোক নক্ষত্ৰটোৰ আৰ্গস্ফিয়েৰ বোলা হয়। বাহিৰৰ পৰা স্থৈতিক সীমা পাৰ হৈ পদাৰ্থ কণা বা বিকিৰণ আৰ্গস্ফিয়েৰত প্ৰৱেশ কৰিব পাৰে ঠিক তেনেকৈ আৰ্গস্ফিয়েৰৰ পৰা পদাৰ্থ কণা স্থৈতিক সীমা পাৰ হৈ বাহিৰ ওলাই যাব পাৰে। ব্লেক হ'ল এটাৰ ইভেন্ট হৰাইজনৰ পদাৰ্থকণা বা বিকিৰণৰ গাত একমুখী হয় কিন্তু আৰ্গস্ফিয়েৰত পদাৰ্থকণা বা বিকিৰণৰ গতি একমুখী নহয়। আৰ্গস্ফিয়েৰটোৰ তাৎপৰ্য্য হ'ল এয়ে যে এই অঞ্চলৰ স্থান কাল ঘুৰ্ণীয়মান নক্ষত্ৰটোৰ লগে লগে ঘূৰি থাকে। এইটো হ'ল আইনষ্টাইনৰ সাধাৰণ আপেক্ষিকতাবাদ তত্বৰ এটা ধৰ্ম।

*নক্ষত্ৰ এটা সংকোচিত হৈ ব্লেক হ'ল অৱস্থা পোৱাৰ* পিছত তাৰ অন্তিম অৱস্থা কি হয় সেই সম্পৰ্কে আলোচনা কৰো আহক। ব্লেক হ'লৰ বাহিৰত থকা নিৰীক্ষক এজনৰ বাবে ই আকাশৰ বুকুত অদৃশ্য হৈ যায়। কাৰণ ইয়াৰ পৰা পোনপটীয়াকৈ কোনো সংকেত নিৰীক্ষকজনে নেপায়। কিন্তু সেইবুলি ইভেন্ট হৰাইজনত প্ৰৱেশ কৰাৰ পাছত ব্লেক হ'লৰ কাৰ্য্য কলাপ বন্ধ হৈ নেযায়। আমি যদি ব্লেক হ'লৰ ভিতৰত এজন নিৰীক্ষক থকা বুলি ধৰি লওঁ তেন্তে তেওঁ প্ৰথমে এবিধ বিশেষ ধৰণৰ বলৰ ক্ৰিয়া অনুভৱ কৰিব। এই বলক জোৱাৰ ধৰ্মী বল বোলা হয়। যিহেতু ব্লেক হ'লৰ কেন্দ্ৰৰ ফালে মহাকৰ্ষণ ক্ষেত্ৰৰ তীব্ৰতা বহুত বেছি গতিকে নিৰীক্ষকজনৰ ভৰিৰ ওপৰত ক্ৰিয়া কৰা মহাকৰ্ষণ বলৰ মানতকৈ ওপৰৰ অংশত ক্ৰিয়া কৰা মহাকৰ্ষণ বলৰ মান বহুত বেছি হয়। ফলত তেওঁৰ দেহৰ দৈৰ্ঘ্যৰ প্ৰসাৰণ ঘটিব। চন্দ্ৰৰ আকৰ্ষণৰ ফলত সাগৰত জোৱাৰৰ সৃষ্টি হোৱাৰ দৰে ব্লেক হ'লৰ ভিতৰত থকা মানুহজনৰ ওপৰতো মহাকৰ্ষণৰ অসীম ক্ৰিয়াৰ বাবে তেওঁৰ দৈৰ্ঘ্য বৃদ্ধি পাব। কিন্তু এই ক্ৰিয়া বেছি সময়লৈ নেথাকে। সময়ৰ লগে লগে ব্লেক হ'লটোৰ মানুহজনৰ সংকোচন আৰম্ভ হ'ব। এই অৱস্থাত আমি যদি সচৰাচৰ ব্যৱহাৰ কৰি থকা পদাৰ্থ বিজ্ঞানৰ সূত্ৰবোৰ প্ৰযোজ্য হয় বুলি ধৰি লোৱা হয় তেন্তে গোটেই নক্ষত্ৰটোৰ সমস্ত পদাৰ্থ অৱশেষত গৈ অসীম ঘনত্বৰ এটা বিন্দুৰ মাজত আৱদ্ধ হ'বগৈ। ব্লেক হ'ল এটাৰ সমস্ত পদাৰ্থ এটা বিন্দুত আৱদ্ধ হৈ থকা কথাটো বিজ্ঞানীসকলে সহজভাৱে গ্ৰহণ কৰিব পৰা নাই। মহাকৰ্ষণিক তৰংগৰ আৱিষ্কাৰে ব্লেক হ'ল ৰহস্যৰ সকলো প্ৰশ্নৰ সমাধান ওলাব বুলি বিজ্ঞানীসকলে আশা কৰিছে। এতিয়া আহক মহাকৰ্ষণিক তৰংগনো কি তাৰেই সংক্ষিপ্ত আলোচনা কৰো।

তৰংগ বুলিলে পানীৰ ওপৰত উঠা ঢৌৰ কথাই আমাৰ মনলৈ আহে। শান্ত হৈ থকা পানীৰ পৃষ্ঠত শিলগুটি এটা পেলাই দিলে পানীৰ ওপৰত ঢৌৰ সৃষ্টি হয়। সকলোৱে জনা আন এবিধ তৰংগ হ'ল বিদ্যুৎ চুম্বকীয় তৰংগ। পোহৰ, তাপ, ৰেডিঅ' তৰংগ, টিভি তৰংগ, মোবাইল ফোনৰ তৰংগ এই সকলোবোৰেই বিদ্যুৎ চুম্বকীয় তৰংগ। এই বিদ্যুৎ চুম্বকীয় তৰংগৰ সৃষ্টি হয় বৈদ্যুতিক আধানৰ ত্বৰিৎ গতিৰ কাৰণে। আজিৰ পৰা এশ বছৰ আগতে ১৯১৬ চনত আইনষ্টাইনে দেখুৱাইছিল যে বৈদ্যুতিক আধানৰ ত্বৰণে যিদৰে বিদ্যুৎ চুম্বকীয় তৰংগৰ সৃষ্টি কৰে, ঠিক একেদৰে ভৰৰ ত্বৰণে মহাকৰ্ষণিক তৰংগৰ সৃষ্টি কৰে আৰু এই তৰংগই পোহৰৰ সমান বেগতেই গতি কৰে। নিজৰ হাতখন, উঠা-নমা কৰিলে বা স্প্ৰিং এডালৰ দুয়োমূৰে ভৰ বান্ধি দুলিবলৈ দিলেও মহাকৰ্ষণিক তৰংগৰ সৃষ্টি হ'ব কিন্তু ই ইমান নিষ্প্ৰভ যে ইয়াক ডিটেক্ট কৰা সম্ভৱ নহয়। গতিকে পৃথিৱীৰ ওপৰত যন্ত্ৰপাতি স্থাপন কৰি যদি বিজ্ঞানীয়ে মহাকৰ্ষনিক তৰংগ ধৰা পেলাবলৈ চেষ্টা কৰে তেন্তে সেই তৰংগৰ উৎস হ'ব লাগিব কোনো বৃহৎ ভৰৰ নক্ষত্ৰৰ প্ৰচণ্ড ত্বৰণ সৃষ্টি হোৱা কোনো ভয়ংকৰ মহাজাগতিক পৰিঘটনা। মহাকাশত এনে ঘটনা বিৰল নহয়। দুটা কৃষ্ণগহ্বৰৰ সংঘাতেও এনেধৰণৰ ঘটনাৰ সৃষ্টি কৰে। চুপাৰ নভা নক্ষত্ৰৰ অন্তৰ্ভাগৰ অসমমিতিক সংকোচনৰ ফলতো তীব্ৰ মহাকৰ্ষণিক তৰংগৰ সৃষ্টি হয়। নাইবা এটা কৃষ্ণগহ্বৰে চুবুৰীয়া নক্ষত্ৰ এটাক খাই পেলোৱাৰ পাছতো এইধৰণৰ ঘটনাৰ সৃষ্টি হয়। কৃষ্ণগহ্বৰ





এটাই নক্ষত্ৰ এটা ভক্ষণ কৰাৰ পাছত কৃষ্ণ গহ্বৰটোৰ ইভেন্ট হৰাইজন অৰ্থাৎ তাৰ চাৰিসীমা দুলিব ধৰে। দোলনা যিহেতু ত্বৰণ গতিকে এই ঘটনাইয়ো তীব্ৰ মহাকৰ্ষণিক তৰংগৰ সৃষ্টি কৰে।

এনেকুৱা ভয়ংকৰ ঘটনাই মহাকাশত গভীৰ মহাকৰ্ষণিক তৰংগৰ সৃষ্টি কৰিলেও পৃথিৱী আহি পাওঁতে এই তৰংগ ইমান নিশকতীয়া হৈ পৰে যে ইয়াক আৱিষ্কাৰ কৰাৰ কথা কোনেও কল্পনাই কৰা নাছিল। আইনষ্টাইনে ভৱিষ্যদ্বানী কৰাৰ ৫০-৬০ বছৰ পাছত বিজ্ঞানীসকলে মহাকৰ্ষণিক তৰংগক কেৱল এক বিদ্যায়তনিক অনুসন্ধিৎসাৰ বিষয় বুলি গণ্য কৰিছিল। ১৯৭৩ চনত যোছেফ টেইলৰ আৰু ৰাছেল হালছ নামৰ দুজন আমেৰিকান বিজ্ঞানীয়ে এক যুৰীয়া নিউট্ৰন তৰাৰ অধ্যয়নৰ পৰা পৰোক্ষভাৱে মহাকৰ্ষণিক তৰংগ আৱিষ্কাৰ কৰিছিল। এই আৱিষ্কাৰৰ বাবে বিজ্ঞানী দুজনে ১৯৯৩ চনত পদাৰ্থ বিজ্ঞানৰ নবেল বঁটাও লাভ কৰিছিল। তাৰ পাছতেই লাইগ (LIGO) প্ৰজেক্টৰ জৰিয়তে যুক্তৰাষ্ট্ৰৰ বিজ্ঞানীসকলে প্ৰত্যেক্ষভাৱে মহাকৰ্ষণিক তৰংগ আৱিষ্কাৰ কৰিলে। লাইগ প্ৰজেক্টৰ মূলনীতিটো সহজে অনুধাৱন কৰিব পাৰি। লাইগ (LIGO) (Laser Interferometer Gravitational wave) আচলতে এটা পোহৰৰ সমাৰোপণ যন্ত্ৰ। পোহৰৰ সমাৰোপণ ঘটনাটো এনেকুৱা, একেটা উৎসৰ পৰা সৃষ্টি হোৱা পোহৰৰ ৰশ্মি এটাক দুভাগত ভগাই দুটা বেলেগ বেলেগ বাটেৰে যাবলৈ দি পুনৰ যদি এঠাইত মিলিবলৈ দিয়া হয় তেতিয়া সেই মিলিত ঠাইখিনি বেছি উজ্জ্বল হৈ উঠিব পাৰে নতুবা একেবাৰে আন্ধাৰ হ'ব পাৰে। আন্ধাৰ হয়নে উজ্জ্বল হয় তাৰ পৰা আমি দুভাগ কৰা ৰশ্মি দুটাই সমান দূৰত্ব অতিক্ৰম কৰিলেনে বেলেগ বেলেগ দূৰত্ব অতিক্ৰম কৰিলে সেইটো উলিয়াব পাৰো। পৰস্পৰ লম্বদিশত ৰখা আৰু একেবাৰে সমান দৈৰ্ঘ্যৰ দুটা ভেকুৱাম টিউবৰ মাজত লেজাৰ ৰশ্মি আৱদ্ধ কৰি লাইগ'ৰ বিজ্ঞানীয়ে আচলতে লেজাৰৰ পৰিঘটনা লক্ষ্য কৰিছিল। সুদূৰ ক'ৰবাৰ পৰা অহা মহাকৰ্ষণিক তৰংগ যি মুহূৰ্তত পৃথিৱীৰ মাজেৰে পাৰ হৈ যাব, তেতিয়া মুহূৰ্তৰ কাৰণে টিউব দুটাৰ এটাৰ দৈৰ্ঘ্য কম আৰু এটাৰ দৈৰ্ঘ্য বেছি হ'ব আৰু লগে লগে সমাৰোপন পটিৰ বিচ্যুতি ঘটিব। আইনষ্টাইনৰ আপেক্ষিকতাবাদৰ ভিত্তিত কৰা হিচাপ মতেই তেওঁলোকে এই সমাৰোপণ পটিৰ বিচ্যুতি পালে। যি নিখুঁতভাৱে দূৰত্বৰ এই অতি সামান্য পাৰ্থক্য তেওঁলোকে জুখিলে, এয়া অতি চমকপ্ৰদ।

চাৰি কিলোমিটাৰ দূৰত্ব সলনি হৈছে এটা প্ৰট'নৰ ব্যাসৰ দহ হাজাৰ ভাগৰ এভাগতকৈও কম আৰু সেয়া তেওঁলোকে নিখুঁতভাৱে জুখিব পাৰিছে। সঁচাকৈয়ে আচৰিত। এইটোও তেওঁলোকে ক'ব পাৰিছে যে সেই তৰংগৰ যাত্ৰা আৰম্ভ হৈছিল ১০০ কোটি বছৰ আগতে মহাকাশৰ সুগভীৰ কোনো বিন্দুত যেতিয়া দুটা কৃষ্ণগহ্বৰ ভয়ংকৰ সংঘাতেৰে লগ লাগি এক হৈছিল। এই তৰংগ সৃষ্টি হোৱাৰ সময়ত মানুহৰ কথাতো বাদেই পৃথিৱীত এককোষী জীৱৰো সৃষ্টি হোৱা নাছিল। মহাকৰ্ষণিক তৰংগৰ আৱিষ্কাৰে এক নতুন ধৰণৰ দূৰবীক্ষণ যন্ত্ৰৰ সৃষ্টি কৰিলে যি দূৰবীক্ষণ যন্ত্ৰত বিদ্যুৎ চুম্বকীয় তৰংগৰ সলনি ব্যৱহাৰ হ'ব মহাকৰ্ষণিক তৰংগ। মুঠৰ ওপৰত মহাকৰ্ষণিক তৰংগৰ আৱিষ্কাৰে এক নতুন যুগৰ সূচনা কৰিলে। ইমান দিনলৈকে বিজ্ঞানীৰ মাজত কৃষ্ণগহ্বৰৰ বাস্তৱ অস্তিত্ব এটা তৰ্কৰ বিষয়বস্তু আছিল। বহুতৰ মতে কৃষ্ণগহ্বৰ বাস্তৱ নাছিল। মহাকৰ্ষণিক তৰংগৰ প্ৰত্যক্ষ আৱিষ্কাৰে এই তৰ্কৰ অৱসান ঘটাই কৃষ্ণগহ্বৰক মহাকাশত এক সুকীয়া আসন দিলে। এতিয়াৰ পৰা কৃষ্ণগহ্বৰ বাস্তৱ, ই কেৱল বিজ্ঞানীৰ কল্পনা বিলাসৰ সন্তান নহয়। মহাকৰ্ষণিক তৰংগৰ আৱিষ্কাৰে কৃষ্ণগহ্বৰ সম্পৰ্কীয় নানান তত্ব বিজ্ঞানীসকলে প্ৰত্যেক্ষভাৱে প্ৰমাণ কৰাৰ সুযোগ পালে।□□□

(এই প্ৰৱন্ধ ড° পবিত্ৰ বৰগোহাঞিৰ অনন্ত কোটি ব্ৰহ্মাণ্ড আৰু ড° পৱন কুমাৰ চহৰীয়াৰ নিয়মীয়া বাৰ্তাত প্ৰকাশিত মহাকৰ্ষণিক তৰংগৰ আৱিষ্কাৰ নামৰ প্ৰৱন্ধৰ পৰা যুগুতোৱা হৈছে।)

# কালৰ প্ৰবাহত নাৰীবাদৰ ধাৰণা

আজিজুৰ ৰহমান দেৱান
সহযোগী অধ্যাপক, আৰবী বিভাগ

প্ৰাচীন কালত নাৰীৰ অধিকাৰক লৈ একো চিন্তা চৰ্চা কৰা হোৱা নাছিল। 'পুৰুষৰ অধিকাৰ নাৰীৰ ওপৰত যিমান, নাৰীৰো পুৰুষৰ ওপৰত অধিকাৰ সিমান।' এই বিপ্লৱী ঘোষণা প্ৰথমে উচ্চাৰিত হয় সপ্তম শতিকাৰ আৰবৰ সমাজবিজ্ঞানী হজৰত মহম্মদ (ছঃ)ৰ মুখত। নাৰী সম্পৰ্কীয় চিন্তাৰ ইঙ্গিত পোৱা যায় এই কথাযাৰত। প্ৰশাসন, শিক্ষা, আইন শৃংখলা, পাৰিবাৰিক ব্যৱস্থা, নাৰী-পুৰুষ, পিতৃ-মাতৃ, পুত্ৰ-কন্যা তথা জীৱনৰ সকলো দিশৰ এক ভাৰসাম্য ব্যৱস্থাৰ উমান পোৱা যায়। বিশিষ্ট মনীষী এনী বেছান্তে কৈছিল ঃ "In Islam men and women are put perfectly on equal footings."

বহু পলমকৈ হ'লেও ১৭শ শতিকাত নাৰীবাদৰ ওপৰত চিন্তা পুনৰ আৰম্ভ হৈছিল। এই কালতেই খৃষ্টান সকলৰ কেন্দ্ৰ ভূমি ৰোম নগৰীত Council of the wise অনুষ্ঠিত হয়। ইয়াতেই সৰ্বসন্মত ভাৱে গৃহীত হৈছিল যে (Woman has no soal) "নাৰীৰ কোনো আত্মা নাই"। ইয়াৰ বিপৰীতে ১৬৮৯ চনত জন লকে তেওঁৰ ৰচনাত নাৰী পুৰুষ সমান মৰ্যাদাৰ বুলি কৈছিল। জন লকে "Second Treatise of Government" নামৰ ৰচনাত স্ত্ৰী-পৰুষৰ বিবাহ কাৰ্য্য এটা চুক্তি আৰু ইজন সিজনৰ সংগী বুলি কৈছিল।

১৮ শ শতিকাত ফৰাচী দেশৰ কঁদচে "Admission of women to full citizenship" নামৰ এখনি পুথি ৰচনা কৰে। নাৰীৰ অধিকাৰ সম্পৰ্কে বিশদ আলোচনা আগবঢ়ায় এই পুথিখনত। কঁদচৰ পিছত মেৰী উলষ্টোন ক্ৰাফ্‌ট নামৰ এগৰাকী মহিলা লেখিকাই ১৭৯২ চনত প্ৰকাশিত পুথিত কৈছিল যে পুৰুষে ভবাৰ দৰে নাৰী কেৱল যৌনসত্বা আৰু ভোগ্য হ'ব নোৱাৰে। কেৱল শয্যা সংগিনী (Sexual being) নহয়। নাৰীও পুৰুষৰ দৰেই জীৱনৰ পৰিপূৰ্ণতা বিচাৰে। নাৰীৰ দায়িত্ব পুৰুষৰ সেৱা আৰু সন্তান জন্ম দিয়াতেই শেষ নহয়। স্বাধীনতাৰ অধিকাৰ, সুখ বিচৰাৰ অধিকাৰ, জীয়াই থকাৰ অধিকাৰ নাৰী-পুৰুষ উভয়েৰে থাকিব লাগিব।

পাশ্চাত্য সাহিত্যত নাৰী মুক্তি আন্দোলনৰ ৰূপ ব্যাপকতৰ হৈ উঠে উনবিংশ শতিকাত। সমাজখনৰ আধা অংশই নাৰী - এই মত দিলে জন ষ্টুৱাৰ্ট মিলে। তেওঁ নাৰীয়ে পুৰুষৰ অধীনত থাকি শাস্তি পাওক— এই ধাৰণাৰ ঘোৰ বিৰোধিতা কৰিলে। এনে হ'লেই সমাজখনলৈ কেতিয়াও সাম্য মৈত্ৰী প্ৰতিষ্ঠা নহ'ব। ষ্টুৱাৰ্ট মিলৰ পত্নী হেৰিয়েট টেইলৰ এগৰাকী নাৰীবাদী আন্দোলনৰ পোষক আছিল। The subject of women নামৰ পুথিত ষ্টুৱাৰ্ট মিলে নাৰীৰ সম্পত্তিৰ অধিকাৰ, আইনগত অধীকাৰৰ কথা উল্লেখ কৰে যি মতটো সপ্তম শতিকাতেই হজৰত মহম্মদ (ছঃ) য়ে দিয়া মতৰ লগত ৰজিতা খোৱা।





১৮৮৮ চনত ইংলেণ্ডত Married Women's property Act পাচ হোৱাৰ পিছত প্ৰথমবাৰৰ বাবে নাৰীসকলে অৰ্থনৈতিক আৰু আইনগত অধিকাৰ লাভ কৰে। নিৰ্বাচনত ভোটদান কৰাৰ অধিকাৰো মহিলাসকলক দিয়া হয়। ক্ৰমাগত আন্দোলণৰ মাজেৰে পাশ্চাত্যৰ নাৰীসমাজ আজি তেওঁলোকৰ বহুবিধ অধিকাৰ আদায় কৰাত সক্ষম হৈছে। সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক, আইনগত প্ৰভৃতি ক্ষেত্ৰত নাৰীৰ অধিকাৰ বহুলাংশে স্বীকৃত। ঊনবিংশ শতিকাৰ পিছত বিংশ শতিকাৰ মাজভাগত নাৰীবাদী চিন্তাই বিশ্বৰ মহিলাসকলক আকৰ্ষিত কৰে।

সমাজবাদী নাৰীবাদ (Socialist Feminism) আৰু মৌল নাৰীবাদ (Radical Feminism) নামেৰে নাৰীবাদক দুটা ভাগত ভাগ কৰা হৈছে। ডি. বিউভোৱাই নামৰ এগৰাকী মহিলাই ১৯৪৯ চনত প্ৰকাশিত ৰচনাত নাৰীবাদৰ ধাৰণা ব্যক্ত কৰে। নাৰী স্বাধীনতাৰ নামত পশ্চিমীয়া দেশত নাৰী-পুৰুষৰ সম্পৰ্কৰ ক্ষেত্ৰত নানা ধৰণৰ বিশৃংখলাৰ সৃষ্টি হৈছে। পাশ্চাত্য সভ্যতাৰ বহু মনিষীয়ে আজি চৰম সামাজিক অৱক্ষয়ৰ দিশ ভাবি চিন্তিত হৈ পৰিছে।□□□

## মহৎলোকৰ বাণী

পৃথিৱীখন এখন ধুনীয়া কিতাপ, কিন্তু যিজনে পঢ়িব নাজানে, তেওঁৰ কাৰণে এই কিতাপখনৰ কোনো মূল্য নাই। — *গল্ডিনি পামেলা*

ভুলৰ বাবে আনক ক্ষমা কৰি দিবা। কিন্তু নিজকে কোনো দিন ক্ষমা নকৰিবা।
— *ছাইৰাছ*

পৃথিৱীত এনে দুখ নাই, যাক ঈশ্বৰে মোচন কৰিব নোৱাৰে।
— *টমাছ'মৰ*

সূৰ্য্যৰ ৰশ্মিলৈহে সদায় চকু দিবা। তেহে আন্ধাৰ লৈ চকু নাযাব।
— *হেলেন্স কেলাৰ*

তুমি বাস কৰা ঠাইখন তোমাৰ ঘৰ নহয়, যিখন ঠাইত তোমাক সকলোৱে বুজি পায়। সেইখনহে তোমাৰ ঘৰ। — *জৰ্জমৰ*

সংগ্ৰাহক
ইনছান আলী
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ (বিজ্ঞান)

# বৈদ্যুতিক প্ৰচাৰ মাধ্যম এফ.এম. আৰু অসমীয়া ভাষাৰ সংকট

ড° নিতু চহৰীয়া
সহকাৰী অধ্যাপিকা, অসমীয়া বিভাগ

মানুহে মনৰ ভাব প্ৰকাশ কৰিবলৈ ব্যৱহাৰ কৰা আটাইতকৈ শক্তিশালী মাধ্যম হৈছে ভাষা। জাতি এটাৰ অস্তিত্ব ভাষা অবিহনে ধৰি ৰখাতো কোনো পধ্যেই সম্ভৱ নহয়। সেয়েহে ভাষাক জাতিৰ মেৰুদণ্ড হিচাপে অভিহিত কৰা হয়। সাধাৰণ দৃষ্টিত ভাষাৰ দুটা ৰূপ থাকে— এটা মুখৰ ভাষা অৰ্থাৎ মৌখিক ৰূপ আৰু আনটো হৈছে লিখিত ভাষা অৰ্থাৎ ভাষাৰ লিখিত ৰূপ। আমি সকলোৱেই জানো যে ভাষাৰ লিখিত ৰূপৰ তুলনাত মৌখিক ৰূপৰ পৰিৱৰ্তন অতি দ্ৰুত। অৱশ্যে স্বীকাৰ কৰিব লাগিব, ভাষাৰ ক্ষেত্ৰত অহা পৰিৱৰ্তন তেনেই স্বাভাৱিক। বহু সমালোচকে ইতিমধ্যে কৈ গৈছে— ভাষা হ'ল বোঁৱতী সুঁতিৰ দৰে, সময় আৰু পাৰিপাৰ্শ্বিকতাৰ প্ৰভাৱত ইয়াৰ পৰিৱৰ্তন অনিবাৰ্য। কিন্তু লক্ষ্য ৰখা উচিত, এই পৰিৱৰ্তনে যেন কোনো এটা ভাষাক সমৃদ্ধহে কৰি তোলে, অস্তিত্ব বিলোপ কৰাত ইন্ধন নোযোগায়।

হেজাৰ বছৰীয়া ঐতিহ্য বহনকাৰী অসমীয়া ভাষাই পৃথিৱীৰ চহকী ভাষাসমূহৰ মাজত আসন পাৰি বহিবলৈ সক্ষম হৈছে। ই আমাৰ বাবে গৌৰৱৰ কথা। কিন্তু সময় তথা পাৰিপাৰ্শ্বিকতাৰ পৰিৱৰ্তনৰ লগে লগে অসমীয়া ভাষালৈও পৰিৱৰ্তনৰ ঢল নামি অহা দেখা গৈছে। অসমীয়া ভাষা ভাৰতবৰ্ষৰ পূব প্ৰান্তৰ অসম ভূমিত প্ৰচলিত এটি গৰিমামণ্ডিত তথা শক্তিশালী ভাষা হোৱাৰ উপৰিও উত্তৰ পূৰ্বাঞ্চলৰ সংযোগী ভাষা। যদিওবা বৰ্তমান সংযোগী ভাষা হিচাপে অসমীয়া ভাষাৰ মৰ্যদা কিছুদূৰ হ্ৰাস পাইছে তথাপি বিভিন্ন জাতি-জনজাতিৰ মিলনভূমি অসমৰ অন্যতম সংযোগী ভাষা এতিয়াও অসমীয়া।

কিন্তু বৰ্তমান সময়ত অসমীয়া ভাষাত দেখা দিয়া বিৰূপ পৰিৱৰ্তন সমূহে চিন্তাৰ উন্মেষ ঘটাইছে। আগতে উল্লেখ কৰি অহা হৈছে যে ভাষাৰ ক্ষেত্ৰত হোৱা পৰিৱৰ্তন স্বাভাৱিক। গতিকে অসমীয়া ভাষালৈও পৰিৱৰ্তন অহাটো তেনেই সাধাৰণ কথা। কিন্তু এই পৰিৱৰ্তনে যাতে অসমীয়া ভাষাৰ অস্তিত্বৰ হানি বিঘিনি নঘটাই তাক লক্ষ্য ৰখা উচিত।

অসমীয়া ভাষালৈ যে আজিহে পৰিৱৰ্তনৰ ঢল নামি আহিছে তেনে নহয়। খৃষ্টীয় দশম-একাদশ বা তাৰো কিছু আগতেই নিৰ্দিষ্ট ৰূপ লোৱা অসমীয়া ভাষাত সময়ে সময়ে বিভিন্ন পৰিৱৰ্তন আহিছে আৰু ভৱিষ্যতেও এনে পৰিৱৰ্তন আহিব। পৰিৱৰ্তনৰ চাকনৈয়াত ভাষা একোটাৰ অনেক কথাই কেতিয়াবা বিলুপ্তিৰ গৰ্ভত সোমাই পৰে আৰু তাৰ বিপৰীতে অনেক ন ন সংযোগে ভাষাটোক নতুন ৰূপত তুলি ধৰে। অসমীয়া ভাষাতো ইয়াৰ ব্যতিক্ৰম ঘটা নাই।

ঐতিহ্যমণ্ডিত অসমীয়া ভাষা আজি সংকটৰ দুৱাৰ দলিত। ইয়াক হয়তো প্ৰতিজন অসমীয়াই অনুভৱ কৰিছে। ইয়াৰ কাৰণ অনেক। সাধাৰণতেই চকুত পৰা তেনে কিছুমান কাৰণ হৈছে— আধুনিকতাৰ প্ৰভাৱ, মাতৃভাষা অসমীয়াৰ প্ৰতি অসমীয়ালোকৰে অনিহা, যাতায়াতৰ সুচল ব্যৱস্থা, চৰকাৰী অমনযোগিতা তথা উদাসীনতা, ৰাজ্যত অনা অসমীয়া মাধ্যমৰ বিদ্যালয়ৰ প্ৰাচুৰ্য্য, বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ প্ৰসাৰ তথা বিভিন্ন প্ৰচাৰ মাধ্যমৰ প্ৰভাৱ।

আমাৰ এই আলোচনাত অসমীয়া ভাষালৈ সংকট কঢ়িয়াই





অনা অন্যতম কাৰক— বৈদ্যুতিক প্ৰচাৰ মাধ্যম এফ.এম. (FM)ৰ বিষয়ে বিশেষভাৱে আলোচনা কৰিবলৈ বিচৰা হৈছে। সেয়েহে অন্যান্য কাৰকসমূহৰ আলোচনা ইয়াত বাদ দিয়া হৈছে।

বিভিন্ন প্ৰচাৰ মাধ্যম সমূহৰ ভিতৰত এক অতি জনপ্ৰিয় প্ৰচাৰ মাধ্যম হ'ল এফ.এম.। বিভিন্ন কাম-কাজত ব্যস্ত থকাৰ পৰতো আউল নলগাকৈ এফ.এম.ৰ অনুষ্ঠান শুনি মনোৰঞ্জন ল'ব পৰা বাবেই হয়তো ইয়াৰ জনপ্ৰিয়তা অত্যন্ত বেছি। সৰু ল'ৰা-ছোৱালী, ডেকা-গাভৰু আনকি বয়োজ্যেষ্ঠ সকলকো এফ.এম.ৰ প্ৰতি আকৰ্ষিত হোৱা দেখা যায়। এইখিনিতে এফ.এম. সম্পৰ্কে কিছু কথা আগবঢ়োৱা হ'ল—

এফ.এম. (FM)ৰ সম্পূৰ্ণ নাম ফ্ৰিকোয়েন্সি মড্যুলেশন। সাধাৰণতে আমি যি ৰেডিঅ' শুনো তাক কোৱা হয় এ.এম. (A.M) অৰ্থাৎ অ্যামপ্লিচিউড মড্যুলেশন। এ.এম আৰু এফ.এম.ৰ মাজত পাৰ্থক্য বিদ্যমান। এ.এম.ৰ সিগন্যাল (সংকেত) বহু বেছি শক্তিশালী আৰু ই বহুদূৰ পৰ্যন্ত প্ৰসাৰিত হৈ থাকে। তাৰ বিপৰীতে এফ.এম.ৰ পৰিধি সীমিত। অৱশ্যে ইয়াৰ প্ৰচাৰ বহু সময়ত বেছি নিখুঁত। সাধাৰণতে এফ.এম. অনুষ্ঠান ট্ৰান্সমিটাৰৰ সহায়ত প্ৰায় ৬০ কিঃমিঃ অবধিলৈ স্পষ্টভাৱে শুনা যায়। ইয়াৰ উপৰিও দূৰদৰ্শন (TV)ৰ তাঁৰৰ লগত সংযোগ ঘটি আৰু কিছুদূৰ পৰ্যন্ত ইয়াক শুনিব পৰা যায়।

এফ.এম. চ্যেনেলসমূহৰ মূল উদ্দেশ্য হৈছে শ্ৰোতাক মনোৰঞ্জন দিয়া আৰু শ্ৰোতাৰ সৈতে ভাৱ বিনিময় কৰা। কিন্তু এই ক্ষেত্ৰত প্ৰচাৰকসকলে লগতে ঘোষক-ঘোষিকাসকলে যথেষ্ট সাৱধানতা অৱলম্বন কৰিব লগা হয়। এফ.এম.ৰ জৰিয়তে প্ৰচাৰিত প্ৰায় আটাইবোৰ অনুষ্ঠান দৰাচলতে 'এফ.এম. ফোন ইন' অনুষ্ঠানহে। ইয়াত গীত মাত, লঘু কথা, প্ৰতিযোগিতা, বিজ্ঞাপন, সংবাদ আদি প্ৰচাৰ হোৱাৰ লগতে শ্ৰোতাৰ লগত ফোনৰ (দূৰভাষ যন্ত্ৰৰ) সহায়ত মত বিনিময় কৰি ঘোষক ঘোষিকাসকলে অনুষ্ঠান আগবঢ়াই নিয়ে। মনকৰিবলগীয়া যে, এফ.এম. ফোন ইন অনুষ্ঠান উপস্থাপন কৰা সকলৰ সুকণ্ঠ, সুস্পষ্ট উচ্চাৰণ, বচনভঙ্গিৰ স্বাতন্ত্ৰ্য থাকিলেই নহয় সাধাৰণ জ্ঞান, সাম্প্ৰতিক ঘটনাৱলীৰ প্ৰতি সজাগ দৃষ্টি, সোনকালে চিন্তা কৰিব পৰা ক্ষমতা, প্ৰয়োজন সাপেক্ষে কোমল বা কঠিন হ'ব পৰা ক্ষমতাও লাগিব নহ'লে এনে অনুষ্ঠানে জনপ্ৰিয়তা অৰ্জন কৰিব নোৱাৰে।

ফোন ইন অনুষ্ঠানৰ নিবেদক সকলে কাণত হেড ফোন লগায় ষ্টুডিয়ত বহে। আন এটি যন্ত্ৰৰ সহায়ত ফোনসমূহ গ্ৰহণ কৰে। (ৰিসিভ্ কৰে)। কেতিয়াবা ফোনটি ধৰি ৰখা হয় আৰু প্ৰায়ে নিৰ্দ্দিষ্ট ঠাইত শূন্যতে ফোনটো ওলোমাই ৰখা হয়।

বাৰেবৰণীয়া অনুষ্ঠানেৰে সাজি কাচি ওলোৱা এফ.এম. চ্যানেলৰ অনুষ্ঠানৰ জনপ্ৰিয়তা বৰ্তমান আকাশলংঘী। বহু সময়ত ই দূৰদৰ্শনকো পিছ পেলাবলৈ সক্ষম হৈছে। মোবাইল ফোনত থকা এফ.এম. শুনিব পৰা সুবিধাই ইয়াৰ প্ৰসাৰৰ ক্ষেত্ৰত অত্যন্ত গুৰুত্বপূৰ্ণ প্ৰভাৱ পেলাইছে। ভাৰতবৰ্ষত এই এফ.এম. চ্যানেলৰ প্ৰথম আৰম্ভণি হয় ইং ১৯৭৭ চনত। প্ৰকৃততে বিংশ শতিকাৰ নৱৈৰ দশকত 'প্ৰসাৰ ভাৰতী আইন' কাৰ্যকৰী হোৱাৰ পিছতহে এফ.এম. চ্যানেলৰ জয়যাত্ৰা আৰম্ভ হয়।

আমাৰ অসমৰ ৰাজধানী গুৱাহাটীত পোনপ্ৰথম এফ.এম. চ্যানেলৰ আৰম্ভণি হয় আজিৰ পৰা ছয়-সাত বছৰমান আগত। 'উ-লা লা' হ'ল অসমৰ প্ৰথম এফ.এম. চ্যানেল। ইয়াৰ উপৰিও গুৱাহাটীৰ পৰা চলি থকা এফ.এম. চ্যানলসমূহ হ'ল— বিগ (Big) এফ.এম., গপ্চপ এফ.এম., ৰেড (Red) এফ.এম., ৰেডিঅ' মিৰ্‌চি, S(Sun)/ এচ.এফ. এম (বৰ্তমান বিলুপ্ত)। এই চ্যানেলসমূহ সময়ৰ লগে লগে সকলো বয়সৰ মানুহৰ মাজতে জনপ্ৰিয় হৈ উঠিছে। গুৱাহাটীৰ এই এফ.এম. চ্যানেলসমূহে গুৱাহাটীৰ বৃহত্তৰ অঞ্চলৰ লগতে মঙ্গলদৈ, ছয়গাঁও, নগাঁও, মৰিগাঁও আনকি শ্বিলঙৰ কোনো কোনো ঠাইকো সামৰি লৈছে। গুৱাহাটীৰ প্ৰায় প্ৰতি ঘৰে ঘৰে এফ.এম. বজাৰ উপৰিও, চিটি বাছ, ব্যক্তিগত গাড়ী, দোকান বজাৰ, আদিতো এফ.এম.ৰ পয়োভৰ দেখা যায়। মোবাইলত (Cell Phon) হেড ফোন লগাই শুনা এফ.এম.ৰ শ্ৰোতা আটাইতকৈ বেছি। য'তে ত'তে, যেতিয়াই তেতিয়াই কাণত হেডফোন গুজি এফ.এম. অনুষ্ঠানত মগ্ন হৈ থকা লোক আজি আমি চাৰিওফালে দেখিবলৈ পাওঁ। এই জনপ্ৰিয় মাধ্যমটিয়ে কিন্তু আমাৰ ওপৰত কেনে প্ৰভাৱ পেলাইছে তাক বিবেচনা কৰিবলগীয়া।

অসমীয়া ভাষাৰ ক্ষেত্ৰত এফ.এম.ৰ প্ৰভাৱৰ আলোচনা অতি গুৰুত্বপূৰ্ণ। এই এফ.এম. চ্যানেলৰ মূল লক্ষ্য যিহেতু জাতি বৰ্ণ ভাষা নিৰ্বিশেষে সকলো মানুহকেই সমানে আকৰ্ষণ কৰা সেয়ে স্বাভাৱিকতেই ইয়াৰ ঘোষক ঘোষিকাসকলে সকলোকে সমানে আমোদ দিব পৰাকৈ বিভিন্ন ভাষাৰ ব্যৱহাৰ কৰে। কিন্তু তেওঁলোকে বেলেগ বেলেগ অনুষ্ঠানত বেলেগ বেলেগ ভাষা ব্যৱহাৰ নকৰি একোটা অনুষ্ঠানতে বহু ভাষাৰ প্ৰয়োগ কৰি এক মিশ্ৰিত (খিচিৰি) ভাষাৰ সৃষ্টি কৰি পেলায়। ফলত অসমীয়া ভাষাত প্ৰচাৰিত অনুষ্ঠান এটি কেতিয়াবা গৈ গৈ ইংৰাজী, হিন্দীৰ পয়োভৰত কেনে ৰূপ লয়গৈ তাক অলপ শুনিলেই গম পোৱা যায়।

বৈদ্যুতিক প্ৰচাৰ মাধ্যমে সাধাৰণ লোকক সহজেই আকৰ্ষণ কৰে। এফ.এম. ও এই ক্ষেত্ৰত ব্যতিক্ৰম নহয়। সেয়ে ইয়াৰ বিভিন্ন অনুষ্ঠানসমূহ প্ৰচাৰ কৰোতে ঘোষক ঘোষিকাসকলে নিভাঁজ অসমীয়া ভাষাৰ শব্দ আৰু বাক্য ৰীতিৰ সলনি এক সঙ্গতিহীন বাক্যৰ ঠাঁচ আৰু অশুদ্ধ শব্দৰ ব্যৱহাৰেৰে ভৰাই পেলাইছে। ইয়ে স্বাভাৱিকতেই অসমীয়া ভাষাৰ ওপৰত প্ৰভাৱ পেলাইছে।

মনকৰক অসমত প্ৰচলিত এফ.এম. চ্যানেলসমূহৰ এটা চ্যানেলৰ নামো অসমীয়া ভাষাৰ নহয়— (92.7) বিগ এফ.এম., (94.3) গপ্‌চপ, (93.5) ৰেড এফ এম. (Red FM), এচ (S/Sun) এফ.এম. (বৰ্ত্তমান বিলুপ্ত), (91.9) উ. লা.লা। আকৌ চ্যানেলসমূহৰ শিৰোনামাৰ বাবে ব্যৱহৃত বিশেষ বাক্যবোৰো মনকৰিবলগীয়া- যেনে বিগ এফ.এম.ৰ — "শুনক শুনাওক লাইফ (life) বনাওক" (জীৱন গঢ়ক নহয়)

ৰেড এফ.এম.ৰ— "বজাতে ৰহো" (वजाते रहो) (শুনি থাকক বা বজায় থাকক নহ'ল) 'বজানে কী কোই উম্ৰ নেহী হোতী আদি।

আকৌ এই চ্যানেলসমূহে প্ৰচাৰ কৰে এনেধৰণৰ অনুষ্ঠান— সৰু সৰু কনটেষ্ট, এচ.এম.এচ. লাকি ড্ৰ, ননষ্টপ মিউজিক আদি। য'ত অসমীয়া শব্দৰ বাৰুকৈয়ে অভাৱ। তাৰোপৰি তেওঁলোকৰ ভাষাত— প্ৰতিযোগিতামূলক অনুষ্ঠানসমূহত Participate (ভাগ লৈ) কৰি শ্ৰোতাই লাভ কৰিব বিভিন্ন show (প্ৰদৰ্শনিৰ) টিকট, একোখন চি.ডি, পেন (কলম), ৰিষ্টওৱাচ (হাতঘড়ী) আৰু বহুতো আকৰ্ষণীয় গিফ্‌ট হেনপাব।

এই বাৰ বিভিন্ন এফ.এম. চ্যানেল সমূহৰ নিৰ্দ্দিষ্ট অনুষ্ঠানসমূহৰ শিৰোনামালৈ লক্ষ্য কৰক — 'উ-লা-লা' ৰ— Direct Dil Se., উ.লা.লা, Top Ten, কেম্পাছ যন্ত্ৰ, অশান্ত ইভেনিং, জবান সম্ভালকে, প্লেনেট ভেনাচ, 'গপ্‌চপ'ৰ — মৰণিং ৰাগ,. গুৱাহাটী মেট্ৰ', কেৰিয়াৰ অন লাইন, কাৱৰা; বিগ এফ.এম. ৰ— বিগ চাহ গৰম, হেল্লো 92.7, হোম মিনিচট্ৰি, ৰেড এফ.এমৰ চুপাৰহিট গীত ইত্যাদি।

এই অনুষ্ঠানসমূহৰ নাম নতুন প্ৰজন্মৰ মুখে মুখে। ফলত তেওঁলোকৰ জনপ্ৰিয় মাধ্যমসমূহৰ পৰা আৰ্হিত অসমীয়া শব্দৰ অভাৱ ঘটা এই ধৰণৰ অসমীয়া ভাষা তেওঁলোকেও ক'বলৈ ধৰিছে। ই অসমীয়া ভাষাৰ বাবে শুভ লক্ষণ নহয়। অৱশ্যে তাৰ বিপৰীতে নিভাঁজ অসমীয়া শব্দৰে ৰখা শিৰোনামৰ অনুষ্ঠানো এফ.এম. চ্যানেলসমূহে প্ৰচাৰ নকৰা নহয়। যেনে- 'উ লা-লা'ৰ— ঢোলে দগৰে, গীতেৰে-কথাৰে, বেটুপাত, হৃদয়ৰ বাটেৰে, 'গপচপৰ'—ৰ বেছি কৰে, সোণালী গ্ৰামোফোন, মেঘাৰ মাকো, শ্ৰীমান-শ্ৰীমতী আদি।

এইবাৰ ঘোষক ঘোষিকাসকলৰ নামলৈ আহক— মন্দিৰা হ'লগৈ মেন্দী, তৰুণ হ'লগৈ— তন্‌মেয় (তন্ময়), সুজিতা হ'লগৈ চুজি, জাৰা ইত্যাদি ইত্যাদি। এওঁলোকৰ নামবোৰতো অসমীয়া ভাষাৰ সুৱলা নামৰ চিন মোকাম নোহোৱা হ'ল।

এফ.এম. চ্যানেল সমূহৰ দ্বাৰা প্ৰচাৰিত বিজ্ঞাপনসমূহলৈ যদি চাওঁ তাতো অসমীয়া ভাষাৰ সংকট ভালকৈয়ে চকুত পৰে। উদাহৰণস্বৰূপে- 'Pantaloon'ত উইন্টাৰ ক্লথচ ত ফিফ্‌টি (50%) পাৰচেন্ট (৫০ শতাংশ নহয়) ডিচ্‌কাউন্ট চলি আছে (ৰেহাই নহয়) আজিয়ে যাওঁক। তাৰোপৰি দেখা যায় এফ.এম.ত খুব বেছিকৈ প্ৰচলিত শব্দ হৈছে— 'ডেডিকেট' (Dedicate) কৰা। এফ.এম. ফোন ইন শ্ৰোতাই প্ৰায়েই বিভিন্ন গীত আনলৈ Dedicate কৰিব বিচাৰে আৰু ঘোষক ঘোষিকা সকলে কৰি দিয়ে (তেওঁলোকে উচৰ্গা ভুলতো নকৰে)। আকৌ গানটো Speacialy শুনাই।

আনহাতে, বিশেষ অনুষ্ঠান এটি শেষ কৰি যাবলৈ ওলাই কোনো ঘোষিকাই কোৱা শুনা যায়- কেৱল 'বাই' বুলি নকৈ কয় 'বাই-চাই'। দেখা গৈছে বহু শ্ৰোতাইও আজিকালি 'বাই-চাই' বুলিহে ক'বলৈ আৰম্ভ কৰিছে।





শেষত ঘোষক ঘোষিকা সকলে ব্যৱহাৰ কৰা ভাষালৈ যদি চাওঁ দেখা যায় কেইটামান নিৰ্দ্দিষ্ট অনুষ্ঠান যেনে মেঘাৰ সোনালী গ্ৰামোফোন, গীতেৰে কথাৰে, বেটুপাত আদি অনুষ্ঠানৰ বাহিৰে বাকীবোৰ অনুষ্ঠানত এক মিশ্ৰিত ভাষাই শুনিবলৈ পোৱা যায়। কেতিয়াবা তেওঁলোকে 'CODE SWITCHING' কৰি কথা পাতে অৰ্থাৎ সম্পূৰ্ণ অসমীয়া ভাষাতে কথাবোৰ কৈ মাজতে সম্পূৰ্ণ ইংৰাজী বা আন কোনো ভাষাৰ বাক্য দুই এটাৰ প্ৰয়োগ কৰে। আৰু বেছিকৈ তেওঁলোকে CODE MIXING অৰ্থাৎ অসমীয়াৰ মাজতে আন আন ভাষাৰ শব্দ ব্যৱহাৰ কৰি ভাষাটোত বিভ্ৰান্তিৰ সৃষ্টি কৰে।

এফ.এম.ৰ ঘোষক ঘোষিকাসকলে অসমীয়া ভাষালৈ কঢ়িয়াই অনা বিৰূপ ৰূপ সমূহৰ কিছু দৃষ্টান্ত তুলি ধৰা হ'ল— যেনে— ফোন ইন যোগে বা SMS যোগে যদি কোনোৱে ঘোষক ঘোষিকাক খবৰ সোধে তেওঁলোকে কয়- টিপ্‌টপ্, ঝক্কাস, বিন্দাস আদি বুলি। তেওঁলোকে বিভিন্ন অনুষ্ঠানলৈ শ্ৰোতাসকলক এচ.এম.এচ. কৰিবলৈ এনেধৰণে কয়— 'আপোনাৰ ৰাইট অপচনলৈ গৈ MM টাইপ কৰি লিখক অলপমান স্পেচ এৰি নিজৰ এদ্ৰেচ লিখি পঠিয়াই দিয়ক................। শ্ৰোতাৰ বাবে গীত এটি শুনোৱাৰ সময়ত কোৱা দেখা যায়— 'এতিয়া এটা স্পেচিয়াল গীত অনলি ফ'ৰ ইউ। প্ৰতিযোগিতা সমূহৰ ৰিজাল্ট (ফলাফল নহয়) ঘোষণা কৰি উইনাৰ (বিজয়ী নহয়) সকলক প্ৰাইজ দিয়ে (পুৰস্কাৰ নহয়)। ৰাতিপুৱা পৰিৱেশিত অনুষ্ঠানত শুনিবলৈ পাব—'যিসকলে......... FM শুনি আছে তেওঁলোকক কওঁ ভেৰি গুড মৰণিং' (সুপ্ৰভাত কেতিয়াও নহয়)

এনেদৰে আলোচনা কৰিলে দেখা যায় যে— জনপ্ৰিয় মাধ্যম এই এফ.এম. চ্যানেল সমূহে অসমীয়া ভাষালৈ বহু সময়ত সংকট কঢ়িয়াই আনিছে। জনপ্ৰিয় মাধ্যম কাৰণে ইয়াৰ বিষময় প্ৰভাৱে সোনকালেই নতুন প্ৰজন্মক ছানি ধৰিছে। মনকৰিবলগীয়া, ভাৰতৰ অতি জনপ্ৰিয় এফ.এম. চ্যানেল 'বিবিধ ভাৰতী'য়ে হিন্দী ভাষাৰ স্থিতি সম্পূৰ্ণভাৱে অক্ষত ৰাখি আৰম্ভণিৰ পৰা আজিলৈকে অতি জনপ্ৰিয় হৈ থাকিবলৈ সক্ষম হৈছে। আমাৰ এফ.এম. চ্যানেলসমূহেও কিছুদূৰ হ'লেও 'বিবিধ ভাৰতী'ক অনুকৰণ কৰা উচিত বুলি মোৰ ভাব হয়।

সদৌ শেষত অসমৰ এই এফ. এম. চ্যানেলসমূহে জাতি-বৰ্ণ ভাষা নিৰ্বিশেষে সকলোকে আকৰ্ষণ কৰিবলৈ গৈ বিভিন্ন ভাষাৰ মিশ্ৰিত অসমীয়া ৰূপ এটা প্ৰচাৰ কৰি অসমীয়া ভাষাৰ অস্তিত্বত যাতে হানি বিঘিনি নঘটাই তাৰ ওপৰত চকু দিয়াটো নিতান্তই প্ৰয়োজন।□□□

**সহায়ক সমলঃ**

অসমীয়া-

১) *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত ঃ* ড° সতেন্দ্ৰ নাথ শৰ্মা, প্ৰকাশিকা প্ৰতিমা দেৱী, ৰিহাবাৰী, গুৱাহাটী, নৱম প্ৰকাশ ২০০১ আগষ্ট।

২) *ভাষা বিজ্ঞান ঃ* ড° উপেন্দ্ৰ নাথ গোস্বামী, মণি মাণিক প্ৰকাশ, গুৱাহাটী, একাদশ সংস্কৰণ, জুলাই ১৯৯৯।

বঙলা

১) *বেতারের গ্রিনরুম ঃ* জগন্নাথ বসু, সাহিত্য সংসদ, প্রথম প্রকাশ, জানুয়ারি ১০০৯

২) *বাচনিক নান্দনিক ঃ* জগন্নাথ বসু, শিশু সাহিত্য সংসদ, কলকাতা, প্রথম প্রকাশ ২০০১ জানুয়ারী।

৩) *রেডিও ও টেলিভিশন সংবাদ এবং সাংবাদিকতা ঃ* সন্তোষ দেবনাথ, দে'জ পাবলিয়িং, কলকাতা, দ্বিতীয় সংস্করণ যে ২০০৯।

৪) *অভিনয় শিল্প সংলাপ ও কণ্ঠস্বর ঃ* অনজন দাসগুপ্ত, প্রকাশিকা গোপা দাশগুপ্ত, কলকাতা, চতুর্থ সংস্করণ, ২০০৭।

ইংৰাজী

১) *Broadcast Journalism in the 21st century:* K.M. Shrivastava, New Dawn Press, INC. India. Published in 2005.

# চৰ চাপৰিত প্ৰচলিত অন্ধ বিশ্বাস

আব্দুল খালেক
সহযোগী অধ্যাপক, উদ্ভিদ বিজ্ঞান বিভাগ

সিদিনা কলেজৰ পৰা ওলাই আমাৰ ঘৰৰ পশ্চিম পিনে থকা ৰাস্তাৰে আহি থাকোতে এঘৰৰ আগচোতালত কেইবাজোপা পানীলাউ গছৰ পুলি গজি উঠা দেখি মনে মনে স্থিৰ কৰি ল'লো— আবেলি দুটামান লাউপুলি তেওঁলোকৰ পৰা উঘালি আনি বাৰীত ৰুই দিম। ঘৰত আহি পৰিবাৰক কলোঁ— এৰা অমুকৰ ঘৰত বহুত লাউ গছৰ পুলি আপোন গজা দি গজি আছে,— তাৰে পৰা দুটামান লাউপুলি আনি বাৰীত ৰুই দিম বুলি। কথা শেষ নৌহওতেই পৰিবাৰে জাঙুৰ খাই উঠি ক'লে— আপুনি এই কাম নকৰিব কাৰণ পানীলাউ গছৰ পুলি অইন ঠাইৰ পৰা আনি ৰুব নাপায়। মই কলোঁ— এৰা কিয় নাপায়। তেওঁ ক'লে— নাই নাপায়, আপুনি তেনে কাম নকৰিব। মই এক প্ৰকাৰ খং কৰিয়ে কলোঁ— কি যুক্তিহীন কথা কোৱাহে? এনেতে ওচৰৰ চুবুৰীয়া এজনী মহিলাই আহি কথাটো শুনি ক'লে— ছাৰ, আচলতে নাপায়। কিন্তু আপুনি বিশ্বাস নকৰিব পাৰে। মই কলোঁ— কি ক্ষতি হ'ব, অইন লাউগছৰ পুলি ৰুব পাৰি, পানীলাউৰ পুলি কিয় ৰুব নোৱাৰিম। বাক্ বিতণ্ডা চলি থকা অৱস্থাত দূৰ সম্বন্ধীয় এজনী পেহীয়ে আহি ক'লে— নাই বোপা, নাপায়। এনেকুৱা অন্ধবিশ্বাস অতীতৰে পৰা আমাৰ চৰ চাপৰিৰ লোক সমাজত অনেক চলি আছে।

এইখিনিতে আৰু এটি ঘটনা মনত পৰিল। তিনিদিনমান আগৰ কথা। আমাৰ গাঁৱৰ এজনৰ তিনিদিনীয়া বয়সৰ সন্তানটো ঢুকাল। মহিলা সকলোৱে মুখৰ কথা সন্তানটো ৰাক্ষসে নহ'লে ভূত পিশাচে ধৰিছিল। তেজ পি খাইছে— একেবাৰে শৰীৰত তেজ থোৱা নাই, হালধীয়া হৈছে আদি। মই শুনি ক'লো—মানুহ মৰিলে তেজ চলাচল বন্ধ হৈ যায় বাবে হালধীয়া হয়। কোনেও বিশ্বাস নকৰে— ওলোটাই মোকে কয়— তেজ পিপাষুয়ে ৰক্ত খাই হালধীয়া কৰিছে। মই ক'লো এইবোৰ অন্ধবিশ্বাস। পেহীয়ে ক'লে কিহৰ অন্ধবিশ্বাস, চিকিৎসালয়ৰ পৰা আনোতে কোনো যন্ত্ৰ-মন্ত্ৰৰে জাৰি আনা নাছিল, সেয়েহে ৰক্তপিপাষুয়ে খালে কেচুৱাটোক আৰু যোৱা বেলি অমুকৰ ল'ৰাটোক ভূতে মাৰিলে— হাত ভৰি কোচ খায় একেবাৰে ভাজ হৈ মৰিল। আমি দুই তিনিজনে ধৰি পোন কৰিব নোৱাৰিলোঁ। বুজিছা বোপা ভূত-প্ৰেত আছে, অন্ধবিশ্বাস নহয়। মই কলোঁ পেহী একেবাৰে অন্ধবিশ্বাস, শুনিলো ল'ৰাজনৰ নাভি কটাৰীৰে কাটিছিল। হয় বোপা, হয়। তেন্তে শুনক মৰিছা (মামৰে) ধৰা, অপৰিষ্কাৰ লো-জাতীয় বস্তুৰে কাটিলে আপুনি কোৱা ধৰণৰ লক্ষণে দেখা দিয়ে এয়াই ধনুষ্টংকাৰ বেমাৰ। এই বেমাৰ হ'লে হাত ভৰি কোচ খাই মানুহজন ভাজ হৈ ধনুভেৰীয়া হৈ মৰে। ভূতে ধৰা এইবোৰ অন্ধবিশ্বাস। এনেকুৱা একুৰি এবুৰি ঘটনা প্ৰায়ে আমাৰ সমাজত হোৱা দেখা যায়। আধুনিক বিজ্ঞানৰ দিনত এইবোৰ চিন্তাৰ বিষয়। এনেতে আৰু এটা ঘটনা মোৰ মনত পৰিল।

যোৱা বেলি এদিন পৰিবাৰে দুটামান খালি প্লাষ্টিকৰ বয়াম দোকানৰ পৰা আনিব ক'লে। সেইমতে মই বজাৰলৈ গৈ দোকানী এজনৰ ওচৰত এটা প্লাষ্টিকৰ খালি বয়াম বিচাৰিলোঁ। দোকানীজনে ক'লে নাই ছাৰ, মোৰ খালি প্লাষ্টিকৰ বয়াম শেষ হৈ গ'ল, আৰু কিজানি আপুনি কলগাছিয়াৰ কোনো দোকানতে





নাপাব। মই সুধিলো কিয় নাপাম! তাতে আকৌ কলগাছিয়াৰ কোনো দোকানতে নাপাম, তুমি কি কোৱা— মই আচৰিত হৈ সুধিলোঁ। হয় ছাৰ, কিয় আপুনি নাজানে নেকি (ছাৰ)— বালিকুৰিত এজন ফকীৰ ওলাইছে যিয়ে বয়ামৰ পানী ঝাৰি ফুকি দিলে মানুহৰ যিকোনো বেমাৰ ভাল হয়। মানুহ দূৰ-দূৰণিৰ পৰা আহি ফকীৰৰ ঘৰত ৰাতি ১০ টা বজাৰ পৰা শাৰী পাতি ৰাতিপুৱালৈ থাকি পানী ঝাৰি লৈ আহে, কিমান যে মানুহৰ ভীৰ— আপুনি দেখিলে আচৰিত মানিব লাগিব। মানুহৰ বেমাৰ ভালো হৈ আছে। অ হয় নেকি কথাটো শুনিছিলোঁ কিন্তু আধুনিক বিজ্ঞানৰ যুগত চিকিৎসাৰ শীৰ্ষত উপনীত হৈও মানুহবোৰে জঁৰা ফুকা কৰাটো বিশ্বাস কৰিবলৈ টান পাইছো। দোকানীয়ে জোৰ দি ক'লে— অন্ধ বিশ্বাস নহয় ছাৰ, বহুত মানুহ ভাল হৈছে। সেই কাৰণেই আমাৰ কলগাছিয়াৰ কোনো দোকানতে খালি বয়াম নাপায় বুলি ক'লো। গতিকে আমি যিমানেই বিজ্ঞানৰ চৰ্চা নকৰো কিয় আমাৰ চৰ চাপৰিত এতিয়াও অনেক অন্ধবিশ্বাস চলি আছে। আমাৰ জীৱনত এইবোৰ অন্ধবিশ্বাসে কু-প্ৰভাৱ পেলাইছে।

আমাৰ চৰ চাপৰিত প্ৰচলিত আৰু এনেকুৱা কিছুমান অন্ধবিশ্বাস তলত উল্লেখ কৰা হ'ল—

১) কাতি মাহৰ অমাৱস্যা ৰাতিত কোনো গছত ফল নধৰিলে পুৰণি ফটা চেণ্ডেল নাইবা মৰা শামুকৰ খোলেৰে মালা তৈয়াৰ কৰি বান্ধি দিয়া প্ৰথা আছে। নাইবা এজনে গছজোপা কাটিব যাব আৰু আনজনে বাধা দি নাকাটিব নাকাটিব বুলি কোৱা আৰু অহা বছৰ ফল লাগিব বুলি কোৱা প্ৰথাৰ প্ৰচলন আছে।

২) কোনোবাই বমি কৰিলে এতিয়াও বেজৰ দ্বাৰা পানী বা নিমখৰ লগত আদা জাৰি খোৱাৰ প্ৰচলন আছে।

৩) সন্ধিয়া সময়ত মতা কুকুৰাই ৰাও দিলে নাইবা মাইকী কুকুৰাই মাতিলে ঘৰখনৰ অমঙ্গল হ'ব বুলি বিশ্বাস কৰে।

৪) গাঁৱত কলেৰা ৰোগে মহামাৰীৰ ৰূপ ধাৰণ কৰিলে প্ৰায় মানুহৰ ল'ৰা-ছোৱালীৰ লগত ছামাৰাৰ টুকুৰা, পানীলাউৰ গুটি আৰু এটিমান নহৰুৰ কোঁহ ৰখা প্ৰথা আছে।

৫) সৰু আই বা বসন্ত হ'লে নদী বা বিলত আধা বুৰি থোৱা নাৰ পানী ধলপুৱাতে আনি গা ধোৱালে ভাল হোৱাৰ বিশ্বাস আছে।

৬) মঙ্গল বা শনিবাৰ নাইবা জন্মবাৰত নখ-চুলি নাকাটে।

৭) চকুৰ ৰোগ হ'লে সিজোৱা কণী খালে কণীৰ দৰে চকু বগা হয় বুলি কণী খাব নিদিয়ে।

৮) জণ্ডিছ ৰোগ হ'লে কবিৰাজে সতেজ কোমল লতা জাতীয় গছৰ টুকুৰাবোৰেৰে ঢিলাকৈ বান্ধি মূৰৰ জোখেৰে মালা পিন্ধাই ৰাখি ভৰিৰে উলিয়াই দিলে জণ্ডিছ ৰোগ ভাল হয় বুলি বিশ্বাস কৰে।

৯) কণী খাই পৰীক্ষা দিলে পৰীক্ষাত শূণ্য নম্বৰ পাব বুলি কণী খাব নিদিয়ে।

১০) প্ৰসূতীৰ ঘৰত উপজা সন্তানে যাতে ভৱিষ্যতে লিখা পঢ়া কৰে তাৰ বাবে কাগজ-কলম উপজা সময়ত ওচৰত ৰখা প্ৰথা আছে।

১১) কইনাই দৰাৰ ঘৰত সোমোৱা সময়ত দৰ্জ্জাত ৰখা মাটিৰ পাত্ৰৰ টুকুৰা গচকিব লাগে আৰু সেই টুকুৰা যিমান হ'ব ছোৱালীজনীয়ে সিমান ল'ৰা-ছোৱালী জন্ম দিব বুলি বিশ্বাস কৰে।

১২) দুপৰীয়া সময়ত নদীৰ ঘাটলৈ নাইবা নিৰ্জন ঠাইত থকা গছৰ তললৈ গ'লে ভূতে পায় বুলি বিশ্বাস কৰে।

১৩) যঁজা কল গৰ্ভৱতীয়ে খালে যঁজা ল'ৰা-ছোৱালী জন্ম দিব বুলি খাব নিদিয়ে।

১৪) মাছ ভাত খাওঁতে মাছৰ কাঁইটে ডিঙিত বিন্ধিলে মেকুৰীৰ ভৰিত ধৰিলে কাঁইট এৰা যায় বুলি বিশ্বাস কৰে।

১৫) ৰাতি মহিলা বা ছোৱালীয়ে গছৰ পৰা ফল চিঙিলে মহিলাজনীৰ ফল নধৰিব অৰ্থাৎ বন্ধ্যা হ'ব বুলি বিশ্বাস কৰি ৰাতি ফল নিছিঙে।

১৬) নিজৰ বাওঁফালে কাউৰীয়ে কা কা কৰিলে অমঙ্গল আৰু সোঁফালে মাতিলে আপোনজন বা অতিথি ঘৰলৈ আহিব বুলি বিশ্বাস কৰে।

১৭) ফেঁচা চৰাই ঘৰৰ ওপৰত নাইবা বাৰীৰ গছত বহি নিম নিম বুলি মাতিলে সেই ঘৰৰ মুৰব্বীজনৰ টান নৰীয়াত পৰি মৃত্যু হয় বুলি বিশ্বাস কৰে।

১৮) পটাত বটি, চানা (বৰ্তা) বনোৱাৰ পিছত তাতে ভাত লৈ পুৰুষে সানি খালে বজ্ৰপাতত মৃত্যু আৰু মহিলাই খালে প্ৰসৱৰ সময়ত কষ্ট হৈ শৌচ ওলাব বুলি খাব নিদিয়া প্ৰথা আছে।

১৯) গৰ্ভৱতী মহিলাই যাতে পুত্ৰ সন্তান জন্ম দিয়ে তাৰ বাবে তাবিজ বা মাদুলি ব্যৱহাৰ কৰাৰ প্ৰথা আছে।

২০) কোনোবাই খাই থাকোতে অইনে আহি দেখিলে যদি পেটৰ অসুখ হয় তেন্তে অহা মানুহজনৰ মুখ লাগি বা নজৰ লাগি পেটৰ অসুখ হোৱা বুলি বিশ্বাস কৰে আৰু জৰা ফুকাৰ দ্বাৰা ভাল হয় বুলি বিশ্বাস কৰে।

২১) হাপানি বা সামান্য ৰোগ হ'লে জৰা ফুকা বা মাদুলি ল'লে ভাল হয় বুলি বিশ্বাস আছে।

২২) যান বাহনৰ সন্মুখেৰে ক'লা মেকুৰী গ'লে অমঙ্গলৰ বিশ্বাস কৰি যাত্ৰা নকৰে।

২৩) গৰ্ভৱতীয়ে গৰ্ভস্থ সন্তানৰ মৃত্যু হ'ব বুলি ভাবি কণী ভঙা নাইবা হাঁহ-কুকুৰা আদি হালাল নকৰে।

২৪) শত্ৰুৰ নামত মুৰ্ত্তি তৈয়াৰ কৰি হত্যা বা হাত ভৰি ভাঙি পুতি থ'লে শত্ৰুৰ মৃত্যু বা হাত ভৰি ভাঙে আৰু ইয়াক বান মৰা বুলি মানুহে বিশ্বাস কৰে।

২৫) লাউ গছত আহুতি পানী বিশেষকৈ মাছ ধোৱা পানী দিলে লাউগছ সতেজ হয় আৰু সোনকালে লাউ লাগে বুলি মানুহে বিশ্বাস কৰে।

২৬) প্ৰথমতে কেইবাজন সতি-সন্ততি জন্ম হৈ মৰিলে 'মৰিলা' বুলি ভাৱি পৰৱৰ্ত্তী সতি-সন্ততি জন্ম হোৱাৰ লগে লগে কাণ বিন্ধাই দিয়ে। কান বিন্ধাই দি ৰিং পিন্ধাই দিলে সন্তানটিৰ অপকাৰ নহয় বুলি ভাবে। কাৰণ ভূতে সন্তানৰ অংগত খুদ দেখিলে নামাৰে বুলি মানুহে বিশ্বাস কৰে।

২৭) গাছিকা ৰাতি (কাতি মাহৰ পহিলা তাৰিখৰ পূৰ্ব্বৰ ৰাতি) যুৱতীয়ে কেঁচা-হালধী বা হালধীৰ ফুল বাৰীৰ চুকত ওৰে ৰাতি ৰাখি সদায় ৰাতিপুৱা মুখত সানিলে শালমন বা মুখৰ দাগ ভাল হয় তথা ৰাতিপুৱা প্ৰায় ঘৰে ঘৰে সকলোৱে নিমৰ পাতৰ লগত চাউল ভাজি কেঁচা হালধীৰে খালে খৰ খজুৱতি আদি নহয় বুলি বিশ্বাস আছে। ঠিক তেনেকৈ কচুৰ নতি (ধাৰক) চিঙি আনি ওৰে ৰাতি জগাই ৰাখি ৰাতিপুৱা গা-ধোৱাৰ পিছত মহিলাই সেই কচুৰ নতিৰে মূৰৰ চুলি কোৱালে চুলি দীঘলীয়া হয় বুলি বিশ্বাস কৰে ইত্যাদি। এনে বহুত অন্ধবিশ্বাস আমাৰ চৰ-চাপৰিত এতিয়াও প্ৰচলিত হৈ আছে।

বিজ্ঞান প্ৰযুক্তি-বিদ্যাৰ উচ্চ শিখৰত উপনীত হ'লেও আজি চৰ চাপৰিৰ সমাজ এনেকুৱা শ শ অন্ধ বিশ্বাসত ডুবি আছে। ইয়াৰ প্ৰধান কাৰণ হ'ল শৈক্ষিক ক্ষেত্ৰত অনগ্ৰসৰতা। শিক্ষাৰ দিক্ষত পিছপৰি থকাৰ বাবে অন্ধবিশ্বাসে ভয়াবহ ৰূপ ধাৰণ কৰিছে। গৰ্ভধাৰণ কৰাৰ পিছত সন্তানৰ লিংগ পৰিবৰ্তন হোৱাৰ বিশ্বাসত তাবিজ লোৱা এক চুৰান্ত অবৈজ্ঞানিক মানসিকতাৰ পৰিচায়ক। অৱশ্যে কিছুমান প্ৰথাৰ বৈজ্ঞানিক ভিত্তি নথকা নহয়। বমি কৰিলে আদা আৰু নিমখ ঝাৰি খোৱাটোৰ বৈজ্ঞানিক ভিত্তি আছে কাৰণ আদাৰ ঔষধি গুণ আছে। ঠিক সেইদৰে ৰাতি দোকানীয়ে বেজি নিদিয়াটোৰো বৈজ্ঞানিক ভিত্তি আছে কাৰণ বেজি বস্তু এনেই বেছিকৈ হেৰাই যায় তাতে ৰাতি হেৰুৱালে পাবলৈ টান। তদুপৰি মাছধোৱা পানী লাউগছত দিয়া প্ৰথাত বৈজ্ঞানিক ভিত্তি নথকা নহয় কাৰণ মাছধোৱা পানীত বা পুখিজলত যথেষ্ট পৰিমানে অনুজীৱ হয় যিবোৰে মাটি সাৰুৱা কৰে। ৰাতিপুৱা কেঁচা হালধী মুখত সানিলে শাল মইনা ভাল হোৱা প্ৰথাতো হালধীৰ ঔষধি গুণ তথা নিমৰ পাত খোৱা প্ৰথাৰো নিমৰ ঔষধি গুণৰ বাবে বৈজ্ঞানিক ভিত্তি আছে। কিন্তু বাকী অধিক সংখ্যক প্ৰথা অন্ধবিশ্বাস য'ত বৈজ্ঞানিক কোনো ভিত্তি দেখা নাযায়।

এনেকুৱা অন্ধবিশ্বাসৰ ভয়াবহতাৰ পৰা সমাজখনক ৰক্ষা কৰিবলৈ হ'লে শৈক্ষিক অনগ্ৰসৰতা দূৰ কৰিব লাগিব। সমাজৰ শিক্ষিত ব্যক্তি, সেচ্ছাসেৱী সংস্থা সকলোৱে মিলি সমাজত অন্ধবিশ্বাসৰ বিৰুদ্ধে সচেতনতা আনিব লাগিব।□□□



ছাত্ৰ একতা সভা (২০১৫-১৬ ইং বৰ্ষ) ৰ সদস্য-সদস্যা আৰু তত্বাৱধায়কসকলৰ একাংশ




বাওঁফালৰ পৰা (বহি) ক্ৰমে ঃ
ড° নিতু চহৰীয়া (তত্বাৱধায়িকা, আলোচনী বিভাগ), ড° ফখৰুল আলম (তত্বাৱধায়ক, গুৰু খেল বিভাগ), ধ্ৰুৱজ্যোতি দাস (তত্বাৱধায়ক, গুৰু খেল বিভাগ), অধ্যাপক সুশীল কুমাৰ সৰকাৰ (তত্বাৱধায়ক, সংগীত আৰু সাংস্কৃতিক বিভাগ), অধ্যাপক কমৰুজ্জামান (তত্বাৱধায়ক, ছাত্ৰ জিৰণি কোঠা), অধ্যাপক আব্দুল হালিম (তত্বাৱধায়ক, ছাত্ৰ একতা সভা), অধ্যক্ষ ড° ছাহজাহান আলী আহমেদ (সভাপতি, ছাত্ৰ একতা সভা), ড° যোগেন্দ্ৰ ঝা (তত্বাৱধায়ক, আলোচনী বিভাগ), ড° ইমৰুল হুছেইন (তত্বাৱধায়ক, লঘু খেল বিভাগ), আশিফুল হক (তত্বাৱধায়ক, লঘু খেল বিভাগ), অধ্যাপক শামচুল আলম (তত্বাৱধায়ক, সংগীত আৰু সাংস্কৃতিক বিভাগ), অধ্যাপক ৰমজান আলী (তত্বাৱধায়ক, সমাজ সেৱা বিভাগ), অধ্যাপক আব্দুল কুদ্দুছ (তত্বাৱধায়ক, তৰ্ক আৰু সুকুমাৰ কলা বিভাগ)।

বাওঁফালৰ পৰা (থিয় হৈ) ক্ৰমে ঃ
হেলমিনা খাতুন্ন (সহঃ সাধাৰণ সম্পাদিকা), ৰেজিনা পাৰবিন (সম্পাদিকা, ছাত্ৰী জিৰণি কোঠা), ছামিনা ইয়াছমিন (সম্পাদিকা, সমাজ সেৱা বিভাগ), ছাদ্দাম হুছেইন (সম্পাদক, গুৰু খেল বিভাগ), মিজানুৰ ৰহমান (সম্পাদক, তৰ্ক আৰু সুকুমাৰ কলা বিভাগ), মাজিদুল ইছলাম (সম্পাদক, আলোচনী বিভাগ), ৰাববুল আলম (সম্পাদক, লঘু খেল বিভাগ), হাচানুৰ ৰহমান (সম্পাদক, শৰীৰ চৰ্চা বিভাগ), হামিদুল ইছলাম (সম্পাদক, ছাত্ৰ জিৰণি কোঠা)।



অধ্যক্ষ-উপাধ্যক্ষ সমন্বিতে আমাৰ মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ শিক্ষক-শিক্ষয়িত্ৰীসকলৰ একাংশ

বাওঁফালৰ পৰা (বহি) ক্ৰমে ঃ
অধ্যাপক ড° এম. এছ শ্বেইখ, অধ্যাপক মোঃ আতাউৰ ৰহমান, অধ্যাপক মোকচুদ আলী, অধ্যাপক ড° মোতাজিমুৰ ৰহমান, অধ্যাপক ড° যোগেন্দ্ৰ ৰা, অধ্যাপক এম. নজমুল হক, অধ্যক্ষ ড° ছাহজাহান আলী আহমেদ, উপাধ্যক্ষ মিৰ্জা আব্দুল হামিদ, অধ্যাপক ইছমাইল হুছেইন ছিদ্দিকী, অধ্যাপক আব্দুল খালেক, অধ্যাপক কহিনুৰ কবীৰ আহমেদ, অধ্যাপক আব্দুল বাহাৰ সৰকাৰ, অধ্যাপক ড° হেৰমান আলী, অধ্যাপক আজিজুৰ ৰহমান দেৱান, গ্ৰন্থাগাৰিক মেৰিনা আহমেদ, অধ্যাপিকা ড° জাহানাৰা বেগম, অধ্যাপিকা ড° নিতু চহৰীয়া।
বাওঁফালৰ পৰা (থিয় হৈ) ক্ৰমে ঃ
অধ্যাপক সুনীল কুমাৰ চক্ৰবৰ্তী, অধ্যাপক ড° ফখৰুল আলম, অধ্যাপক কমৰুজ্জামান, অধ্যাপক আব্দুল হালিম, অধ্যাপক হায়দৰ আলী আহমেদ, অধ্যাপক আতিকুদ্দিন আহমেদ, অধ্যাপিকা ছিদ্দিকা হামিদা খাতুন, অধ্যাপিকা ড° ছাবিকিয়া আহমেদ, অধ্যাপিকা ৰৌছানাৰা খাতুন, অধ্যাপক আমিনুল হক, অধ্যাপক লুৎফুৰ ৰহমান শইকীয়া, অধ্যাপক আবুবক্কৰ ছিদ্দিক, অধ্যাপক ৰাজ কিশোৰ শৰ্মা, অধ্যাপক জ্যোতিৰ্জ্যোতি দাস, অধ্যাপক ড° ইমৰুল হুছেইন, অধ্যাপক ড° মতিবুৰ ৰহমান, অধ্যাপক চামচুল হক।



# ৰাজনৈতিক উপন্যাস হিচাপে মৃত্যুঞ্জয় ঃ এক পৰ্য্যালোচনা

ড° ফখৰুল আলম
সহকাৰী অধ্যাপক, ৰাজনীতি বিজ্ঞান বিভাগ

বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ ৰাজনৈতিক উপন্যাসসমূহৰ বিষয়বস্তু মূলতঃ ভাৰতৰ সমসাময়িক ৰাজনৈতিক অৱস্থাই জনগণৰ ওপৰত পেলোৱা প্ৰভাৱৰ ক্ৰিয়া প্ৰতিক্ৰিয়া। কিন্তু এই উপন্যাসসমূহৰ মূল বিষয় ৰাজনৈতিক হ'লেও ভট্টাচাৰ্যই কোনো ক্ষেত্ৰতেই মানৱীয় প্ৰমূল্যসমূহক অৱহেলা কৰা দেখা নাযায়।

কোনো সৃষ্টিশীল লেখকেই সমসাময়িক সামাজিক আৰু ৰাজনৈতিক ঘটনা প্ৰবাহক উপেক্ষা কৰিব নোৱাৰে। ভট্টাচাৰ্যৰ ৰাজনৈতিক উপন্যাস সৃষ্টিৰ মূলতে আছিল ভাৰতবৰ্ষৰ উত্তৰ পূব কোনত অৱস্থিত অসম ৰাজ্যৰ ৰাজনৈতিক ঘটনা প্ৰবাহ।

ভাৰতবৰ্ষক বৃটিছে গোলামৰ দৰে তলতীয়া কৰি তুলিব বিচাৰিছিল। ১৮২৬ চনৰ ইয়াণ্ডাবু সন্ধি সূত্ৰে ইংৰাজ বা বৃটিছসকলে মানে গৰকা অসমত ভূতৰ ওপৰত দানৰ পৰাদি আহি পৰিলেহি। অসমলৈ আহি অসমৰ ৰাইজৰ ওপৰত সিহঁত নপতা ফুকন হ'লহি। নিজৰ মইমতালীৰে সিহঁতে সকলো কাৰ্যপন্থা হাতত লৈছিল। ১৯১৪ চনৰ পৰা লগা প্ৰথম মহাসমৰত ভাৰতবাসীয়ে ধনে জনে সহায় কৰি বৃটিছক ৰণত জয়ী কৰাৰ ফলত ভাৰতক স্বায়ত্ত শাসন দিয়াৰ প্ৰতিশ্ৰুতিৰ বিনিময়ত পঞ্জাৱত পাঁচজন ককাই ভাই একে লগে বহিব নোৱাৰাৰ যি আইন ৰাওলট চাহাবে জাৰি কৰিলে তাৰেই ফলস্বৰূপে বাহিৰ হ'ল- ১৯১৯-১৩ এপ্ৰিলৰ জালিয়ানৱালাবাগৰ বৃটিছৰ হত্যাকাণ্ড। তাৰ ফলত মহাত্মাই অহিংস অসহযোগৰ আৰম্ভ কৰে। মহাত্মা গান্ধীৰ আহ্বানত ভাৰতৰ সকলো ঠাই জিকাৰ খাই উঠিল।

অসমৰ নগাঁও জিলাতো ইয়াৰ প্ৰভাৱ নপৰাকৈ নাথাকিল। নগাঁওৰ ৰহাতেই অসমৰ প্ৰথম জাতীয় বিদ্যালয় প্ৰতিষ্ঠা হয় কনক চন্দ্ৰ শৰ্মাৰ নেতৃত্বত। এই বিদ্যালয়কেই কেন্দ্ৰ কৰি মহাত্মা গান্ধীৰ সংগঠনমূলক কাৰ্য আৰম্ভ হয়। ১৯২৬ চনত ভাৰতীয় জাতীয় মহাসভাৰ পাণ্ডু অধিৱেশনৰ সভামণ্ডপত নগএঞা শিপিনীয়েই শুদ্ধ খদ্দৰৰ শ্বেত ছত্ৰ দাঙি ধৰিছিল।

১৯৩৯ চনৰ শেষত চেপ্তেম্বৰ মাহৰ ৩ তাৰিখৰ পৰা জাৰ্মানীয়ে পোলেণ্ড আক্ৰমণ কৰাৰ ফলত য়ুৰোপ জুৰি ২য় মহাসমৰ হয়। তেতিয়া বৃটিছেও ভয় খাই পোলেণ্ডৰ পক্ষ সমৰ্থন কৰি জামানীৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰে। বৃটিছে ভাৰতবাসীৰ অনুমতি নোলোৱাকৈ ভাৰতকো সাঙুৰি ঘোষণা প্ৰস্তুত কৰিলে যে এই মহাযুদ্ধত ভাৰতেও জাৰ্মানীৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰিছে। ফলত গোটেই ভাৰতৰ জনসাধাৰণে গণবিপ্লৱ আৰম্ভ কৰে। ১৯৪২ চনৰ মাৰ্চ মাহত ক্ৰীপছ মিছন আহে। ১৯৪২ চনৰ ৯ আগষ্টত (ৰবিবাৰে) মহাত্মাক গ্ৰেপ্তাৰ কৰে। (ইয়াৰ আগদিনা, অৰ্থাৎ ৮ আগষ্টত ভাৰত ত্যাগ প্ৰস্তাৱ গৃহীত হয়)। মহাত্মাক গ্ৰেপ্তাৰ কৰাৰ বাবে নগাঁওত ঠানুৰাম ভূএগৰ নেতৃত্বত 'বন্দে মাতৰম'কৈ শোভাযাত্ৰা আৰম্ভ হয়। আৰু এই শোভাযাত্ৰা জখলাবন্ধাৰ ফালে আগবাঢ়ে। ১৯৪২ চনৰ ১৫ তাৰিখ শনিবাৰে পুৰণি গুদামত সভা অনুষ্ঠিত হয়। শান্তিসেনাৰ অধিনায়ক নগাওঁৰ পূৰ্ণচন্দ্ৰ শৰ্মাক

গ্ৰেপ্তাৰী পৰোৱানা দিয়ে। এইবোৰ বিক্ষোভৰ ফলতেই অহিংসা আন্দোলনৰ প্ৰতি নিষ্ঠা হেৰুৱাই ২৩ আগষ্ট তাৰিখে (দেওবাৰ) কোনো অজ্ঞান লোকে কামপুৰ ষ্টেচনৰ পৰা ডেৰমাইল দূৰত ৰে'লৰ লাইন পেলায়। এটা ইঞ্জিনসহ কেইখনমান মালগাড়ীৰ দ্ৰব্য বিনষ্ট হয়। ২৪ আগষ্টত ফুলগুৰি ষ্টেচনৰ কৰ্মচাৰী থকা ঘৰত অগ্নি সংযোগ কৰে। ডিমৌৰ ৰে'লৱে দলঙৰ ওচৰৰ ৰে'ল লাইনৰ ৰেলিং আৰু শ্লীপাৰ তুলি পেলায়। আসাম ট্ৰাং ৰোডৰ কেইবাখনো কাঠৰ দলং পুৰি পেলায়।

বীৰেন্দ্ৰ কুমাৰৰ মৃত্যুঞ্জয় উপন্যাসৰো ঘটনা কাল ১৯৪২ চন। চৰিত্ৰসমূহ প্ৰায় কাল্পনিক। ওপৰৰ উল্লেখ কৰা ৪২ৰ ৰাজনৈতিক বাতাবৰণৰ হুবহু প্ৰতিচ্ছবি উপন্যাসখনত ছত্ৰে ছত্ৰে বিৰাজিত-

*'শান্তি সেনাবোৰে কেম্প কৰি আছিল কামপুৰৰ ওচৰতে................ কৰ্মসূচী হ'ল মিলিটেৰীৰ যোগান বন্ধ কৰা আৰু দলং ভাঙি যাতায়াত বন্ধ কৰা।'* (মৃত্যুঞ্জয়, পৃষ্ঠা- ২)

অসমৰ জনসাধাৰণে মহাত্মাগান্ধীৰ নেতৃত্বত শ্ৰদ্ধা জনাইছিল। মৃত্যুঞ্জয়তো আন্দোলনকাৰী সকলে কৈছে—

*'গান্ধীয়ে আমাক বাট কাটি দিছে, আমি মাত্ৰ যাব লাগে।'(মৃত্যুঞ্জয়, পৃ- ৭)*

তথাপি গান্ধীৰ অহিংস নীতিৰ ওপৰত এচাম মানুহৰ আস্থা হেৰাই যোৱাও দেখা গৈছিল। মৃত্যুঞ্জয়তো আছে—

*'নেতাসকলৰ দুটা ভাগ হৈছে। এভাগে অহিংসাৰ পন্থাইদি যাব খোজে। ইভাগে হিংসাৰ পন্থাইদি যাব খাজে।'(মৃত্যুঞ্জয়, পৃ- ৪১)*

অহিংস নীতিৰ পৰা ফালৰি কাটি অহা 'মৃত্যুঞ্জয়' ৰ নেতা কেইজনমানৰ গৰিলা কৌশলেৰে ৰে'লৰ দবা ধ্বংস কৰি মিলিটেৰীৰ যোগাযোগ বন্ধ কৰাই আছিল প্ৰধান উদ্দেশ্য। গান্ধীৰ অহিংস সংগ্ৰামত পৰম বিশ্বাসী লোকসকলে এদিন উপলব্ধি কৰিলে যে মানুহৰ মুক্তিৰ যুঁজ অহিংসাৰে নহয়। হোৱা হ'লে ইমানদিনে ভাৰতে স্বাধীনতা পালেহেতেন। মুঠতে ছলে-বলে কৌশলে ইংৰাজক ভাৰতৰ পৰা খেদিবই লাগিব।

*'মাণিক ভকত, ভিভিৰাম এইবোৰে কিয় গৰিলা যুদ্ধৰ কথা ভাবিবলৈ ল'লে ক'ব পাৰানে? আন একো উপায় নাই। ইহঁতক ভাৰতৰ পৰা খেদিব লাগিব।'(মৃত্যুঞ্জয়, পৃ- ৪২)*

মৃত্যুঞ্জয় উপন্যাসখনত পৰ্যাপ্তভাৱে ৰাজনৈতিক ঘটনা জড়িত বিষয়বস্তু আছে।

উপন্যাসখনিত বৰ্ণিত কৰা— *'কামপুৰ, বঢ়মপুৰ, ৰহা এইবোৰত হোৱা অত্যাচাৰৰ কথাত ৰাইজ জৰ্কি আছে।'(মৃত্যুঞ্জয়, পৃ- ২)*

নগাঁওৰ উক্ত ঠাইবোৰত সচাঁকৈয়েই মিলিটেৰীয়ে অত্যাচাৰ কৰিছিল।

*'গোসাঁয়ে ক'লে, অকলে সুভদ্ৰাৰে নহয়, আৰু কাহিনী আছে। গহপুৰ, ঢেকিয়াজুলিত ভয়ানক অত্যাচাৰ হৈছে।'(মৃত্যুঞ্জয়, পৃ- ৭৫)*

মৃত্যুঞ্জয়ত বৰ্ণিত উক্ত বক্তব্যৰ ৰাজনৈতিক সত্যতা আছে। গহপুৰত কনকলতাই মৃত্যুক আকোঁৱালি লোৱাৰ দৰে ঢেকিয়াজুলীতো ১৯৪২ চনৰ ২০ ছেপ্তেম্বৰ তাৰিখে ঢেকিয়াজুলী থানাৰ সন্মুখত সংঘটিত হৈছিল অমানুষিক অত্যাচাৰ। ঢেকিয়াজুলী থানাৰ ওপৰত পতাকা তুলি মনবৰ নাথ চালৰ পৰা জঁপিয়াই নামোঁতেই আৰক্ষীয়ে গুলী কৰিলে। কুমলী নেওগে পুত্ৰ গোলোক নেওগক বচাবলৈ গৈ নিজৰ বুকুত গুলী পাতি ল'লে। আৰক্ষীৰ গুলীত সোতৰজন পুৰুষ মহিলাৰ মৃত্যু হ'ল। কনকলতাৰ দৰে বাৰ বছৰীয়া তিলেশ্বৰী বৰুৱাৰো গুলী লাগি মৃত্যু হ'ল।

উপন্যাসত সুভদ্ৰাৰ অত্যাচাৰ বৰ্ণিত কৰা হৈছে যদিও এই সুভদ্ৰাৰ চিৎকাৰ যেন হাজাৰজনী পীড়িতা গাভৰু তথা পুৰুষ নাৰীৰ জীৱনৰ আতুৰত কৰা মনৰ চিৎকাৰ।

ধনপুৰহঁতৰ ৰে'ল বগৰোৱাৰ কথাটোও সত্য। নগাঁও জিলাতেই ৰে'ল বগৰোৱা, টেলিফোনৰ তাঁৰ কটা আদি দুষ্কৰ্ম সাধিত হৈছিল। মৃত্যুঞ্জয়ৰো ধনপুৰে ৰে'ল বগৰোৱাৰ কথা ডিমিক কৈছে-

*'এখন ৰে'ল বগৰাব খুজিছোঁ।'(মৃত্যুঞ্জয়, পৃ- ১০৬)*

মৃত্যুঞ্জয় উপন্যাসখনত প্ৰত্যক্ষভাৱে ৰাজনৈতিক কাৰ্যৰ লগত জড়িত চৰিত্ৰও পোৱা যায়। ধনপুৰ, ভিভিৰাম, ৰূপ নাৰায়ণ, মহদা গোঁসাই আদি চৰিত্ৰবোৰে স্বদেশৰ স্বাৰ্থৰ বাবে মানৱীয়





প্ৰমূল্যক আঘাত হানিও বহু কাম কৰিবলগীয়া হৈছিল-

*'তাৰ ইচটা চিৰিৰ ফিচপ্লেটো খোল খাওঁ খাওঁ হৈছে। কিন্তু ভিভিৰামৰ হাতখন যেন নচলা হৈছে।........ কনকলতা, ভোগেশ্বৰী, কমলা মিৰি, ইহঁতক জীয়াই জীয়াই মৰাৰ প্ৰতিশোধ ল'ব লাগিব। অকল জানো সেয়ে? দেশখনক স্বাধীন কৰিব লাগিব।'(মৃত্যুঞ্জয়, পৃ- ১৫৯)*

বৃটিছৰ আমোলত আমাৰ স্বদেশ থকাৰ সময়ত কিছুমান স্বদেশী লোকেও বৃটিছৰ সপক্ষে ঢোলৰ লগত টেমেকা-ৰ দৰে আছিল। উপন্যাসখনতো শইকীয়া, লয়ৰামৰ দৰে ব্যক্তিয়ে এই কাৰ্যত অৱতীৰ্ণ হৈছে।

উপন্যাসখনত ৰাজনৈতিক সত্য কাহিনীৰ দৰে মহদা গোঁসাইৰ লেখীয়া সচাঁ চৰিত্ৰও মনকৰিবলগীয়া। মহদা গোঁসাই-নগাঁওৰ মহাদানন্দ দেৱগোস্বামী বুলি আলোচক সকলে কৈছে।

এনেবোৰ ৰাজনৈতিক ঘটনাৱলীক ঔপন্যাসিকে উপন্যাসৰ কলা সুলভ গুণৰাজি বিনষ্ট নোহোৱাকৈ প্ৰকাশ কৰিছে। উপন্যাসখনত যে কেৱল ৪২-ৰ আন্দোলনক প্ৰকট কৰিছে তেনে নহয়। ইয়াৰ লগতে আছে-প্ৰেম-প্ৰীতি, হাস্য-ব্যঙ্গ আৰু নানান মনোৰম পাৰিবাৰিক কাহিনী।

সি যি কি নহওক ৰাজনৈতিক ঘটনাক আলম লৈ লিখা মৃত্যুঞ্জয়ে অসমত ৰাজনৈতিক উপন্যাসৰ চাহিদা পূৰণ কৰিব পাৰিছে। মহাদেৱ আপ্তে (মাৰাঠী সমালোচক)ৰ ৰাজনৈতিক উপন্যাসৰ চৰ্তৰাজি মৃত্যুঞ্জয়তো দেখা যায়। তদুপৰি উপন্যাসৰ পাতনিতো বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যই এইখনি উপন্যাসক ৪২-ৰ গণআন্দোলনৰ পটভূমিত লিখা বুলি স্বীকাৰ কৰিছে। এক কথাত ক'বলৈ হ'লে 'মৃত্যুঞ্জয়' এখন সবল ৰাজনৈতিক উপন্যাস।□□□

## মহৎলোকৰ বাণী

"ধন হেৰালে একোৱেই নেহেৰায়, স্বাস্থ্য হেৰালে সম্পদ হেৰায়, কিন্তু চৰিত্ৰ হেৰালে সকলোখিনি হেৰায়।"
— *চক্ৰেটিছ*

"পৃথিৱীত আটাইতকৈ বেয়া কাম হ'ল "আনৰ সুনাম নষ্ট কৰা।" — *কাৰ্লাইল*

"আনক সমালোচনা কৰিবলৈ যোৱাৰ আগতে নিজকে সমালোচনা কৰা। নিজে শুদ্ধ আৰু পৱিত্ৰ হ'ব পাৰিলেহে আনৰ বিষয়ে মতামত দিয়াৰ যোগ্যতা অৰ্জন কৰিব পাৰিবা।" — *চক্ৰেটিছ*

"জন্মৰ দ্বাৰা নহয় কৰ্মৰ দ্বাৰাহে মানুহ মহান হয়।" — *মহাবীৰ*

সংগ্ৰাহক
মেহবুব হাছিনা পাৰবীন
স্নাতক চতুৰ্থ ষান্মাসিক

# অৰ্থনৈতিক গোলকীকৰণ আৰু আমাৰ আৰ্থ-সামাজিক অৱস্থা

মোস্তাফিজুৰ ৰহমান
সহকাৰী অধ্যাপক, শিক্ষা বিভাগ

বৰ্তমান সময়ত সমগ্ৰ বিশ্বতে বিশ্বায়ন শব্দটো অন্যতম চৰ্চিত বিষয় হিচাপে পৰিগণিত হৈছে। বিশ্বায়ন শব্দটো মূলতঃ বিশ্ব অৰ্থনীতিৰ লগত জড়িত যদিও বৰ্তমান সময়ত ৰাজনীতি, সমাজনীতি, বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা, সেৱা, শিক্ষা আৰু সংস্কৃতি আদি প্ৰায় ভাগ বিষয়ৰ লগতে সাঙুৰ খাই পৰিছে। বিশ্বায়ন বা গোলকীকৰণে সাধাৰণতে সমগ্ৰ বিশ্বৰ দেশসমূহৰ মাজত মূলধন, পণ্য সামগ্ৰী, সেৱা আৰু শ্ৰমিকৰ মুক্ত আদান প্ৰদান ব্যৱস্থাকে বুজায়। বিশ্বায়ন হ'ল এনে এক ধাৰণা য'ত বিশ্বক একত্ৰিকৰণৰ বাবে সজ্ঞান প্ৰচেষ্টা চলোৱা হয়।

বিশ্বায়ন শব্দটোৰ ইংৰাজী প্ৰতিশব্দ 'Globalization' যি *Globalize শব্দৰ পৰা আহিছে। যাৰ অৰ্থ হ'ল, আন্তঃৰাষ্ট্ৰীয়* পৰ্য্যায়ত সামাজিক আৰু অৰ্থনৈতিক আদান প্ৰদান, যোগাযোগ স্থাপনৰ জৰিয়তে বিশ্ব ভাতৃত্ব ভাৱৰ ভেটি সুদৃঢ় কৰা। ১৯৩০ চনত 'Towards New Education' ৰ লেখনিত *Globalization* শব্দৰ প্ৰয়োগ পোৱা যায়। ইয়াৰ পিছত ১৯৬২ চনত স্পেক্সেটৰ আলোচনীত (Spectator Magazine) ত বিশ্বায়ন শব্দৰ উল্লেখ হৈছিল। ইয়াৰ পৰৱৰ্তী সময়ত ১৯৮৬ চনত Oxford English Dictionary ৰ দ্বিতীয় সংস্কৰণত বিশ্বায়ন শব্দটো অন্তভুৰ্ক্ত হয়।

বিশ্বায়ন বা গোলকীকৰণৰ মূল শ্লোগান বা জয়গান হ'ল উদাৰীকৰণ আৰু ব্যক্তিগতকৰণ। সমগ্ৰ বিশ্বক যদিও একত্ৰিকৰণ কৰিবলৈ বিচৰা হৈছে, ইয়াৰ মূলতে হৈছে পণ্য আৰু পুঁজিৰ বিশ্বজোৰা মুক্ত বজাৰ সৃষ্টি কৰা। ১৯৯৪ চনত গ্যাট উৰুগুৱে ৰাউণ্ডৰ মাজেদি মৰক্কোৰ মাৰাকাচত স্বাক্ষৰিত গ্যাট চুক্তিৰ যোগেদি বিশ্বায়নৰ নীতি গৃহীত হৈছে। গ্যাট চুক্তি স্বাক্ষৰিত হোৱাৰ পিছত ১৯৯৫ চনত গ্যাট (GATT- General Agreement on Trade and Tariff)ক বিশ্ব বাণিজ্য সংস্থালৈ ৰূপান্তৰিত কৰা হয়। গ্যাট চুক্তিত অন্তৰ্নিহিত বিশ্বায়নৰ নীতি কাৰ্য্যকৰী কৰাৰ বাবে ডাংকেল প্ৰস্তাৱৰ আধাৰত জন্ম দিয়া আন্তৰ্জাতিক সংস্থাটোৰ নামেই বিশ্ব বাণিজ্য সংস্থা। গ্যাট চুক্তিত স্বাক্ষৰ কৰা আমাৰ দেশ ভাৰতেও বিশ্বায়নৰ নীতি কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত বিশ্ব বাণিজ্য সংস্থাৰ নিৰ্দেশ আখৰে আখৰে মানি চলিবলৈ বাধ্য। গ্যাট চুক্তি অনুসৰি বিশ্ব বাণিজ্য সংস্থা হ'ল সেই সৰ্বোচ্চ ক্ষমতালব্ধ আন্তজাতিক অনুষ্ঠান যাৰ সকলো নিৰ্দেশ সদস্য দেশসমূহে মানি চলিবলৈ বাধ্য।

বৰ্তমান যুগক বিশ্বায়নৰ যুগ বুলি কোৱা হয়। আশীৰ দশকৰ পৰা আৰম্ভ কৰি বিশ্বায়ন বা গোলকীকৰণৰ ধাৰণাটোৱে পৃথিৱীৰ সকলোতে জনপ্ৰিয়তা অৰ্জন কৰিছে। বিশ্বায়নৰ অৰ্থ হ'ল সমগ্ৰ বিশ্বখনকে এটা কেন্দ্ৰীয় ব্যৱস্থাৰ অধীনলৈ অনা। বিশ্বায়ন বা গোলকীকৰণ মানে সমগ্ৰ, বিশেষকৈ অৰ্থ ব্যৱস্থাক গোটেই বিশ্বত একীকৰণ কৰা এটা সূত্ৰ বা ব্যৱস্থা। এই একীকৰণ মূলতঃ বিশ্ব অৰ্থনীতি সম্বন্ধীয় এটা নতুন বিশ্ব সূত্ৰ। বিশ্বৰ য'তে ত'তে অবাধ ব্যৱসায় বাণিজ্য চলাব পৰা একীকৰণ ব্যৱস্থাটোৱে হ'ল বিশ্বায়ন। এই ক্ষেত্ৰত পুঁজিয়ে (Capital) ৰাষ্ট্ৰীয় সীমাক চেৰাই গৈ মুক্ত ৰূপত বিচৰণ কৰে আৰু নিজৰ বিস্তাৰৰ কাৰণে সস্তীয়া শ্ৰমিক আৰু সুলভ সস্তীয়া কেঁচামালৰ অনুসন্ধানত ব্যস্ত হয়।

সহজ ভাৱে ক'বলৈ হ'লে বিশ্বায়ন বা গোলকীকৰণৰ অৰ্থ বিশ্ব জুৰি প্ৰযুক্তিৰ আৰু বাণিজ্যৰ বিস্তাৰ কৰা। দেশৰ বজাৰ আৰু বিশ্বৰ বজাৰৰ মাজত কোনো সীমা বা বাধা নথকাত বেছি পৰিমাণে উৎপাদন কৰি সেইবোৰ বিদেশলৈ ৰপ্তানি কৰি আজিও বিদেশী মুদ্ৰাৰ দ্বাৰা দেশখনে উৎপাদন নকৰা সামগ্ৰী আমদানি কৰিব পাৰে। এই তত্ত্ব অনুসৰি কোনো দেশেই স্ব-নিৰ্ভৰশীল হোৱাৰ প্ৰয়োজন নাই কাৰণ সমগ্ৰ বিশ্বখনেই পৰস্পৰ নিৰ্ভৰশীল। লিখক পিটাৰ মাকাৰ্চৰ মতে "গোলকীকৰণ নতুন বিষয় নহয়, এইটো হ'ল এক বিশেষ ধৰণৰ পুঁজিবাদ, বিশ্বজুৰি পুঁজিবাদীৰ সম্পৰ্কৰ বিস্তাৰ। ১৯৭০ চনৰ পৰা এই পুঁজিবাদীৰ বিস্তাৰৰ দুটা বিশেষ দিশ লক্ষ্য কৰা যায়। (ক) প্ৰযুক্তিৰ উন্নয়ন আৰু (খ) ক্ষমতাৰ কেন্দ্ৰীভৱন। পুঁজিবাদ বিস্তাৰৰ এই দুটা দিশকে একেলগে গোলকীকৰণ বোল হয়।

এবাৰডীন বিশ্বাবিদ্যালয়ৰ সমাজ বিজ্ঞান বিভাগৰ অধ্যাপক Roland Robertson এ বিশ্বায়নৰ সংজ্ঞা এনেদৰে আগবঢ়াইছিল— "বিশ্বায়ন হ'ল বিশ্বক সংকুচিত কৰণৰ দ্বাৰা একত্ৰিকৰণ প্ৰক্ৰিয়াৰ প্ৰতি প্ৰবল ভাৱে ক্ৰমৱৰ্ধমান সজাগতাৰ ফলশক্ৰতি।' 'Globalization as the compression of the world and the intensification of the consciousness of the world as a whole.' সমাজ বিজ্ঞানী Martin Albrow আৰু Elizabeth ৰ মতে, বিশ্বায়ন হ'ল বিশ্বৰ সকলো মানুহকে একেলগে চামিল কৰণৰ সকলো প্ৰক্ৰিয়া প্ৰয়োগেৰে বিশ্বক এখন গোলকীয় সমাজলৈ ৰূপান্তৰ কৰণ প্ৰক্ৰিয়া।" "All those processes by which the people of the world are incorporated into a single world society."

ওপৰোক্ত আলোচনা আৰু সংজ্ঞাসমূহ বিশ্লেষণ আৰু পৰ্য্যালোচনা কৰি কব পাৰি যে সমগ্ৰ বিশ্বৰ দেশসমূহৰ মাজত থকা বিভেদৰ ভাৱ পৰিহাৰ কৰি দেশসমূহৰ মাজত মৈত্ৰী, ঐক্য আৰু সংহতিৰ ভাৱ সৃষ্টি কৰি অৰ্থনৈতিক উন্নতিৰ লগতে জীৱন ধাৰণৰ মানদণ্ড উন্নতৰ কৰাই হৈছে বিশ্বায়নৰ মূল লক্ষ্য। ১৯৯৯ চনত ৰাষ্ট্ৰসংঘৰ বিকাশ কাৰ্য্যসূচীৰ মানৱ উন্নয়ন খতিয়ানত বিশ্বায়ন সম্বন্ধে এনেদৰে মন্তব্য আগৱঢ়াইছিল- বিশ্বায়ন হ'ল, 'সমগ্ৰ বিশ্বৰ মানুহৰ মাজত ভৌগোলিক আৰু সময়ৰ ব্যৱধান সংকুচিত কৰি পাৰস্পৰিক নিৰ্ভৰশীলতাৰ ভিত্তিৰ মানৱীয় যোগসূত্ৰ স্থাপন কৰা প্ৰক্ৰিয়া।

বিশ্বায়নৰ উৎপত্তিৰ উৎস বিচাৰি বিভিন্ন চিন্তাবিদে বিভিন্ন মতামত আগবঢ়াইছে। এজন বিশিষ্ট অৰ্থনীতিবিদৰ মতে বিশ্বায়নৰ লগত মূল চাৰিটা উপাদান জড়িত যেনে- ব্যাপকতা (Extensity), প্ৰৱলতা (Intensity), গতিবেগ বা দ্ৰুতগতি (Velocity) আৰু প্ৰভাৱ (Impact), ২০০০ চনত আন্তঃৰাষ্ট্ৰীয় মুদ্ৰা নিধি (International Monerary Fund) চমুকৈ IMF এ বিশ্বায়নৰ উৎপত্তিৰ লগত মূল চাৰিটা দিশ জড়িত থকা বুলি কৈছে, যেনে - বেপাৰ বাণিজ্য আৰু ইয়াৰ কাৰ্য্যনিৰ্বাহ, মূলধন আৰু বিনিয়োগ প্ৰক্ৰিয়া, প্ৰব্ৰজন আৰু জন প্ৰবাহ আৰু জ্ঞানৰ বিস্তাৰ বা সম্প্ৰসাৰণ।

বিশ্বায়নৰ কাৰণ সম্বন্ধে বিভিন্ন চিন্তাবিদে আগবঢ়োৱা মতামতৰ ভিত্তিত বিশ্বায়নৰ প্ৰধান কাৰণ সমূহ হ'ল— বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ ক্ষীপ্ৰ অগ্ৰগতি, অৰ্থনৈতিক সংস্কাৰ, পুঁজিবাদী দেশসমূহৰ গুপুত অভিপ্ৰায়, পৰিবহন আৰু ভ্ৰমণ ব্যৱস্থাৰ দ্ৰুত উন্নতি, কম খৰচ আৰু কম সময়ৰ প্ৰয়োগ, তথ্য প্ৰযুক্তিৰ দ্ৰুত উন্নতি আৰু বিশ্ব ভাতৃত্ববোধৰ প্ৰতি শ্ৰদ্ধা।

৯০ ৰ দশকৰ ছোভিয়েট দেশৰ পতন আৰু গোষ্ঠী নিৰপেক্ষ আন্দোলনৰ দুৰ্বল স্থিতিৰ বাবে কুৰি শতিকাৰ শেষৰ ফালে সাম্ৰজ্যবাদী ধনতান্ত্ৰিক অৰ্থাৎ পুঁজিবাদী ব্যৱস্থাৰ পৃষ্ঠপোষক দেশবোৰ একগোট হ'বলৈ ধৰে। এই দেশবোৰৰ নেতৃত্ব দিয়ে মাৰ্কিন যুক্তৰাষ্ট্ৰই। মাৰ্কিন যুক্তৰাষ্ট্ৰই নিজৰ অধীনত থকা (International Monetary Fund) চমুকৈ IMF, বিশ্ব বেংক, (GATT-General Agreement on Trade and Tariff) গ্যাট আদি অনুষ্ঠানৰ সহায়েৰে বিশ্বৰ বজাৰখন নিজৰ নিয়ন্ত্ৰণৰ অধীন কৰাৰ পদক্ষেপ গ্ৰহণ কৰে। ১৯৪৫ চনৰ ২৭ ডিচেম্বৰ তাৰিখে আন্তৰ্জাতিক মুদ্ৰানিধি এটা স্বতন্ত্ৰ আন্তৰ্জাতিক অনুষ্ঠান হিচাপে প্ৰতিষ্ঠিত হয়। ১৯৪৭ চনৰ ১ মাৰ্চত এই অনুষ্ঠানটো ৰাষ্ট্ৰসংঘৰ লগত জড়িত হয়। ৱাশ্বিংটনত মূখ্য কাৰ্য্যালয় থকা এই অনুষ্ঠানটোৰ মূখ্য উদ্দেশ্যে যদিও বিশ্বৰ বিভিন্ন দেশৰ মাজত বিত্তীয় লেন দেনৰ সুস্থিৰতা অনা, অনুষ্ঠানটোৱে মাৰ্কিন যুক্তৰাষ্ট্ৰৰ স্বাৰ্থৰ হকে অধিকভাবে কাম কৰি থকা বুলি ক'লেও ভুল নহয়।

সি যি কি নহওক বিশ্বায়নৰ ধাৰণা বিকাশ প্ৰাপ্ত হৈ উঠাৰ মূল কাৰণ হৈছে মাৰ্কিন যুক্তৰাষ্ট আৰু আন উন্নত ধনতান্ত্ৰিক দেশবোৰৰ অধীন পুঁজিবাদৰ ধাৰণা কুৰি শতিকাৰ শেষৰ ফালে সংকটৰ সন্মুখীন হোৱাটো। দেশৰ বজাৰ অৰ্থনীতিত সাংঘাতিক

মন্দাৱস্থাই দেখা দিয়াৰ লগে লগে দৰিদ্ৰতা, নিৱনুৱা আদিৰ দৰে সমস্যাই এনে দেশবোৰত ৰাজনৈতিক প্ৰক্ৰিয়ালৈ নানা প্ৰত্যাহ্বান কঢ়িয়াই আনে। বিশ্ব পুঁজিবাদক সংকট মুক্ত কৰি তোলাৰ বাবে মাৰ্কিন যুক্তৰাষ্ট্ৰ আৰু ইউৰোপৰ অন্যান্য উন্নত ধনতান্ত্ৰিক দেশসমূহে পুঁজি আৰু পণ্যৰ বজাৰখনৰ সম্প্ৰসাৰণ ঘটাই গোটেই বিশ্বতে নিজৰ আৰ্থিক প্ৰভাৱ বৃদ্ধি কৰি তোলাৰ পৰিকল্পনা কৰে। ফলত এই দেশবোৰৰ নিয়ন্ত্ৰণাধীন গ্যাটৰ সহায়েৰে বিশ্বৰ অন্যান্য দেশসমূহক নিজৰ আৰ্থিক নীতি গ্ৰহণৰ মাজেৰে বিশ্ব বাণিজ্যৰ ধাৰণা গ্ৰহণ কৰিবলৈ এক প্ৰকাৰ বাধ্য কৰায়। এনেকৈয়ে বিশ্বায়নৰ ধাৰণাই জন্ম আৰু বিকাশ লাভ কৰি উন্নয়নশীল আৰু দুখীয়া দেশবোৰত নিজৰ আধিপত্য বিস্তাৰ কৰিবলৈ সক্ষম হয়।

পুৰণি কালৰে পৰাই পৃথিৱীৰ অন্যান্য অংশৰ লগত ভাৰতৰ শিক্ষা প্ৰযুক্তি আৰু বাণিজ্যৰ যোগাযোগ চলিছিল। বিটিছ শাসনৰ কালত ভাৰতত এই গোলকীকৰণ বা বিশ্বায়নে নতুন ৰূপ লয়। কুৰি শতিকাৰ ৮০ৰ দশকৰ পৰা ভাৰতত আধুনিক গোলকীকৰণ প্ৰক্ৰিয়া মোটামুটিভাৱে আৰম্ভ হয়। এই সময়ৰ পৰাই ভাৰতত বিদেশী মূলধনক স্বাগতম জনোৱা হয়। বহুজাতিক সংস্থাবোৰৰ প্ৰৱেশাধিকাৰৰ ক্ষেত্ৰটোক অধিক প্ৰসাৰিত কৰা হয়, আমদানি ৰপ্তানি নীতিক উদাৰ কৰা হয়, ভাৰতীয় মুদ্ৰাৰ বিনিময় মূল্য হ্ৰাস কৰা হয় আৰু FERA (Foreign Exchange Regulation Act.) আইনৰ কঠোৰতা হ্ৰাস কৰা হয়। ভাৰতবৰ্ষত বিশ্বায়ন প্ৰক্ৰিয়া ৮০ ৰ দশকতে আৰম্ভ হয় যদিও প্ৰকৃততে ১৯৯১ চনৰ জুলাই মাহত ভাৰত চৰকাৰে আন্তঃৰাষ্ট্ৰীয় মুদ্ৰাকোষ আৰু বিশ্ব বেংকৰ হেচাত আৰ্থিক কাৰ্য্যসূচী গ্ৰহণ কৰাৰ সময়ৰ পৰা ভাৰত সম্পূৰ্ণভাৱে গোলকীকৰণ প্ৰক্ৰিয়াৰ লগত চামিল হৈ পৰে।

ভাৰতবৰ্ষত শিক্ষাৰ জগতখনত গোলকীকৰণৰ প্ৰভাৱ অসীম। ভাৰতবৰ্ষৰ চৰকাৰে উচ্চ শিক্ষাৰ বাণিজ্যিকীকৰণৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰিছে। ভাৰতবৰ্ষই এই নীতি গ্ৰহণ কৰাৰ ফলত শিক্ষা শিতানৰ ব্যয় সংকোচন কৰিবলগীয়া হৈছে, গোলকীকৰণৰ ফলত ভাৰতবৰ্ষৰ ডাঙৰ ডাঙৰ চহৰবোৰত ব্যক্তিগত খণ্ডৰ উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানবোৰ স্থাপন হ'বলৈ ধৰিছে। এই সংখ্যা ২০০২ চনৰ শেষৰ ভাগত ৩৩০০ খনলৈ বৃদ্ধি পাইছে। ইয়াৰ ফলত ভাৰতবৰ্ষৰ ৰেহৰূপ সলনি হৈছে সঁচা কিন্তু ৰাজহুৱা খণ্ডৰ অনুষ্ঠান প্ৰতিষ্ঠানবোৰ ধ্বংসৰ মুখলৈ আগুৱাই গৈছে আৰু তাৰ মানদণ্ড হ্ৰাস পাবলৈ ধৰিছে। উচ্চ শিক্ষা সংকোচনৰ নীতিটো হ'ল মূলত বিশ্ব বেংকৰ ১৯৮৬ চনৰ প্ৰতিবেদনত এই কথা স্পষ্ট কৰি দিয়া আছে যে, ৰাষ্ট্ৰবোৰৰ পুঁজি সংকটৰ পটভূমিত শিক্ষাৰ্থীসকলে শিক্ষাগত খা-খৰচৰ এটা বুজন অংশ নিজেই বহন কৰিব লাগিব, তাৰ বাহিৰে কোনো উপায় নাই।

বিশ্বায়নৰ ফলত শিক্ষকতা বৃত্তিতো ব্যাপক প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। জীৱন জোৰা শিক্ষকতা বৃত্তিটো এতিয়া বছৰেকীয়া চুক্তি বা পাৰদৰ্শিতা ভিত্তিক বৃত্তিলৈ ৰূপান্তৰিত হৈছে। শিক্ষাৰ্থীৰ মতামত আৰু Feedback report ৰ ওপৰতে শিক্ষকসকলৰ চাকৰিৰ স্থায়িত্ব নিৰ্ভৰ কৰিবলৈ আৰম্ভ কৰিছে।

শিক্ষাৰ ক্ষেত্ৰত নতুন নতুন আহিলা আৰু কৌশল আৱিস্কৃত আৰু ব্যৱহৃত হৈছে যেনে- ই শিকণ (), শিথিল শিক্ষণ, (Flexible learning) দূৰ শিক্ষণ (Distance learning), অনলাই শিক্ষা (Online education), অনলাইন পৰীক্ষা (Online examination) ই পুথিভঁৰাল (E-library), ই জাৰ্নেল (E-journal) ইত্যাদি। বিশ্বায়নৰ সুফল হিচাপে ভাৰতীয় শিক্ষাত উন্নত প্ৰযুক্তিবিদ্যাৰে আন্তঃগাঁথনিৰ প্ৰয়োজন ভিত্তিক সংস্কাৰ, পাঠ্যক্ৰমৰ সংস্কাৰ, পৰীক্ষা আৰু মূল্যায়ন পদ্ধতিৰ সংস্কাৰ, শিক্ষক প্ৰশিক্ষণৰ ওপৰত অধিক গুৰুত্ব দিয়া পৰিলক্ষিত হৈছে।

বিশ্বায়নৰ ফলস্বৰূপে বৰ্তমানৰ শিক্ষা ব্যৱস্থাত তথ্য প্ৰযুক্তি খণ্ডৰ বহুল প্ৰয়োগ, শিক্ষাৰ উৎপাদনশীলতাৰ প্ৰতি গুৰুত্ব, গৱেষণামূলক কাৰ্য্যত অগ্ৰাধিকাৰ আদিয়ে ভাৰতবৰ্ষৰ ছাত্ৰ-ছাত্ৰীসকলক আন্তঃৰাষ্ট্ৰীয় পৰ্য্যায়ত নিজৰ পাৰদৰ্শিতা দেখুওৱাত সহায় কৰিছে। উদাহৰণস্বৰূপে IIM (Indian Institute of Management) আৰু (Indian Institute of technology IIT) আন্তৰ্জাতিক ক্ষেত্ৰত পাৰদৰ্শিতা দেখুওৱাৰ পৰাকৈ ছাত্ৰ-ছাত্ৰ সকলক প্ৰস্তুত কৰি তুলিবলৈ সক্ষম হৈছে। ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠানসমূহে অধিক সা-সুবিধা প্ৰদানেৰে আন্তৰ্জাতিক মানদণ্ডৰ শিক্ষা দানত গুৰুত্ব প্ৰদান কৰিছে।

গোলকীকৰণ প্ৰক্ৰিয়াৰ আৰম্ভণি আৰু তাৰ পৰিণাম হিচাপে শিল্প আৰু অন্যান্য ক্ষেত্ৰত যিবোৰ সুফল পোৱা গৈছে বুলি ভাৰত চৰকাৰৰ ফালৰ পৰা দাবী কৰা হৈছে সেইবোৰ হ'ল—



'নৱজ্যোতি' অষ্টবিংশতিতম্ সংখ্যা, ২০১৫-১৬ ইং বৰ্ষ

ভাৰতৰ বৈদেশিক মুদ্ৰাৰ তহবিল আগৰ তুলনাত যথেষ্ট বৃদ্ধি পাইছে, গোলকীকৰণ আৰু উদাৰীকৰণৰ ফলত আমদানি বৃদ্ধি পাব আৰু বিদেশী পণ্যৰ প্ৰভাৱত ভাৰতীয় অৰ্থনীতিৰ ভেটি দুৰ্বল হৈ পৰিব বুলি যি সন্দেহ কৰা হৈছিল, সেইটো মিছা বুলি পৰিগণিত হৈছে, টকাৰ বিনিময় হাৰ যথেষ্ট স্থিতিশীল হৈছে। বিনিময় হাৰ নমনীয় কৰাৰ ফলত ভাৰতৰ মুঠ ৰপ্তানিৰ পৰিমাণ বাঢ়িছে, ভাৰতত বিদেশী বিনিয়োগৰ মাত্ৰা বিপুলভাৱে বৃদ্ধি পাইছে আৰু ভাৰতীয় অৰ্থনীতিৰ বিষয়ত বিদেশী বিনিয়োগকাৰীৰ আস্থা ঘূৰি আহিছে। গোলকীকৰণৰ প্ৰভাৱত ভাৰতৰ লেনদেনৰ সাম্যতাতো যথেষ্ট উন্নতি হৈছে।

গোলকীকৰণৰ প্ৰভাৱৰ ফলত ভাৰতত যিবোৰ কুফল দেখা গৈছে সেইবোৰ হ'ল— সমালোচক সকলৰ মতে ১৯৯১ চনৰ পিছৰ পৰাই ভাৰতৰ বৈদেশিক মুদ্ৰাৰ তহবিল বাঢ়িছে সঁচা কিন্তু এই বৰ্দ্ধিত তহবিলৰ এটা অংশ বিদেশৰ পৰা ধাৰলৈ লৈ গঢ়ি তোলা হৈছে। যদি ৰপ্তানিৰ পৰা হোৱা আয়ৰ পৰিমাণ বৃদ্ধি নহয়; তেনেহ'লে এই ঋণ পৰিশোধ কৰা বা ঋণৰ সুত আদায় দিয়া প্ৰায় অসম্ভৱ হৈ উঠিব। ধাৰ পৰিশোধ কৰিবলৈ পুনৰ নতুনকৈ ঋণ ল'ব লাগিব আৰু দেশখনে নতুন নতুন ঋণৰ বোজাত সোমাই পৰিব লাগিব।

গোলকীকৰণৰ অশুভ প্ৰভাৱৰ পৰা ভাৰতৰ কৃষিক্ষেত্ৰও ৰেহাই পোৱা নাই। গোলকীকৰণৰ ফলত বাহিৰা দেশৰ শস্য বাধাহীনভাৱে এই দেশৰ বজাৰত প্ৰৱেশ কৰিব, কৃষিজাত সামগ্ৰীৰ দাম কমিব। আকৌ ৰাসায়নিক সাৰ, জলসিঞ্চনৰ পানী, বিদ্যুৎ ইত্যাদিৰ ওপৰত থকা ভৰ্তকি উঠাই দিয়াৰ ফলত কৃষিৰ উৎপাদন খৰচ বাঢ়ি যাব।

গোলকীকৰণৰ আটাইতকৈ ক্ষতিকাৰক দিশটো হ'ল দেশৰ অৰ্থনীতিত বিদেশী বহুজাতিক সংস্থাবোৰ অবাধে প্ৰৱেশ কৰি অচিৰেই ভাৰতীয় কোম্পানীবোৰক গ্ৰাস কৰিব আৰু অৰ্থনীতিৰ মূল স্তম্ভবোৰক দখল কৰি ল'ব। ফলত ভাৰতে যে একমাত্ৰ তাৰ অৰ্থনৈতিক স্বাধীনতা হেৰাব সেইটোৱেই নহয়, ৰাজনৈতিক স্বাধীনতাও বিপন্ন হ'ব।

ঔষধ শিল্পৰ ক্ষেত্ৰত ভাৰতৰ অৱস্থা ভয়াবহ হৈছে। গোলকীকৰণৰ ফলত নিয়ম কানুনৰ কঠোৰতা হ্ৰাস কৰা হৈছে। বিদেশী কোম্পানীবোৰে এই দেশত উৎপাদন বন্ধ কৰি দিছে, বাহিৰৰ পৰা ঔষধ আমদানি কৰিছে। যাৰ ফলত বিদেশী ঔষধৰ দাম বাঢ়িছে। পৰিণতিত চিকিৎসাৰ সাধাৰণ সুবিধাকনো সাধাৰণ মানুহৰ আয়ত্বৰ বাহিৰলৈ গুচি গৈছে।

ভাৰতৰ জলন্ত সমস্যা হ'ল নিৱনুৱা সমস্যা। গোলকীকৰণৰ ফলত এই সমস্যা আৰু তীব্ৰতৰ হৈ উঠিছ। বহুজাতিক কোম্পানীৰ লগত ফেৰ মাৰিবলৈ গৈ দেশীয় কোম্পানীবোৰেও মূলধন নিয়োজিত প্ৰযুক্তি ব্যৱহাৰ কৰিব লাগিব, যাৰ ফলত শ্ৰমিক ছাটাই অনিবাৰ্য্য হৈ পৰিব। তাৰোপৰি বহুজাতিক সংস্থাবোৰ বন্ধ হৈ যাব। ফলত নিৱনুৱা সমস্যা দিনক দিনে অধিক তীব্ৰতৰ হ'ব।

সামৰণিত গোলকীকৰণ আৰু তাৰ ফলাফল সম্পৰ্কে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কিউবাৰ ৰাষ্ট্ৰপতি ফিদেল কাস্ত্ৰোৱে কোৱা কথাষাৰ উল্লেখ কৰিব পাৰি। তেওঁ কৈছে— "গোলকীকৰণ আজি বাস্তৱ সত্য। এখন জাহাজতে য'ত আমি সকলোৱে একেলগে বহিছো অৰ্থাৎ পৃথিৱী নামৰ গ্ৰহটোত, য'ত আমাৰ সকলোৰে বসতি; কিন্তু জাহাজৰ যাত্ৰী হিচাপে যি সকলে ঘূৰি ফুৰিছে, তেওঁলোকৰ বিভিন্নজনৰ বিভিন্ন দশা। পিছে জাহাজখনত ইমান বেছি অন্যায় অবিচাৰ চলিছে যে ই আৰু ভাহি থকাটো সাধ্যৰ বাহিৰত আৰু এনেকুৱা এটা যুক্তিহীন কাণ্ডজ্ঞান শূণ্য পথত গতি কৰিছে যে, এই জাহাজ কোনো দিনেই কোনো নিৰাপদ বন্দৰত অৱস্থান কৰাৰ আশা নাই। ভাৱ হয় এই জাহাজৰ ভাগ্য কোনো বৰফৰ পাহাৰত খুন্দা খুৱাৰহে। সেইটো যদি হয় তেতিয়া ইয়াৰ সৈতে আমি সকলোৱে ডুবিম, কোনো বাদ নপৰিব"।

বিশিষ্ট নেতা ফিদেল কাস্ত্ৰোৰ ওপৰোক্ত প্ৰতিক্ৰিয়াত যিমান ভয় আৰু সন্দেহ মিহলি হৈ নাথাকক কিয় এটা কথা কিন্তু স্পষ্ট হৈছে যে গোলকীকৰণ আজিৰ দিনৰ এটা বাস্তৱ সত্য। ইয়াৰ গতি ৰোধ কৰা সম্ভৱ নহয়। সেয়ে পণ্ডিতসকলে মন্তব্য কৰিছে গোলকীকৰণৰ অস্তিত্বক মানিলেও ৰাষ্ট্ৰবোৰে আৰু অধিক পৰিমাণে সচেতনতা আৰু সতৰ্কতা অৱলম্বন কৰিব লাগিব। □ □ □

# বন্ধুত্ব, ভালপোৱা আৰু প্ৰেম

শামচুল আলম
সহকাৰী অধ্যাপক, প্ৰাণীবিজ্ঞান বিভাগ

তিনিটা বৰ্ণৰ এটা সুমধুৰ নাম-বন্ধুত্ব। মানৱ জীৱনৰ বাবে এয়া হ'ল প্ৰকৃতিৰ অমূল্য দান। সেয়ে কোৱা হয়- 'Friendship is gifted by God.' বন্ধুত্ব হ'ল মানৱ সমাজৰ এটা অপৰিহাৰ্য অঙ্গ। বন্ধুত্ব কৰিবলৈ বয়সৰ কোনো সীমাৰেখা নাথাকে। জাতি, লিঙ্গ ভেদে সৰু-বৰ, উচ্চ-নীচ সকলোৱে মাজত বন্ধুত্বৰ সম্পৰ্ক গঢ়ি উঠে। এই জগতৰ সকলো শক্তিতকৈ বন্ধুত্ব হ'ল শক্তিমান। বন্ধুত্ব হ'ল সকলোতকৈ মহান, কিন্তু পৰিতাপৰ বিষয় হ'ল বৰ্তমানৰ যান্ত্ৰিকতাৰ যুগত দিনে দিনে মানুহবোৰ যান্ত্ৰিক হৈ উঠিছে। ব্যস্ততাৰে পূৰ্ণ যান্ত্ৰিকতাময় মানৱ জীৱনত বন্ধুত্বৰ মূল্য ক্ৰমান্বয়ে ম্লান হ'বলৈ ধৰিছে। বন্ধুত্বই দিয়ে জীয়াই থকাৰ প্ৰেৰণা, ই শিকায় জীৱন-যাপনৰ কলা। বন্ধুত্বই আমাক জীয়াই থাকিবলৈ অমৃত মন্থন কৰায়। কিন্তু বন্ধুত্ব বুলিলে অকল সমনীয়া স্কুল কলেজত আড্ডামৰা ল'ৰা-ছোৱালীকে নুবুজায়। বৰ্তমান পৃথিৱীখন বহুতো দিশত আগবাঢ়ি গৈছে আৰু সেইমতে বন্ধুত্বৰ অৰ্থ পৰিৱৰ্তন নহ'লেও বন্ধুত্ব কৰাৰ প্ৰক্ৰিয়াৰ নিশ্চয় পৰিবৰ্তন হৈছে।

এই যুগত ইণ্টাৰনেট, ফেচবুক, অৰ্কুট, য়াহু আদিৰ যোগেদি বিশ্বৰ চুকে কোণে থকা বিভিন্ন ব্যক্তিৰ লগত ঘৰত বহিয়েই বন্ধু সঙ্গ লাভ কৰিব পাৰি। পানীৰ নানা আকাৰ প্ৰকৃতি থকাৰ দৰেই বন্ধুত্বৰো বিভিন্ন প্ৰকাৰ প্ৰকৃতি নিশ্চয় আছে।

সত্যৰ মাজত সুন্দৰ, সুন্দৰৰ মাজত ভালপোৱা। ভালপোৱাৰ মাজত বন্ধুত্ব আৰু বন্ধুত্বৰ মাজত আপুনি আৰু মই। ইয়াত দেখা গ'ল ভালপোৱা অবিহনে বন্ধুত্ব হ'ব নোৱাৰে। ভালপোৱা বিহীন সম্পৰ্কটোক বন্ধুত্ব বুলি ক'ব নোৱাৰি, সেয়া হয়তো কোনো অনুশাসন অথবা চুক্তিবদ্ধ সামাজিক দায়বদ্ধতাৰ সম্পৰ্ক হ'ব পাৰে। সেইদৰে ভালপোৱা আৰু প্ৰেমৰ সম্পৰ্ক কি হ'ব পাৰে? ঘণীভূত ভালপোৱাৰ নামেই প্ৰেম। আমাৰ সমাজত এনেদৰেই ধাৰণা হ'ল যে, প্ৰেম কেৱল বিপৰীত লিঙ্গৰ মাজতহে হ'ব পাৰে। যদি বাস্তৱ সত্য এইটোৱেই হয় তেন্তে ভাতৃপ্ৰেম, মাতৃপ্ৰেম, সঙ্গীতপ্ৰেম আদি শব্দৰ অৰ্থই নেথাকিব। বিপৰীত লিঙ্গৰ ব্যক্তিৰ মাজত গঢ়ি উঠা নিবিড় সম্পৰ্কক আমি দৈহিক আকৰ্ষণ বুলি কোৱাটোহে অধিক যুক্তিপূৰ্ণ হ'ব। যি সম্পৰ্ক স্থায়ী হ'বও পাৰে নহ'বও পাৰে। কিন্তু প্ৰেম বুলিলে যাক বুজায় সেয়া অৱনমিত হোৱা বিষয় নহয়। প্ৰেমত ত্যাগ আছে কিন্তু ত্যাগৰ বিনিময়ত পোৱাৰ কামনা ইয়াত থাকিব নোৱাৰে।

মানসিক স্বাস্থ্য আৰু সামাজিক তথা শৰীৰক্ৰিয়াৰ বিকাশত বন্ধুত্বই এটা প্ৰতিকুল, এটি নিকটতম প্ৰসঙ্গ গঢ়ি তোলে। বন্ধুসকলৰ লগত ভাৱ বিনিময়ৰ যোগেদি মগজুৰ আন্ত-ব্যক্তিগত পৰিঘটনা জড়িত অংশবোৰত বিশেষ ক্ৰিয়াৰ বৃদ্ধি ঘটায়। (আন্ত-ব্যক্তিগত পৰিঘটনাসমূহ যেনে- sempathy বা সহানুভুতি আৰু পুৰস্কাৰ প্ৰত্যাশা) FMRI (Functional Magnetic Resonance Imaging) প্ৰয়োগ কৰি সামাজিক ভাৱ-বিনিময় অনুকৰণীয় কাৰ্যৰ স্নায়বিক ক্ৰিয়াসমূহৰ মূল্যায়ণ কাৰ্যকৰী কৰাত প্ৰভাৱী কাৰকসমূহ 'সম্পৰ্কৰ প্ৰকাৰ' (সন্মানীয় ব্যক্তি বনাম পৰিচিত যশস্বী লোক) আৰু 'আবেগিক যোজ্যতা' (ইতিবাচক— পছন্দ, নেতিবাচক- অপছন্দ আৰু প্ৰশম— পছন্দ বা অপছন্দ নাই)।





বন্ধুত্ব- নিচেই সৰু এটা শব্দ কিন্তু এজন ব্যক্তিৰ জীৱনত আছে ইয়াৰ এটা গভীৰ প্ৰভাৱ। এই শব্দটোৰ স'তে পৰিচয় ঘটে নিচেই সৰু কালতেই। ভগৱান আৰু ভক্তৰ মাজত কেতিয়াবা বন্ধুত্ব হোৱা দেখা যায়। আল্লাহ আৰু তেওঁৰ উত্তম সৃষ্টি মানৱৰ মাজত যদি কোনো সম্পৰ্ক গঢ় লৈ উঠে বা উঠিছিল সেয়া একমাত্ৰ বন্ধুত্বহে অইন কোনো সম্পৰ্কৰ কথা পোৱা নাযায়। সেয়ে এক কথাত ক'ব পাৰো বন্ধুত্ব হ'ল মহান, নিঃস্বাৰ্থ আৰু পবিত্ৰ বন্ধন। কিন্তু এই বন্ধুত্ব যদি ল'ৰা আৰু ছোৱালীৰ মাজত হয়- তেন্তে সম্পৰ্কটো অটুট থাকে নে সীমা চেৰাই অইন সম্পৰ্কলৈ পৰিৱৰ্তিত হয়?

প্ৰকৃততে তৰুণ অৱস্থাত বিপৰীত লিঙ্গৰ প্ৰতি এটি প্ৰৱল আকৰ্ষণে ক্ৰিয়া কৰে। ইয়াৰ কাৰণ জৈৱ-ৰাসায়নিক। ছাত্ৰ-ছাত্ৰী সকলে সততে ইয়াক বন্ধুত্ব বুলি ভাৱে। কিন্তু বন্ধুত্ব হ'ল এনেকুৱা এটি সম্পৰ্ক যাৰ আধাৰ হ'ল চেতনা। চেতনা ব্যতিত বন্ধুত্ব হ'ল প্ৰয়োজনৰ সম্পৰ্কহে।

সাধাৰণতে বন্ধুত্ব কৰাৰ সময়ত আমি লিঙ্গ বিবেচনা নকৰি ব্যক্তি প্ৰাধান্য দিওঁ। কিন্তু দেখা যায় যে সংকট মুহূৰ্তত এজন ল'ৰাই পৰামৰ্শৰ বাবে তাৰ ছোৱালী বন্ধুকহে বিচাৰে। একেদৰে এজনী ছোৱালীয়েও তাইৰ ল'ৰা বন্ধুকহে অধিক বিশ্বস্ত বা ভৰসাপাত্ৰ বুলি ভাৱে। এনে কথাও প্ৰচলিত আছে যে, বিপৰীত লিঙ্গৰ বন্ধুক কোনো দুঃসময়ৰ কথা বুজাবলৈ এটি মাত্ৰ শব্দৰ উচ্চাৰণেই যথেষ্ট।

আমেৰিকাৰ এখন বিশ্ববিদ্যালয়ৰ ১৮ ৰ পৰা ৫২ বছৰ বয়সৰ চাৰিশজন ব্যক্তিৰ মাজত চলোৱা এটা গৱেষণাৰ প্ৰতিবেদন "How to balance between love and friendship"ত কোৱা হয় যে, অধিকাংশ ক্ষেত্ৰত বিপৰীত লিঙ্গৰ বন্ধুত্বই কাহানিও শেষলৈ নিৰ্মল সম্পৰ্ক গঢ় নিদিয়ে। সম্পৰ্কৰ কোনো এটা পৰ্যায়ত এনে ক্ষেত্ৰত এটা পক্ষই বিপৰীত পক্ষৰ প্ৰতি অধিক মনোযোগী নাইবা আবেগপ্ৰৱণ হ'বলৈ ধৰে আৰু এটা সময়ত প্ৰেম নিবেদন কৰে।

বিপৰীত লিঙ্গৰ প্ৰতি আকৰ্ষণ বিষয়ত নিউয়ৰ্কৰ ভেলি ষ্ট্ৰিমৰ মনোবিজ্ঞানী লিণ্ডা ছাপাডুনে এটা সাক্ষাৎকাৰত কয় যে, "ধাৰণা কৰা হয়- বহুযুগ পূৰ্বে স্ত্ৰীসকল ঘৰত আৰু পুৰুষবোৰে বাহিৰত কাম কৰিছিল। একমাত্ৰ মিলনৰ সময়তহে পুৰুষসকল ঘৰলৈ আহিছিল।" অৰ্থাৎ এজন ল'ৰা আৰু এজনী ছোৱালীৰ মাজৰ ঘণিষ্ঠতা কেৱল মাত্ৰ বন্ধুত্বত সীমিত নাথাকে। সেয়া হয় যৌনতা নাইবা প্ৰেমলৈ ৰূপান্তৰিত হয় আৰু এয়াই বাস্তৱ সত্য।

ল'ৰা-ছোৱালীৰ মাজত পাৰস্পৰিক আকৰ্ষণৰ ফলতেই নিষ্কাম বন্ধুত্ব যে সম্ভৱ নহয়- এই মত প্ৰকাশ কৰিছে Scientific American.com য়ে 'A man and woman can't be just Friend' শীৰ্ষক প্ৰতিবেদনত। সেয়ে দেখা যায়, সহপাঠী বা বিভিন্ন শ্ৰেণীত পঢ়া শিক্ষাৰ্থীসকলৰ মাজত এনে সম্পৰ্ক গঢ়াৰ প্ৰৱণতা যথেষ্ট বেছি। পঢ়া-শুনাত মনোযোগী হোৱাৰ পৰিবৰ্তে প্ৰেমত নিমজ্জিত হোৱাটোক এইসকলে জীৱনৰ অন্যতম গুৰুত্বপূৰ্ণ কাম বুলি ভাৱে আৰু এই ধৰণৰ প্ৰেম এজন ছাত্ৰ বা ছাত্ৰীৰ সম্ভাৱনাক সমূলি ধ্বংস কৰিবলৈ যথেষ্ট।

প্ৰকৃততে সহপাঠীৰ মাজত সুসম্পৰ্ক ৰখাটো বাঞ্ছনীয়। তেওঁলোক যদি ল'ৰা-ছোৱালী হয় আৰু সীমাৰ মাজত থাকে আৰু তেওঁলোকে যদি সুসম্পৰ্ক ৰক্ষা কৰিব পাৰে তেন্তে কোনো অসুবিধা নাই। কিন্তু সমস্যা হয় তাতেই, আপুনি হয়তো বন্ধু বুলি ভাবিছে কিন্তু তেওঁ / তাই ভাবিছে বন্ধুত্বতকৈ অলপ বেছি। আপুনি সুযোগ ল'ব খোজা নাই কিন্তু তেওঁ / তাই যে সুযোগৰ অসৎ ব্যৱহাৰ নকৰিব তাৰ কোনো নিশ্চয়তা নাই। হয়তো আপুনি কৈছে, এটা নিৰ্দিষ্ট সীমাৰ ভিতৰত লগ ধৰিব, ফুৰিবলৈ যাব। ধৰি লওক, আপুনি আপোনাৰ ল'ৰা বন্ধুৰ লগত ফাঁচি বজাৰলৈ ফুৰিবলৈ গ'ল, এখন হোটেলত থাকিল, কিমান সময়লৈ সীমা ৰক্ষা কৰিব পাৰিব? মুনিগণ ধ্যান ভাঙ্গি তব পদে দেয় তপস্যা ফল। মুনিসকল য'ত ব্যৰ্থ হৈছে তাত সাধাৰণ মানুহৰ বাবে সাফল্যৰ সম্ভাৱনা তেনেই কম।

প্ৰকৃততে ল'ৰা বন্ধু বা ছোৱালী বন্ধু এইবোৰ আমাৰ সংস্কৃতিজাত ধাৰণা নহয়, এইবোৰ হ'ল পাশ্চাত্য সংস্কৃতি। ইয়াত গাৰ্লফ্ৰেণ্ড বয়ফ্ৰেণ্ড তেওঁলোকক কোৱা হয় যিসকলৰ লগত বিবাহ

অবিহনেই শাৰীৰিক সম্পৰ্ক থাকে। যেনে ডেটিং-অত যোৱা, ডেটিং-অত কিন্তু কোনো স্বামী-স্ত্রী নাযায়, যায় গাৰ্লফ্রেণ্ড বয়ফ্রেণ্ডসকল। যাৰ লগত আমাৰ সংস্কৃতিৰ কোনো সম্পৰ্ক নাই। আজিকালি ল'ৰা-ছোৱালীৰ ৰিজাল্ট ইমান বেয়া হোৱাৰ আঁৰত এটাই কাৰণ-বয়ফ্রেণ্ড গাৰ্লফ্রেণ্ড।

যিয়েই নহওক, বিপৰীত লিঙ্গৰ সহপাঠী বা সহকৰ্মীৰ মাজত সুসম্পৰ্ক অৱশ্যেই থাকিব কিন্তু সেয়া হ'ব লাগিব পাৰস্পৰিক শ্ৰদ্ধাবোধৰ ভিত্তিত আৰু সম্পৰ্কৰ মাজত নিৰ্দিষ্ট সীমাৰেখা মানি চলাৰ মাধ্যমত। শিক্ষাজীৱন আৰু কৰ্মস্থলীত নিজৰ মেধাক খটাব খুজিলে, জীৱনত ডাঙৰ কিবা এটা কৰিবলৈ ইচ্ছা থাকিলে— এই সাময়িক ভাল লগা আৰু মোহৰ পৰা নিজকে বিৰত ৰাখিব লাগিব। জীৱনত সাফল্যৰ জখলাত যেতিয়া ভৰি ৰাখিব, তেতিয়া দেখিবলৈ পাব আপোনাৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ বিপৰীত লিঙ্গৰ ব্যক্তিৰ লানি লাগি গৈছে।

ভালপোৱা কি, যাৰ বাবে বিশ্বজুৰি মানুহ এটা পৰম বন্ধনত আবদ্ধ হৈ থকাৰ সাধনা কৰে, য'ত বন্ধনতেই বিচাৰি পায় মুক্তি। এই ভালপোৱা কেৱল মাত্ৰ আৱেগ আৰু কল্পনা নে ইয়াতকৈয়ো অধিক কিবা। ভালপোৱাৰ মাধ্যমত মানুহে হৃদয়ৰ সকলো কথা এটা ফ্ৰেমত আৱদ্ধ কৰিব পাৰে। ভালপোৱাা হ'ল মানৱিক অনুভূতি আৰু আত্মকেন্দ্ৰিক এটা অভিজ্ঞতাৰ নাম, যাৰ বিশ্লেষণ হ'ল— কোনো বিশেষ ব্যক্তিৰ প্ৰতি স্নেহৰ শক্তিশালী বা প্ৰৱল বহিঃপ্ৰকাশ। সেয়ে ভালপোৱাক স্নেহময়ী আবেগ আৰু ব্যক্তিগত সম্পৰ্কৰ সমন্বয় বুলি অভিহিত কৰা হয়। দৰ্শনৰ দৃষ্টিত ভালপোৱা হ'ল এটা সৎগুণ; যিয়ে সকলো মানুহৰ দয়া, সহানুভূতি আৰু মৰম-স্নেহৰ চূড়ান্ত বহিঃপ্ৰকাশ ঘটায়। আনহাতে ধৰ্মীয় দৃষ্টিত ভালপোৱা কেৱল এটা গুণ নহয়, বৰং ই হ'ল সকলো বিষয়ৰ মূল ভিত্তি। ভালপোৱাৰ মাধ্যমতেই মানুহৰ প্ৰকৃত আত্মপ্ৰকাশ ঘটে। ভালপোৱা বিষয়টোক এটা কথাত সংজ্ঞাবদ্ধ কৰাটো বৰ দুৰূহ আৰু কষ্টসাধ্য। ই হ'ল এটা ব্যক্তিগত অনুভূতি, যিটো এজন ব্যক্তিয়ে অইন এজনৰ প্ৰতি অনুভৱ কৰে, কাৰোপ্ৰতি অতিৰিক্ত যত্নবান নাইবা সৰ্বক্ষেত্ৰত বিশেষ কাৰোবাৰ উপস্থিতি কামনা কৰে। ভালপোৱা একে সময়তে নিঃসঙ্গতা, স্বাৰ্থপৰতা, বন্ধুত্ব, মিলন, পৰিয়ালৰ লগত গভীৰভাৱে সম্পৰ্কিত।

ভালপোৱা কাৰো প্ৰতি ভাল লগা, আকৰ্ষণ, আবেগ বা অনুৰাগৰ মাধ্যমত হ'ব পাৰে। আকৌ কেতিয়াবা তাৰ বয়সৰ অপৰিপক্কতাৰ বাবে উচ্ছাসৰ মাধ্যমতো হ'ব পাৰে। ভালপোৱাৰ ক্ষেত্ৰত বয়স কিমানদূৰ কাৰ্যকৰ, বয়স হ'লেই মানুহে ভাল পাবলৈ ধৰেনে ই কোনো বয়স নামানে, কোনো বান্ধোন নামানে। মানুহৰ জীৱনত যিকোনো বয়সত, যিকোনো মুহূৰ্তত ভালপোৱা আহিব পাৰে। ভালপোৱা নিজেই ইয়াৰ আপোন বৈশিষ্টত স্বতন্ত্ৰ। ভালপোৱা সাৰ্বজনীন, সকলো বয়সৰ ব্যক্তিৰ বাবেই ই প্ৰযোজ্য। সেয়ে আমি সমাজত বৈচিত্ৰময় ভালপোৱা দেখিবলৈ পাওঁ। ঢাকা বিশ্ববিদ্যালয়ৰ সমাজবিজ্ঞানৰ অধ্যাপক মণিৰুল ইছলাম খানৰ মতে— "সমাজত যিমান উৎপাদন আছে, তাৰ মাজত ভালপোৱা অন্যতম। ভালপোৱা হ'ল সামাজিক সম্পৰ্কৰ ভিত্তি, সহজাত প্ৰবৃত্তি, একেলগে চলাফুৰা, সঙ্গ পোৱা, জৈৱিক চাহিদা পূৰণ ইত্যাদিৰ সন্নিৱেশত যেতিয়াই আবেগ আৰু পছন্দ একত্ৰিত হয় তেতিয়াই ভালপোৱাৰ সৃষ্টি হয়।" তেখেতে ভালপোৱাক ঘৃণাৰ অনুপস্থিতি হিচাপে উল্লেখ কৰে আৰু কয় ভালপোৱা সময়ক কেন্দ্ৰ কৰি উদ্ভৱ নহয়।

ভালপোৱা কেৱল তৰুণ-তৰুণী বা যুৱক-যুৱতীৰ বাবে নহয়, এই ভালপোৱা হ'ব লাগিব সকলোৰে বাবে। পৰিয়ালৰ পৰা মানুহে সৰ্বপ্ৰথম ভালপোৱাৰ শিক্ষা পায়। সেয়ে পিতৃ-মাতৃৰ পাৰস্পৰিক সম্পৰ্কৰ মাধ্যমত যি ভালপোৱা জন্ম পায় সেয়া সন্তানৰ মাজেৰে সৰবৰাহ হয়। বয়স, শ্ৰেণী, বৃত্তি আদি তাত কোনো বাধা হৈ থিয় নিদিয়ে। সকলো বয়সৰ সকলো মানুহেই ভাল পাব তেওঁৰ বিশেষ কোনো মানুহক, সন্তানক, স্ত্ৰীক, পিতৃ-মাতৃক, সৰ্বোপৰি মানুহক। □□□





# আৰবী ভাষাৰ গুৰুত্ব আৰু ইয়াৰ প্ৰয়োজনীয়তা

ড° ইমৰুল হুছেইন
সহকাৰী অধ্যাপক, আৰবী বিভাগ

ছেমীয় গোষ্ঠীৰ দক্ষিণী শাখাৰ শ্ৰেষ্ঠ ভাষাটোৱেই হ'ল আৰবী ভাষা। এই ভাষা ছেমীয় সকলো ভাষাৰ ভিতৰত সৰ্বাধিক প্ৰচলিত চহকী আৰু অত্যাৱশ্যকীয় জীৱিক ভাষা। ই সমগ্ৰ আৰব দেশত সাৰ্বজনীন ভাষা হিচাপে পৰিগণিত হৈছে। তদুপৰি ই আধুনিক যুগত ৰাষ্ট্ৰসংঘৰ এটি অতি গুৰুত্বপূৰ্ণ ভাষাৰ মৰ্য্যদা লাভ কৰে। সেয়েহে বৰ্তমান যুগত আৰবী ভাষাৰ যথেষ্ট গুৰুত্ব আছে আৰু ইয়াৰ প্ৰয়োজনীয়তাও বৃদ্ধি পাই আহিছে।

<u>আৰবী ভাষাৰ উৎপত্তি ঃ</u>

খ্ৰীষ্টপূৰ্বৰ অষ্টম শতিকাতেই এই ভাষাৰ উদ্ভৱ হয় বুলি বিভিন্ন ঐতিহাসিক তথ্যত পোৱা যায়। অৱশ্যে আৰবী ভাষাৰ জন্ম ইতিহাস অতি প্ৰাচীন হ'লেও এই ভাষাই খ্ৰীষ্টজন্মৰ পিছৰ পৰাহে প্ৰভাৱ বিস্তাৰ কৰিবলৈ সক্ষম হয়। এই ক্ষেত্ৰত ইথিওপিয়া, ছিৰীয়া, আল-ইৰাক আৰু আৰব দেশত প্ৰচলিত অন্যান্য ছেমীয় ভাষাৰ দ্বাৰা ই অধিকভাৱে প্ৰভাৱান্বিত হৈছিল। তদুপৰি এই ভাষা সেই যুগৰ আল-ইয়ামামা আৰু হাদ্ৰামাউথত প্ৰচলিত ছাবায়ী হিমাৰীয় ভাষাৰ দ্বাৰাও যথেষ্ট অনুপ্ৰেৰণা পাইছিল। পশ্চিম আৰবৰ পেট্ৰাত (Petra) নামৰ ঠাইত আৰবীয়ানসকলে বেহা-বেপাৰৰ কাৰণে আৰবী ভাষা কথিত ৰূপে ব্যৱহাৰ কৰাৰ প্ৰমাণ পোৱা যায়। অৱশ্যে সেই সময়ত এই ভাষাৰ লিখিত কোনো তথ্য তাত উদ্ধাৰ হোৱা নাই। এইদৰে ক্ৰমান্বয়ে আহি আহি খ্ৰীষ্টীয় পঞ্চম শতিকাৰ পৰাহে আৰবী কাব্যসমূহ লিখিত আকাৰে প্ৰকাশ পোৱাৰ প্ৰমাণ পোৱা যায়। আনহাতে ইছলামী যুগৰ প্ৰাক্ কালত আৰবী ভাষাই সমগ্ৰ আৰব দেশৰ সাৰ্বজনীন ভাষা হিচাপে স্বীকৃতি পাইছিল। উল্লেখযোগ্য যে বৰ্তমান এই আৰবী ভাষাই আন্তৰ্জাতিক ভাষাৰ মৰ্য্যদা লাভ কৰিবলৈ সক্ষম হৈছে।

ভূমধ্য সাগৰৰ পূৱ উপকূল, পাৰস্য উপসাগৰ, ইউফ্ৰেটিছ নদীৰ উপৰিও মেছোপটেমীয়া, ইৰাক, ছিৰীয়া আদি অঞ্চলসমূহ বাদ দিলেও অৱশিষ্ট সমগ্ৰ ভূ-খণ্ডক বৃহত্তৰ আৰব দেশ বুলি ধৰা হয়। ইয়াকেই আৰবসকলৰ স্বদেশ আৰু আৰবী ভাষাৰ উৎপত্তিৰ স্থান বুলি জনা যায়। আৰবৰ ভৌগোলিক অৱস্থা, বিভিন্ন জনগোষ্ঠীৰ ভাষাগত বৈশিষ্ট্য আৰু জনজাতীয় চৰিত্ৰৰ ভিত্তিত আৰবী ভাষাক যথাক্ৰমে উত্তৰী আৰু দক্ষিণী— এই দুই শাখাত ভাগ কৰিব পাৰি।

<u>আৰবী ভাষাৰ বৈশিষ্ট্য ঃ</u>

অন্যান্য ছেমীয় ভাষাৰ দৰে আৰবী ভাষাৰো কিছুমান বৈশিষ্ট্য আছে। সেইবোৰ হ'ল—

(১) আৰবীত ২৮ টা আখৰ (হামজা লৈ ২৯ টা) আৰু এই আখৰসমূহ সোঁফালৰ পৰা বাওঁফাললৈ লিখা হয়।

(২) এই ভাষাত তিনিটা আখৰ বিশিষ্ট এটা মূল শব্দৰ পৰা বিভিন্ন শব্দৰ উৎপত্তি হয়।

(৩) অনিৰ্দ্দিষ্ট বাচক শব্দৰ আগত "আল" যোগ কৰি নিৰ্দ্দিষ্ট বাচক কৰা হয়।

(৪) আৰবী ভাষাত তিনিটা বচন আৰু দুটা লিঙ্গৰ ব্যৱহাৰ দেখা যায়।

(৫) আৰবী ভাষাত তিনিটা কাৰক আছে, যেনে— কৰ্তা কাৰক, কৰ্ম কাৰক আৰু সম্বন্ধ কাৰক।

(৬) আৰবী ভাষাত শেষ সংযোগ (Suffix) আৰু প্ৰাক্ সংযোগৰ (Prefix) দ্বাৰা শব্দক অলংকৃত কৰি লিখা হয়।

(৭) আৰবী ভাষাত "মাজি" আৰু "মুজাৰে"— এই দুই ধৰণৰ ক্ৰিয়া ব্যৱহাৰ হয়।

**আৰবী ভাষাৰ গুৰুত্ব ঃ**

আৰবী ভাষাৰ গুৰুত্ব আৰু ইয়াৰ প্ৰয়োজনীয়তা সম্পৰ্কে নতুনকৈ উল্লেখ কৰাৰ প্ৰয়োজন নাই। ইছলামৰ আগমণ, ইয়াৰ জনপ্ৰিয়তা আৰু সম্প্ৰসাৰণৰ ফলত আৰবী ভাষা সাহিত্যতো ইয়াৰ প্ৰভাৱ প্ৰতিফলিত হৈছে।

খ্ৰীষ্টীয় সপ্তম আৰু অষ্টম শতিকাৰ ভিতৰত ইৰাক, ছিৰীয়া, লেবানন, জৰ্দান, মিছৰ, ছুদান, লিবিয়া, আলজেৰীয়া, মৰক্কো, টিউনেছীয়া, জিবুতি, মাদাগাছকাৰ আদি দেশ মুছলিমসকলৰ অধীনলৈ আহে। এইদৰে আৰবী ভাষাই সমগ্ৰ বিশ্বত এক বিশেষ স্থান অধিকাৰ কৰি আন্তৰ্জাতিক ভাষা ৰূপে স্বীকৃতি লাভ কৰিবলৈ সমৰ্থ হৈছে। সেয়ে আৰবী ভাষাক ছেমীয় ভাষাৰ শ্ৰেষ্ঠ ভাষা বুলি অভিহিত কৰা হৈছে।

বৰ্তমান বিশ্বত ইংৰাজীয়ে যিদৰে সৰ্বশ্ৰেষ্ঠ ভাষাৰ মৰ্য্যদা লাভ কৰিবলৈ সক্ষম হৈছে, সেইদৰে মধ্যযুগত আৰবী ভাষায়ো আন্তৰ্জাতিক খ্যাতি অৰ্জন কৰিবলৈ সক্ষম হৈছিল। মধ্যযুগৰ প্ৰায় সকলো মুছলমানেই আৰবী ভাষাত কথা কৈছিল। আৰবী ভাষাটো আদালত, ধৰ্মানুষ্ঠান, বেহা-বেপাৰ, সাহিত্য আৰু জ্ঞান-বিজ্ঞানৰ একমাত্ৰ ভাষা আছিল। তদুপৰি এই ভাষা মুছলিম বিশ্বৰ আইন বিজ্ঞান, ধৰ্ম তত্বৰ উপৰিও ভূগোল, চিকিৎসা, অৰ্থনীতি, দৰ্শন, গণিত, জ্যোতি বিদ্যা, সংগীত, ৰসায়ন বিজ্ঞান, পদাৰ্থ বিজ্ঞান, উদ্ভিদ, জীৱ বিজ্ঞানৰ ওপৰতো প্ৰভাৱ পৰিছিল। আধুনিক সভ্যতা, বৈজ্ঞানিক চিন্তাধাৰা আৰু প্ৰযুক্তি বিজ্ঞানৰ তীব্ৰগতিৰ পথত আৰবী ভাষাৰ অৱদান অপৰিসীম।

খ্ৰীষ্টীয় অষ্টম শতিকাৰ পৰা যোল্লশ শতিকালৈ আৰবী ভাষাত অসংখ্য পুথি ৰচনা কৰা হৈছিল। তাৰ উপৰিও খ্ৰীষ্টীয় চতুৰ্দশ শতিকাৰ পৰা ষষ্ঠদশ শতিকালৈ ইউৰোপৰ পুনৰ জাগৰণৰ সময় বুলি ধৰা হয়। এই জাগৰণ সম্ভৱ হৈছিল, একমাত্ৰ সেই যুগৰ আৰবী সাহিত্যসমূহ গ্ৰীক, লেটিন, জাৰ্মান, ফ্ৰেন্স আৰু ইংৰাজী ভাষালৈ অনূদিত হোৱাৰ ফলত। পৃথিৱীৰ কোটি কোটি মানুহে আৰবী ভাষাত কথা কয় আৰু ধৰ্মীয় ভাষা হিচাপে অধ্যয়ন কৰে। গতিকে আৰবী ভাষাৰ গুৰুত্ব আৰু ইয়াৰ প্ৰয়োজনীয়তা অপৰিসীম।□□□


**সহায়ক গ্ৰন্থপঞ্জী ঃ**

১) দেৱান, মঃ আলম হুছেইন ঃ আৰবী সাহিত্যৰ চমু বুৰঞ্জী (প্ৰথম খণ্ড), নগাওঁ, ২০০২

২) Nicholson, R.A. : A Literary History of the Arabs, London, 1965.

৩) Zaydan, Zurji : Tarikh al-Adab al-Lugha al-Arabiyah, Cairo, 1937.







নৱজ্যোতি মহাবিদ্যালয়ৰ কাৰ্য্যালয়ৰ বিষয়ববীয়া সকলৰ একাংশ


বাওঁফালৰ পৰা (বহি) ক্ৰমে ঃ
জাহিদুল ইছলাম মোল্লা (এল.ডি.এ), আজাহৰুল ইছলাম (এল.ডি.এ), শওকত আলী আহমেদ (এল.ডি.এ), আব্দুল হামিদ (এল.ডি.এ), আব্দুল কুদ্দুছ তালুকদাৰ (ইউ.ডি.এ), জাফৰ আলী (এল.ডি.এ), শ্বেইখ হাফিজুৰ ৰহমান (এল.ডি.এ), মীৰ মতিউৰ ৰহমান (এল.ডি.এ), আইনাল হক (লাইব্ৰেৰী সহায়ক)।

বাওঁফালৰ পৰা (থিয় হৈ) ক্ৰমে ঃ
ৰফিকুল ইছলাম (লাইব্ৰেৰী বিয়েৰাৰ), চান্দ মাহমুদ (চায়েক বিয়েৰাৰ), নজৰুল ইছলাম (চায়েক বিয়েৰাৰ), ছইদুৰ ৰহমান (চায়েক বিয়েৰাৰ), আব্দুল হক (চায়েক বিয়েৰাৰ), হালিমা খাতুন (চায়েক বিয়েৰাৰ), আমিৰ হুছেইন তালুকদাৰ (চাইকল বিয়েৰাৰ)।

# আমাৰ গৌৰৱ



**জাকিৰ হুছেইন**
ৰাষ্ট্ৰীয় দীঘল জাম্প আৰু ১০০ মিটাৰ দৌৰত স্থান প্ৰাপ্ত খেলুৱৈ



**ছানোৱাৰ হুছেইন**
ৰাষ্ট্ৰীয় সহিষ্ণুতা দৌৰবিদ
(৩০০০ মিটাৰ দৌৰত স্থান প্ৰাপ্ত)



**২০১৫-১৬ বৰ্ষৰ**
**মিষ্টাৰ নৱজ্যোতি**
**আমিনুল ইছলাম**



# বিজ্ঞান আৰু ইয়াৰ প্ৰভাৱ

জাকিৰুল ইছলাম
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ (বিজ্ঞান)

মানৱ জীৱনৰ গতিয়েই হ'ল বিজ্ঞান। বুদ্ধি আৰু উপলব্ধিৰ জৰিয়তে যদিও মানুহ সকলো জীৱন্তপ্ৰাণীতকৈ শ্ৰেষ্ঠ তথাপিও এই শ্ৰেষ্ঠত্বই মানুহক সন্তুষ্ট কৰিব পৰা নাই। জীৱন আৰু জগতৰ প্ৰতিটো বস্তুৰ উত্তৰ বিচাৰি মানুহে জীৱনপাত কৰি আছে। প্ৰকৃতিৰ পৰা পোৱা সম্পদসমূহক মানুহে আধুনিক জীৱন যাত্ৰাৰ উপযোগীকৈ সজাই লৈছে। মানুহৰ জীৱনৰ এই অতৃপ্তিয়েই সৃষ্টি কৰিছে বিজ্ঞানৰ।

বিজ্ঞান মানেই হ'ল প্ৰণালীবদ্ধ পদ্ধতিৰ মাজেৰে পোৱা পৰীক্ষা লব্ধ জ্ঞান। মানুহে নিজৰ মনত জাগি উঠা প্ৰশ্নবোৰৰ এক প্ৰণালীবদ্ধ অধ্যয়নৰ মাজেৰে উত্তৰ বিচাৰি আহিছে আৰু তাৰ ফলতেই একো একোটা বস্তুৰ আৱিষ্কাৰ হৈছে। পিছে ধৰ্মীয় মতান্ধতাৰে পৰিপূৰ্ণ আমাৰ সমাজবোৰত বৈজ্ঞানিক সত্যবোৰ ৰূপায়িত কৰিবলৈ এক বিপ্লৱ চলাবলগা হৈছে। গেলিলিওৰ দৰে বিজ্ঞানীও কাৰাবাসত থাকিবলগা হোৱাটোৱেই তাকেই প্ৰমাণিত কৰে। কিন্তু উল্লেখনীয় যে সপ্তদশ শতিকামানৰ পৰা ইউৰোপৰ বৌদ্ধিক জগতত এক বিশেষ পৰিবৰ্তনৰ সূচনা হয়। ফৰাচী বিপ্লৱে সৰ্বাত্মক প্ৰকাৰে দেশজুৰি সৃষ্টি কৰা নতুন মূল্যবোধ তথা নিউটন, আইনষ্টাইনৰ দৰে বিজ্ঞানীৰ অৱদানৰ ফলস্বৰূপে দেশত যি বৌদ্ধিক সতেজতা আহিল সিয়ে সমগ্ৰ পৃথিৱী জুৰি জোকাৰণি তুলিলে। এনেদৰেই মানৱৰ সৃষ্টিশীলতাৰ এটা দিশে যেনেকৈ সাহিত্য সংস্কৃতি তথা কলা-কৃষ্টিৰে আমাৰ জীৱনক ৰসাল কৰি তুলিছে, ঠিক তেনেদৰেই আন এটি দিশে নতুন নতুন আৱিষ্কাৰেৰে জীৱন সুখ আৰু স্বাচ্ছন্দ্যৰে ভৰাই তুলিছে।

বিজ্ঞানক বহুমুখী অৱদানৰ অতি কম পৰিসৰৰ ভিতৰত আলোচনা কৰাটো সম্ভৱ নহয়। কাৰণ, গছৰ বাকলি পিন্ধি কেঁচা মাংস খাই, পৰ্বতৰ গুহাত বাস কৰা মানৱজাতি এতিয়া মহাকাশ বিজয়ী। গতিকে এই সুদীৰ্ঘ যাত্ৰাৰ প্ৰতিটো মুহূৰ্তত হাজাৰ হাজাৰ আৱিষ্কাৰ আৰু আত্মত্যাগৰ কাহিনীৰে কৰা দানবোৰক দৈনন্দিন জীৱনৰ প্ৰতি আৰু সমাজৰ প্ৰতি এই দুই দৃষ্টিৰে বিচাৰ কৰিব পাৰো। অৱশ্যে মনত ৰখা প্ৰয়োজন যে দৈনন্দিন জীৱনবোধ সুখময় হৈ উঠা মানেই সমাজো সুখেৰে ভৰি পৰে।

আমাৰ দৈনন্দিন জীৱনৰ প্ৰতিটো মুহূৰ্তই বিজ্ঞানৰ অৱদানেৰে ধন্য হৈ আছে। কাপোৰ-কানি, প্ৰসাধন, যাতায়ত, খাদ্য, নিদ্ৰা সকলোতে বিজ্ঞানৰ জয়গান। আমি আজি পিন্ধা সকলো কাপোৰ কানি বিজ্ঞানসন্মত মিলৰ পৰা নিৰ্মিত, মেচিনত চিলাই কৰা, শৰীৰৰ যত্নৰ বাবে ব্যৱহাৰ কৰা প্ৰতিটো বস্তু, ওলাই সোমাই ফুৰাৰ বাবে ব্যৱহাৰ কৰা যান-বাহন, খাদ্যৰ বাবে ব্যৱহাৰ কৰা ইন্ধন আদি বিভিন্ন খাদ্য প্ৰাণযুক্ত কৃত্ৰিম খাদ্য ইত্যাদি প্ৰতিটোত বিজ্ঞানৰ প্ৰভাৱ স্পষ্ট। ঘৰখনত প্ৰতিটো মুহূৰ্তত ব্যৱহাৰ হোৱা বিজুলি চাকি, পানীৰ যোগান, টেলিফোন ইত্যাদি প্ৰতিটো বস্তুৱে হ'ল বিজ্ঞানৰ অতুলনীয় অৱদান।

এইবোৰৰ দৈনন্দিন প্ৰয়োজনীয়তাৰ বাবেও বিজ্ঞানে সভ্যতা আৰু সমাজৰ বাবে কৰা গুৰুত্বপূৰ্ণ উপকাৰসমূহ হ'ল—

চকাৰ আৱিষ্কাৰ, চিকিৎসা বিজ্ঞানৰ অগ্ৰগতি, শক্তিৰ উৎপত্তি আৰু নিয়ন্ত্ৰণ আৰু মহাকাশ বিজ্ঞানৰ বিকাশ। এই বিকাশসমূহে সমাজ আৰু সভ্যতাক বহুদূৰ আগুৱাই নিছে। চকাৰ বিভিন্ন ধৰণৰ প্ৰয়োগে গোটেই পৃথিৱীখনকে এদিনৰ বাট কৰিছে। চিকিৎসা বিজ্ঞানৰ অগ্ৰগতিয়ে অকল মানুহৰ জীৱন ৰক্ষা কৰাই নহয় বসন্তৰোগৰ দৰে ৰোগক নিৰ্মূল কৰি সমাজৰ পৰা অন্ধবিশ্বাসক আঁতৰাই পঠাইছে। কুষ্ঠৰোগৰ দৰে অভিশপ্ত ৰোগক নিৰাময়ৰ ব্যৱস্থা কৰি সমাজৰ পৰা অৱহেলিত সেই সকল ব্যক্তিক উদ্ধাৰ কৰিছে। ক'লা, বগা, বোবা আদি বিকলাংগ আৰু সমাজৰ বোজাস্বৰূপ হৈ পৰা মানুহবোৰক স্বকীয়ভাৱে জীয়াই থকাৰ ব্যৱস্থা কৰিছে। মহাকাশৰ নতুন নতুন খবৰেৰে পৃথিৱীক চমক লগাইছে আৰু শক্তিক নিয়ন্ত্ৰণ কৰি মানুহৰ জীৱন যাত্ৰাক সহজ সাধ্য কৰি তুলিছে আৰু কৰাৰ কাৰণে চেষ্টাৰ পথত যথেষ্ট আগুৱাই আছে।

বিজ্ঞানৰ কেতবোৰ বেয়া দিশো নথকা নহয়। অৱশ্যে বিজ্ঞানৰ কোনো সম্পদেই মানৱ সমাজৰ অনিষ্ট কৰাৰ বাবে সৃষ্টি হোৱা নাই। বিজ্ঞানৰ কেতবোৰ সম্পদৰ বাবে যিহেতু অজস্ৰ টকাৰ প্ৰয়োজন সেয়ে ধনী দেশবোৰে সেইবোৰ তৈয়াৰ কৰি তাক নিজস্ব স্বাৰ্থত ব্যৱহাৰ কৰিছে। দ্বিতীয় মহাযুদ্ধৰ বীভৎস ধ্বংস লীলা তেনে এক ক্ষমতা লীলাৰ চূড়ান্ত উদাহৰণ। এনেদৰে মানুহে বিজ্ঞানক নিয়ন্ত্ৰণ কৰি এফালে যিদৰে মানৱ জীৱনক সুখময় কৰি তুলিছে, আনফালে তাক অসৎভাৱে প্ৰয়োগ কৰাৰ আশংকাত গোটেই মানৱ সমাজ সন্ত্ৰস্ত হৈ থাকিবলগা হৈছে। অৱশ্যে তাৰ বাবে বিজ্ঞান কেতিয়াও দোষী হ'ব নোৱাৰে।

বিজ্ঞান অবিহনে মানৱ স্থবিৰ হৈ পৰিব। আমি যিমানেই ধৰ্ম বা সমাজৰ কথা নকওঁ কিয়, পিছে আইনষ্টাইনে কৈ যোৱা কথাষাৰ সদায় মনত পেলাব লাগিব যে, **"বিজ্ঞান অবিহনে ধৰ্ম কণা আৰু ধৰ্ম অবিহনে বিজ্ঞান খোৰা"** গতিকে মানুহৰ ধৰ্ম প্ৰদৰ্শন কৰা পথটোত সূচলভাৱে খোজকঢ়াৰ বাবে বাট দেখুৱাই আমাক বিজ্ঞানেই লৈ যাব ৰঙীণ ভৱিষ্যতৰ পিনে আৰু মানৱ জীৱনক মহিয়ান কৰি তুলিব বিজ্ঞানৰ জয় যাত্ৰাই।

বিজ্ঞানৰ প্ৰতিটো সম্পদৰেই ভাল-বেয়া দুটি দিশ আছে। যেনেদৰে মানৱৰ কল্যাণৰ অৰ্থে আৱিষ্কৃত শক্তিক নিজৰ হাতৰ মুঠিত লৈ ধনী দেশবোৰে তাক শোষণৰ প্ৰধান আহিলা হিচাপে ব্যৱহাৰ কৰে তেনেদৰেই বিজ্ঞানক ৰাজনৈতিক নেতাসকলে নিজস্ব স্বাৰ্থত তথা ধনীক গোষ্ঠীবোৰে তেওঁলোকৰ স্বাৰ্থত ব্যৱহাৰ কৰাৰ প্ৰচেষ্টা চলায়। এই সকলো সীমাবদ্ধতাৰ পৰা মুক্ত কৰি বিজ্ঞানক ৰাইজৰ মংগলৰ বাবে ব্যৱহাৰ কৰা উচিত।□□□

## মহৎলোকৰ বাণী

নিজৰ ওপৰত বিশ্বাস ৰাখিলেহে উন্নতিৰ জখলা বগাব পাৰি।

— ষ্টেলিন।

এখন ভাল কিতাপ নষ্ট কৰা আৰু এজন মানুহক হত্যা কৰা একেই কথা।

— মিল্টন।

সংগ্ৰাহক
আব্দুৰ ৰহমান
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ (বিজ্ঞান)





# ব'লা দাৰ্জিলিঙলৈ যাওঁ

বুলবুল আক্তাৰ
স্নাতক চতুৰ্থ ষাণ্মাসিক, ৰসায়ন বিভাগ

পুৰণিক পাহৰি যোৱা আৰু নতুনত্বক আদৰি লোৱা ইয়েই প্ৰকৃতিৰ নীতি বা নিয়ম, কিন্তু কিছুমান পুৰণি ঘটনাই জীৱনত ৰেখাপাত কৰি যায়। তেনে এক পুৰণি স্মৃতি মোৰ হৃদয়ৰ আকাশত জল-জল পট্-পট্কৈ ভাহি আছে, তাকেই মই পুনৰ ৰোমন্থন কৰি আনন্দ লভিব বিচাৰিছোঁ। সেয়া যেন এক সপোনহে আছিল যাক হাতেৰে চুব গ'লে ধৰিব পৰা নাযায় অকল অনুভৱহে কৰিব পাৰি। সিদিনা আছিল সোমবাৰ নৱেম্বৰ মাহৰ ২৩ তাৰিখ আঘোন মাহৰ ৬ দিনৰ দিনা। আমি সকলোকেইটা বন্ধুৱে মিলি কলগাছিয়া মৰমী বয়জ হোষ্টেলৰ পৰা বৰপেটা ৰোডৰ ট্ৰেইন ষ্টেচনলৈ যাত্ৰা আৰম্ভ কৰি কিছুসময় পিছত ষ্টেচন পালোগৈ। আমি গোটেই কেইটা বন্ধুৱে মিলি ট্ৰেইনত উঠিলো আৰু মই খিৰিকী এখনৰ সন্মুখত বহিলো। খিৰিকীখন খুলি দিয়াত মুক্ত আকাশলৈ চকু গ'ল, মনটো কিবা এটা ভাল লাগি গ'ল। আমি ট্ৰেইনেৰে গৈ থাকোতে প্ৰকৃতিৰ বিভিন্ন ৰূপ যেনে পাহাৰ-পৰ্বত, গছ-গছনি, খাল-বিল, নদ-নদী আদিয়ে মোক মুগ্ধ কৰিলে। এটা এটাকৈ প্ৰকৃতিৰ উপাদান এৰি গৈ আছিলো আৰু এনেকুৱা লাগিছিল যেন সিহঁতেহে মোক এৰি গৈ আছে আৰু মইহে যেন স্থিৰে আছোঁ। পথাৰে দি গৈ থাকোতে হুলস্থুলীয়া পৰিৱেশ এটাৰ সৃষ্টি হোৱা যেন লাগিল। ভালকৈ লক্ষ্য কৰি চাওঁ যে, চৰাইৰ কিচিৰ মিচিৰ শব্দ, কুলিৰ মাত আদি একাকাৰ হৈ এক বেলেগ সুৰ সৃষ্টি হৈছিল। আকৌ এটা বিলত হাঁহবোৰে একেলগে সিহঁতৰ শুৰেৰে গান-গাই আছে। আঘোন মাহৰ সেই দৃশ্যবোৰ দেখি মোৰ মন প্ৰকৃতিৰ মাজত হেৰাই গৈছিল। সেইসময়তে মোৰ মনত পৰিল মহান কবিদ্বয়ৰ কথা এজন ইংৰাজ কবি জন কীট্ছ আৰু আনজন অসমীয়া বিহগী কবি ৰঘুনাথ চৌধাৰীদেৱৰ কথা। যিসকলে চৰাই চিৰিকটি আৰু বিভিন্ন প্ৰকৃতিৰ উপাদান সমূহৰ বিষয়ে কবিতা লিখি বিশ্ববাসীৰ আগত অমৰ হৈ ৰ'ল। প্ৰকৃতিৰ মাজত থকা বিভিন্ন গছ-গছনি নানা ধৰণৰ থুপা-থোপে ফুলি থকা ফুলবোৰ দেখি মই নিজে প্ৰকৃতিৰ বুকুত পখিলাৰ দৰে উৰি ফুৰিবলৈ আৰম্ভ কৰিছিলো। বিভিন্ন কথা ভাবি থাকোতেই নিউ জলপাইগুৰিৰ ট্ৰেইন ষ্টেচন আহি পাইছিলো। এইবাৰ প্ৰকৃতিৰ সপোনৰ পুৰীৰ পৰা বাস্তৱ জগতত আহি উপস্থিত হৈছিলোঁ। ট্ৰেইনৰ পৰা আমি সকলোৱে নামি হাত মুখ ধুই কিবা জল-পানি গ্ৰহণ কৰি গাড়ী বিচাৰিবলৈ গৈছিলো; তাত এক খৰতকীয়া যুদ্ধসদৃশ পৰিস্থিতিৰ উদ্ভৱ হৈছিল। কোনোবাই বোলে মোৰ গাড়ী আছে আহক আন কোনোবাই আকৌ মাতি আছে বোলে মোৰ গাড়ীলৈ আহক, কিন্তু এটা কথাই মোক বহুত দুখ দিলে, যিটো হ'ল এতিয়াও তাত বহু ঠগ প্ৰকৃতিৰ লোক আছে, সিহঁতে এজনক ঠগাই নিজে কেনেকৈ বেছি ধন উপাৰ্জন কৰিব পাৰে সেইটোহে কেৱল চিন্তা কৰে। ঠিক অলপ পিছতে এজন মানুহ আহি ক'লে আহক মোৰ গাড়ী আছে। মাত্ৰ এহেজাৰ টকাতে দাৰ্জিলিঙলৈ লৈ যাম, পিছত আমাক লৈ যোৱা হ'ল এটা অফিচলৈ। ড্ৰাইভাৰজন অফিচৰ বাহিৰত থাকি আমাক ভিতৰলৈ পঠিয়াই দিলে। পিছত অফিচৰ ভিতৰত বহি থকা মানুহজনে আমাক হিচাপ পাতি কৰি ক'লে যে, যোল্লশ টকাতহে এখন গাড়ী ল'ব পাৰিব। আমি তাৰ পৰা উভতি আহিলো। মোৰ মনতো বেয়া

লাগিছিল যে, সেই মানুহজন আচলতে এজন ঠগ। তেতিয়া আমি ঠিক কৰিলো গাড়ী ল'বলৈ যিমান টকা লাগে লাগিব কিন্তু তাৰ পৰা আমি গাড়ী নলওঁ। পিছত এহেজাৰ ছশ টকা দি বেলেগৰ পৰা গাড়ী লৈ নিউ জলপাইগুৰিৰ পৰা দাৰ্জিলিঙলৈ যাত্ৰা আৰম্ভ কৰিলো। নিউ জলপাইগুৰিৰ পৰা প্ৰথমে শিলিগুৰি হৈ যোৱাৰ পথত তাত থকা চাহ বাগিছা কিছুমান চাই মোৰ মাতৃভূমি অসমৰ ডিব্ৰুগড়, যোৰহাট, শিৱসাগৰৰ স্মৃতি মনলৈ আহিল। তাৰ ক্ষন্তেক পিছতে আৰম্ভ হ'ল আমাৰ পাহাৰীয়া যাত্ৰা। পাহাৰীয়া বাট-পথবোৰ আছিল তেনেই ভয়ানক, য'ৰ পৰা বাগৰি পৰিলে গমেই পোৱা নাযাব যে, এইটো মানুহ আছিল নে অইন কিবা প্ৰাণী আছিল, মোৰ তেনে এটা ধাৰণা হৈছিল। পিছে গাড়ী গৈ আছিল, মাজ পথত মোৰ ইমান বেয়া লাগিবলৈ ধৰিলে, বমি বমি ভাব হ'ল, গাড়ীখন ৰখাই আমি অলপ জিৰণি ল'লো কেইখনমান ফটো তুলিলো, তাৰ পিছত আকৌ আমি যাত্ৰা আৰম্ভ কৰিলোঁ। কিছুদূৰ গৈ আমাৰ গাড়ীখন অলপ মেৰামতি কৰিবলগীয়া হৈছিল। মেৰামতি কৰি আকৌ আমি যাত্ৰা আৰম্ভ কৰাৰ কিছু সময় পিছতে আমি ব্ৰডগজ ৰেলগাড়ী দেখা পাইছিলো, ইয়েই উমান দিছিল যে আমি এতিয়া দাৰ্জিলিং প্ৰায় পালোহি। দাৰ্জিলিঙৰ ৰাস্তা ঘাট বহুত চাফ চিকুন আছিল। স্কুল কলেজৰ ল'ৰা ছোৱালীক বাট-পথ পৰিষ্কাৰ কৰি থকা দেখা পাইছিলো। অৱশেষত আবেলি আমি আমাৰ গন্তব্য স্থল পাইছিলোঁ। তাত মছজিদ এটাৰ কিছুমান ভাড়া ৰুম পাইছিলো। তাৰ পিছত হাত মুখ ধুই অলপ জিৰণি লৈ বন্ধু কেইজনৰ সৈতে মই চহৰখন চাবলৈ ওলাইছিলো। খোজ কাঢ়ি যাওঁতে এখন বিগ বজাৰ দেখা পাইছিলোঁ। তাৰ বাহিৰত থকা শিশুৰ খেল ধেমালিৰ বিভিন্ন বস্তু চাই ভিতৰলৈ সোমাই গৈছিলো। বজাৰখনত শ্বপিঙৰ বিভিন্ন সামগ্ৰী, চিনেমা হ'ল, আদিৰে ভৰপূৰ হৈ আছিল। শ্বপিংমলটোৰ ওপৰলৈ উঠি মাৰ্কেটখন ঘূৰি পকি চোৱাৰ পিছত লিফ্‌টেৰে তললৈ নামি প্ৰত্যক্ষ কৰিছিলো যে সেই লিফ্‌টো কেৱল তাৰ বিষয়বৱীয়া সকলৰ বাবেহে আছিল। কথাটো ভাল নালাগিল। তাৰ পৰা উভতি আহি এটা নেপালি সাংস্কৃতিক অনুষ্ঠান চালো। যিটো অনুষ্ঠান আমাৰ গাঁৱৰ অনুষ্ঠানতকৈ সম্পূৰ্ণ বেলেগ আছিল। সিদিনা শেষ ৰাতি চাৰিটা মান বজাত আমাক টাইগাৰ হিলচ্‌লৈ লৈ যোৱা হ'ল। তাত থকা মনোমোহা দৃশ্যবোৰ দেখি আপ্লুত হৈ পৰিছিলো। তাৰ গাতে লাগি থকা নদীখন অতি মনোমোহা আছিল। কিছুমান নদীৰ পাৰত বহিলে বা থিয়হৈ থাকিলে হিয়া মন জুৰ পৰি যায় আৰু কিবা এটা পোৱা যেন অনুভৱ হয়। আচলতে প্ৰকৃতিৰ প্ৰত্যেক বস্তুৰেই যেন এক অন্তঃস্পৰ্শী গুণ আছে। মোৰ আটাইতকৈ বেছি ভাল লাগে নদীৰ পাৰত বহি নাইবা ভেট ফুল ফুলি থকা বিলৰ পাৰত বহি হাঁহবোৰে মাতি থকা, একেলগে চৰাইবোৰে গান গাই থকা চাই। টাইগাৰ হিল্‌চত সূৰ্য্য উঠা যি দৃশ্য যেন একেবাৰে মাটিৰ পৰাহে সূৰ্য্যটো উঠিছিল। সেই দৃশ্যটো মই আৰু তাত উপস্থিত থকা প্ৰত্যেকেই খুব মনোযোগেৰে উপভোগ কৰিছিলোঁ। সূৰ্য্য উঠাৰ আগত বহু সময় অৱশ্যে অপেক্ষা কৰিছিলোঁ। তাৰ পৰা আমি এখন গাৰ্ডেনলৈ গৈছিলোঁ। তাৰ পৰা আকৌ আন এখনলৈ যাত্ৰা আৰম্ভ কৰিছিলোঁ, যি পাহাৰৰ তলিৰ মাজ ভাগত অৱস্থিত আছিল। সেই গাৰ্ডেনখন পৃথিৱী বিখ্যাত। যাৰ নাম আমি আগতেও জানিছিলো ৰ'ক গাৰ্ডেন বুলি। তাত এটা ঘটনা ঘটিছিল যি এতিয়াও মনত পৰে। এটা ল'ৰাই বাঁহৰ বেৰ ভাঙি পৰি যাব খুজিছিল। মই হঠাৎ থাপ মাৰি ধৰিছিলো। এইটো কথা মনত পৰিলে মোৰ শৰীৰ আজিও শিয়ৰি উঠে। যদিহে ল'ৰাটো তললৈ পৰি গ'লহেঁতেন। তাৰ মাক বাপেকৰ অৱস্থা কেনে হ'লহেতেন। ৰ'ক গাৰ্ডেনখন ইমানেই ধুনীয়া আছিল যে ভাবিলে আচৰিত লাগে। ধুনীয়া নিজৰা ওপৰৰ পৰা তললৈ বৈ আছে। তাৰ পৰা উভতি আহিবলৈ মন নাযায়। আমি বহু সময় ঘূৰি ফুৰিছিলোঁ। বন্ধু এজনে মনত পেলাই দিলে যে আমি সোনকালে গুচি আহিব লাগিব কাৰণ আমি আজি হোষ্টেললৈ উভতিম। সেই সময়ত মোৰ হৃদয়খনে হাহাকাৰ কৰি উঠিছিল ৰ'ক গাৰ্ডেন তথা দাৰ্জিলিং চহৰ এৰি গুচি যাব লাগিব বুলি জানি। আমি আটাইকেইজন বন্ধুৱে আমাৰ উভতনি যাত্ৰা আৰম্ভ কৰিলো আৰু ভালে কুশলে ঘৰ পালোহি। সেই দিন কেইটাৰ কথা মোৰ মনত পৰিলে আজিও এক অনাবিল আনন্দেৰে হৃদয় উপচি পৰে।□□□





# ঐক্য সম্প্ৰীতিৰ সন্ধানত......

মফিদা খাতুন
স্নাতক চতুৰ্থ ষান্মাসিক, অসমীয়া বিভাগ

মানুহৰ মাজত সদায় ঐক্য থাকিব লাগে। তেতিয়াহে সমাজ অথবা দেশ এখনক উন্নতিৰ ফালে লৈ যাব পাৰি। মানুহৰ মাজত মিলাপ্ৰীতি নাথাকিলে এজন মানুহে এখন অঞ্চল বা দেশৰ উন্নতিৰ কথা ভাবি কেতিয়াও কৃতকাৰ্য হ'ব নোৱাৰে। এখন দেশত বিভিন্ন জাতিৰ মানুহে বাস কৰে। সেইবুলি আমি কেতিয়াও অন্য জাতিৰ মানুহক ঘৃণা কৰিব নাপায়। এটা অঞ্চলত বাস কৰাৰ আমাৰ যিমানখিনি অধিকাৰ আছে, আন আন জাতিৰো ঠিক একেই অধিকাৰ আছে। এইটো যদি বিভিন্ন জাতিৰ মানুহে মন কৰে তেন্তে, আমি কেতিয়াও স্বাৰ্থপৰ নহওঁ। আমি সকলো জাতিৰ মানুহে যদি নিজে নিজৰ কৰ্তব্য সমূহ পালন কৰি যাওঁ, তেতিয়া নিশ্চয় দেশ এখন উন্নত হ'ব। আমি কোনো এটা কাম কৰোতে সদায় ভাবি চাব লাগে আমি কি কৰি আছো। মই কৰা কামটোৰে নিজৰ, সমাজৰ দেশ অথবা অঞ্চলটোৰ উন্নতি সাধন হ'বনে নাই। আমি সদায় ভাবি চিন্তি কাম কৰিব লাগে। আমাৰ মনে যিটো কয় সেইটো কৰিব নালাগে। সেইটো যুক্তিৰে এবাৰ বিবেচনা কৰি চাব লাগে। এনেকৈ কাম কৰিলে নিশ্চয় আমাৰ মাজত কোনো ধৰণৰ বেয়া মনোভাৱ সৃষ্টি হ'ব নোৱাৰে। এটা জাতিৰ মানুহৰ লগত আন জাতিৰ মানুহে ঈৰ্ষা কৰাটো ঘৃণাকৰ।


মানুহে কেতিয়াও এই পৃথিৱীত আহি সদায় জীয়াই থাকিব নোৱাৰে। মানুহ আনকি প্ৰাণ থকা সকলো জীৱৰে মৃত্যু হ'বই। এষাৰ কথা আছে— "জন্ম আছে যাৰ মৃত্যু হবেই তাৰ"। কিন্তু তথাপিও আমি কিয় ইমান কম সময়লৈ আহিও জাতি, জনজাতিৰ ভেদাভেদ কৰি জীৱনৰ মূল্যৱান সময় নষ্ট কৰো। এই বিষয়ে কাল জেওবাৰ্গ নামৰ এজন শিক্ষাবিদে কৈছে "জীৱনটো এটা পিয়াজৰ দৰে। বখলিয়াই গৈ থাকিলে পিয়াজৰ অস্তিত্ব নথকাৰ দৰে, জীৱনবোৰ বিচাৰ কৰিলে একেই অৱস্থা"। মানুহেই কোনো এটা জাতি-গোষ্ঠীৰ নিজা স্বকীয় ভাৱধাৰা, সংস্কৃতি, ঐক্য সংহতি প্ৰতিফলিত কৰে। মানুহেই হৈছে আটাইতকৈ শ্ৰেষ্ঠ বুদ্ধিজীৱি প্ৰাণী। মানুহৰ ওপৰতেই পৃথিৱীৰ আন বহু প্ৰাণী নিৰ্ভৰ কৰে। মানুহে ইমান প্ৰসৰ বুদ্ধি, বিবেক ইত্যাদি থাকিও কিয় আনৰ অপকাৰ কৰে। আমি সদায় মানুহৰ ভালটোহে কামনা কৰিব লাগে। এতিয়া দেখা গৈছে যিজনৰ সকলো আছে তেওঁক আৰু লাগে, যাৰ নাই তাৰ নায়েই। আচলতে আমি এনে কৰিব নালাগে। মানুহে সদায় ধৈৰ্য ধৰিব পাৰিব লাগে। পৃথিৱীত আন এচাম মানুহ আছে যিসকলে দুখীয়া ইয়াতিম সকলৰ বা আন আন জাতিৰ বয়-বস্তু, ধন সম্পদ লুণ্ঠন কৰি নিয়ে। তেওঁলোক এক কথাত ক'বলৈ গ'লে ডকাইত। কিন্তু এনেকুৱা কাম কৰাটো একেবাৰে নিকৃষ্ট। যিহেতু আমি মানুহ সকলোতকৈ শ্ৰেষ্ঠ জীৱ, আমি কিয় আনৰ ধন সম্পদ কাঢ়ি ল'ব লাগে। আমি সদায় সত্যবাদী হ'ব লাগে, যদি আমি আন এজনৰ লগত বিশ্বাস ঘাতকতা কৰো। তেতিয়া আমাৰ মাজতে খাম খিয়ালিৰ সৃষ্টি হয়।

আমি যদি নিজৰ সমাজ, দেশৰ উন্নতিৰ কথা চিন্তা কৰো আৰু সকলো জাতি জনগোষ্ঠীৰ মাজত ঐক্যতা বজায় ৰাখো, তেতিয়া হ'লে কোনো জাতি জনগোষ্ঠীৰ মাজত বিবাদ সৃষ্টি নহয়।□□□

# সপোনৰ পৰিণাম

আছানুল হক
স্নাতক দ্বিতীয় ষান্মাসিক, ৰাজনীতি বিজ্ঞান

পৃথিৱীত জীয়াই থকা সকলো মানুহেই সপোন দেখে; সেয়া হ'লেও ভাৰতবৰ্ষৰ মহামানৱ ভূতপূৰ্ব জনপ্ৰিয় ৰাষ্ট্ৰপতি, মিছাইল মেন হিচাবে জনাজাত ডঃ এ.পি.জে. আব্দুল কালামেও সপোন ৰচিছিল। ড° কালামৰ জন্ম হৈছিল নদীৰ মোহনাত অতি দৰিদ্ৰ মাছমৰীয়াৰ ঘৰত; কিন্তু তেওঁ সপোণ ৰচিছিল অতি বৃহৎ উচ্চস্তৰলৈ যোৱাৰ আৰু দেশখনক উন্নতিৰ শিখৰলৈ লৈ যোৱাৰ। তেওঁৰ সপোনক বাস্তৱায়িত কৰাৰ ক্ষেত্ৰত তেওঁ কৰিছিল কঠোৰ পৰিশ্ৰম, একাগ্ৰচিত্তে অধ্যাৱসায় লগতে তেওঁৰ আছিল সৎ মনোভাৱ। তেওঁ জীৱনৰ সঙ্গী হিচাবে বাছি লৈছিল কিতাপ। যাৰ পৰিণতিতে এই সপোনৰ গৰাকীজন হ'লগৈ মহান বৈজ্ঞানিক আৰু সন্মানীয় ৰাষ্ট্ৰপতিৰ আসন অলংকৃত কৰিবলৈ সক্ষম হোৱা এজন মহান ব্যক্তি। কিন্তু বৰ্তমান বিদ্যাৰ্থী সকললৈ মন কৰিলে দেখা যায় যে এওঁলোকে সপোন দেখে



কিন্তু বাস্তৱায়িত কৰিবলৈ অনগ্ৰসৰ। তেওঁলোকৰ সৎ মনোভাৱৰ অভাৱ, সৎ সাহস কম আৰু কঠোৰ পৰিশ্ৰমৰ পৰা সম্পূৰ্ণ দূৰত আৰু কিছুমানে যদিও চেষ্টা কৰে তেওঁলোকক বিভিন্ন অপসংস্কৃতিয়ে আহি ছানি ধৰে। সপোনক প্ৰকৃততে পাবলৈ কৰিবলগীয়া যি অধ্যয়ন সেয়াৰ পৰা বহু দূৰত আজিৰ স্বপ্নদ্ৰষ্টা সকল ফলত সপোনক বাস্তৱায়িত কৰাত অসামৰ্থ্য হয়।

সেয়েহে বৰ্ত্তমানৰ স্বপ্নদ্ৰষ্টা সকলে সপোন ৰচিব লাগে ড° কালামৰ দৰে। এইজন মহামানৱৰ দৰেই কষ্ট, পৰিশ্ৰম, অধ্যয়ন কৰিব পাৰিব লাগিব আৰু সময়ৰ মূল্য বুজি পাব লাগিব লগতে সৎ চিন্তা, সৎ মনোভাৱৰ মানসিকতা গঢ়িব লাগিব। যাৰ ফলস্বৰূপে সকলোৰে জীৱনলৈ উন্নতিৰ জখলা নমাই আনিবলৈ সক্ষম হোৱাৰ লগতে সমাজ তথা ৰাষ্ট্ৰখনকো উন্নতিৰ শীৰ্ষস্থানলৈ নিব পাৰিব।□□□

## কৌতুক

এজন দুখীয়া লেখকঃ যোৱা ৰাতি মোৰ ঘৰত দুটা চোৰ আহিছিল।
বন্ধু ঃ কি হ'ল? কিবা লৈ গ'ল নেকি?
দুখীয়া লেখক ঃ নাই সিহঁতে গোটেই কোঠাটো বিচাৰি একো নাপাই টেবুলত এশ টকা থৈ গ'ল।

সংগ্ৰাহক
ছুফিয়া খাতুন
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ (কলা)






# তোমাৰ নাম ফাগুন

আলমিনা খাতুন
স্নাতক চতুৰ্থ ষান্মাসিক (আৰবী)


ফাগুন এটি মাহৰ নাম। অসমীয়া কেলেণ্ডাৰৰ একাদশ মাহ। শীতৰ সেমেকা আৰ্দ্ৰতাৰ অৱসান ঘটাই প্ৰকৃতিৰ বুকুলৈ নামি আহে ফাগুন। ফাগুনে লৈ অহা উন্মনা বতাহজাকে নতুন অনুভৱ বিয়পাই যিয়ে নাই নাই বুলিও প্ৰকৃতিক দি যায় শূন্যতাৰ মাজতো পূৰ্ণতা। ফাগুনৰ পছোৱাৰ বা লাগি হালি-জালি নাচি উঠা গছৰ পাতবোৰ সৰি পৰে ধৰাৰ বুকুত। লঠঙা ডালবোৰৰ সৌন্দৰ্য ম্লান হ'ব নিদিয়াকৈ ফুলি উঠে তেজ ৰঙী মদাৰ, পলাশ, শিমলু। শিমলু তুলা উৰাৰ লগে লগে উন্মনা হয় মন প্ৰাণ আৰু ফাগুনৰ উৰুঙা বতৰতো হালে জালে মন। ফাগুন মাথো নহয় এটি মাহ। প্ৰকৃতিৰ ৰূপৰ সলনি হয়।



শীতৰ শেষত ফাগুন মাহৰ ফিৰ্‌ফিৰীয়া বতাহজাকেও মানুহৰ মনবোৰলৈ উল্লাস কঢ়িয়াই আনে। ফাগুন বলিয়া, ফাগুণ উতনুৱা। ধূলি উৰুৱাই পছোৱা জাকো ফাগুনৰ প্ৰেমত বলিয়া হৈ পৰে, নিলাজ হৈ পৰে। নিলাজ পছোৱাই উৰুৱাই নিয়ে কোনো গাভৰুৰ উৰণা, পছোৱাই ওৰণি খহাই লাজত মূছকঁছ নিয়াই কোনো বোৱাৰীক। গাভৰু বোৱাৰীৰ অভিমান হয় ইমান নিলাজ এই পছোৱা। ফাগুনৰ উতলা বা লাগি সকলোৰে অন্তৰত জাগি উঠে প্ৰেমৰ অনুভূতি। উৰুঙা মন, উদং পথাৰ, ৰিক্ত নৈ, বিল, জান জুৰি, সকলো ৰিঙা ৰিঙা ডেকা গাভৰুৰ মন উগুল থুগুল কিবা যেন নাই নাই তথাপি ফাগুন মানে ৰিক্ততা নহয়।

ফাগুন হ'ল আশা আকাংক্ষাৰ স্থলী, সৃষ্টি বতৰাৰ বাহক। ফাগুনত গছ বিৰিখৰ পৰা সৰি পৰা পাতে নতুন পাত ওলোৱাৰ বতৰা দিয়ে। সেয়ে হয়তো লঠঙা ডালত পৰি চৰাই চিৰিকতিয়েও বসন্ত সংগীতৰ ৰেৱাজ কৰে। ফাগুনৰ পছোৱাই মেলানি মাগিলেই বৰদৈচিলাজনী আহিব মাকৰ ঘৰলৈ। বতাহ বৰষুণে ধুৱাই লৈ যাব ফাগুনৰ ধূলিময় ৰূপ আৰু ফাগুন চ'তৰ শুকান পথাৰবোৰ হৈ উঠিব জীপাল। কুমলীয়া কুঁহিপাতে নোৱাই-ধুৱাই প্ৰকৃতিক ন-ৰূপেৰে সজাই ব'হাগ বিহুটিক আদৰিব। কুলি কেতেকীয়ে অনবদ্য গীতেৰে মোহনীয় কৰিব বসন্তক। শুকান বতাহে উৰুৱাই অনা ধূলি আৰু সৰাপাতে ফাগুনক প্ৰকৃতিৰ বৃদ্ধাৱস্থা বুলি চিহ্নিত কৰিব পাৰি যাৰ বোকোচাত উঠিয়েই ভূমুকি মৰা বসন্তক প্ৰকৃতিৰ নৱৰূপ আখ্যা দিয়া হয়। নতুনক আদৰিবলৈ ফাগুনে যেন স্বেচ্ছাই গ্ৰহণ কৰে বৃদ্ধৰূপ। এই ফাগুনক লৈয়ে সৃষ্টি হৈছে বহুতো কালজয়ী গীত, কবিতা আৰু বিভিন্ন সৃষ্টিৰ প্ৰেৰণাদায়ক ৰূপতো ধৰা দিছে ফাগুনে। সেয়ে ফাগুন আমাৰ সকলোৰে বাবে হওক নতুনৰ প্ৰতিশ্ৰুতি আৰু সুখৰ অনুভূতি।□□□

# গল্প সঁফুৰা





'নৱজ্যোতি' অষ্টবিংশতিতম্ সংখ্যা, ২০১৫-১৬ ইং বৰ্ষ

## নৰ পিশাচ

যাছমিন চিলিমা আহমেদ
স্নাতক দ্বিতীয় ষান্মাসিক, শিক্ষা বিভাগ

কি দোষ আছিল তাইৰ! সদায় আবেলি ওলাই যোৱাৰ দৰে সেই দিনাও তাই বয়ফ্ৰেণ্ডৰ লগত ওলাই গৈছিল ফুৰিবলৈ। হয়তো তাই দিনটো ক্লাচৰুমত থাকিবলগীয়া হোৱাত ভাগৰি পৰিছিল আৰু সেই কাৰণেই তাই ৰাঘৱক ফোন এটা কৰি মাতিছিল কোনো এখন পাৰ্ক নাইবা ৰেষ্টুৰেন্টত বহি কিছুসময় কথা পাতি একাপ কফি খোৱাৰ ইচ্ছাৰে। দামিনী এজনী গাঁৱলীয়া ছোৱালী হ'লেও তাই বেচ স্মাৰ্ট আছিল। পঢ়াশুনাত তাইৰ বৰ সুনাম আছিল। স্কুলৰ পৰা আৰম্ভ কৰি তাই কলেজলৈ সদায় প্ৰথম বিভাগত উত্তীৰ্ণ হৈছিল। সেই কাৰণে দেউতাকে তাইক ইউনিভাৰ্চিটিৰ শিক্ষাৰ কাৰণে কলিকতালৈ পঠিয়াই দিছিল। দামিনীৰ দেউতাক এজন স্কুলীয়া শিক্ষক। সাধাৰণ শিক্ষক হ'লেও এজন আদৰ্শবান ব্যক্তি হিচাপে সমাজত তেখেতৰ যথেষ্ট সুনামো আছে। তাইৰ মাকো এজনী সহজ সৰল শিক্ষিতা মহিলা। এওঁলোকৰ দামিনী আৰু কামিনী দুজনী ছোৱালী; দামিনী ডাঙৰ। দামিনী দেখাত বৰ ধুনীয়া, দীঘল চুলি কোছাৰে ওখ ক্ষীণ শৰীৰেৰে দামিনীজনী যেন সৰগৰ পৰীহে। ছোৱালী বুলি মাক-দেউতাকে কেতিয়াও অইন সা-সুবিধাৰ লগতে শিক্ষা-দীক্ষাৰ ক্ষেত্ৰত কেতিয়াও কৃপণতা কৰা নাই। সমাজৰ আন দহজন মানুহতকৈ দামিনীৰ দেউতাক আছিল সম্পূৰ্ণ পৃথক। দামিনীৰ পঢ়া শুনাৰ প্ৰতি বেচ আগ্ৰহ দেখি দেউতাকে মনে মনে তাইক প্ৰফেচাৰ হিচাপে গঢ়িবলৈ এটি ডাঙৰ সপোন অন্তৰত পুহি ৰাখিছিল। ল'ৰা সন্তান নাই বুলি তেওঁলোকে কেতিয়াও দুখ প্ৰকাশ কৰা নাই। দামিনীকে তেওঁলোকে ল'ৰা বুলি ভাবি লৈছিল। লাহে লাহে দামিনী গাভৰু হ'ল। ইংৰাজী বিষয়ত অনাৰ্ছলৈ ওচৰৰ কলেজ এখনৰ পৰা তাই অসমৰ ভিতৰত সৰ্ব্বোচ্চ নম্বৰ লাভ কৰি বি.এ. পাচ কৰে। দেউতাকে আশা কৰা ধৰণেই তাই এম.এ. পঢ়াৰ মানসিকতাৰে কলিকতাৰ এখন আগশাৰীৰ বিশ্ববিদ্যালয়ত নাম ভৰ্ত্তি কৰিলে। হোষ্টেলত থাকিবলগীয়া হোৱাৰ কাৰণে প্ৰথম অৱস্থাত তাইৰ পঢ়াত অলপ সমস্যাই দেখা দিছিল যদিও কিছুদিন পিছত তাই নিজকে হোষ্টেলীয়া পৰিৱেশত খাপ-খুৱাই ল'ব পাৰিছিল। প্ৰথম ছেমিষ্টাৰ পৰীক্ষাত তাই সুখ্যাতিৰে উত্তীৰ্ণ হৈছিল। দ্বিতীয় ছেমিষ্টাৰত পঢ়ি থকা সময়ত তাইৰ ৰাঘৱ নামৰ আই.আই.টি. পঢ়ি থকা অসমৰ ল'ৰা এজনৰ লগত চিনাকি হয়। বন্ধুত্বৰ পৰা সিহঁতৰ সম্পৰ্ক লাহে লাহে গভীৰ প্ৰেমলৈ ৰূপান্তৰিত হয়। ক্লাচৰ শেষত দুয়ো কেতিয়াবা কেতিয়াবা পাৰ্ক নাইবা ৰেষ্টুৰেন্টলৈ ফুৰিবলৈ গৈ মনৰ কথা পতাৰ লগতে ভৱিষ্যৎ জীৱন সম্পৰ্কে বহুতো আলাপ-আলোচনা কৰে। বিভিন্ন আলোচনাৰ মাজতে এদিন দুয়ো যুগ্ম জীৱন ৰচাৰ সপোন দেখিলে। ৰাঘৱ আৰু দামিনীৰ ঘৰ দুখনেও তেওঁলোকৰ সম্পৰ্কৰ কথা হাঁহিমুখেৰে মানি ল'লে আৰু তাৰ কাৰণে এটা শুভ দিনৰ কথা ভাবিবলৈ ধৰিলে।

ইতিমধ্যে দামিনীৰ এম.এ. আৰু ৰাঘৱৰ আই. আই. টি চূড়ান্ত বৰ্ষৰ ফলাফল ঘোষণা হোৱাত দুয়ো সৰ্ব্বোচ্চ স্থান লাভ কৰে। দামিনীয়ে কোনোবা কলেজ এখনৰ চাকৰিৰ কাৰণেও বাছনি

হয়। ইউনিভাৰ্চিটি এবাৰ আগদিনা ৰাঘৰে তেওঁলোকৰ আঙুঠি পিন্ধোৱা অনুষ্ঠানৰ কাৰণে কলিকতাৰ ভাল ভাল দোকানৰ পৰা কিছু বস্তু কিনাৰ বাবে দামিনীক ফোন এটা কৰি মাতিলে। জীৱনত যেতিয়া মনে বিচৰা ধৰণে কৃতকাৰ্য্যতা আহে তেতিয়া তাৰ আমেজটোও বেলেগ ধৰণৰ হয়। অইন দিনাৰ দৰে সেই দিনাও দামিনীয়ে ৰাতিপুৱা উঠি গা-পা ধুই সাজি কাচি ল'লে, মাত্ৰ অলপ ব্যতিক্ৰম হৈ চুৰিদাৰৰ সলনি তাই সিদিনা পিন্ধিলে কাহানিও নিপিন্ধা নতুন পোছাক এখন শাৰী। গোলাপীয়া ৰঙৰ শাৰীৰ লগত দীঘল কান ফুলিৰে তাইক সেইদিনা আৰু বেছি ধুনীয়া দেখাইছিল।

মনে মনে হয়তো কইনাৰ সাজত তাইক কেনেকুৱা লাগিব তাকেই ৰাঘৱক দেখুওৱাৰ ইচ্ছা হৈছিল। দহ বাজিবৰ কুৰি মিনিট আগতেই তাই ৰুমৰ পৰা ওলাই গ'ল আৰু কোৱা মতেই ইউনিভাৰ্চিটি মাৰ্কেটত ৰাঘৱক লগ ধৰিলে। তাইক দেখিয়ে ৰাঘৱে হাও বিউটিফুল বুলি চিঞৰি উঠে আৰু মোৰ ধুনীয়া কইনাজনী বুলি কৈ অলপ জোকালে। মাৰ্কেটৰ ৰেষ্টুৰেন্ট এখনৰ পৰা চাহ খাই দুয়ো বজাৰলৈ যাওঁ বুলি ৰাস্তাৰ কাষত বাছৰ অপেক্ষাত ৰৈ থাকিল। ডাঙৰ চহৰৰ বাছত হেনো নিৰ্দিষ্ট নম্বৰ থাকে আৰু সেই অনুসাৰে চহৰৰ বিভিন্ন অংশলৈ বাছসমূহে গতি কৰে।

ঠিক অলপ সময় পিছত তেওঁলাকে যাব ওলাৱা ঠাইলৈ যোৱা বাছখন আহিল আৰু কণ্ডাক্টৰে মাতি তেওঁলোকক বাছত উঠালে। বাছখনত তেওঁলোকৰ বাদে ছয় সাতজনমান যাত্ৰী আছিল আৰু গোটেই কেইজন যাত্ৰীয়ে আছিল পুৰুষ। দামিনীৰ ৰূপ লাবন্যই নে যাত্ৰীকেইজনৰ আগতীয়া চিন্তা আছিল সেইদিনা কোনোবা ছোৱালীক যাত্ৰী হিচাপে পালে দলবদ্ধ ধৰ্ষণ কৰি মাৰি পেলাব সেয়া কোনেও গম নাপালে। বাছখনে নিজৰ দিশত গতি ল'লে। এজনৰ পিচত এজনকৈ যাত্ৰীয়ে দামিনীৰ লগত অসং ব্যৱহাৰ কৰিব লোৱাত দামিনীৰ প্ৰেমিকে বাধা দিলে। কিন্তু তেওঁ যে নিৰুপায়; ৰাক্ষসহঁতে ৰাঘৱক বেয়াকৈ আঘাত কৰি বাছৰ পৰা দলিয়াই দিলে। দানৱ সদৃশ ৰাক্ষসহঁতে মুহূৰ্ততে দামিনীৰ গাৰ কাপোৰ টানি ছিঙি পেলায়। এজনৰ পিছত এজনকৈ ৰাক্ষসে তাইৰ শৰীৰৰ ৰূপ লাৱন্য আৰু সতীত্বক তচ নচ কৰি দিয়ে। পিশাচৰূপী কাপুৰুষসকলে তাইৰ শৰীৰটো ক্ষত বিক্ষত কৰি চলন্ত বাছৰ পৰা দলিয়াই দিয়ে। সেয়াই কাল হ'ল দামিনীয়ে চিৰদিনৰ কাৰণে পৃথিৱীৰ পৰা বিদায় ল'লে। দামিনীৰ মাক দেউতাকে তাইৰ অকাল আৰু হৃদয়বিদাৰক কৰুণ মৃত্যু শোকত একেবাৰে ভাঙি পৰিল। দামিনীতকৈ পাঁচ বছৰৰ সৰু কামিনীও পঢ়াত দামিনীৰ দৰেই আছিল যদিও তাইৰ দেউতাকে সেই নৰ পিশাচৰ ভয়ত কামিনীক উচ্চ শিক্ষাৰ ক্ষেত্ৰত বাধা দিলে; কামিনীকো যদি দামিনীৰ নিচিনাকৈ হেৰুৱাব লগা হয়।□□□

## কৌতুক

শিক্ষক ঃ পদ কেইটা আৰু কি কি?

ছাত্ৰ ঃ পদ দুটা। আপদ আৰু বিপদ।

শিক্ষক ঃ কাল কেই প্ৰকাৰ আৰু কি কি?

ছাত্ৰঃ কাল দুই প্ৰকাৰ। জীৱন কাল আৰু মৰণ কাল।

শিক্ষক ঃ কোৱাচোন গাধ আৰু মানুহৰ মাজত পাৰ্থক্য কি?

ছাত্ৰঃ মানুহক গাধ বুলি ক'ব পাৰি, কিন্তু গাধক মানুহ বুলি ক'ব নোৱাৰি ছাৰ।

সংগ্ৰাহক
মফিদা খাতুন
স্নাতক চতুৰ্থ ষান্মাসিক (কলা)





# এয়াই .... সঁচা প্ৰেম

নিলিমা খাতুন
স্নাতক দ্বিতীয় ষান্মাসিক (কলা)

বাৰিষা কাল। কিন্‌কিনিয়া বৰষুণ আৰু বতাহ বলি আছে। বৰষুণত তিতি বুৰি আহি তাই এখন স্কুলৰ সন্মুখৰ খেল পথাৰত থিয় দিলেহি। এই স্কুলখনৰ নাম ৰংপুৰ হাইস্কুল। স্কুলত পঢ়ি থকাৰ সেই সময়বোৰ কিমান যে স্ফুৰ্তিৰ দিন আছিল। সৌৰভহঁতৰ লগত কিমান খেল-ধেমালি কৰিছিল। সৌৰভ আৰু শেৱালিয়ে বহুদিন আগতে এই বিদ্যালয়ত একেটা শ্ৰেণীতে পঢ়িছিল। সৌৰভ সবাতোকৈ তীক্ষ্ণ বুদ্ধিৰ আৰু ভাল ল'ৰা আছিল। তাইয়ো ওখ, বগা, মিঠা বৰণীয়া চেহেৰাটোৰে বৰ ধুনীয়াজনীয়ে আছিল। স্কুলীয়া দিনতে দুয়ো দুয়োকে ভাল পাইছিল। এদিন দেখা-দেখি নহ'লেই দুয়ো থাকিব নোৱাৰিছিল। প্ৰতি দিনে স্কুল ছুটি হোৱাৰ পিছত দুয়ো নদীৰ পাৰত লগ হৈছিল। এনেদৰে তেওঁলোকৰ স্কুলীয়া দিনবোৰ অতিবাহিত হৈছিল। হাইস্কুলৰ শেষান্ত পৰীক্ষাত সৌৰভ প্ৰথম বিভাগত আৰু শেৱালি দ্বিতীয় বিভাগত উত্তীৰ্ণ হ'ল। প্ৰথম বিভাগত উত্তীৰ্ণ হোৱাৰ পিছত সৌৰভৰ দেউতাকে তাক গাঁৱৰ পৰা নগৰৰ কলেজত নাম লগাই দিলে। সৌৰভে পিছদিনা শেৱালিক নদীৰ পাৰত লগ ধৰি ক'লে - মই কালি গাঁৱৰ পৰা নগৰলৈ গুচি যাম। এই কথা শুনি শেৱালিৰ যেন ভৰিৰ তলৰ পৰা মাটি খহি পৰিল। শেৱালিয়ে একো ক'ব নোৱাৰিলে। তাই একেথৰে সৌৰভৰ চকুৰ ফালে চাই থাকিল। শেৱালিৰ চকুৰ পৰা পানী বাগৰি পৰিল। সৌৰভে শেৱালিৰ চকুৰ পানী মুচি দি ক'লে- তুমি কিয় কান্দিছা, মইতো তোমাৰ পৰা চিৰদিনৰ বাবে আঁতৰি নাযাওঁ। মই তোমাক ভালপাওঁ, আন কাকো মই ভাল পাব নোৱাৰো। তুমি ভালদৰে লিখা পঢ়া কৰিবা। শেৱালিয়ে একো ক'ব নোৱাৰি তলমূৰ হৈ ৰ'ল।

সাত বছৰ পিছত সৌৰভে এম.এ. পাছ কৰিলে আৰু গাঁৱত থাকিয়ে শেৱালিও উচ্চ শিক্ষাৰে শিক্ষিত হ'ল। সৌৰভে পাছ কৰিয়ে এখন কলেজত চাকৰি পালে। সৌৰভৰ দেউতাকে তাৰ বিয়াৰ বাবে এজনী ছোৱালী চাই ঠিক কৰি আহিল। সৌৰভে শেৱালিক লগ ধৰি ক'লে- 'তুমি মোক ক্ষমা কৰিবা', মোৰ বিয়া দেউতাই ঠিক কৰিছে। মই দেউতাৰ বিৰুদ্ধে একো ক'ব নোৱাৰিম। সৌৰভৰ কথাত শেৱালিৰ মূৰৰ ওপৰত যেন আকাশখন ভাঙি পৰিল। শেৱালিয়ে ক'লে, তেনেহ'লে তুমি মোক ভালপোৱা নাছিলানে? সৌৰভে একো ক'ব নোৱাৰি তলমূৰ হৈ ৰ'ল। শেৱালিয়ে সৌৰভক আগন্তুক বৈবাহিক জীৱনৰ বাবে শুভেচ্ছা যাঁচি ক'লে, 'যোৱা তুমি বিয়া পাতি সুখী হোৱা। কিছুদিন পিছত সৌৰভৰ বিয়া হৈ গ'ল। সুখে শান্তিৰে সৌৰভে বিবাহিত জীৱনটো অতিবাহিত কৰিব ধৰিলে। এইফালে শেৱালিৰ বহুতো ভাল ভাল ঘৰৰ পৰা বিয়াৰ প্ৰস্তাৱ আহিছিল। কিন্তু, শেৱালিয়ে সেই প্ৰস্তাৱ গ্ৰহণ নকৰিলে। তাই ক'লে, যে মই সৌৰভক ভাল পাওঁ আৰু ভৱিষ্যতেও পাই থাকিম। এনেদৰে শেৱালিৰ জীৱনো সময়ৰ সোঁতত আগবাঢ়ি থাকিল।

শেৱালিয়ে এদিন হঠাৎ গাঁৱৰ এজন লোকৰ মুখত শুনিলে যে সৌৰভৰ চকুযোৰ নষ্ট হৈ গৈছে। তেওঁ একোকে দেখা নাপায়। খবৰটো শুনি শেৱালিৰ ওৰে ৰাতি টোপনি নাহিল। তাই ৰাতিটো চিন্তা কৰিলে যে তাই সৌৰভৰ কাৰণে কি কৰিব পাৰে। শেৱালিয়ে ভাবিলে আৰু ক'লে যে মোৰতো কোনো নাই। কিন্তু সৌৰভৰ

পত্নী, ল'ৰা-ছোৱালী আছে। তেওঁলোকক কোনে চাব আৰু সঁচা ভালপোৱাতো কেতিয়াও শেষ নহয়। গতিকে মোৰ চকু দুটা সৌৰভক দিওঁ। মোৰ ভালপোৱাও যে তেতিয়া সাৰ্থক হ'ব। পিছদিনা তাই ডাক্তৰৰ লগত পৰামৰ্শ কৰিলে আৰু ক'লে যে মই মোৰ চকু দুটা সৌৰভক দিম। ডাক্তৰে ক'লে যে তোমাৰ চকু দুটা সৌৰভক দিলে তুমি অন্ধ হৈ যাবা। গতিকে মই এজনক অন্ধ কৰি আন এজনৰ জীৱন পোহৰাব নোৱাৰো। শেৱালিয়ে ক'লে যে মোৰ চকু থাকিও যে মই অন্ধ। মোৰ একো নাই। কিন্তু সৌৰভৰ সকলো আছে। পৃথিৱীৰ পৰা সঁচা ভালপোৱা কেতিয়াও শেষ নহয়, মই সৌৰভক ভালপাওঁ। আপুনি মোৰ চকুযোৰ সৌৰভক দিয়ক। ইয়াত মোৰ কোনো আপত্তি নাই। এই বুলি কৈ শেৱালিয়ে ডাক্তৰক কাকূতি মিনতি কৰিলে। ডাক্তৰেও শেৱালিৰ কথা মতে তাইৰ চকুযুৰি নি সৌৰভক দিলে। সৌৰভে এটা নতুন জীৱন পালে।□□□

## সৎ নিৰ্দেশনা

হৰেৰাম কুণ্ড
স্নাতক দ্বিতীয় ষাণ্মাসিক

ৰেলগাড়ী এখন ষ্টেচন আহি পোৱাত গাড়ীখনৰ পৰা এজন সাইবাবাৰ ভক্ত নামিল। তেওঁ জানিবলৈ পাইছিলযে এই চহৰখনত এটা ডাঙৰ সাইবাবাৰ মন্দিৰ আছে সেয়ে তেওঁৰ বহুত ভাল লাগিছিল। ষ্টেচনৰ পৰা ওলাই তেওঁ এজন অটোৱালাক ৰখাই ক'লে যে মোক অলপ সাইবাবাৰ মন্দিৰলৈ লৈ যাব লাগিছিল। অটোৱালাজনে ক'লে ২০০ টকা লাগিব। তেতিয়া সেই মানুহজনে নিজকে বুদ্ধিমান যেন দেখুৱাই ক'লে যে ইমান ওচৰতে ২০০ টকা, আপোনালোকে দেখোন মানুহক একেবাৰে লুটি আছে। হ'ব, নালাগে মই নিজেই খোজকাঢ়ি গুছি যাম। মানুহজনে নিজৰ বয়-বস্তুখিনিলৈ বহু দূৰ খোজকাঢ়ি গ'ল। পিছত তেওঁ আকৌ সেইজন অটোৱালাকে লগ পালে। তেওঁৰ বহুত ভাগৰ লাগিছিল গতিকে তেওঁ আকৌ সুধিলে— দাদা মইতো আধাতকৈ বেছি ৰাস্তা খোজকাঢ়ি আহিলো গতিকে এতিয়া ভাড়া কিমান ল'ব? অটোৱালাজনে উত্তৰত ক'লে ৪০০ টকা তেতিয়া ভক্তজনে ক'লে প্ৰথমে আপুনি ২০০ টকা খুজিলে এতিয়া আকৌ ৪০০ টকা, কিয়? অটোৱালাজনে ক'লে মহাশয় ইমান সময় ধৰি আপুনি সাই মন্দিৰৰ বিপৰীত দিশে খোজকাঢ়ি আছে। কিয়নো সাই মন্দিৰ বিপৰীত দিশতহে আছে। সেই মানুহজনে কোনো কথা নকৈ শান্ত হৈ অটোত বহি ল'লে। ঠিক সেইদৰে, জীৱনত আমি যেনেকৈ কোনো কাম গভীৰভাৱে চিন্তা-চৰ্চা নকৰি হঠাতে কামটো আৰম্ভ কৰি দিওঁ আৰু পিছত নিজৰ কষ্ট আৰু সময় নষ্ট কৰি সেই কামটো আধাতে এৰি দিওঁ। গতিকে, যিকোনো কাম কৰাৰ আগতে প্ৰথমে সম্পূৰ্ণ ৰূপে চিন্তা-চৰ্চা কৰি ল'লে ভাল, কাৰণ যিটো কাম আপুনি কৰি আছে সেইটো আপোনাৰ লক্ষ্যৰ কোনো এটা অংশ হয় নে নহয় বা আপুনি সঠিক দিশত গতি কৰিছেনে সেই সকলো কথা সকলো সময়তে মনত ৰখা জৰুৰী। দিশ সঠিক হ'লেহে কষ্টৰ সম্পূৰ্ণ ফল পোৱা যায় আৰু যদি দিশ ভুল হয় তেন্তে আপুনি যিমানেই পৰিশ্ৰম নকৰক কিয় কোনো লাভ নহয়। সেয়ে প্ৰথমে দিশ নিৰ্ণয় কৰক আৰু আগবাঢ়ি যাওঁক তেতিয়াহে উন্নতিয়ে আপোনাৰ হাতখনত স্পৰ্শ কৰিব।□□□





# আমাৰ আধৰুৱা কাহিনী

ছানিদুল ইছলাম
স্নাতক চতুৰ্থ ষাণ্মাসিক, ইতিহাস বিভাগ

ৰেহানৰ Social Network ত ব্যস্ত থকা আৰু বন্ধুৰ লগত ফুৰাই আছিল প্ৰতিদিনৰ দিনলিপি। কিন্তু ৰাত্ৰি নামৰ ছোৱালীজনীয়ে তাৰ জীৱনটো একেবাৰে পৰিবৰ্তন কৰি দিলে। ৰাত্ৰি মুখাৰ্জী আছিল ৰেহানৰ একেবাৰে বিপৰীত চৰিত্ৰৰ ছোৱালী। তাইৰ ঘৰ উত্তৰ বেংগলত কিন্তু তাই দক্ষিণ বেংগলত মাহীয়েকৰ ঘৰত থাকি পঢ়িবলৈ আহিছিল। ৰেহানৰ ৰাত্ৰিৰ লগত facebook ত চিনাকী হয়। ৰেহান আৰু ৰাত্ৰি দুয়োৱে facebook তে কথা বতৰা পাতে। এনেকৈয়ে এদিন তেওঁলোকৰ বন্ধুত্ব গঢ়ি উঠিল। এনেদৰে কিছুদিন চলি থকাৰ পাছত ৰেহানে ৰাত্ৰিৰ লগত দেখা কৰিব বিচাৰিলে। কাৰণ ৰাত্ৰিয়ে তাইৰ Facebook প্ৰফাইলত নিজৰ কোনো ফটো দিয়া নাছিল। ৰাত্ৰি দেখাত কেনেকুৱা আছিল তাক জানিবলৈ ৰেহানৰ বৰ মন গৈছিল। কিন্তু ৰাত্ৰিয়ে ৰেহানৰ প্ৰস্তাৱ মানি লোৱা নাছিল। ৰাত্ৰিয়ে ক'লে মই দেখাত বেয়া গতিকে মোক দেখা কৰি কি লাভ হ'ব আৰু আমাৰ দুয়োজনৰ বিচৰণ ভূমিও সম্পূৰ্ণ বেলেগ। কিন্তু ৰেহানে তথাপিও মানি লোৱা নাছিল। ৰেহানে এইবাৰ ৰাত্ৰিৰ ফোন নম্বৰ বিচাৰে। প্ৰথমে ৰাত্ৰিয়ে আপত্তি কৰিছিল কিন্তু পিছত কিয়বা তাই তাইৰ নম্বৰটো ৰেহানক দিয়ে। ৰেহান আৰু ৰাত্ৰি দুয়োৱে ফোনত কথা পাতিব আৰম্ভ কৰিলে আৰু লাহে লাহে সিহঁতৰ সম্পৰ্ক গভীৰ হ'ব ধৰিলে। ৰেহানৰ জীৱনত এনেকুৱা প্ৰথমবাৰ হৈছিল। আৰু সি বুজি পোৱা নাছিল এয়া প্ৰেম আছিল নে মাথো আকৰ্ষণ। কিন্তু ৰেহানে কেতিয়াও তাৰ মনৰ কথা ক'ব নোৱাৰিলে। সি ভাবিছিল যদি মনৰ কথা ক'লে ৰাত্ৰি আঁতৰি যায়। ৰাত্ৰিয়েও ৰেহানক বন্ধু হিচাপে ভাবিলেও তাৰ কাৰণে মনৰ মাজত এটা বেলেগ ভাৱে ঠাই কৰিছিল কিন্তু তাইও মনৰ কথা প্ৰকাশ কৰা নাছিল। এনেকৈয়ে সাত মাহ পাৰ হৈ যায়। কিন্তু সিহঁতৰ প্ৰেম অপ্ৰকাশিত হৈয়ে ৰ'ল।

৭ আগষ্টত ৰেহান তাৰ পৰিয়ালৰ লগত দিল্লীলৈ ফুৰিবলৈ যায় কিন্তু তাত গৈ তাৰ অলপো ভাল লগা নাছিল। বাৰে বাৰে ৰাত্ৰিৰ কথাই তাৰ মনত পৰি থাকে। এদিনাখন ৰাতি ৰাত্ৰিয়ে ৰেহানক ফোনত কয় যে এতিয়া তুমি অকলেই থাকিব লাগিব। মই চৰকাৰী নাৰ্চিং ট্ৰেইনিঙত যোৱাৰ সুযোগ পাইছো আৰু আজি ৰাতিয়ে উত্তৰ বঙ্গলৈ যাম। ৰাত্ৰিৰ কথা শুনি ৰেহান নীৰব হৈ গ'ল। কিছু সময় পিছত এটা কথাই ক'লে যে মই তোমাক লগ পাবলৈ ইমানদিন অপেক্ষা কৰিলো কিন্তু তুমি লগ নধৰিলা আৰু এতিয়া দেখা দেখি নোহোৱাকৈয়ে তুমি মোৰ পৰা আঁতৰি যাবা। ৰাত্ৰিয়ে ক'লে যে তোমাৰ লগত আৰু মোৰ দেখা নহ'ব। ৰাত্ৰিয়ে লগতে কয় যে মই বুজি পাইছো যে তোমাৰ মনত মোৰ কাৰণে এটা সুকীয়া ভাৱে গা কৰিছে কিন্তু সেয়া তুমি মোহাৰি পেলাব লাগিব। কথাটো কৈ ৰাত্ৰিয়ে ফোনটো কাটি দিলে। কিন্তু ৰাতি ট্ৰেইনত যোৱাৰ সময়ত ৰাত্ৰিৰ মনটো এনে লাগিল যেন তাই কিবা তাইৰ প্ৰিয় বস্তু এৰি থৈ দূৰলৈ আঁতৰি গৈছে। ৰাত্ৰি যোৱাৰ পিছত ৰেহানে সদায় তাইলৈ মনত পেলাই কান্দি থাকে আৰু ঈশ্বৰক কয় যেতিয়া অকলে আছিলো তেতিয়াই ভাল আছিল। কিয় অলপ সময়ৰ কাৰণে সুখ দি ঘূৰাই ল'লা, এই অলপ দিয়াৰ কি প্ৰয়োজন আছিল। সদায়ে কান্দি থকাৰ কাৰণে আৰু মন মাৰি থকাৰ বাবে ৰেহানৰ শৰীৰ

বেয়াৰ পিনে যায় আৰু বহুত দুৰ্বল হৈ পৰে। ৰেহানৰ ঘৰৰ মানুহ চিন্তিত হৈ পৰে আৰু ৰেহানক ডাক্তৰৰ ওচৰলৈ লৈ যায়। পৰীক্ষা কৰাৰ পিছত ডাক্তৰে ৰেহানৰ ব্ৰেইন কেনছাৰে শেষ পৰ্যায় পাইছে আৰু মাত্ৰ কেইদিনমানহে সি জীয়াই থাকিব বুলি কয়। ঘৰৰ মানুহৰ মাজত কন্দা কটা আৰম্ভ হ'ল। ৰেহানে নিজে ঘৰৰ মানুহক সান্ত্বনা দিয়ে। ৰেহানৰ চিকিৎসা চলি থাকিল যদিও প্ৰতিদিনাই ৰেহানে তাৰ মৃত্যুৰ দিন হিচাব কৰিবলৈ ধৰিলে।

দুমাহ পিছত তাৰ শৰীৰ আৰু বেছি বেয়া হৈ পৰে। ৰেহানৰ বান্ধৱী ৰিয়াই ৰাত্ৰিৰ কথা জানিছিল। এদিন ৰিয়াই ৰাত্ৰিক Online ত পাই ৰেহানৰ বেমাৰৰ কথা সকলো ৰাত্ৰিক কয়। ৰিয়াৰ কথা শুনি ৰাত্ৰি হতাশ হৈ যায় আৰু ৰেহান এতিয়া ক'ত আছে সোধে? ৰিয়াই ক'লে তেওঁক হাস্পতালত ভৰ্তি কৰা হৈছে। ৰাত্ৰিয়ে চকু পানী ধৰি ৰাখিব নোৱাৰিলে তাই গোটেই ৰাতি কান্দি থাকিল। পিচদিনাই ৰাত্ৰিয়ে ট্ৰেইন ধৰি ৰেহানক চাবলৈ আহে। দুৰ্ভাগ্য ক্ৰমে সেইদিনা ৰেহানৰ শৰীৰ বেছি বেয়া হৈ পৰে। ৰেহানে তাৰ মাকক ৰাত্ৰিৰ কথা সকলো কৈছিল। সি সেহাই সেহাই মাকক ক'লে— মা ৰাত্ৰি যদি আহে মোৰ পকেটত থকা চিঠিখন দিবা। কিন্তু তোমালোকে নুখুলিবা। কথাখিনি কৈয়ে ৰেহানে মাকৰ কোলাত মূৰটো থৈ কান্দিব ধৰিলে আৰু ক'লে মা মোৰ বেছি সময় নাই। কিছুসময় পিছতে ৰেহান চিৰদিনৰ বাবে সকলোকে এৰি আঁতৰি গ'ল। মাকৰ বুকু শুদা কৰি ৰেহান গুচি গ'ল। অলপ পিছতে ৰাত্ৰি হস্পিতালত উপস্থিত হয়।

ৰেহানৰ মাকে ৰাত্ৰিক পাই সাৱটি ধৰি কান্দিব ধৰিলে। ৰাত্ৰিয়ে ভাবিলে তাই নিজক শেষ কৰি দিব তাই আৰু জীয়াই নাথাকে কাৰণ তাই যে আহোতে পলম হ'ল। ৰেহানৰ মাকে ৰাত্ৰিক চিঠিখন দিলে আৰু ৰেহানে সেইখন তাইৰ কাৰণে থৈ গৈছে বুলি ক'লে। তাই চিঠিখন পঢ়িবলৈ ধৰিলে— "মই কৈছিলো নে তুমি আহিবা কিন্তু আহিলা বহুত দেৰি কৰি মই আৰু তোমাক চাব নোৱাৰিলোঁ। মই তোমাৰ কাৰণে বহুত অপেক্ষা কৰি আছিলো কিন্তু তুমি আহি নাপালা। আগলৈ তোমাৰ কাৰণে ৰৈ থাকিলো, যদি পুনৰ জন্ম বুলি কিবা আছে তেনেহ'লে তোমাৰ লগত আকৌ লগ হ'ব। তেতিয়া নিজৰ ভালপোৱাৰ কথা নিজৰ মুখেৰে কোৱা যেন। আজিৰ পৰা তোমাৰ আৰু মোৰ বিচৰণ ভূমি একেবাৰে বেলেগ।" চিঠিখন পঢ়ি ৰাত্ৰিয়ে নিজক চম্ভালি ৰাখিব নোৱাৰিলে তাই কান্দি থাকিল, কান্দিয়েই থাকিল। কাৰণ ৰাত্ৰিয়ে যে ৰেহানক কিমান ভাল পাইছিল, সেয়া তাই বুজিব পৰা নাছিল আৰু যেতিয়া বুজি পালে তেতিয়া বহুত দেৰি হৈ গ'ল। সেই কাৰণে তাই ৰেহানৰ মৃত্যু সহ্য কৰিব পৰা নাছিল। এতিয়া তাইক এটা কমৰ কোণত বন্ধ কৰি ৰখা হৈছে। কাৰণ তাই ৰেহানক বিচাৰি যে পগলা হৈ গৈছে। এতিয়া তাইৰ মুখত এটাই কথা মোৰ ৰেহান ক'ত গ'ল। মোক ৰেহানৰ ওচৰলৈ লৈ ব'লা। মই তাক এৰি জীয়াই থাকিব নোৱাৰো। চোৱা সি টোপনি গৈছে, তাক টোপনিৰ পৰা উঠিব কোৱা মোৰ লগত এবাৰ কথা ক'ব কোৱা। তাৰ ওপৰৰ বগা কাপোৰখন উঠাই দিয়া। মোৰ ৰেহানৰ লগত বহু কথা পাতিবলৈ আছে।□□□

## কৌতুক

পলু ঃ ছাৰ আজি ইমান টেন্‌চনত আছে কিয়?

শিক্ষক ঃ আজি আমাৰ ঘৰৰ ওচৰৰ এজন ল'ৰাই এটকা গিলি পেলাইছে আৰু তাৰ অপাৰেচন কৰোতে বহুত টকা লাগিব সেই কাৰণে টেন্‌চনত আছো।

পলু ঃ ইমান টকা খৰচ কৰি অপাৰেচন কৰি এটকা বাহিৰ কৰাৰ কি দৰকাৰ ছাৰ? আজিকালি এটকাত নো কি পোৱা যায়?

সংগ্ৰাহক
ছুফিয়া খাতুন
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ (কলা)



## ৪৫ তম্ মহাবিদ্যালয় সপ্তাহত অনুষ্ঠিত বিভিন্ন অনুষ্ঠানৰ কেতবোৰ বিশেষ মুহূৰ্ত


'কইনা প্ৰতিযোগিতা' ৰ উদ্বোধনী অনুষ্ঠানত অধ্যক্ষ মহোদয়ৰ সৈতে প্ৰতিযোগী সকলৰ একাংশ


'দৰা প্ৰতিযোগিতা' ত অংশগ্ৰহণ কৰা মুহূৰ্তত এজন প্ৰতিযোগী



গুৰু খেল বিভাগৰ উদ্বোধনী অনুষ্ঠানৰ এটি মুহূৰ্ত


শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীৰ মাজত আয়োজিত প্ৰীতি খেলৰ এটি বিশেষ মুহূৰ্ত


আলোচনী বিভাগৰ দ্বাৰা আয়োজিত বিভিন্ন প্ৰতিযোগিতাৰ উদ্বোধনী অনুষ্ঠানত ভাষণৰত অৱস্থাত অধ্যক্ষ মহোদয়


আলোচনী বিভাগৰ দ্বাৰা আয়োজিত থিতাতে লিখা গল্প প্ৰতিযোগিতাত অংশ গ্ৰহণকাৰীসকল


৪৫ তম্ মহাবিদ্যালয় সপ্তাহৰ মুকলি সভাত ভাষণৰত অৱস্থাত মুখ্য অতিথি ড° মুনিৰুল হুছেইন


মহাবিদ্যালয়ৰ প্ৰাচীৰ পত্ৰিকা "প্ৰজ্ঞা জ্যোতি" (ইং২০১৬ বৰ্ষ)ৰ উন্মোচক ড° মুনিৰুল হুছেইনৰ সৈতে অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰী


৪৫ তম্ মহাবিদ্যালয় সপ্তাহৰ মুকলি সভাৰ এটি মুহূৰ্ত

## ৪৫ তম্ মহাবিদ্যালয় সপ্তাহৰ বিভিন্ন শিতানত পুৰস্কাৰ প্ৰাপ্ত ছাত্ৰ-ছাত্ৰীসকলৰ একাংশ



পুৰস্কাৰ বিতৰণৰত অৱস্থাত অধ্যক্ষ মহোদয়



বঁটা প্ৰদানৰ মুহূৰ্তত প্ৰাক্তন ভাৰপ্ৰাপ্ত অধ্যক্ষ খন্দঃ আব্দুল গফুৰ মহোদয়




সহযোগী অধ্যাপক সুশীল কুমাৰ সৰকাৰ দেৱে বঁটা বিতৰণ কৰাৰ এটি মুহূৰ্ত



বঁটা প্ৰদানৰ মুহূৰ্তত সহকাৰী অধ্যাপক আব্দুল হালিম



বঁটা প্ৰদানৰ মুহূৰ্তত সহকাৰী অধ্যাপক শামচুল আলম



সহকাৰী অধ্যাপক ড° ইমৰুল হুছেইনে বঁটা প্ৰদান কৰাৰ মুহূ

## মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে অংশ গ্ৰহণ কৰা কেতবোৰ কাৰ্যসূচীৰ বিশেষ মুহূৰ্ত



USTM ত অনুষ্ঠিত ৰাষ্ট্ৰীয় বিজ্ঞান সমাৰোহত অংশ গ্ৰহণ কৰা আমাৰ মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা সমন্বিতে ছাত্ৰ-ছাত্ৰীসকল



ইং ২০১৫-১৬ বৰ্ষৰ ছাত্ৰ একতা সভাৰ বিষয়ববীয়া সকলৰ শপত গ্ৰহণ অনুষ্ঠান



পদাৰ্থ বিজ্ঞান বিভাগৰ দ্বাৰা আয়োজিত 'ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস' ত ভাষণৰত অৱস্থাত মহাবিদ্যালয়ৰ এজন ছাত্ৰ



পৰিৱেশ অধ্যয়ন পাঠ্যক্ৰমৰ অন্তৰ্গত ক্ষেত্ৰ অধ্যয়নত বৰডাংগা অঞ্চলৰ তথ্য সংগ্ৰহ কৰা অৱস্থাত মহাবিদ্যালয়ৰ শিক্ষাৰ্থীসকল



পৰিৱেশ অধ্যয়ন পাঠ্যক্ৰমৰ অন্তৰ্গত ক্ষেত্ৰ অধ্যয়নত বৰডাংগা অঞ্চলৰ তথ্য সংগ্ৰহ কৰা অৱস্থাত মহাবিদ্যালয়ৰ শিক্ষাৰ্থীসকল



পৰিৱেশ অধ্যয়ন পাঠ্যক্ৰমৰ অন্তৰ্গত ক্ষেত্ৰ অধ্যয়নত বৰডাংগা অঞ্চলৰ তথ্য সংগ্ৰহ কৰা অৱস্থাত ছাত্ৰ-ছাত্ৰীসকল



মহাবিদ্যালয় ছাত্ৰাবাসৰ ইং ২০১৫-১৬ বৰ্ষৰ আবাসী ছাত্ৰসকলৰ একাংশ



মহাবিদ্যালয় ছাত্ৰীনিবাসৰ ইং ২০১৫-১৬ বৰ্ষৰ আবাসীসকলৰ একাংশ

## নৱজ্যোতি মহাবিদ্যালয়ৰ ভাৰত স্কাউট-গাইড্ আৰু এন.চি.চি ৰ ছাত্ৰ-ছাত্ৰী সকলে অংশগ্ৰহণ কৰা বিভিন্ন কাৰ্যসূচীৰ একাংশ















# কবিতা কুঞ্জ



# অসমাপ্ত যাত্ৰা

এ. কুদ্দুচ
সহকাৰী অধ্যাপক, শিক্ষা বিভাগ

উলংগ মানৱতাৰ প্ৰাচীৰ ভাঙি
দেশান্তৰৰ দুৰ্গম যাত্ৰাত
যাবানে মোৰ লগত
কলিজাৰ তেজেৰে লিখা এখন
চিঠিৰ ঠিকনা বিচাৰি
যীশুখ্ৰীষ্টৰ দেশত?
ছভিয়েত ইউনিয়নৰ পৰা
জৰ্জনৰ মাৰ্কিন ঘাটি হৈ
ৰাষ্ট্ৰসংঘৰ স্বৰূপ উদঙাই
যাযাবৰী ইহুদীৰ ৰং চাবলৈ
যাবানে মোৰ লগত
আৰাফটৰ দেশলৈ?

নীল নদীৰ পলস পৰা
সেউজীয়া দুয়ো পাৰে
মানৱতাই ভেঙুচালি কৰা
বোমা বাৰুদৰ মাজত
ইতিহাস বুটলিবলৈ
যাবানে মোৰ লগত
আইচিচৰ দেশলৈ?

ম্যানমাৰৰ নদী তীৰত
মানৱতাৰ পোষ্ট ম'ৰ্টেম কৰি
গুজৰাট, নেলী কিম্বা মালেগড় হৈ
নাৰায়ণগুৰিলৈ
বুভুক্ষ আত্মাৰ কলৰৱ শুনিবলৈ
যাবানে মোৰ লগত
মহাত্মাৰ দেশলৈ?

বালিচৰত সোণ গুটি ৰোৱা
নৈৰ বুকুত ঠিকনা জাহ দিয়া
দিক্‌ভ্ৰান্ত শ্ৰমিকৰ
লিগেচি বিচাৰি
যাবানেকি মোৰ লগত
শংকৰ আজানৰ দেশত?
জীৱশ্ৰেষ্ঠ নৰাধমৰ
নগ্নতা ঢাকি
আখলাকৰ চৰিত্ৰ বিশ্লেষণ কৰা
টক্‌শ্ব' চাবলৈ
যাবানে মোৰ লগত
শাহৰান পুৰৰ কবৰগাহলৈ?

দেশ ভক্তিৰ অগ্নি পৰীক্ষাত
বাৰে বাৰে অৱতীৰ্ণ হোৱা(!)
আজাদ চৌকৎ মহম্মদৰ
কফিন বিচাৰি
বাৰ কোটি জনতাৰ স্বাভিমান উদঙাই
চাচাৰ প্ৰতিবেদন পঢ়িবলৈ
যাবানে মোৰ লগত
সংঘ পৰিবাৰৰ দেশলৈ?

××××

# নেতাৰ বানপানী

হাফিজুৰ ৰহমান
স্নাতক ষষ্ঠ ষান্মাসিক
ৰাজনীতি বিজ্ঞান বিভাগ

বানপানী, তুমি ইমান ভাল,
তুমি আহিলেই মই কামাব পাৰোঁ মাল।
পেলোৱা বা নেপেলোৱা পথাৰত,
পলস তুমি আহি,
তুমি আহিলেই মোৰ কিন্তু
মুখত ওলায় হাঁহি।
মই মন্ত্ৰী, মই এম.এল.এ.
মই ইঞ্জিনীয়াৰ, ঠিকাদাৰ
চিন্তা নাই, তুমি আহা আনন্দেৰে
তোমাক আদৰিম হাজাৰবাৰ।
খৰালি বহি থাকিম
বাৰিষা বালিৰ মথাউৰি বান্ধিম।
তুমি আহিবা তাণ্ডৱ দেখুৱাবা
মথাউৰি ছিঙি লৈ যাবা।
ৰাইজৰ পৰা চান্দা তুলিম
ৰিলিফ দিয়াৰ গুৰি ধৰিম।
চাউলৰ বস্তা, দাইলৰ বস্তা
বাহিৰে বাহিৰে নি বিক্ৰী কৰিম।
তুমি অহাৰ কাৰণে বছৰ বছৰ
হাজাৰ হাজাৰ মানুহ, গৰু মৰে
কাৰোবাৰ বুকু পুৰিলেও কিন্তু,
মোৰ আলমাৰি টকাৰে ভৰি পৰে।
চিন্তা কৰিব লগা একো নাই
ভগৱানৰ সৃষ্টি ভগৱানে চাব
যাক যি দিব লগা আছে
ভগৱানে হিচাপ কৰি কৰি দিব।

□□□





# নাৰী

ছৈয়দা হামিদা খাতুন
সহযোগী অধ্যাপিকা, অসমীয়া বিভাগ



নিজকে বিচাৰিছোঁ বহুবাৰ,
আনকি সপোনতো।
ডেউকা মেলি উৰিছো,
ন-কইনাৰ ওৰণিৰ তলতো।
জীৱনৰ প্ৰেমত পৰিছো
পাৰ ভাঙি পৰিছো।
জননীৰ জঠৰ কাৰাতো
সুৰক্ষা বিচাৰিছো।
নয়নত কাজল পিন্ধিছো
দগ্ধ কলিজাৰ ভষ্মৰে।
পানেশৈৰ কৰুণ বিননি
সভ্যতাৰ নগ্নতালৈ।
নেত্ৰৰ লোতকেৰে ধুইছোঁ
বৈ যোৱা জীৱনৰ এন্ধাৰ।
নিজকে বিছাৰিছোঁ বহুবাৰ
আয়নাৰ ভাষাত।
মানুহৰ কথাত।
পানীৰ ছায়াত।
মৃদু সুৰৰ ঝংকাৰত।
নুপুৰৰ আবেগত।
জেতুকাৰ আবিৰেৰে ঢকা
ক্লান্ত সেউজীয়া নাৰী....।

□□□

# কোননো তুমি মায়াবিনী?

মোস্তাফা মোবাৰক মুৰ্শ্বেদ
স্নাতক চতুৰ্থ ষান্মাসিক (বিজ্ঞান)

তোমাৰ নিষ্পাপ চকুৰ জোনাকী চাৱনিয়ে
মুখখনি উজলাই ৰাখে,
তোমাৰ গুলপীয়া ওঁঠ যুৰি
গোলাপৰ পাপৰি যেন লাগে।
তুমি হাঁহিলে আকাশৰ বুকুত
বিজুলিৰ ঢেৰেকনি মাৰে,
তোমাৰ ক্ৰন্দনত আকাশ ফালি
টোপা-টোপে বৰষুণ পৰে।
তোমাৰ চকুৰ চকুলো যেতিয়া
ওঁঠত এটোপাল ৰয়,
তেতিয়াই গোলাপৰ পাপৰিত
লাগি ৰোৱা নিয়ৰ এটোপালৰ
কথা মনত পৰে।

লক্ষ বছৰ ব্যাখ্যা কৰি
নোলাব তোমাৰ ৰূপৰ অন্ত,
হয়তোবা যিয়ে তোমাক স্ৰজিছে
সেয়েই তোমাক দেখি হ'ব দিশভ্ৰান্ত।

তুমি মন্দাকিনি নে অপেশ্বৰী
নে কোনোবা এজনী সৰগী পৰী,
আচলতে তুমি কোন
কোন নো তুমি মায়াবিনী?

□□□

## ছানাবানি তোমালৈ শুভকামনা

ইনিয়াৰা খাতুন
স্নাতক দ্বিতীয় ষান্মাসিক, অসমীয়া বিভাগ

পোন্ধৰ বছৰীয়া এটি সত্তা
নাম যাৰ আব্দুলা অল ছানাবানি
যুদ্ধ বিধ্বস্ত য়েমেনত
উজলি উঠিছিল
পপীয়া তৰা যেন ছানাবানি।
যুদ্ধৰ ধামামা বাজি থকাৰ মাজতো
অংকুৰিত হ'বলৈ ধৰিছিল
এটি প্ৰতিভা,
বিজ্ঞানী হোৱাৰ সপোন পুহি ৰখা
বিস্ময় বালক, আব্দুলা অল ছানাবানি
আন্তৰ্জাতিক এক প্ৰতিযোগিতা, ২০১২ত
বিশ্ববাসীৰ ওচৰত পৰিচয় দিছিলা
শিশু বিজ্ঞানী বুলি।
কিন্তু ! ৭ অক্টোবৰ ২০১৫ ৰ
সেই কালিমাসনা নিশাৰ ৯.৩০ বজা
পিশাচহঁতে নিক্ষেপ কৰা
এটা ক্ষেপণাস্ত্ৰই
থানবান কৰি দিলে সকলো।

আন বহুতৰে স'তে
ক্ষত বিক্ষত দেহাৰে
জৰ্জনৰ কোনোবা হস্পিটালত
যুঁজি আছে মৃত্যুৰ স'তে!

এতিয়া বহুতৰে মনত এটাই শংকা
অস্তমিত হৈ পৰিব নেকি
বিজ্ঞানী হোৱাৰ সপোন?
পৃথিৱীৰ চুক কোণৰ পৰা
শুভাকাংক্ষীসকলে
কৰি আছে মিনতি, নেদেখাজনলৈ
সুস্থ হৈ উঠা তুমি
আকৌ, অংকুৰিত হৈ উঠক
তোমাৰ প্ৰতিভা....।

□□□

## মহাবিদ্যালয় 'নৱজ্যোতি'

মফিদা খাতুন
স্নাতক চতুৰ্থ ষান্মাসিক (কলা)

মহান ব্যক্তিসকলৰ আপ্ৰান প্ৰচেষ্টাত
গঢ় দিয়া এই
মহাবিদ্যালয় নৱজ্যোতি।
জ্ঞানৰ সাগৰ তুমি
নানা ধৰ্ম বৰ্ণ জাতিৰ মিলন ভূমি,
সকলোকে নিজ সন্তান ভাবি
শিক্ষাদান দিয়া তুমি।
মোৰ এই
মহাবিদ্যালয় নৱজ্যোতি
বিজ্ঞ বিজ্ঞ শিক্ষক-শিক্ষয়িত্ৰীয়ে
তোমাক আঁকোৱালি লৈ
লৈ যায় আমাক জ্ঞানৰ শিখৰলৈ
গৌৰৱ আমাৰ
গৌৰৱ এই দেশৰ
তুমি মহাবিদ্যালয় নৱজ্যোতি
মোৰ প্ৰাণৰো প্ৰাণৰ।

□□□





## ছদ্মবেশী

তাহমিনা খাতুন
স্নাতক ষষ্ঠ ষান্মাসিক, অসমীয়া গুৰু বিষয়

দিবাকৰত শান্তিৰ পোছাকধাৰী
আমি এতিয়া ক'ত?
প্ৰিয়তকৈ প্ৰিয় আমাৰ
বুকুৰ কুটুম আন্ধাৰত
অংকিত হোৱা ছবিত
এয়াই নে আমি?

দিনকৰ! তোমাৰ কাৰণে
ধন্য আমি,
গহন বনত এয়া আমি
ৰাম নে ৰাৱণ?
জানা দিবাকৰ.....?
তোমাৰ আলফুলিয়া পৰশত
মত্ত আমি....
এয়া কি......!!
নিজকেও যে চিনিব নোৱাৰো
তোমাৰ আৰ্চিত......

ভদ্ৰতাৰ মুখা পিন্ধা
এয়া মই কোন?

বহুপৰ বাট চালো
অ, এয়া
ভদ্ৰ গাড়ীত ভদ্ৰ সমাজ....
উহঃ কি যন্ত্ৰণা!
জানা! দিনবন্ধু...?
মোৰ যে ভুল হ'ল!
তুমি চিনাই দিয়া
সেই ভদ্ৰ সমাজৰ সিহঁত নহয়!!
ৰজনীৰ আৰ্চিত সিহঁত যে অইন!

উহঃ কি প্ৰৱঞ্চনা...!!
এন্ধাৰত মোৰ লগৰী ছাঁ
তুমিও কৰিলা প্ৰৱঞ্চনা?
তুমিও ওলালা আমাৰ দৰে—
তুমিও ওলালা সকলোৰে দৰে
মুখাপিন্ধা ভেৰোণিয়া,
ছদ্মবেশী..........???

□□□



## বৰ্তমানৰ অসম

শ্বহিদুল ইছলাম
স্নাতক চতুৰ্থ ষান্মাসিক, বিজ্ঞান শাখা

অতীতৰ অসম নাই আজি,
মাজে মাজে ধৰ্মঘট, পৃথক ৰাজ্যৰ দাবী।
প্ৰাকৃতিক দুৰ্যোগত ভুগি ৰাইজে কৰে অনশন
সেই সুযোগত চৰকাৰে কৰে বিদেশ ভ্ৰমণ।
সন্ত্ৰাসৰ কাৰ্যকলাপ চলাইছে দিনে দুপৰে
তাকে দেখি পুলিচে চকু মুদি থাকে।
ৰাইজৰ স্বাৰ্থত নহয়, নিজৰ স্বাৰ্থত চৰকাৰ চলে
আনৰ লগত নহয় নিজৰ মাজত কাজিয়া কৰে।
অসমৰ উন্নতিৰ কথা চৰকাৰে নানে মনলৈ
কেৱল মাত্ৰ ব্যস্ত থাকে বিদেশত ঘৰ সাজিবলৈ
কেতিয়া গঢ়ি উঠিব অসমৰ মিলাপ্ৰীতি
কোনে কৰিব অসমৰ উন্নতি।

□□□

# সন্ত্ৰাস

মাজিদুল ইছলাম
স্নাতক চতুৰ্থ ষান্মাসিক, আৰবী বিভাগ

সন্ত্ৰাস ......... সন্ত্ৰাস.............সন্ত্ৰাস.............
আমাৰ চাৰিওঁফালে
কেৱল সন্ত্ৰাস।
কোনোবাই পাৰিবনে ইয়াক
নিঃশেষ কৰিবলৈ।
সন্ত্ৰাসৰ কাৰণে আজি
আমাৰ দেশখন
যাব নোৱাৰে আগুৱাই
নিব নোৱাৰে উন্নতিৰ উচ্চ শিখৰলৈ।
সন্ত্ৰাস....সন্ত্ৰাস.....সন্ত্ৰাস
আমাৰ চাৰিওঁফালে
কেৱল সন্ত্ৰাস।
সন্ত্ৰাসৰ কাৰণে আমি
বাহিৰত ওলাব নোৱাৰো।
সন্ত্ৰাসৰ বাবে
মাতৃ জননী আইৰ বুকুখন
তেজেৰে ৰাঙলি হয় কিয়?
কোনোবাই দিব পাৰিবনে
ইয়াৰ সঠিক উত্তৰ?
আমি সকলোৱে মিলি
আমাৰ দেশখন কেতিয়াও
সন্ত্ৰাসৰ হাতত এৰি নিদিও
সন্ত্ৰাসৰ মাজেৰে আমাৰ দেশখন
নিজৰ অন্তৰৰ মাজত
আকোঁৱালি লৈ ধৰি ৰাখিম।
আমি এদিন নহয় এদিন




সফল হ'ম
আমি হাতে হাত ধৰি
আমি খোজে খোজ মিলাই
আমাৰ সোণৰ অসমখন
আগুৱাই লৈ যাম।

□□□







# শিক্ষক দিৱস

নুৰ আলম খান
স্নাতক চতুৰ্থ ষান্মাসিক,
প্ৰাণী বিজ্ঞান বিভাগ

কিনো দি পুজিম আজি, কিনো দিম উপহাৰ
দিবলৈ একোকে নাই, মোৰ হাতত
কৰিছো মাথো স্মৰণ।
আপোনাৰ জীৱনযোৰা প্ৰচেষ্টাই
বিয়পাইছে চৌদিশে জ্ঞানৰ পোহৰ
কিন্তু আপোনাক দিবলৈ একোকে নাই, মোৰ হাতত
ঋণৰ টোপোলা কঢ়িয়াই ফুৰিছো
নোৱাৰো কৰিব পৰিশোধ।
ৰবিৰ কিৰণবিনে যিদৰে জগত আন্ধাৰ
আপোনাৰ অবিহনে আমাৰো জীৱন আন্ধাৰ
ৰবিৰ পোহৰে যিদৰে কৰে জগত পোহৰ
আপুনিও কৰিলেহি আমাৰ জীৱন পোহৰ।
হে মোৰ পুজনীয়া গুৰু, কৰাহে ক্ষমা আমাক
পাহৰিছে নৱপ্ৰজন্মই দিবলৈ মৰ্যাদা তোমাক
কিনো দি পুজিম আজি, কিনো দিম উপহাৰ
দিবলৈ একোকে নাই, মোৰ হাতত

□□□

# বসন্ত

মিজানুৰ ৰহমান
স্নাতক দ্বিতীয় ষান্মাসিক, অৰ্থনীতি বিভাগ

বসন্ত ঋতুত কুলিয়ে মাতে
কুউ কুউ বুলি
জনাই দিয়ে যেন
বিহু আহিছে বুলি।
বহাগত আহে বসন্ত
লওঁ বিহুৱান,
বহাগতে গাওঁ বিহুগীত
বিহুৱতীয়ে নাচে বিহু।
বহাগতে প্ৰকৃতিয়ে নতুন পাত সলায়
পৃথিৱী হয় সেউজী জ্যোতিৰে
জ্যোতিস্মান।
মোহিত কৰি পেলায়,
পথাৰবোৰ আকৌ যেন
সেউজীয়া বৰণে বুৰায়।
প্ৰকৃতিৰ ৰং ৰূপে জেউতী চৰায়
তাকে দেখি মানুহৰ মন
আবেগ জুৰায়।
বসন্ত! তুমি যেন আকৌ আহিবা
মানুহৰ ৰংবোৰ ৰঙীয়াল কৰিবলৈ
কি যে অপৰূপা তুমি
দেখিলেই মন জুৰায়
তোমাৰ স্মৃতিবোৰ সদায়
মনতে ৰৈ যায়।

□□□



# জীৱন

নীলিমা খাতুন
স্নাতক দ্বিতীয় ষান্মাসিক (কলা)

জীৱনটো এটা সহজ সৰল অংক
য'ত সুখবোৰ হয় যোগ
দুখবোৰ হয় বিয়োগ
আনন্দবোৰ হয় পূৰণ
বেদনাবোৰ হয় হৰণ,
কেৱল বাকী থাকে আশা।
যি কেতিয়াও শেষ নহয়
জীৱনত আশা আছে মানে চেষ্টা নেৰিবা
জীৱন আছে মানে হাঁহি থাকিবা
হৃদয় আছে মানে ধৈৰ্য ধৰিবা।
যদি জীৱনত কৰা নাই ভুল
তেন্তে জীৱনটো হ'ব তোমাৰ
ফুলি থকা এপাহ গোলাপ ফুল।
জীৱন আজি আছে মানে কাইলৈ নাই
যত কিছু আশা নকৰা কিয় ?
এদিন তোমাৰ আহিব মৰণ
মাটিৰ মানুহ তুমি ৰাখিবা স্মৰণ।

□□□

# বিধাতাৰ নিষ্ঠুৰ অভিশাপ

মোহবুৰ হাচিনা পাৰবিন
স্নাতক চতুৰ্থ ষান্মাসিক, শিক্ষা বিভাগ

বিধাতাৰ নিষ্ঠুৰ অভিশাপে
থৈ গ'ল মোক অকলশৰীয়াকৈ
ক'ব নোৱাৰো কি পাপ কৰিছো
যাৰ বাবে আজি অভিশাপত ভুগিছো।
সহ্য কৰিব নোৱাৰো এই অভিশাপৰ
বেদনা..........
নোৱাৰো থাকিব তোমাক এৰি।
নাজানো থাকিব লাগিব বা
কিমান দিন তোমাৰ পৰা আঁতৰি
ভাবিলে হেৰাই যায় মোৰ
হিয়া ভৰা সপোন।
বিধাতাৰ এই অভিশাপে
তোমাৰ পৰা আঁতৰি
হৃদয়খন যায় মোৰ পুৰি
তথাপি দেখুৱাব নোৱাৰো
হৃদয়খন ফালি।
শৰীৰত এক ফোট তেজ থকালৈকে
দিব নোৱাৰো তোমাক মই ফাঁকি।
হয়তো এদিনাখন মুক্তি পাম
এই অভিশাপৰ পৰা
তেতিয়া একেলগ হ'ম তোমাৰ লগত।
কৰিবলগীয়া নাই মোৰ একো
সাঁচি ৰাখিছো হৃদয়ত মাথো
তোমাৰেই সপোন।



□□□





# হৃদয়ৰ বতাহ জাক

আলমিনা খাতুন
চতুৰ্থ ষান্মাসিক, আৰবী বিভাগ

নিশা গভীৰ হৈ আহিলেই
আবেগিক হৈ পৰে মন
উৰা মাৰি যায়
এখন নিৰ্জন দেশলৈ
নিৰ্ভীক মনটোও কঁপিবলৈ ধৰে
সপোনৰ ডেউকা ভাঙিব বুলি
বৰ জোৰেৰে বলিছে বতাহজাক
টোপনিও অহা নাই আজি
লানি নিছিগা ভাবনাবোৰ বুকুতলে
জোনটোৰ স'তে খন্তেক কথা পাতিছো
সপোনৰ নিমিত্তে মই এজনী মানুহ
দেখিছো অন্ধকাৰ আকাশ
ক্ষীপ্ৰ বেগেৰে বলিছে বতাহজাক।



□□□





# মেগাজিন

নাজমা খাতুন
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ

মেগাজিন মেগাজিন
কিযে আনন্দৰ কথা
মেগাজিনত প্ৰকাশ পায়
আনন্দৰ পূৰ্ণ লিখা।
মেগাজিনত কবিতা গল্প
সকলো প্ৰকাশ পায়
সেইখিনি পঢ়ি ছাত্ৰবোৰে
বহু জ্ঞান পায়।
মেগাজিনৰ কবিতা পঢ়ি
মনত আনন্দ লাগে।
কিছুমান গল্প পঢ়ি
শিক্ষাৰ প্ৰতি ধাউতি জাগে।
মেগাজিন পঢ়া সকলো ছাত্ৰ-ছাত্ৰীৰ
অতি প্ৰয়োজন
ই যে শিক্ষাৰ এটা অঙ্গ
যিয়ে প্ৰফুল্ল কৰে মন।

□□□

# মোৰ দৃষ্টিত তুমি

মোঃ হাফিজুৰ ৰহমান
স্নাতক দ্বিতীয় ষান্মাসিক,
ৰসায়ন বিজ্ঞান বিভাগ



মোৰ দৃষ্টিত তুমি.........
সুগন্ধি সুন্দৰ এপাহী গোলাপ,
তোমাক চুই চাবলৈ
ৰবকৈ মন যায়।
মই যে এতিয়া
তোমাৰ বাবে নিৰুপায়।
কলিৰ পৰাই চাই
আছো মাথো তোমাক
লাহে লাহে কলিৰ পৰা
ফুল হ'লা তুমি
তোমাৰ প্ৰতিপাহ পাহিয়ে
জনাইছে মোৰ হৃদয়ক আদৰণি।
তোমাৰ মধুৰ সৌৰভে
মাতাল কৰিছে ভোমোৰাক,
যাব পৰা নাই
মই কাষলৈ তোমাৰ
কাঁইটে আগুৱা তুমি,
হয়তো তুমি বেছিদিন
এইদৰে নেথাকিবা।
কোন ভোমোৰাই বা পান
কৰিব তোমাৰ মৌ সুধা,
সেই দিনাৰ পৰাই নহ'ব
তোমাৰ লগত মোৰ দেখা।
তোমাৰ হ'ব স্বৰ্গ
মোৰ হ'ব শেষ নিশা,
তোমাৰ হ'ব শান্তিৰ ঘৰ
মোৰ হ'ব অশান্তিৰ ঠিকনা।
থানবান হ'ব মোৰ মন মন্দিৰ।।

□□□

# মানৱতা ক'ত

আলমিনা খাতুন
স্নাতক চতুৰ্থ ষান্মাসিক,
আৰবী বিভাগ



মানুহ তুমি পিছে ক'ত তোমাৰ মানৱতা
নিজৰ স্বাৰ্থৰ হকে আনক ঠগাইছা
অকনি সুখৰ আশাত শত
হৃদয়ত দুখ যাঁচিছা।
আনন্দ উল্লাসৰ নামত
বেদনাৰ সোঁত বোৱাইছা
ভালপোৱা প্ৰেমৰ ঠাইত
হিংসা প্ৰবঞ্চনাৰ বীজ ৰুইছা
মৰম ভৰা সুন্দৰ হিয়াত
বিষাদৰ ছবি আঁকিছা
ভাতৃত্ব চেনেহ য'ত
কন্দল লগাইছা।
আনক ৰাখি হেয় জ্ঞানত
মহান হ'ব খুজিছা
হে জীৱ শ্ৰেষ্ঠ মানুহ
তোমাৰ মানৱতা ক'ত?
এবাৰ জানো ভাবিছা।

□□□






# জন্মভূমি

আবুল হাছান
স্নাতক চতুৰ্থ ষান্মাসিক, ইতিহাস বিভাগ

এই দেশতে জন্ম ল'লো,
জন্ম লৈয়ে ধন্য হ'লো
পবিত্ৰ মোৰ এই দেশ
নাই কোনো জাতিৰ ভেদা-ভেদ
হিন্দু ও মুছলমান
আছে মাথো এটা জাতি
সি হ'ল মানৱ জাতি।
দেশদ্ৰোহী সকলে
নিজৰ স্বাৰ্থৰ কাৰণে
সিঁচি দিছে সাম্প্ৰদায়িকতাৰ বীজ
সেই বীজ আমি উফৰাই দি
প্ৰেমৰ বীজ সিচিম।
আমি নতুন প্ৰজন্মই
লৈছো যে সংকল্প
বোৱাই দিম প্ৰেমৰে বাণী
দেশৰ ইমূৰৰ পৰা সিমূৰলৈ।



□□□

# বন্ধুত্ব

ৰাববুল আলম
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ (কলা)



নদীৰ দৰে বৈ যায়
সাগৰৰ দৰে গভীৰ
য'ত আছে এবুকু মৰম
নীৰৱ ই আকাশৰ দৰে
য'ত আছে কোমলতা
আছে ত'ত আনন্দতা
যাৰ নাই কোনো অন্ত
তাৰ নামেই বন্ধুত্ব।

□□□

## সপোন

ইনচান আলী
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ (বিজ্ঞান)

সকলোৰে দেখো ৰঙীন
সপোন
মোৰ সপোনেই হ'ল
জীৱনৰ আপোন
সপোনেই হ'ল মোৰ
জীৱনৰ আশা
সপোনেই মোৰ জীৱনৰ
নিৰাশা
চাই থাকো মই
ৰঙীন দাপোন
সঁচা হ'ব যেন মোৰ
জীৱনৰ সপোন
সপোনত ডুবি আছো মই
শেষ হৈ যেন নাযায়
এই ৰঙীন সপোন।




□□□

## দেশ প্ৰেম

ছৈয়দ নছিম আখতাৰ
স্নাতক চতুৰ্থ ষান্মাসিক (বিজ্ঞান)

কি হৈছে বাৰু এইবোৰ?
কিহৰ শব্দ এয়া, গুৰুম্ গুৰুম্?
বন্দুকৰ নে বোমা বাৰুদৰ?
আকাশখনো ধূসৰিত; কিয়?
নিশ্চয় কৰবাত যুদ্ধ লাগিছে।
হয়, সঁচাকৈয়ে যুদ্ধ লাগিছে।
এতিয়া যুদ্ধলৈ যাব কোন?
আছেনে ক'ৰবাত এই দেশৰ
কোনোবা সাহসী বীৰ?
কাৰোবাৰ দেহত আছেনে?
ভাৰত মাতৃৰ তপত তেজ?
যি আগবাঢ়িব সাহসেৰে
দেশমাতৃৰ জয়ৰ পতাকা উৰুৱাবলৈ।
যুদ্ধৰ বিপদ সংকুল পথেৰে আগবাঢ়ি
কোনে পদাৰ্পণ কৰিব ৰণথলীত?
মৃত্যুক সাৱটি আগুৱাবনে কোনোবাই
দেশ মাতৃৰ মান ৰাখিবলৈ?
হে, ভাৰত মাতৃৰ বীৰ জোৱান
ভীত ক্লান্ত নহ'বা গুলিৰ শব্দত
আগুৱাই যোৱা বীৰ দৰ্পে
বাধা দিয়া শত্ৰুপক্ষক।
তোমাৰে দেহত আছে
দেশ মাতৃৰ তপত তেজ।
বাহুত আছে অদম্য শক্তি।
জাগ্ৰত কৰা সেই শক্তিক,
জয় কৰা দেশৰ মান
জয় হওঁক, ভাৰতৰ অমৰ জোৱান।



□□□





## বাট চাই থাকিলোঁ

আব্দুৰ ৰহমান
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ (বিজ্ঞান)

তুমি আহিবা বুলি
বাট চাই থাকিলো
কিমান যে মানুহক সুধিলো
গোটেই দিনটো মই
তোমাৰ বাবে অপেক্ষা কৰিলোঁ
তুমি যে কিয় নাহিলা
তাকে বুজিব নোৱাৰিলোঁ।
উদাসী হৈ গ'লো
কিমান যে ঠাই
ভ্ৰমণ কৰিলোঁ
তথাপিও যে কিমান বিচাৰিলোঁ
তোমাক কতো যে নাপালো
মোৰ মনৰ কথা কব নোৱাৰিলোঁ
তোমাৰ প্ৰেমত পৰি
জ্বলি মৰিলো
কোনোবা দিনা তোমাক পাম বুলি
বাট চাই থাকিলোঁ।



□□□

## মোৰ গাঁও

মুছাৰফ হুছেইন
স্নাতক দ্বিতীয় ষান্মাসিক
অসমীয়া বিভাগ

ধুনীয়া গাঁওখনি মোৰ
সকলোৰে অতি মৰমৰ
গাঁৱৰ পশ্চিমে আছে ৰূপালী এখন নদী
আছে বহুত মাছ, কাছ, ঘড়িয়াল আদি
সোণোৱালী ধাননি সেউজীয়া বননি
আটাইতকৈ ধুনীয়া মোৰ গাঁওখনি
কত যে দেশ বিদেশ ঘুৰি ফুৰিলো
আমাৰ গাঁৱৰ নিচিনা সুন্দৰ গাঁও ক'তো নাপালো
মোৰ গাওঁ 'নাম্বাৰ পাৱা'ক পালো মই চিনি
লম মই সকলোকে মৰমেৰে জিনি
জন্ম যদি লৈছো এদিন এৰিবই লাগিব গাঁও
মৰিয়ো মই তোমাক পাহৰি নাযাওঁ।

□□□



## ENGLISH SECTION







# Secrets of Success

**Md. Nazmul Hoque**
Associate Professor
Deptt. of English

**FRIENDS,** very often we hear amazing and unbelievable success stories of giant entrepreneurs, political leaders, scientists, religious Gurus and other great men of the world whenever we participate seminars, Talks, Meetings, Annual Meets etc. held and organized by different organizations of the society including Schools, Colleges and Universities. Sometime we speculate,- are the winners made differently? Did they not fail at all? How do they overcome obstacles? What are the secrets working behind their success? etc, etc. Fortunately the winners are not made differently. But they work differently and persistently till they reach their goals. They select their goals/ visions and take determination to go ahead launching their mission to the route of the road-maps prepared by themselves destined to their goals. We all must have a clear goal of our lives. Without a clear goal our daily duties may become drudgery. But if you know your life's goal it will increase your motivation and satisfaction as you will see how your daily activities help to accomplish that goal. In the early 1960's President Jhon F Kennedy set a goal of putting an American on the moon by the end of the decades 1969. Accordingly Neil Armstrong took his one small step on the moon. A determination and a specific goal helped NASA to achieve a major milestone in the history.

Now, what is a determination? Determination is a positive emotional feeling that involves persevering towards a difficult goal in spite of obstacles. It occurs prior to attainment of goal and serves to motivate behavior that helps to achieve one's goal. The self determination theory proposes that, 'social and cultural factors influence an individual's sense of personal volition and initiative in regard to goals'. The appraisal theory proposes that, "determination is associated with effortful optimism, referring to the belief that a situation can be improved with enough effort from the individual". Determination

is a positive emotion that prepares an individual to overcome obstacles in the midst of hurdles to reach his goal. For example during the last decades of nineteen century Jamsedji Nusserwanji Tata took a decision to set up an industry to produce steel in India. At that time India had raw materials available but not the technology to do. Hence he went to London and met the Steel Manager there and discussed about steel fabrication technology. The British steel industrialists told Jemsedji, "If you Indian can make steel we Britishers will eat it". But Jemsedji was not discouraged. His indomitable spirit encouraged him. He was determind to set up his dream industry and crossed the Atlantic and got the steel production technology from the USA with all the Blue Prints and prepared a roadmap and selected Jamsedpur as to be the right place to install the first Steel Plant of India. And today Tata Iron and Steel Company of Jamsedpur is producing five million tones of steel.

And Dhirubhai Ambani, an industrial tycoon, a global conglomerate, born in Gujrat started his entrepreneurial career by selling "Pakora" to pilgrims in Mount Girnar over the weekends. When he was 16 years old he moved to Aden, Yemen. He worked with A. Besse & Co. for a salary of Rs. 300/-. In 1962 Ambani returned to India and started the Reliance Commercial Corporation to import polyster yarn and export spices. The first office of the Reliance Commercial Corporation was set up at the Narsinatha street in Masjid Bunder. It was a 350 sqft room with a telephone, one table three chairs and two Assistants to help them to their business. He founded the Reliance Industries. He has written his own story and became the hero of his story. What are the secrets of his amazing success? What made him Dhirubhai Ambani? Lets hear from him.

He said :-

1. Think big, think global.
2. There is no invitation for making profits.
3. Jump from one orbit to the next. No matter where you are. Just work there master that place or situation. Do not jump from one orbit to another in a hurry before mastering the present orbit. It could be proved dangerous. Do it patiently.
4. Complete project on time. Thrive to do it before the schedule time. He and his sons completed all their projects on time no matter how much disturbance or hurdles came in their way.
5. Human resource is the best resource. Hire the best people, pay the well. He was the best pay master. He never compromise with quality and timeliness. Thus he became an industrial giant and a global conglomerate. He earned a yearly revenue of 78 billion in his life time and his name was included in the fortune 500. He was always in search of news or informations that can earn him profit.

Years ago in an interview Bill gates was asked by Larry King how he had become





successful in the computer industry.

Bill Gates replied- "I was in the right path at right time and luck had a lot to-do with. I had a long term vision of how the personal computer would revolutionize every fact of life. I took massive immediate action. This is where the rubber meets the road. If you are in the right place at right time and have the vision to see where a new technology is going but do not take action you will never be successful without all three components in place you are doomed."

Bill Gates born in a upper middle class family with two sisters in Seattle. Washington, said, "If you born poor, it is not your mistake, But if you die poor it is your mistake." He showed an interest in computer programming at the age of 13 at the lakeside school. In 1970 at the age of 15 Bill Gates went into business with his pal, Poul Allen. They developed "Trafo-o-Data" a computer programme that monitored traffic pattern in Seattle. He graduated from lakeside in 1973. He scored 1590 out of 1600 totals marks in the college SAT test. In 1975 Gates and Allen formed a partnership they called "Microsoft" a blend of micro computer and Software and reached the top of the business of the world. Today he is the richest man in the world. If Bill Gates were a country, he would be the 37th richest country in the world.

All we know of Lincoln as the great President of America. But do we know how many times he met with failures in his life time?

1. Lincoln tried to get into law school but failed.
2. He borrowed money to start a business, and went bankrupt.
3. He got fired from his job.
4. He lost 8 (eight) different elections.

But none of these could deter him from the path of his goal. He kept trying, he kept doing his best. And finally became one of the greatest leaders the world has ever seen. He said,- "Impossible is a word to be found in the dictionaries of fools. Always bear in mind that your own resolutions to succeed is more important than any other things. Be sure you put your feet, in the right place, then stand firm. Stand with anybody that stands right, stand with him while he is right, part with him when he goes wrong. Leave nothing for tomorrow which can be done to-day". Because, tomorrow you may have some more urgent works to do. If the task of work is a bigger one and not possible to finish right now then break the task into smaller parts and complete one small chunk of the task every day. The sum of your every days completed small task would earn you a big performance. For example if you write one page of your dream book of 365 pages everyday right from the beginning of the year you will able to complete the hazardous journey comfortably at the end of the year. Moreover writing one page in a day must not be a burden or boredom to you. Now, pushing thing to do on tomorrow is procrastination. And

procrastination is a bad habit. It can harm a man what an enemy can't do to him. We must get rid of it if we want to get success in life. In order to get rid of any kind of bad habits we need to chalk out some policies of our own and do things differently. "The secret of success is hidden in your daily habits" said- Mike Murdock.

Success requires hard work. Any successful athlete knows that there would be no story in the athletic field without hard work in the practice field. President Calvin Coolidge believed, "Nothing in the world can take place of persistence, determination and hard work make the difference." Norman Vincent Peale said,- "people become really quite remarkable when they start thinking that they can do things, when they believe in themselves they have the first secret of success". Hence we all must build confidence upon our ability that, "We can do". We also know the popular maxim that Man is the maker of his own fate. If we wish, we too can make our fate(s). I do not see any doubt. But the choice is yours. Name, fame, wealth, award, reward all shall always be yours only. Go ahead. Doers are the winners while idlers are the losers forever. Never fear. Take care.□□□

**Note:**

- Dr. Mike Murdock: a Noted American author of 200 books including the best sellers, *Wisdom for winning, Dream seeds, secrets of the richest men who ever lived,* composed more than 5700 songs, addressed more than 14,000 audiences in 38 countries.
- Norman Vincent Peale an American minister and author of 153 books include the *power of positive thinking, six attitudes for winners, You can if you think you can, sin, sex and self control* etc.
- Calvin Coolidge: John Calvin Coolidge was the 30th President of America and a man of decisive action.





# Financial Literacy
# A New Dimension In The Curriculum Of Higher Education

**B.K. Samal**
Deptt. of English

With the rapid internationalisation of curriculum in this age of globalization it has become imperative that 'Financial literacy' should be a part of curriculum in Higher education. Quality enhancement in the field of higher education is a continuous process which inputs research based concepts for experienentation and observes the outcome. Since we are living in an age of consumerism, the meaning of 'quality' in education has undergone a paradigm shift and education today has been more oriented towards improving the financial status and freedom of an individual in a global society rather than focusing on the all round growth of the individual towards a human person. Hence, there is the need to educate our learners on financial matters at graduate as well as undergraduate levels.

The 'Ariel community Academy' in Chicago is an experiment in financial literacy. It was an innovative idea of John Rogers, Jr. Chairman and Chief executive of 'Ariel Capital Management, the Chicago based money management firm that established the school in 1996. At a time when both in the developed and developing countries, the Government is trying to phase out pensions, people will have to rely on their investment smarts. Mr. Roger thinks that savings and investments should be an integral part of the curriculum at schools and college scross the country. In the language of Rogers, 'it is important to have all the reading and writing and arithmatic skilll sets, but we cannot think of anything else more important than to be able to be financially viable and competent as we start to build our working career. Experts say that easy credit, aggressive marketing and the dizzying array of financial products and cashless spending options have led many consumers astray, making it more essential than ever for educating the youth to learn about money.

We all understand that saving is an art and so also is investment which should be learnt at an earlier age. Prof. Tahira Hira of the Iowa state University, USA who is also a member of the President's Advisory council for financial literacy of USA advocates that personal finance is required to be taught even at the elementary level. A research report reveals that learners who are brought up with some lesson in saving and investment act differently than those who are not. She also states that opening accounts for children, buying them stocks in a fast food company and teaching them to spend some, save some an invest some when they receive cash as gifts matters a lot.

The concept of this innovate programme is very simple. At 'Ariel School', the experts manage $ 20,000 portfolio for each class until the sixth Grade, briefing them regularly along the way and then begin turning over the decisions to the children. Upon graduation, each class returns the initial investment amount to the school for another first grade class, and donates, invests or pockets the profits. After giving half the gains to community charity programmes or school initiatives, each student can take the rest in cash or invest it in a selection of "529 College Savings Plan" in which case they are given an additional $1000. To encourage the students in market study even hallways are named after wall street and other market places, and students announce the latest market positions twice daily over the PA system. The entire process is marked by a tremendous response from the learners' side.

Since quality education has become the need of the hour, quality issue such as financial literacy should be given top most priority. Financial concepts should be woven into the curriculum both at undergradute and post gradute levels. At 'Ariel's School' the first graders are taught core economic principles while the upper graders are educated to decide their own business plans. The students are offered free tutoring from the professionals on saturdays and the older kids avail the chance to hear analyst presentation, market information,market trends and company and sector reports. 'There is nothing dry about such schooling' to the kids or grown-ups' - says Connie Moran, the school's director of financial education. She observes that the students soak up financial information like sponges and she states that if we do not wait to teach the students how to read and write until they are 16, Why should we wait to teach them how to manage a bank account until they are 16. The students at 'Ariel' feel special because they know they are learning things which probably most students would not learn. To discuss stocks in the class is absolutely thrilling and it creates a great enthusiasm among the learners. The most important aspect of this literacy is that it churns out the future portfolio managers, accountants and investment bankers of the country.





## The Need of Financial Literacy in The Institutions of Higher Learning in India

In India, vocationalisation of education is gaining momentum in all educational institutions across the country since the need of the hour is to impart education which is only relevant in a global knowledge based society and global economy. However, in most of the institutions of higher learning situated in rural and semi-urban areas, this reality is yet to happen because of the poor infracture, limited resources and poor access to ICT which have always stood as blockades on the way. Of course, in the present scenerio an institution's existence is threatened of it falls into the category of Darwin's 'injurious species' and not the 'favourable species' because of its lack of adaptability and sustenability but the sucess of growth is always a complex phenomenon with several associated factors that need to be taken care of at the grass root level. Thus, when education has turned out to be an industry and the students, being the resources for investment in the national economy, every care should be taken for making the best investment. In india the mismatch between the skills needed for the modern economy and the education imparted to the learners at the higher Institutions of learning can be removed to a considerable extent through the introduction of 'financial literacy' in the curriculum of Higher Education. There is nothing wrong it we educate our learners on stock markets, investment, equity funds and wealth creation. It is now a growing global phenomenon and the sooner we equip our learners with this new concept, the better will be the economic prospect of the nation. □□□

**Reference :-**

1. 'Money Talk in Class'- AP, CHICAGO The Economic Times Jan 6th issue.
2. A. K. Singh 'Contexualising Higher Education in India'
3. Globalization and Higher Education : Implications for India- Univisit News June 2nd issue.
4. 'Most Wealth'- Motilal Oswal Wealth Management, March/2008 issue.

# Indian Diaspora

**Dr. Yogendra Jha**
HOD English

Originally the term diaspora is associated with the Jewish context, where the persecution and expulsion led to the dispersal of Jews away from their home land carrying with them the fond hope of returning to the motherland one day.

The term now is usually employed to the analysis of emigration and settlement of people beyond the boundaries of their home land. Retention of their cultural identity in the host society is another important parameter of the concept of diaspora.

When we speak of Indian diaspora, we mean Indians settled down in England, America. Australia, Canada and the caribbean Islands. The Indian diaspora is spread over 110 countries. It was said that the seen never sets in the British empire. It is also the case with Indian diaspora. The sun never sets in the world of Indian diaspora.

The Indian diasporic community is active in all walks of life. They are doctors, engineers, entrepreneurs, innovators, lawyers, managers, researchers, scientists, teachers, workers and in some case politician also. They are asset to their host countries as they contribute towards the development of the country in which they live. Every person in his own way is an achiever. There are some 25 million of them living outside India.

Much of the literature of the Indian diaspora pertains to Indian migration, their socio-economic and cultural experiences of adaptation and assimilation in the host societies.

As kingley Davis (1968) puts it in the Indian context "Pressure to emigrate has always been great enough to provide a stream of emigrants much larger than the actual given opportunities. And Tinker (1977) puts it, there is a combination of "Push and pull" the push of inadequate opportunity in South Asia and the pull of the better prospects in the west.

Overseas emigration of Indians may be examined in terms of three Phases :

1. The Ancient and the Medieval.
2. The colonial phase and
3. The postcolonial phase.

1) Indians have been migrating to various parts of the world from ages time immemorial. The earliest emigration of Indians may be traced to the trade and religious contacts with other civilization like the Greeks and the Mesopotamians. Later on there are instances of the Buddhsts monks spreading the religion and religious gospels actross the South & the Southeast Asia.

Even before colonial indentured labour migration, population mobility was inherent in the social order & is observed in the case of marginal peasants who shifted their loyalties from one master to another & hence travelled one region to another.

2) The colonial phase: Most of the literature of the Indian diaspora deals with the Indian who emigrated during the colonial period, especially from 1830s to 1930s. The British rule and its impact on the Indian Peasantry, the famines and the consequent economic backwardness have resulted in mass unemployment. The institution of slavery was banned by the British in 1830s which created an acute labour shortage in sugar plantation of the British & the other European colonies. The situation gave birth to the indenture form of labour particularly from Bihar, West Bangal, U.P., Orissa. The system of indentured labour came up initially to overcome the labour shortage following the ban on slavery. Bue the life as plantation labour was rigid and the indenture form of labour according Tinker was a new system of slavery.

The indenture was a form of contact labour. The contact was fixed for five years of work in a particular plantation and the owner of the plantation provided the labourer as per contact both in cash and kind. After five years of specific contact the labourer is free to work elsewhere in the colony. The indenture labourers had two options after the stipulated time of indenture either to return back to the motherland with the money earned under a subsidised passage or continue to stay on and subsequiently buy a piece of land for cultivation when affordable.

The process of migration from India as well as to work as plantation labour was governed by an Immigration ordinance in the country of destination. The prospective emigrants testified before a magistrate in India and understand the term of the contact as required under British administration. The recruitment process involved emigration agents, sub-agents and depots in the rural area.

The chief features of the indenture system "were-5 years of stereotype state regulated labour, denial of the rights to change the employer and the denial of the increased wages in spite of increased prices and profits. The employer was under legal obligation to fixed wages, free housing, medical attendance and other amenities.

1) The indenture labour emigration took place

largely in the Indian ocean region such as Maurisus (1834), Uganda, South Africa, Malaysia, & Sri Lanka.

2) The Pacific - Fiji (1878) and

3) The Caribbean sea-Trinidad (1845) Guyana (1838), Surinam (1875)

**Post colonial Phase**:- The migration of Postcolonial period was entirely different when compared with the earlier forms of migration in ancient & medieval and colonial phases. Here the migrants are from the middle class with instruction in English and are skilled. The educational system in the post, independedent India was patterned after the British and the American educational systems. This systems produced professionals who outnumbered the availability of jobs that can absorb them. In a situation dominated by unemployment, the prospective migrants were attracted with opportunites abroad. This led to a kind of professional migration as 'brain drain' facilitated by the rapid transformation in the transportation and communication. The migrant was mainly to the west, the U.S. the U.K., & some in the Europe & Australia.

Another kind of diaspora also saw the migration to the west Asia, particularly to the Gulf region and the case of the twice migrant like the Fiji Indians to Australia, Surinam Indians to Natherland after Surinam's independence in 1975 and the Ugandians to the U.K. There is also thrice migrants like the Indians who migrated to Surinum initially, migrated later to Netherland & then to the U.S.A.

This is an era of globalization and in this era of market economy Indian diaspora assumes a great significance because our government has now realized the potentiality of diaspora Indians who can participate in P.M.'s Make India programme giving great boost to Indian economy. Once NRI (Non Resident Indians) meant 'not required Indians'- but now it means 'required Indians'. In order to attract them our government is offering dual citi[illegible] □□□

**Reference :-**

1) Wahid Saleh (2007)

2) Kingley Davis (1968)

3) Tiaker (1977)





# Advantges of N.C.C. Training To Students

**Lt. Masud Hassan**
A.N. and
Asstt Prof. Deptt. of English

As I am associated with N.C.C. I am always in search of opportunity to say something about N.C.C. There are a lot of things to say on N.C.C., but here, I would say a little about advantages of N.C.C. training to students:-

By N.C.C. training students develop qualities like social service, team spirit, leadership, discipline and self-confidence. Since N.C.C training camps are held at different places in the country, cadets get opportunity to visit important historical and industrial places and social centres. Due to this students can widen their horizon of knowledge and develop ambition to do creative work. In different N.C.C. camps. N.C.C. Cadets are taught civil defence and self defence which develop national spirit and confidence. Every year, N.C.C. cadets are sent to different army-attachment camps and army units so that they can get themselves acquainted with the Army life. N.C.C. cadets are trained for parachute jumps and mountaineering so that they can develop capacity to do courgeous work. Under colmbo plan, selected cadets are sent to foreign countries every year.

Thirty two seats are reserved per course in IMA for cadets who have passed N.C.C. 'C' certificate examination. N.C.C. cadets having 50% aggrigate mark in graduation with minimum 'B' grade in 'C' certificate examination are eligible for short service commission without qualifying C.D.S. written examination.

Apart from these there are so many other advantages of N.C.C. like reservation in matters of admission in schools and colleges or in different services both private and public sectors etc.

So, students, both boys and girls should come forward to avail these advantages and build their career early in life. □□□

# Re-Thinking Ethnic Identity Politics in North-East India: Community, Land, Identity and Power

**Dhrubajyoti Das**
Assistant Professor
Department of Political Science

**Introduction:**

The Politics revolving around the issues of ethnicity and identity are not new phenomena and has gained currency and significance in contemporary democracy. Ethnic identity is indeed an excellent tool for pinning down the aspirations of people and safeguarding their distinct ethnic identity (N.K.Das, 2007).The term "Ethnicity" is a sense of ethnic identity involving both the objective cultural markers and subjective self-consciousness of an ethnic community (Hutnik Nimmi, 1991).Ethnicity refers to a sense of ethnic identity consisting of the "Subjective" symbolic or emblematic use by a group of people...of any aspect of culture (Paul Brass,1991). Ethnic identity has been politicized i.e. Ethnic identity has been designed as a crucial instrument to attain political and economic gains by the ethnic groups, particularly by the elites of the respective ethnic groups within the existing power-structure. Ethnic identity is harnessed as an ideology as well as a device to attain great share of power and authority in the contemporary democratic politics. Ethnic groups that use ethnic identity to make demands in the political arena for alternation in their status, in their economic well-being, in their civil rights, or in their educational opportunities are engaged in a form of interest group politics as ethnic identity politics which became prominent in USA during 1960 and 70's (Paul Brass, 1991). Ethnic identity politics has been gaining grounds in many parts of the world today as different ethnic communities have been trying to assert their identity vis-a-vis other ethnic communities. Ethnic identity politics gain momentum when an ethnic group competes with other ethnic groups for valued resources and opportunities in societies undergoing social mobilization, industrialization and bureaucratization (Paul Brass, 1991). In a system of ethnic stratification in which one ethnic group is dominant over the





others, some members from one ethnic group may seek to move into privileged socio-economic or political position occupied by the rival groups and if they fail to do so, they are likely to protest against the system of ethnic stratification as a whole and seek to mobilize their own ethnic group. On the other hand, the privileged group may mobilize to defend its interests and may also use ethnic sentiments in doing so, Such mobilization and counter-mobilization seem to be the core of ethnic identity politics.

Identity politics in a globalised world is a misnomer. Identity is a concept that means belongingness. This concept of belongingness is the root cause of all conflicts and uncertainties in the contemporary world. The strong national identity that was crafted during the period of struggle for freedom in India disappeared immediately after the attainment of independence. The process of nation building was met with serious contestation. People began to think in terms of fragmentation, exclusion, separation rather than integration. Peoples are being divided in the lines of majority-minority, local-outsider, son of the soil-immigrants, hills- plains, tribals and non-tribals and so on (Pramanik, 2014).

Identity politics has now become one of the most influential and controversial themes in the field of modern politics. Negotiating identity politics in a liberal democratic system like India* is a Herculean task for the social scientist. In common parlance, identity politics may be defined as a movement based on such markers as tribalism, ethnicity, gender, racial or sexual attachments. the identity politics based on the markers of ethnicity, language, gender, race or, sexuality entail a problem of nationalism within nationalism. It often creates demand for a separate homeland, leading to intra-national problem in the sense that one's imagined exclusive homeland is actually a shared homeland of many friendly or conflicting communities into reality. As a result, one's demand for separate homeland is not valued by the others, sometime creates a serious tensions leading to ethnic cleansing or other kind of hostility. Thus, many social science theorists believe that identity politics is to be contained, for, group identity narrowly defined and aggressively sustained can be a serious hurdle to a wider sense of inclusive solidarity, people hood, or, community and in the long run be a determinant of fragmentation of national character (Pramanik, 2014). In liberal democracy being a way of life having faith on cultural diversity, pluralism and preservation of identity of all social groups, assertion of one's identity appears to be quite natural especially in a diversified country like India which has people from all the religion in the world, where 114 languages were spoken by 10000 or more people ; more than six hundred tribes have been identified by the state governments of which many

of them are conflicting with each other and heterogeneous in character ( Mahajan, 2005).

It has been observed that during post-independence India, the path of uneven development model perpetuated by the post-colonial Indian state has led to the emergence and growth of new social forces like regional bourgeoisie, middle class and educated elite which have constructed ethnic identity as an important aspect of Indian polity (A.K.Baruah, 1991). Ethnic identity politics of the different ethnic communities in this country manifests itself in the demand for the right to cultural and linguistic survival, demand for separate statehood within the existing system and also extends to secession from the existing polity in order to preserve and maintain their distinct identity (Phandis and Ganguly, 1989). During the post-independence period, Gorkhaland movement, Jharkhand movement, Dravidian movement, Bodoland movement etc. can be seen as manifestations of ethnic identity politics for asserting identity in India. Ethnic identity politics in India also centers around the issues of economic advancement, educational opportunities, local political power etc. (Hutchison and Smith, 1996).

India's North-East region is characterized as the hot spot of ethnic identity politics. North-east India, the homeland of ethno-cultural diversity, is inhabited by more than two hundred (200) culturally distinct ethnic and tribal groups of various sizes and at various stages of development. The ethnic identity politics of North-east India has been increasingly shaped by the movements of various ethnic and tribal communities for safeguarding and maintaining their distinct identities. Owing to ill-planned economic development policies, there is evident regional imbalance and backwardness in all spheres of life in this region. Poverty, lack of employment opportunities, increasing political and administrative corruption, administrative inefficiency and aimless political process have resulted in gross dissatisfaction among the groups. Ethnic identity politics has been growing rapidly and ethnic identity politics of the different ethnic and tribal groups has become a strong mobilizing force to attain socio-political and economic gains by the groups as well as to safeguard and maintain their distinct identity within the existing polity. Ethnic identity politics has been observed one of the significant aspect of the socio-political reality in the contemporary socio-political scenario of this region. In North-east India, most of the ethnic and tribal communities struggle for creating a political space within the existing polity and their demands on the basis of ethnic identity has not yet ended (Girin Phukan, 2007). Thus, the ethnic identity politics of the different ethnic and tribal groups in this region continues to be a significant aspect and a dynamic factor which has changed the socio-political structure as well as changed and moulded the nature of politics of North-east





India as well as Assam.

**Communities, Land, Identity and Power: Sustaining Ethnic identity politics in North-East India and Assam:**

The ethnic identity politics of different ethnic and tribal communities in North-East India is rooted in the preservation and protection of their traditional or ancestral ethnic homeland and their distinct socio-cultural heritage. Land and identity have been observed as the important dynamic factor for the inheritance of the socio-political power of the different indigenous ethnic and tribal groups in North-East India as well as in Assam. Land is basic to the traditional ethnic and tribal identity as well as their sustainable livelihood and economy. Traditionally, land has been central to ethnic and tribal identity and today more than 70 percent of the people depend on it for their sustenance (D'Souza, 1999). The ethnic identity politics in North-East India as well as in Assam has emerged and sustained for crisis of ethnic and tribal identity due to the factors of alienation of ethnic and tribal land and crisis of distinct ethnic and tribal socio-cultural markers due to the cultural hegemony and cultural imposition over their distinct ethnic culture by the dominant mainstream social forces. The encroachment of ethnic and tribal land by illegal Bangladeshi immigrants increasingly and the occupation of tribal land by non-tribals and outsiders as well as by different developmental projects have created the problem of tribal and ethnic land alienation in North-East India as well as in Assam for which the sense of identity crisis has provoked the ethnic and tribal groups to sustain ethnic identity politics in order to safeguard their traditional ancestral land resources. Tribal land alienation has been at the basis of ethnic identity crisis and most ethnic conflicts in North-East India as well as in Assam. Land alienation causes shortages and competition for the remaining scarce resources. In that situation, every community rewrites its history to declare itself the original indigenous community of a given area, as such entitled to all of its privileges. Such exclusive claims are basic to conflicts around land. The different ethnic and tribal communities in North-East India as well as in Assam have their unique distinct cultural identity and when a dominant mainstream section of society impose cultural chauvinism over their traditional distinct ethnic culture, they resort to counter that attitude and make their cultural markers as mobilizing instruments to safeguard their distinct ethno-cultural identity against the dominant forces of cultural hegemony. It may be noted that protection and preservation of traditional ancestral ethnic land and distinct ethno-cultural identity of the different indigenous ethnic and tribal communities is the core of ethnic identity politics in North-East India as well as in Assam.

**Conclusion:**

Ethnic identity politics in North-East India has been observed one of the significant

aspect and a dynamic factor in the contemporary socio-political scenario of North-east India. The ethnic identity politics of different ethnic and tribal communities in North-East India revolves around the protection, preservation and upgradation of their language, literature and rich socio-cultural heritage and protection of their ancestral soil or ethnic homeland as well as upliftment of their socio-economic and political status, achievement of civil and political rights within the existing socio-political set-up with the aim to create an ethno-political space for themselves in order to safeguard and maintain their distinct ethnic identity. Ethnic Identity politics in North-East India has become a sensitive issue of peace, conflict as well as human rights in contemporary socio-political landscape of North-East India as well as in Assam. ☐☐☐

**References:**


1. Baruah, Apurba Kumar, *"Social Tensions in Assam: Middle Class Politics"*, Purbanchal Prakash,Guwahati,1991,p.16
2. Brass, Paul, *"Ethnicity and Nationalism : Theory and Comparison"*, Sage publications, New Delhi, 1991, Pp. 19-25
3. D'Souza, Alphonsus, *"North-East India, Jakhama: Kohima Jesuit Region (Mimeo)"*, 1999.
4. Das, N. K., *"Ethnicity, Nationalism and Regionalism in North-east India"*, in R. K. Bhadra and Mita Bhadra (ed), 'Ethnicity, Movement and Social structure: contested cultural identity' Rawat Publications, Jaipur,2007, P. 134
5. Hutnik, Nimmi, *"Ethnic minority identity : A Psychological Perspective"*, Oxford University press, New York, 1991 P.20
6. John Hutchison and Anthony D. Smith, (eds.) *'Ethnicity'*, Oxford University Press,New York,1996,p.305.
7. Mahajan, Gurpreet, *"Indian Exceptionalism or Indian Model: Negotiating Cultural Diversity and Minority Rights in a Democratic State"*, 2005, in Kymlika and Bogang He (eds): Minorities in Asia, OUP, Oxford.
8. Phukan, Girin, *"Ethnic assertion in Assam : understanding the political economy of Mising identity"*, 'Ethnicity, Movement and Social structure : contested cultural identity, Rawat Publications, Jaipur, 2007, P. 188
9. Pramanik, Ramchandra, *"Politics of Identity and Fragmentation of national character: A study of Three Regional Movements in West Bengal"*, in The International Journal of Humanities & Social studies, Vol.2, Issue.1, 2014.
10. Urmila Phandis and Rajat Ganguly, *"Ethnicity and Nation-building in South Asia*, Sage Publication, New Delhi, 1989, Pp.216-218.






## Globalization vis-a-vis human rights

**Rajidul Islam**
B.A. 4th Sem

The relationship between globalization and Human Rughts raises important policy and legal questions. One of such questions is whether the globalization of a market oriented economic system is essential for development and protection of Human rights? While searching for an answer to this question we should analyze how we understand the concept of development and Human rights, especially in the context of developing countries. Human rights have become an integral part of the process of globalization in many ways.

The legal relationship between globalization and Human rights can be analysed from the perspective of economic regulation as well as that of Human rights law, examining first whether international economic law sufficiently supports or takes into account human rights, globalization and economic interests. In respect of both inquiries, the fundamental is whether a Human rights system premised on state responsibility to respect and ensure Human rights can be effective in a globalized world.

The word 'globalization' is now used widely to sum up today's world order. It means the increasing integration of the world into a single capitalist political economy operating under a neo-liberal free market. Economic globalization as witnessed in the world to day is not new phe-nomenon. It has been evolving for the part several years and goining momentum day by day. The trend, at present is a shift from a world economic based on national market economics to a borderless global market economy increasingly governed by one set of rules in this context, globalization means global economic liberalization, the development of global financial system and the creation of a transnational production system which is based on a homogenized world wide law of value.

Development or economic development is widely perceived as historical process that takes place in almost all societics characterized by economic growth and increased production and consumption of goods and services. But, in today's

globalization, the concept of development itself is interpreted differently and the conceptable right to development is not taken seriously.

The preamble of the declartion of the right to development adopted by the UN General Assembly in 1986, describes "development as a comprehensive economic, social, cultural and political process that aims at the constant improvement of the well being of the entire population and of all individuals in development and in the fair disribution of resulting benefits". Further, the declartion maintains that the rights to development is the right to individuals, groups and peoples to participate in contribution to and enjoy's continuous economic, social, cultural and political development in which all Human rights and fundamental freedoms can be fully realized. A development strategy that disregards or interferes with human rights is the very negation of development. The aims and objectives of the so-called development models promote by different governments or international development agencies are not compatiable withe human rights standards.

It has long been accepted by the United Nations and in most international forums that developed countries should provide aid in the form of grants and loans to the developing countries where human rights are substantially or systematically violated. We don't have a definite answer because global trade is being liberalized and opened up in this era of globalization. A set of new rules and regulation have been promoted through the foundation of regional economic trading blocks.

Globalization has its winners and losers, with the expansion of trade, markets and foraign investment, developing countries have seen the gaps among themselves widen. The imperative to liberalizes has demanded a shrinking of state involvement in national, cutting jobs, slashing health, education and food subsidies etc. greatly affecting the poor has been accompanied by greater inequality and people are left trapped in letter poverty. Mean while, in many industrialized countries, Unemployment has soared to levels not seen for many years and income disparity to levels not recorded since last century. The Human Development Report of 1997 revealed that poor countries and poor people often find these interest neglected as a result of globalization, although globalization of the economy has been characterised as a locomotive for productivity. Opportunity and technological progress uniting the world. It ultimately causes increased improverishment, Social disparties and violations of human rights. That is what we see today. □□□

**Reference Book :-**

1. Contours of Globalization- Ed. by Rumi Dhar.





## Flower in life



**Sakinur Ahmed**
T.D.C. 4th Sem

Every flower has an amazing story
They are the symbols of victory
Lots of colours scattering all over
Findout them from there
Every time life getting serious
Every day life getting serious
But Something is there
Which makes our life joyous.
Flowers are teaching us never to give up.
Work hard and happiness you pick up
Spend your life something difference
Sadness you take and happiness you send.
Every flower has an amazing story
They are the symbols of life's victory.

XXX

## Friendship

***Baharul Islam Khan***
T.D.C. 4th Sem. (Arabic)

Friendship, Friendship and Friendship
Nothing but a relationship
That generates of eact other
And writes hearts for ever.



Friendship is precious
A gift of God
Source of inspiration
It is of course blind.

A friend works as a boon
What a husband does for wife
He is happy who have friend.
Shy A friend is need is a friend indeed.

XXX

## My first pronouce with full breath

**Nur Hasan**
H.S. 1st Year (Sc.)

When I was came to the world
I thought I am one and alone.
How I can alive alone?
But my thought was a mistake
When I looked around

The world of beauty,
I resolved not to go back.
I wanted to stay and enjoy the beauty.

I thought to share my glad,
but could not express,
Then I laughed and laughed,
Inspite of my hungry.
One day I was playing
Suddenly I started of weep
Because I was fell down
from my bed.

I was weeping and calling only maa & maa
Then come the kind harted one
my mother was there
and take me in her lay

After hearing my voice
My mother became excited out of joy
Beacuse that was my first word
To pronounce in the earth..

XXX

## Love

**Jamiul Islam**
T.D.C. 4th Sem (Philosophy)



All along as you love me
I'll stay by your side,
I'll be your companion
Your friend and your guide.

As long as you take care
I will serve thee without fear
and shall do anything you ask
I'll go no where than to my 'dear'

I'll bring you the Sunshine
and soo the fears
I'll gather from rainbow
Searching the sky all the colours.

Our love is divine and true
And shines for ever and ever
Lets' love and love each other
Till we take the breaths our.

XXX



'ৰাষ্ট্ৰীয় মূল্যায়ণ আৰু প্ৰত্যায়ন পৰিষদ'ৰ প্ৰতিনিধিৰ দ্বাৰা ইং ২০১৬ বৰ্ষৰ এপ্ৰিল মাহত মহাবিদ্যালয় পৰ্যবেক্ষণৰ সময়ছোৱাৰ কেতবোৰ স্মৰণীয় মুহূৰ্ত



















চাফাই কাৰ্য্যসূচীত অংশগ্ৰহণ কৰা অধ্যক্ষ মহোদয় সমন্বিতে অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰীসকল



ছাত্ৰ-ছাত্ৰীসকলে মহাবিদ্যালয়ৰ চৌহদ চাফাই কৰাৰ মুহূৰ্ত




অধ্যক্ষ মহোদয়ে বৃক্ষৰোপণ কাৰ্যসূচী উদ্বোধন কৰাৰ দৃশ্য



বৃক্ষৰোপণ কাৰ্যসূচীত অংশগ্ৰহণ কৰা একাংশ অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰী



স্কুলীয়া ছাত্ৰ-ছাত্ৰীৰ মাজত আয়োজিত খেল-ধেমালি প্ৰতিযোগিতাৰ উদ্বোধনী অনুষ্ঠান



স্কুলীয়া ছাত্ৰৰ বাবে আয়োজিত 'দৌৰ প্ৰতিযোগিতা' ৰ এটি দৃশ্য



স্কুলীয়া ছাত্ৰীৰ বাবে আয়োজিত 'মিউজিক চেয়াৰ প্ৰতিযোগিতা' ৰ এটি মুহূৰ্ত




'তৰ্ক প্ৰতিযোগিতা' ৰ এটি মুহূৰ্ত



'পোষ্টাৰ নিৰ্মাণ প্ৰতিযোগিতা' ত অংশগ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰীসকলৰ একাংশ




'পুৰস্কাৰ বিতৰণ' ৰ উদ্বোধনী অনুষ্ঠান



আলোকসজ্জা কাৰ্যসূচীৰ উদ্বোধনী মুহূৰ্তত অধ্যক্ষ মহোদয়



মহাবিদ্যালয় চৌহদ আলোকসজ্জা কৰা কাৰ্যসূচীত অংশগ্ৰহণ কৰা একাংশ অধ্যাপক-অধ্যাপিকা আৰু কৰ্মচাৰী


৭০ তম্ স্বাধীনতা দিৱস উপলক্ষে মহাবিদ্যালয়ত উদ্‌যাপিত বিভিন্ন কাৰ্যসূচীৰ দৃশ্যপট



দেশপ্ৰেমমূলক গীত পৰিৱেশন কৰাৰ এটি দৃশ্য




মহাবিদ্যালয়ৰ পৰা উলিওৱা সমদলৰ দৃশ্য




স্বাধীনতা দিৱসৰ পতাকা উত্তোলনৰ মুহূৰ্তত অধ্যক্ষ মহোদয়



জাতীয় পতাকা উত্তোলনৰ সোণসেৰীয়া মুহূৰ্ত




জাতীয় পতাকাক সন্মান জনোৱাৰ দৃশ্য



এন.চি.চি কেডাৰৰ 'গাৰ্ড অৱ অনাৰ' ৰ দৃশ্যাংশ




টেকেলী ভঙা খেলত শিক্ষকসকলে অংশগ্ৰহণ কৰা বিশেষ এটি মুহূৰ্ত



টেকেলী ভঙা খেলত শিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰা এটি দৃশ্য



'কবিতা আবৃত্তি প্ৰতিযোগিতা'ৰ বিচাৰক মণ্ডলীৰ সৈতে এজন প্ৰতিযোগী



ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা অভিনীত 'বাটৰ নাট'ৰ দৃশ্যপট



'স্বাধীনতা সংগ্ৰামী সকলৰ জীৱনাদৰ্শ' শীৰ্ষক বক্তৃতানুষ্ঠানৰ শুভ উদ্বোধনী মুহূৰ্তত অধ্যক্ষ মহোদয়



বক্তৃতানুষ্ঠানত ভাষণৰত সহযোগী অধ্যাপক ড' ছেৰমান আলী সমন্বিতে অংশগ্ৰহণকাৰী সকল

## গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্নাতক (বিজ্ঞান আৰু কলা) চুড়ান্ত পৰীক্ষাৰ (ইং ২০১৫ বৰ্ষ) ত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা মেধাৱী ছাত্ৰ-ছাত্ৰীসকলৰ একাংশ

### Education Department

- Tachiron Nessa (76.75%)
- Raushonara Khatun 76.59%)
- Tahiran Khanom (76.39%)
- Rokibul Islam (75.84%)
- Monjuwara Khatun (74.89%)
- Jakir Hussain Khan (68.84%)
- Nazma Sarkar (68.21%)
- Aminul Islam (68.4%)
- Taslima Nasrin (67.75%)
- Hasina Khatun (67.75%)
- Aklima Khatun (66.42%)
- Anowar Hussain (65%)
- Atikur Rahman Mondal (65%)
- Hafiza Parbin (65%)
- Mampi Rani Shaha (60.82%)

### Philosophy Department

- Zahidul Islam (66%)
- Shiraful Hoque (65%)
- Morjina Khatun (65%)

### Assamese Department

- Mir Abdur Rahim (72.5%)
- Latifa Sultana (72.42%)
- Nargis Sultana (71.59%)
- Shahida Khatun (71.41%)
- Rabiul Islam (70.41%)
- Hasina Khatun (69.11%)
- Khadiza Khatun (67%)
- Jakir Hussain (66.7%)
- Samuruddin (66.64%)
- Jamela Khatun (65.82%)
- Shahnas Parbin (65.05%)
- Mamtaj Begum (64.80%)
- Taslima Nasrin (63.17%)
- S.M. Najma Khatun (63%)
- Hunufa Khatun (62.70%)
- Lipika Afruja Bhanu (62%)

### Zoology Department

- Md. Zakir Hussain (7.1)
- Mofida Khatun (7.0)

### Arabic Department

- Ruhul Amin
- Abdul Halim

### Political Science Department

- Mansur Ali

### Economics Department

- Sanuwar Hussain (71.35%)

## গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্নাতক (বিজ্ঞান আৰু কলা) চুড়ান্ত পৰীক্ষাৰ (ইং ২০১৬ বৰ্ষ) ত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা মেধাৱী ছাত্ৰ-ছাত্ৰীসকলৰ একাংশ

### Education Department

- Nasir Uddin Ahmed (74.23%)
- Ambiya Khatun (70.35%)
- Jannatul Yesmin (69.11%)
- Nurul Amin (69.05%)
- Muktar Hussain (69.05%)
- Hafijur Rahman (66.17%)
- Samina Yesmin (64.17%)
- Babita Khatun (63.70%)
- Rahiman Nessa (63.11%)
- Monjirul Islam (62.94%)
- Arshad Ali (62.88%)
- Shahanowaz Alom (61.58%)
- Hussain Ahmed (61.41%)
- Aynal Hoque (60.76%)
- Hajam Uddin (60%)

### Philosophy Department

- Suhail Fazil (77.89%)
- Rupsana (77.5%)
- Ajmina Akhtar (75%)

### Economics Department

- Hasen Ali (73%)
- Sumar Ali (65%)

### Zoology Department

- Manzur Hassan (76.29%)
- Nagma Khatun (75.70%)
- Afruja Bhuyan (73.70%)
- Halida Parbin (69.70%)
- Delowara Khatun (68.88%)
- Rojina Khatun (68.52%)
- Taslima Nasrin (66.94%)
- Tajkeratul Jannati (65.70%)
- Silina Nasrin (64.76%)
- Ziaur Rahman (63.74%)
- Silima Khanam (63.70%)
- Rehena Nagarik (63.52%)
- Hafizur Rahman (62.35%)
- Forhana Ahmed (62.05%)
- Hikmot Ali (62%)
- Firoja Khanom (61.05%)

### Assamese Department

- Kamal Bhuyan (67.47%)
- Nargis Parbin (61%)
- Nazrul Islam (61%)
- Sabina Easmin (60%)

### Arabic Department

- Shahanur Alom (81%)
- Delowara Ahmed (77.29%)
- Shahidul Islam (77%)
- Rashida Khatun (74%)
- Shahjahan Ali

### Political Science Department

- Hafizur Rahman (75.7%)
- Sanowar Hussain (72.76%)
- Rejina Parbin (72%)
- Kabel Uddin (70.58%)
- Piyar Hussain (67%)
- Rezia Sultana (66.64%)
- Rokibul Islam (65%)
- Kamal Uddin (62.82%)
- Sultana Aktar (61.29%)
- Samina Ahmed (60.64%)

## নৱজ্যোতি মহাবিদ্যালয়ৰ কেতবোৰ বিশেষ আকৰ্ষণীয় মুহূৰ্ত



বৰপেটা জিলা প্ৰশাসনৰ দ্বাৰা আয়োজিত 'কৃতী শিক্ষকক সম্বৰ্ধনা' অনুষ্ঠানত সম্বৰ্ধনা গ্ৰহণৰ মুহূৰ্তত সহযোগী অধ্যাপক ড° এম. এছ. শ্বেইখ



সহকাৰী অধ্যাপিকা ড° নিতু চহৰীয়াৰ সম্পাদিত গ্ৰন্থ 'VISION' কেন্দ্ৰীয় পুথিভঁৰালৈ আগবঢ়োৱাৰ মুহূৰ্ত




ৰাষ্ট্ৰীয় বিজ্ঞান দিৱসৰ মুকলি সভাত ভাষণৰত অৱস্থাত সহযোগী অধ্যাপক কাইয়ুম কবীৰ আহমেদ



অসমীয়া সাহিত্য চ'ৰা 'বোধিদ্ৰুমৰ'ৰ দ্বাৰা প্ৰকাশিত প্ৰাচীৰ পত্ৰিকা 'কল্প'ৰ উন্মোচনী মুহূৰ্ত



অসমীয়া সাহিত্য চ'ৰা 'বোধিদ্ৰুমৰ'ৰ দ্বাৰা আয়োজিত বৃক্ষ ৰোপণ কাৰ্যসূচীৰ শুভাৰম্ভ



অসমীয়া সাহিত্য চ'ৰা 'বোধিদ্ৰুমৰ'ৰ সংগ্ৰহালয়ৰ উন্মোচনী ক্ষণত প্ৰাক্তন ভাৰপ্ৰাপ্ত অধ্যক্ষ এম. মোজাম্মেল হুছেইন



'ৰাজনীতি বিজ্ঞান ফ'ৰাম' ৰ দ্বাৰা আয়োজিত 'বিভাগীয় নৱাগত আদৰণি সভা'ৰ আদৰণী মুহূৰ্ত




প্ৰাণীবিজ্ঞান বিভাগৰ দ্বাৰা আয়োজিত ছাত্ৰ-ছাত্ৰীৰ বিদায়ী পৰ্বৰ গাম্ভীৰ্যপূৰ্ণ মুহূৰ্ত




ইংৰাজী বিভাগৰ দ্বাৰা আয়োজিত আলোচনা চক্ৰৰ আলোচক মণ্ডলী



## সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে মই সেইসকল ব্যক্তিলৈ মোৰ শ্ৰদ্ধা নিবেদন কৰিছোঁ যিসকল ব্যক্তিৰ অশেষ ত্যাগ আৰু কষ্টৰ বিনিময়ত পশ্চিম বৰপেটা আৰু পূব অভয়াপুৰীত অৱস্থিত কলগাছিয়াৰ দৰে এক পিছ পৰা আৰু শিক্ষা দীক্ষাত অনগ্ৰসৰ ঠাইত জ্ঞানৰ জ্যোতি বিলাবলৈ ইং ১৯৭১ চনতেই স্থাপন হৈছিল নৱজ্যোতি মহাবিদ্যালয়। মই ইয়াত অধ্যয়ন কৰিবলৈ পাই নিজকে ধন্য মানিছো। যিসকল ব্যক্তিৰ অশেষ ত্যাগ আৰু পৰিশ্ৰমৰ বিনিময়ত এইখন মহাবিদ্যালয় গঢ়ি উঠিছে সেই সকল ব্যক্তিলৈ থাকিল মোৰ আন্তৰিক শ্ৰদ্ধা। সেইসকল মহান ব্যক্তিৰ ভিতৰত যিসকল জীয়াই আছে তেখেত সকলৰ মঙ্গল কামনা কৰিছোঁ আৰু যিসকলে আমাক এৰি পৰলোকলৈ গুচি গৈছে তেওঁলোকৰ বিদেহী আত্মাৰ চিৰশান্তি কামনা কৰিছোঁ। কলগাছিয়াবাসীৰ হিয়াৰ আমঠু নৱজ্যোতি মহাবিদ্যালয়ে জন্ম লগ্নৰে পৰা জ্ঞানৰ পোহৰেৰে অঞ্চলটোক উজলাই তোলাৰ লগতে আৰ্থিক সামাজিক, সাংস্কৃতিক আদি বিভিন্ন দিশত প্ৰভূত অৰিহণা যোগাই যুগান্তকাৰী পৰিৱৰ্তন আনিবলৈ সক্ষম হৈছে।

৪৫ বছৰৰ গৰীমাৰে প্ৰজ্বলিত মহাবিদ্যালয়খনৰ মূল চালিকা শক্তি হৈছে ছাত্ৰ সমাজ। এই ছাত্ৰ সমাজৰ মূখ্য দায়িত্বৰ সৈতে জড়িত হৈ পৰিব পৰাটো যথাৰ্থতেই এক গৌৰৱৰ বিষয়। এই গৌৰৱে মনলৈ কঢ়িয়াই আনে এক আনন্দৰ ফল্গুধাৰা আৰু কৰ্ম কৰাৰ অদম্য স্পৃহা।

আজি বিশ্বায়নৰ যুগত আমি নিজকে খাপ খুৱাব পৰাকৈ মহাবিদ্যালয়খনত যথেষ্ট সমল আছে যদিও শ্ৰেণী কোঠাৰ ডেস্ক-বেঞ্চ, ছাত্ৰ-ছাত্ৰীৰ পৰ্যাপ্ত আবাস গৃহ, সাংস্কৃতিক উন্নয়ন, নতুন পাঠ্যক্ৰমৰ প্ৰৱৰ্তন, বিজ্ঞানাগাৰলৈ সঁজুলি যোগান, পুথি ভঁৰালৰ উন্নয়ন, ছাত্ৰ জিৰণী কোঠাৰ নিৰ্মাণ, মহাবিদ্যালয়ৰ চৌহদত পকী বেৰ দিয়া আদি সমস্যা সমূহৰ সমাধান অতীৱ প্ৰয়োজন।

অৱশ্যে এইবেলি মোৰ কাৰ্য্যকালত অসম চৰকাৰৰ বিভাগীয় দায়িত্বত থকা মন্ত্ৰী ৰকিবুল হুছেইনক আমাৰ মহাবিদ্যালয়ৰ চাৰিবেৰৰ বিষয়ে অৱগত কৰিছিলোঁ। আৰু তেখেতে আমাৰ আবেদনৰ প্ৰতি সঁহাৰি জনাই এনৰেগা আঁচনিৰ পৰা এটা বিত্তীয় অনুদান আগবঢ়াইছে। আমি তেখেতৰ ওচৰত চিৰকৃতজ্ঞ। তদুপৰি মহাবিদ্যালয় সপ্তাহ উদ্‌যাপনৰ সময়ত মুকলি সভাৰ দিনা মাননীয় সংসদীয় সচিব ৰেকিবুদ্দিন আহমেদক সভাৰ মূখ্য অতিথি হিচাপে আমন্ত্ৰণ কৰা হয়। মাননীয় সংসদীয় সচিব ৰেকিবউদ্দিন আহমেদে সভাত যথা সময়ত উপস্থিত থকাত মই সম্পাদকীয় প্ৰতিবেদন পাঠ কৰি মহাবিদ্যালয়ৰ বিষয়ে অৱগত কৰাও আৰু যিবোৰ সমস্যা আছে তাৰ স্থায়ী সমাধানৰ বাবে কৰযোৰে অনুৰোধ জনাওঁ। ৰেকিবুদ্দিন আহমেদ ডাঙৰীয়াই তেখেতৰ ভাষণত আমাৰ মহাবিদ্যালয় উন্নয়ণৰ হকে সহায়-সহযোগিতা আগবঢ়োৱাৰ প্ৰতিশ্ৰুতি দিয়ে। তাৰ বাবে আমি নথৈ আনন্দিত। এই প্ৰতিবেদনৰ জৰিয়তে সংসদীয় সচিব ৰেকিবউদ্দিন আহমেদক পুনৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

মোৰ কাৰ্যকালত হৈ যোৱা মহাবিদ্যালয় সপ্তাহৰ লগতে আন আন সভা সফলতাৰে পালন কৰা হয়। এইবোৰত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ যোগদান শলাগীবলগীয়া। এই ক্ষেত্ৰত মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ মহোদয়, ছাত্ৰ একতা সভাৰ ভাৱপ্ৰাপ্ত অধ্যাপক মহোদয় প্ৰমুখ্যে শ্ৰদ্ধাৰ শিক্ষাগুৰু, মহাবিদ্যালয়ৰ কৰ্মচাৰী বৃন্দ, ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়া আৰু ছাত্ৰ-ছাত্ৰীসকলক মই ধন্যবাদ আৰু কৃতজ্ঞতা জনাইছোঁ।

সাধাৰণ সম্পাদক হিচাপে নিৰ্বাচিত কৰি মহাবিদ্যালয়খনক সেৱা কৰাৰ সুযোগ দিয়াৰ বাবে সংশ্লিষ্ট সকলোৰে ওচৰত কৃতজ্ঞতা থাকিল।

মোৰ কাৰ্যকালৰ সময়ছোৱাত বহু ব্যক্তি, প্ৰতিষ্ঠানে মোক যথেষ্ট উৎসাহ উদ্দীপনা আগবঢ়ালে। তেওঁলোকৰ প্ৰতি মই মোৰ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা এই চেগতে নিবেদিলোঁ। নৱজ্যোতি মহাবিদ্যালয়ৰ মজিয়াতেই বৃহত্তৰ কলগাছিয়া অঞ্চলৰ শিক্ষা, ভাষা, সংস্কৃতি, অৰ্থনীতি আৰু সামাজিক ধ্যান ধাৰণাই ভাবি কালৰ ইতিহাসৰ পোখা মেলিব। আহক আমি সকলোৱে অনাগত দিনবোৰত নৱজ্যোতি মহাবিদ্যালয়ক এক নতুন ৰূপেৰে সজাই নৱপ্ৰজন্মক উপহাৰ দিওঁ।

জয়তু নৱজ্যোতি মহাবিদ্যালয়, কলগাছিয়া

"জয়তু ছাত্ৰ একতা সভা"

খন্দঃ আশ্ৰাফুল আলম
সাধাৰণ সম্পাদক
ছাত্ৰ একতা সভা
নৱজ্যোতি মহাবিদ্যালয়, কলগাছিয়া।

## সহঃ সাধাৰণ সম্পাদিকাৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতেই নৱজ্যোতি মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ, উপাধ্যক্ষ, অধ্যাপক আৰু অধ্যাপিকা সকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ। এই চেগতে যিসকল মহান ব্যক্তিৰ আপ্ৰাণ চেষ্টাৰ ফলত আমাৰ এই নৱজ্যোতি মহাবিদ্যালয়খন গঢ়ি উঠিছে সেই মহান ব্যক্তিসকলৰ মাজৰ যিসকল জীয়াই আছে তেওঁলোকলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। লগতে আমাৰ মাজৰ পৰা চিৰ বিদায় লোৱা সকলৰ আত্মাৰ চিৰশান্তি কামনা কৰিলোঁ।

২০১৫-২০১৬ ইং বৰ্ষৰ নৱজ্যোতি মহাবিদ্যালয়ৰ সহঃ সাধাৰণ সম্পাদিকা হিচাপে মোক নিৰ্বাচন কৰি মহাবিদ্যালয়ৰ সেৱা কৰাৰ সুযোগ আগবঢ়োৱাৰ বাবে মই সমূহ বন্ধু-বান্ধৱী, দাদা-বাইদেউ, ভাইটি-ভন্টিলৈ মোৰ আন্তৰিক শ্ৰদ্ধা তথা মৰম যাছিলোঁ।

বিগত বছৰবোৰৰ দৰে এই বছৰো আমাৰ মহাবিদ্যালয়ৰ 'মহাবিদ্যালয় সপ্তাহ' উলহ মালহেৰে উদ্‌যাপিত হয়। মহাবিদ্যালয় সপ্তাহৰ লগত সংগতি ৰাখি শ্বহীদ বেদী সজাই পৰাই তোলা আৰু শ্বহীদ বেদীত মাল্যাৰ্পণ কৰা কাৰ্যসূচী চলাই নিয়াৰ দায়িত্ব মোৰ হাতত পৰিছিল। মই সকলোৰে সহযোগত এই দায়িত্ব সুচাৰুৰূপে পালন কৰিছো। তদুপৰি ছাত্ৰ একতা সভাৰ বিভিন্ন কাম-কাজ চলাই নিয়াত সদায়ে আগভাগ লৈছোঁ।

মোৰ বিভাগীয় কাম-কাজ চলাই নিয়াত বিভিন্ন সু-পৰামৰ্শ আগবঢ়োৱাৰ লগতে সকলো দিশেৰে সহায়-সহযোগিতা আগবঢ়োৱাৰ বাবে আমাৰ মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ মহোদয়, তত্বাৱধায়ক, অধ্যাপক-অধ্যাপিকা তথা অন্যান্য সকলো ছাৰ-বাইদেউলৈ আন্তৰিক কৃতজ্ঞতা জনালোঁ।

সদৌ শেষত মোৰ কাৰ্য্যকালত জ্ঞাত-অজ্ঞাত ভাৱে হোৱা ভুল-ক্ৰটিৰ ক্ষমা বিচাৰি আৰু লগতে মোৰ ভৱিষ্যৎ জীৱনৰ বাবে শিক্ষাগুৰু সকলৰ ওচৰত আশীৰ্বাদ বিচাৰি মই মোৰ চমু প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

'জয়তু নৱজ্যোতি মহাবিদ্যালয়
জয়তু ছাত্ৰ একতা সভা।'

ধন্যবাদেৰে—
**হেলমিনা খাতুন**
সহঃ সাধাৰণ সম্পাদিকা,
ছাত্ৰ একতা সভা
নৱজ্যোতি মহাবিদ্যালয়, কলগাছিয়া।





## তৰ্ক আৰু সুকুমাৰ কলা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

যি সকল মহান, দূৰদৰ্শী, বিদ্যোৎসাহী ব্যক্তিৰ আপ্ৰাণ প্ৰচেষ্টা, কঠোৰ পৰিশ্ৰম, ত্যাগ, অৰিহণা আৰু আশাশুধীয়া প্ৰয়াসৰ ফলত নৱজ্যোতি মহাবিদ্যালয়ে জন্ম লভিলে সেইসকল ব্যক্তিলৈ প্ৰথমেই মোৰ সশ্ৰদ্ধ প্ৰণাম যাচিছোঁ। লগতে যিসকল মহান শিক্ষাগুৰুৱে এই মহাবিদ্যালয়ৰ জৰিয়তে সমাজত জ্ঞানৰ জ্যোতি বিয়পাই ইতিমধ্যে ইহলীলা সম্বৰণ কৰিছে আৰু যিসকলে এই মহাবিদ্যালয়ৰ পৰাই জ্ঞানৰ আলোকেৰে সুফঁৰা বুটলি লৈ সমাজ গঢ়াৰ যুগমীয়া কাৰ্যত নিয়োজিত হৈ আছে সেই নমস্য ব্যক্তিসকললৈ এই শুভক্ষণত মই প্ৰণাম নিবেদিছোঁ। এইখিনিতে যিসকল বন্ধু-বান্ধৱী, দাদা-বাইদেউ, ভাইটি, ভন্টিৰ অশেষ প্ৰচেষ্টা আৰু সহযোগিতাৰ ফলত মই নৱজ্যোতি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ তৰ্ক আৰু সুকুমাৰ কলা বিভাগৰ সম্পাদকৰ পদ অলংকৃত কৰিব পাৰিছোঁ তেওঁলোকলৈ এই প্ৰতিবেদনৰ জৰিয়তে পুনৰ আন্তৰিক ধন্যবাদ ও কৃতজ্ঞতা যাচিছোঁ।

মোৰ বিভাগীয় কাম কাজ চলাই নিয়াৰ লগতে সকলো ক্ষেত্ৰতে বিভিন্ন ধৰণে সহায়-সহযোগিতা আগবঢ়োৱা বাবে আমাৰ মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ মহোদয়, মোৰ শ্ৰদ্ধাৰ সমূহ শিক্ষাগুৰু প্ৰমুখ্যে ছাত্ৰ একতা সভাৰ সকলো সদস্য -সদস্যা লৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

বিগত বছৰৰ দৰে এই বছৰো ৪৫ তম্ মহাবিদ্যালয় সপ্তাহ উদ্‌যাপনত তৰ্ক আৰু সুকুমাৰ বিভাগৰ অধীনৰ বিভিন্ন প্ৰতিযোগিতাৰ ভিতৰত তৰ্ক প্ৰতিযোগিতা, কুইজ প্ৰতিযোগিতা আৰু আকস্মিক বক্তৃতা প্ৰতিযোগিতা অনুষ্ঠিত হৈ যায়। এই প্ৰতিযোগিতা সমূহত অংশগ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰীসকলক ধন্যবাদ জনোৱাৰ লগতে পাৰদৰ্শিতা দেখুৱাবলৈ সক্ষম হোৱা ছাত্ৰ-ছাত্ৰীলৈ হিয়াভৰা অভিনন্দন জ্ঞাপন কৰিছোঁ।

তৰ্কৰ প্ৰধান ধৰ্ম হৈছে যুক্তিৰে সত্য-অসত্যতাৰ বিচাৰ কৰা। গতিকে ব্যৱহাৰিক জীৱনত তৰ্কই বাৰুকৈ প্ৰভাৱ বিস্তাৰ কৰা দেখা যায়। সেয়ে যিকোনো বিদ্যালয় মহাবিদ্যালয় এখনত পূৰ্ণ পৰ্যায়ৰ এটা তৰ্ক বিভাগৰ গুৰুত্ব একান্ত প্ৰয়োজন। কাৰণ তৰ্ক বিভাগে ছাত্ৰ-ছাত্ৰীসকলক বিভিন্ন প্ৰতিযোগিতামূলক পৰীক্ষাৰ বাবে সাজু কৰি তুলিব পাৰে। সেয়েহে এই প্ৰতিবেদনৰ জৰিয়তে সমূহ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীক তৰ্ক প্ৰতিযোগিতা তথা তৰ্ক আৰু সুকুমাৰ কলা বিভাগৰ অধীনত থকা সকলো কাৰ্যসূচীত ভৱিষ্যতে আৰু অধিক অংশ গ্ৰহণ কৰিবলৈ অনুৰোধ কৰিছোঁ। মোৰ কাৰ্যকালত গঠনমূলক দিহা-পৰামৰ্শ দি সহায় কৰা তত্বাৱধায়ক অধ্যাপক আব্দুল কুদ্দুছ মহাশয় আৰু ছাত্ৰ একতা সভাৰ সমূহ সম্পাদক-সম্পাদিকা সকললৈ আন্তৰিক অভিনন্দন যাচিছোঁ। ইয়াৰোপৰি আমাৰ মহাবিদ্যালয়ৰ তৰ্ক আৰু সুকুমাৰ কলা বিভাগৰ অধিনস্থ বিভিন্ন প্ৰতিযোগিতা আদি পৰিচালনাত সহায়-সহযোগ কৰা সমূহ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীলৈ কৃতজ্ঞতা জনালোঁ।

সদৌ শেষত মহাবিদ্যালয়ৰ এবছৰীয়া কাৰ্যকালত অজানিতে কৰি অহা ভুলৰ বাবে সদৌটিৰ ওচৰত ক্ষমা বিচাৰিছোঁ। নৱজ্যোতি মহাবিদ্যালয়ৰ জ্ঞানৰ পোহৰেৰে সদায়েই চৌদিশ উজলি থাকক তাৰে কামনা কৰি তৰ্ক আৰু সুকুমাৰ কলা বিভাগৰ সম্পাদকীয় প্ৰতিবেদন সামৰিছোঁ।

'জয়তু নৱজ্যোতি মহাবিদ্যালয়
জয়তু ছাত্ৰ একতা সভা।'

ধন্যবাদেৰে—
**মিজানুৰ ৰহমান**
সম্পাদক
তৰ্ক আৰু সুকুমাৰ কলা বিভাগ
ছাত্ৰ একতা সভা
নৱজ্যোতি মহাবিদ্যালয়, কলগাছিয়া।

## গুৰু খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতেই নৱজ্যোতি মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ, উপাধ্যক্ষ তথা অধ্যাপক-অধ্যাপিকা সকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ। যিসকল মহান ব্যক্তিৰ অশেষ চেষ্টাৰ ফলত আমাৰ এই মহাবিদ্যালয়খন গঢ়ি উঠিছে সেই মহান ব্যক্তিৰ ভিতৰত জীয়াই থকা সকললৈ অশেষ ধন্যবাদ জনালোঁ লগতে আমাৰ মাজৰ পৰা চিৰবিদায় লোৱা সকলৰ আত্মাৰ চিৰশান্তি কামনা কৰিলোঁ। যিসকল বন্ধু বান্ধৱীৰ অশেষ চেষ্টা আৰু আশীৰ্বাদত মই ২০১৫-১৬ ইং বৰ্ষৰ ছাত্ৰ একতা সভাৰ গুৰু খেল বিভাগৰ সম্পাদকৰ পদত জয়ী হ'ব পাৰিছো তেওঁলোকক মই আন্তৰিক ভাৱে ধন্যবাদ জনাইছোঁ। বিগত বছৰৰ দৰেই এই বছৰো আমাৰ মহাবিদ্যালয় সপ্তাহ উলহ মালহেৰে উদ্‌যাপিত হয়। মহাবিদ্যালয় সপ্তাহ উপলক্ষ্যে হৈ যোৱা খেল-ধেমালিত ছাত্ৰ-ছাত্ৰীৰ অংশ গ্ৰহণ আছিল উৎসাহজনক। মহাবিদ্যালয় সপ্তাহ উপলক্ষে হৈ যোৱা বিভিন্ন খেল-ধেমালিত যি সকল ছাত্ৰ-ছাত্ৰীয়ে প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থান অধিকাৰ কৰিছে তেওঁলোকক আন্তৰিক অভিনন্দন জনাইছোঁ লগতে তেওঁলোকৰ ভৱিষ্যৎ জীৱনৰ উজ্জ্বল কামনা কৰিছোঁ। যি সকলে খেল ধেমালিত অংশ গ্ৰহণ কৰি মোৰ কাৰ্যসূচীসমূহ সফল কৰি তুলিছিল, তেওঁলোককো মোৰ তৰফৰ পৰা ধন্যবাদ জনাইছোঁ।

খেল ধেমালি যে শিক্ষাৰ এক গুৰুত্বপূৰ্ণ অংগ লগতে মিলাপ্ৰীতি আৰু ভাব বিনিময়ৰ এক গুৰুত্বপূৰ্ণ মাধ্যম এই কথা নৱজ্যোতি মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে বুজি পাইছে আৰু উৎসাহেৰে বিভিন্ন খেল-ধেমালি প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰিছে। সেয়ে নৱজ্যোতি মহাবিদ্যালয়ৰ সকলো ছাত্ৰ-ছাত্ৰীয়ে ভৱিষ্যতে আৰু অধিক খেল-ধেমালিৰ ক্ষেত্ৰখনলৈ আগুৱাই আহি নৱজ্যোতি মহাবিদ্যালয়ৰ সুনাম কঢ়িয়াই আনিব বুলি কামনা কৰিলো। মহাবিদ্যালয় সপ্তাহ উপলক্ষে হৈ যোৱা খেল-ধেমালিত মোক অতিকৈ সহায়-সহযোগিতা কৰা আৰু পৰামৰ্শ দিয়া সন্মানীয় শিক্ষাগুৰু আৰু গুৰু খেল বিভাগৰ তত্বাৱধায়ক অধ্যাপক ড° ফখৰুল আলম ছাৰ আৰু ধ্ৰুৱজ্যোতি দাস ছাৰক মই আন্তৰিকভাৱে ধন্যবাদ জনাইছো। লগতে যিসকল বন্ধু -বান্ধৱীয়ে মহাবিদ্যালয় সপ্তাহত মোক সহায় সহযোগিতা কৰিছিল তেওঁলোকক ধন্যবাদ জনাইছোঁ।

সদৌ শেষত আমাৰ গৌৰৱ নৱজ্যোতি মহাবিদ্যালয়ৰ ভৱিষ্যৎ উজ্জ্বল কামনা কৰি আৰু মোৰ কাৰ্যকালত অজানিতে হোৱা ভুল ত্ৰুটিৰ মাৰ্জনা বিচাৰি প্ৰতিবেদন সামৰিছোঁ।

"জয়তু নৱজ্যোতি মহাবিদ্যালয়।"

ধন্যবাদেৰে

**ছাদ্দাম হুছাইন**

গুৰু খেল বিভাগৰ সম্পাদক

ছাত্ৰ একতা সভা

নৱজ্যোতি মহাবিদ্যালয়।





## লঘু খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতেই নৱজ্যোতি মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ, উপাধ্যক্ষ, অধ্যাপক আৰু অধ্যাপিকা সকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ। যিসকল মহান ব্যক্তিৰ আপ্ৰাণ চেষ্টাৰ ফলত আমাৰ এই মহাবিদ্যালয়খন গঢ়ি উঠিছে, সেই মহান ব্যক্তিসকলৰ ভিতৰত জীয়াই থকা সকললৈ অশেষ ধন্যবাদ জনালোঁ। লগতে আমাৰ মাজৰ পৰা চিৰ বিদায় লোৱা সকলৰ আত্মাৰ চিৰ শান্তি কামনা কৰিলোঁ।

এইখিনিতে যিসকল ছাত্ৰ-ছাত্ৰী, দাদা-বাইদেউ আৰু বন্ধু-বান্ধৱীয়ে অশেষ কষ্ট কৰি তেওঁলোকৰ অতি মূল্যবান ভোটেৰে মোক ছাত্ৰ একতা সভাৰ লঘু খেল বিভাগৰ সম্পাদকৰ পদত নিৰ্বাচিত কৰিছিল আৰু এক গুৰু দায়িত্ব বহন কৰাৰ বাবে সুযোগ দিছিল, সেইসকল দাদা-বাইদেউ আৰু বন্ধু-বান্ধৱীলৈ মোৰ অন্তৰৰ গভীৰ কোণৰ পৰা অশেষ ধন্যবাদ জনাইছোঁ। এইবেলি মোৰ কাৰ্যকালত মহাবিদ্যালয় সপ্তাহত লঘু খেল বিভাগত বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত হয়। ইয়াত অংশ লোৱা তথা পাৰদৰ্শিতা দেখুওৱা ছাত্ৰ-ছাত্ৰীলৈ হিয়া ভৰা অভিনন্দন জ্ঞাপন কৰিছোঁ। অন্যান্য বছৰৰ দৰে এই বেলিও যথেষ্ট সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে লঘু বিভাগৰ দ্বাৰা আয়োজিত বিভিন্ন প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰে।

মোৰ কাৰ্য্যকালত গঠনমূলক দিহা-পৰামৰ্শ দি সহায় কৰা তত্বাৱধায়কদ্বয় আৰু ছাত্ৰ একতা সভাৰ সমূহ সম্পাদক, সম্পাদিকা সকললৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। ইয়াৰ উপৰিও আমাৰ মহাবিদ্যালয়ৰ লঘুখেল বিভাগৰ অধীনত হোৱা বিভিন্ন খেল-ধেমালি যেনে— বেডমিন্টন, ভলীবল, চেছ, চাইনিছ, চেকাৰ, কেৰম, লুডু আদি পৰিচালনাত সহায় সহযোগ কৰা সমূহ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীলৈ কৃতজ্ঞতা জনালোঁ।

সদৌ শেষত মহাবিদ্যালয়ৰ এবছৰীয়া কাৰ্য্যকালত অজানিতে কৰি অহা ভুলৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰি লগতে নৱজ্যোতি মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতি কামনা কৰি মই মোৰ এই ক্ষুদ্ৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

জয়তু নৱজ্যোতি মহাবিদ্যালয়

জয়তু নৱজ্যোতি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা

ধন্যবাদেৰে

**ৰাববুল আলম**

লঘু খেল বিভাগ, ছাত্ৰ একতা সভা

নৱজ্যোতি মহাবিদ্যালয়, কলগাছিয়া।

# সমাজ সেৱা বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে নৱজ্যোতি মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ তথা অধ্যাপক অধ্যাপিকা সকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ। যিসকল মহান ব্যক্তিৰ আপ্ৰাণ চেষ্টাৰ ফলত আমাৰ এই মহাবিদ্যালয়খন গঢ়ি উঠিছে, সেই মহান ব্যক্তিসকলৰ ভিতৰত যিসকল জীয়াই আছে তেখেতসকলৰ দীৰ্ঘায়ু কামনা কৰিছোঁ তথা যিসকলে আমাক এৰি পৰলোকগামী হৈছে তেখেতসকলৰ বিদেহী আত্মাৰ চিৰ শান্তি কামনা কৰিলোঁ।

যিসকল বন্ধু-বান্ধৱী, দাদা-বাইদেউ, ভাইটি-ভন্টিৰ অশেষ প্ৰচেষ্টাৰ ফলত মই এই মহাবিদ্যালয়ৰ ছাত্ৰ-একতা সভাৰ ২০১৫-১৬ ইং বৰ্ষৰ সমাজ সেৱা বিভাগৰ পদ অলংকৃত কৰিবলৈ সক্ষম হৈছিলোঁ সেইসকললৈ প্ৰতিবেদনৰ জৰিয়তে আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ। নৱজ্যোতি মহাবিদ্যালয়ৰ সেৱা কৰাৰ এইকণ সুযোগ আগবঢ়োৱাৰ বাবে আপোনাসবৰ ওচৰত মই চিৰ কৃতজ্ঞ হৈ ৰ'ম।

এইবেলি মহাবিদ্যালয় সপ্তাহৰ প্ৰথম দিনাই মহাবিদ্যালয়খন সেউজীকৰণ কৰাৰ অৰ্থে ছাত্ৰ-একতা সভাৰ সমাজ সেৱা বিভাগৰ উদ্যোগত মহাবিদ্যালয় চৌহদত বৃক্ষৰোপন কাৰ্যসূচী সফলতাৰে পালন কৰা হয়। ইয়াত শিক্ষাগুৰুসকলৰ লগতে বহুতো ছাত্ৰ-ছাত্ৰীয়ে নিজ ইচ্ছাই শ্ৰমদান কৰি সেৱাৰ মনোভাৱ প্ৰদৰ্শন কৰাৰ বাবে মই ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী তথা মাননীয় শিক্ষাগুৰু সকললৈ পুনৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

মোৰ কাৰ্যকালত নানা দিশত পৰামৰ্শ আৰু সহায়-সহযোগিতা আগবঢ়োৱা ব্যক্তিসকললৈ আন্তৰিক ধন্যবাদ যাচিছোঁ। মোৰ বিভাগৰ তত্ত্বাৱধায়ক অধ্যাপক মাননীয় ৰমজান আলী মহোদয়ে কাৰ্যক্ষেত্ৰত মোক বহুত সহায় সহযোগিতা আগবঢ়াই মোৰ বিভাগৰ সকলো কাম কৰাত সহায় কৰিছিল সেয়ে তেখেতলৈ আন্তৰিক শ্ৰদ্ধা নিবেদিছোঁ।

সদৌ শেষত মোৰ কাৰ্যকালত জ্ঞাত-অজ্ঞাতভাৱে হোৱা ভুল-ত্ৰুটিৰ মাৰ্জনা বিচাৰি লগতে শিক্ষাগুৰুসকলৰ ওচৰত দোৱা আৰু আশীৰ্বাদ বিচাৰি মই মোৰ চমু প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

"জয়তু নৱজ্যোতি মহাবিদ্যালয়।
জয়তু ছাত্ৰ-একতা সভা।"

ধন্যবাদেৰে
**ছামিনা ইয়াছমিন**
সম্পাদিকা
সমাজ সেৱা বিভাগ
ছাত্ৰ একতা সভা
নৱজ্যোতি মহাবিদ্যালয়, কলগাছিয়া





# শৰীৰ চৰ্চা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতেই মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ, উপাধ্যক্ষ, অধ্যাপক আৰু অধ্যাপিকা সকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা তথা ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱ সকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

মোৰ কাৰ্য কালত মহাবিদ্যালয় সপ্তাহত অনুষ্ঠিত কৰা খেলসমূহ হ'ল— পাঞ্জা, দেহশ্ৰী, ভাৰ উত্তোলন আৰু বোক ডাউন (Push Up)।

Push Up খেল মোৰ কাৰ্য্যকালত প্ৰথম বাৰৰ কাৰণে অনুষ্ঠিত হয়। পূৰ্বতে আমাৰ মহাবিদ্যালয়ত এই
খেল অনুষ্ঠিত হোৱা নাছিল। মোৰ বিভাগীয় সমূহ প্ৰতিযোগিতাতে ছাত্ৰ-ছাত্ৰীৰ অংশ গ্ৰহণ আছিল উৎসাহজনক।
প্ৰতিযোগিতাসমূহত ছাত্ৰ-ছাত্ৰীৰ বিপুল সঁহাৰিয়ে মহাবিদ্যালয়ৰ উজ্জ্বল দিশটোলৈ আঙুলিয়াই। মহাবিদ্যালয় সপ্তাহ
উপলক্ষে বিভিন্ন ক্ষেত্ৰত মোক সহায় আৰু পৰামৰ্শ আগবঢ়োৱাৰ বাবে তত্বাৱধায়ক অধ্যাপক মাননীয় মাছুদ
হাছান মহোদয়ৰ লগতে শ্ৰদ্ধাৰ শিক্ষক-শিক্ষয়িত্ৰী সকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। সকলো
ক্ষেত্ৰত মোক সু-পৰামৰ্শ দি সহায় কৰা ছাত্ৰ একতা সভাৰ সমূহ সদস্য, সদস্যা সকললৈ মোৰ আন্তৰিক অভিনন্দন
জ্ঞাপন কৰিছোঁ।

মোৰ কাৰ্য্যকালত মহাবিদ্যালয়ৰ জিম খানা আগতকৈ বহু উন্নত হৈছে। তথাপি আমাৰ জিম খানাত
আন্তৰ্জাতিক পৰ্যায়ৰ সঁজুলিৰ অভাৱ। এইক্ষেত্ৰত মহাবিদ্যালয়ৰ কৰ্তৃপক্ষক উপযুক্ত ব্যৱস্থা ল'বলৈ অনুৰোধ জনালোঁ।

সদৌ শেষত মোৰ কাৰ্য্যকালত আৰু প্ৰতিবেদনত থকা ভুল ত্ৰুটিবোৰৰ মাৰ্জনা বিচাৰি তথা নৱজ্যোতি
মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতি আৰু সকলো ছাত্ৰ-ছাত্ৰীৰ সু-শিক্ষা কামনা কৰি এই প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

"জয়তু নৱজ্যোতি মহাবিদ্যালয়"।
"জয়তু ছাত্ৰ একতা সভা"।

ধন্যবাদেৰে
**হাচানুৰ ৰহমান**
সম্পাদক
শৰীৰ চৰ্চা বিভাগ
ছাত্ৰ একতা সভা
নৱজ্যোতি মহাবিদ্যালয়, কলগাছিয়া

# ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতেই নৱজ্যোতি মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ তথা অধ্যাপক-অধ্যাপিকা সকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ। এই ছেগতে যি সকল মহান ব্যক্তিৰ অশেষ চেষ্টাৰ ফলত আমাৰ এই মহাবিদ্যালয়খন গঢ়ি উঠিছে সেই মহান ব্যক্তি সকললৈ আন্তৰিক শ্ৰদ্ধা নিবেদিছোঁ।

যিসকল দাদা-বাইদেউৰ অশেষ চেষ্টা আৰু আশীৰ্বাদত মই ২০১৫-১৬ ইং বৰ্ষৰ ছাত্ৰ-একতা সভাৰ ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকা পদত জয়ী হ'ব পাৰিছো সেইসকল দাদা-বাইদেউক মই আন্তৰিক ধন্যবাদ জনাইছোঁ। বিগত বছৰৰ দৰে এই বছৰো আমাৰ মহাবিদ্যালয় সপ্তাহ উলহ মালহেৰে উদ্‌যাপিত হয়। মহাবিদ্যালয় সপ্তাহ উপলক্ষে ছাত্ৰী জিৰণী কোঠা বিভাগৰ অধীনত হোৱা সমূহ খেল-ধেমালিত ছাত্ৰীসকলৰ অংশ গ্ৰহণ আছিল অতি উৎসাহ জনক। মহাবিদ্যালয় সপ্তাহ উপলক্ষে হৈ যোৱা বিভিন্ন খেল-ধেমালিত যি সকল ছাত্ৰীয়ে প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থান অধিকাৰ কৰিছে- তেওঁলোকলৈ মোৰ আন্তৰিক অভিনন্দন যাছিছোঁ। লগতে তেওঁলোকৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰিছোঁ। মোৰ কাৰ্যকালত গঠন মূলক দিহা পৰামৰ্শ দি সহায় কৰা তত্বাৱধায়ক অধ্যাপিকা মাননীয়া ছৈয়দা হামিদা বেগম মহাশয়াক অশেষ ধন্যবাদ যাছিছোঁ। ছাত্ৰ-একতা সভাৰ সমূহ সম্পাদক -সম্পাদিকা সকললৈ আন্তৰিক অভিনন্দন যাচিছোঁ। ইয়াৰ উপৰিও ছাত্ৰী-জিৰণী কোঠাৰ অধীনস্থ বিভিন্ন খেল-প্ৰতিযোগিতা আদি পৰিচালনা কৰাত সহায়-সহযোগ কৰা সমূহ ছাত্ৰ-ছাত্ৰী আৰু দাদা-বাইদেউ সকলক কৃতজ্ঞতা জনালোঁ।

সদৌ শেষত মহাবিদ্যালয়ৰ এবছৰীয়া কাৰ্য্যকালত কৰি অহা অজানিত ভুলৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰি তথা নৱজ্যোতি মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰি ছাত্ৰী জিৰণী কোঠাৰ সম্পাদকীয় প্ৰতিবেদন সামৰিছোঁ।

"জয়তু নৱজ্যোতি মহাবিদ্যালয়
জয়তু ছাত্ৰ একতা সভা।"

ধন্যবাদেৰে
**ৰেজিনা খাতুন**
সম্পাদিকা
ছাত্ৰী জিৰণী কোঠা
ছাত্ৰ একতা সভা
নৱজ্যোতি মহাবিদ্যালয়, কলগাছিয়া





# ছাত্ৰ জিৰণী কোঠাৰ সম্পাদকৰ প্ৰতিবেদন

যিসকল মহান, দূৰদৰ্শী, বিদ্যোৎসাহী ব্যক্তিৰ আপ্ৰাণ প্ৰচেষ্টা, কঠোৰ পৰিশ্ৰম, ত্যাগ, অৰিহণা আৰু আশাশুধীয়া প্ৰয়াসৰ ফলত নৱজ্যোতি মহাবিদ্যালয়ে জন্ম লভিলে তথা যি সকল মহান শিক্ষা গুৰুৱে, এই মহাবিদ্যালয়ৰ জৰিয়তে সমাজত জ্ঞানৰ জ্যোতি বিয়পাই সমাজ গঢ়াৰ যুগমীয়া কাৰ্যত নিয়োজিত হৈ আহিছে সেই নমস্য ব্যক্তি সকললৈ এই শুভক্ষণত মই প্ৰণাম নিবেদিছোঁ।

এইখিনিতে যিসকল, বন্ধু-বান্ধৱী, দাদা-বাইদেউ, ভাইটি-ভন্টিৰ অশেষ প্ৰচেষ্টা আৰু সহযোগিতাৰ ফলত নৱজ্যোতি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ ছাত্ৰ জিৰণী কোঠাৰ সম্পাদকৰ পদ অলংকৃত কৰিবলৈ সক্ষম হৈছিলোঁ, তেওঁলোকলৈ এই প্ৰতিবেদনৰ জৰিয়তে পুনৰ আন্তৰিক ধন্যবাদ ও কৃতজ্ঞতা যাচিছোঁ।

মোৰ বিভাগীয় কাম-কাজ চলাই নিয়াৰ লগতে সকলো ক্ষেত্ৰতে বিভিন্ন ধৰণে সহায়-সহযোগিতা আগবঢ়োৱা বাবে আমাৰ মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ মহোদয়, মোৰ শ্ৰদ্ধাৰ সমূহ শিক্ষাগুৰু প্ৰমুখ্যে ছাত্ৰ একতা সভাৰ সকলো সদস্য-সদস্যালৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

বিগত বছৰৰ দৰে এই বছৰো ৪৫ তম্ মহাবিদ্যালয় সপ্তাহ উদ্‌যাপন হয়। মহাবিদ্যালয় সপ্তাহ উপলক্ষে ছাত্ৰ জিৰণী কোঠাৰ অধীনত হোৱা হৈ যোৱা খেল-ধেমালিত ছাত্ৰ-ছাত্ৰীৰ অংশ গ্ৰহণ আছিল উৎসাহজনক। বিভিন্ন খেল-ধেমালিত যিসকল ছাত্ৰ-ছাত্ৰীয়ে স্থান অধিকাৰ কৰিছে তেওঁলোকলৈ মই আন্তৰিক অভিনন্দন জনাইছোঁ। লগতে যিসকলে খেল-ধেমালিত অংশ গ্ৰহণ কৰিছিল কিন্তু স্থান পাবলৈ সক্ষম হোৱা নাই তেওঁলোকলৈ মোৰ তৰফৰ পৰা ধন্যবাদ জনাইছোঁ। যি সকল বন্ধু-বান্ধৱীয়ে মহাবিদ্যালয় সপ্তাহত মোক সহায় সহযোগিতা কৰিছিল তেওঁলোককো এই ছেগতে ধন্যবাদ জনাইছোঁ।

সদৌ শেষত আমাৰ গৌৰৱ নৱজ্যোতি মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰি আৰু মোৰ কাৰ্যকালত অজানিতে হোৱা ভুল ত্ৰুটিৰ মাৰ্জনা বিচাৰি প্ৰতিবেদন সামৰিছোঁ।

"জয়তু নৱজ্যোতি মহাবিদ্যালয়

ধন্যবাদেৰে—
**হামিদুল ইছলাম**
সম্পাদক
ছাত্ৰ জিৰণী কোঠা
ছাত্ৰ একতা সভা
নৱজ্যোতি মহাবিদ্যালয়, কলগাছিয়া।

# Ex. Editors & Editress

| Issue | Name | Session |
|---|---|---|
| 1st | Rafiqul Islam | 1979-80 |
| 2nd | L. M. Khan | 1981-82 |
| 3rd | M. Mazedur Rahman | 1982-83 |
| 4th | Rustom Ali Ahmed | 1983-84 |
| 5th | Miss Mahmuda Khanam | 1984-85 |
| 6th | Nurul Islam | 1985-86 |
| 7th | M.U. Ahmed | 1986-87 |
| 8th | A.S. Ahmed | 1987-88 |
| 9th | A. H. Ali | 1988-89 |
| 10th | M.A. Rahman | 1989-90 |
| 11th | Rafiqul Islam | 1990-91 |
| 12th | Shahjahan Ali (Shazamal) | 1991-92 |
| 13th | Muzammel Hussain | 1992-93 |
| 14th | Zahidul Islam | 1993-94 |
| 15th | Zakir Hussain | 1994-95 |
| 16th | Helal Uddin | 1995-96 |
| 17th | Azad Hussain Sarif | 1996-97 |
| 18th | Nurul Islam | 1997-98 |
| 19th | Late Shahjahan Ahmed | 1998-99 |
| 20th | Dost Hafizur Rahman | 2001-02 |
| 21th | Rofiqul Islam | 2002-03 |
| 22nd | Shahjahan Ali | 2003-04 |
| 23rd | Rafikul Islam | 2005-06 |
| 24th | Atiqur Rahman | 2008-09 |
| 25th | Ashan Ali (In-charge) | 2010-11 |
| 26th | Saiful Islam | 2012-13 |
| 27th | Hafizur Rahman | 2014-2015 |







৪৫ তম্ মহাবিদ্যালয়ৰ নৱাগত আদৰণি সভাত ভাষণৰত অৱস্থাত নিৰ্দিষ্ট বক্তা -ড° খনীন চন্দ্ৰ চৌধুৰী



৪৫ তম্ মহাবিদ্যালয়ৰ 'নৱাগত আদৰণি সভা'ত আমন্ত্ৰিত সন্মানীয় অতিথিবৃন্দ




৪৫ তম নৱাগত আদৰণি সভাৰ সাংস্কৃতিক অনুষ্ঠানত গীত পৰিৱেশনৰত অৱস্থাত আমন্ত্ৰিত শিল্পী বেবী কুইন




বৰপেটা জিলা দুৰ্যোগ ব্যৱস্থাপনা সংস্থাৰ দ্বাৰা মহাবিদ্যালয়ত আয়োজিত প্ৰশিক্ষণ শিবিৰৰ দৃশ্যাংশ





নৱজ্যোতি মহাবিদ্যালয়ৰ IQACৰ দ্বাৰা



'ৰাজনীতি বিজ্ঞান ফ'ৰাম' ৰ দ্বাৰা প্ৰকাশিত

## ২০১৬ ইং বৰ্ষত মহাবিদ্যালয়ত আয়োজিত 'শিক্ষক দিৱস'ৰ কেতবোৰ সোণসেৰীয়া মুহূৰ্ত


















## ইং ২০১৬ বৰ্ষত মহাবিদ্যালয়ত উদ্‌যাপিত 'বিশ্ব পৰিবেশ দিৱস' উপলক্ষে আয়োজিত বৃক্ষৰোপণ কাৰ্যসূচীত অংশগ্ৰহণ কৰা অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰীসকলৰ একাংশ







নৱজ্যোতি মহাবিদ্যালয়ত কণ কণ ছাত্ৰ-ছাত্ৰীৰ মাজত আয়োজিত চিত্ৰাংকণ প্ৰতিযোগিতা



ইং ২০১৬ বৰ্ষৰ নৱজ্যোতি মহাবিদ্যালয়ৰ ছাত্ৰী নিবাসত আয়োজিত বিদায় সভাৰ এটি মুহূৰ্ত

## মহাবিদ্যালয়ত অনুষ্ঠিত বিভিন্ন অনুষ্ঠানৰ কেতবোৰ আকৰ্ষণীয় মুহূৰ্ত



ইং ২০১৪-১৫ বৰ্ষৰ বাৰ্ষিক আলোচনী 'নৱজ্যোতি' উন্মোচনৰ মুহূৰ্ত




কেচু সাৰ উৎপাদন ক্ষেত্ৰ নিৰীক্ষণ কৰা মুহূৰ্তত বিশেষজ্ঞ তছলিমা চুলতানা বেগম বাইদেউ




কেন্দ্ৰীয় পুথিভঁৰাল আৰু ৰাজনীতি বিজ্ঞান বিভাগৰ যুটীয়া সহযোগত আয়োজিত অ'ৰিয়েনটেচন প্ৰগ্ৰাম



অধ্যক্ষ, শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীসকলে পালন কৰা আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ এটি মুহূৰ্ত



শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিত মহাত্মা গান্ধীৰ মৃত্যু বাৰ্ষিকী পালনৰ এটি মুহূৰ্ত



মহাবিদ্যালয়ত আয়োজিত কেৰিয়াৰ কাউনচেলিঙৰ এটি মুহূৰ্ত




নৱাগত ছাত্ৰ-ছাত্ৰীৰ বাবে আয়োজিত কাউনচেলিং অনুষ্ঠানত ভাষণৰত অৱস্থাত আমাৰ অধ্যক্ষ মহোদয়




মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ মঞ্চৰ দ্বাৰা আয়োজিত বিশেষ অনুষ্ঠানত ভাষণৰত অৱস্থাত ছাত্ৰ মঞ্চৰ সভাপতি ইছমাইল হুছেইন




Printed at: M/s Impression, Sorbhog